# এই সংখ্যাৰ নিবেদনঃ

## প্ৰবন্ধ


॥ ১ ॥ কাৰ্বি সমাজৰ বিবাহ-পদ্ধতি
শ্ৰীকেহাই ৰে
॥ ৬ ॥ আমাৰ ধৰ্মজ্ঞান আৰু ধৰ্মচক্ৰ
শ্ৰীদেৱযানী খনিকৰ
॥ ৮ ॥ সাহিত্য আৰু সাধনা
শ্ৰীহেমন্তকুমাৰ শৰ্মা
॥ ১৫ ॥ আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু কল্পচিত্ৰ
শ্ৰীকুমুদ গোস্বামী
॥ ২২ ॥ নৃত্য-নাট্য
শ্ৰীস্বপ্না বৰদলৈ
॥ ৩১ ॥ ডিটেক্টিভ সাহিত্য : এটি সমীক্ষা
শ্ৰীপ্ৰিয় বৰুৱা
॥ ৩৬ ॥ অসমীয়া শিশু-সাহিত্যৰ প্ৰকৃতি
শ্ৰীনৰকান্ত বৰুৱা
॥ ৫৩ ॥ ইংৰাজ কবিৰ দৃষ্টিত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ভাৰতবৰ্ষ
শ্ৰীদিগন্তকুমাৰ খাৰঘৰীয়া
॥ ৫৩ ॥ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প
শ্ৰীমৃণাল বৰুৱা
॥ ৫৮ ॥ অসমীয়া আধুনিক গীতৰ ক্ৰমবিকাশ আৰু জনপ্ৰিয়তা
শ্ৰীশিখা বৰুৱা
॥ ৬৬ ॥ বৰগীতৰ প্ৰকৃতি
শ্ৰীমাধৱী কলিতা
॥ ৭১ ॥ আধুনিক জাৰ্মান সাহিত্য
শ্ৰীহৰেশ্বৰ গোস্বামী
॥ ৭৩ ॥ ইণ্ডো-এংলীয় সাহিত্য
শ্ৰীবিমল চন্দ্ৰ শইকীয়া


# কটনিয়ান


বছেৰেকীয়া প্ৰকাশ : ১৯৬৪-৬৫ চন
॥ ৪১শ সংখ্যা ॥
সম্পাদক : শ্ৰীপ্ৰদীপ শইকীয়া

## শ্ৰব্য একাঙ্কিকা


॥ ৪৩ ॥ মন আৰু মন
শ্ৰীঅৰূপ বৰদলৈ


## আমাৰ শ্ৰদ্ধাঞ্জলি


॥ ৩৪ ॥ প্ৰেমনাৰায়ণৰ স্মৃতিত
ড: কালীনাথ শৰ্মা
॥ ৪২ ॥ মহীচন্দ্ৰ বৰালৈ শ্ৰদ্ধাঞ্জলি
॥ ৫৭ ॥ ৰাজমোহন নাথৰ পুণ্যস্মৃতিত

॥ ৭৬ ॥ **সম্প্ৰীতি-চ'ৰা**
চিঠি : সম্পাদকৰ পৰা সম্পাদকলৈ

॥ ৪৮ ॥ **সম্পাদকৰ কথাৰে**


## কবিতা


॥ ৭ ॥ প্ৰাৰ্থনা
শ্ৰীঅৰূপকুমাৰ শৰ্মা
॥ ১২ ॥ ছন্দ-পতন
শ্ৰীদীনেশ চন্দ্ৰ গোস্বামী
॥ ১৪ ॥ নদীৰ নাম কুহকিনী
শ্ৰীমুনীন্দ্ৰমোহন দাস
॥ ২১ ॥ অন্য এক প্ৰয়োজন
শ্ৰীলোহিত কুমাৰ দত্তবৰুৱা
॥ ২৪ ॥ প্ৰতিশ্ৰুতি
শ্ৰীসত্যেশ বণিক্য
॥ ২৯ ॥ এই ৰঙে উচুপে
শ্ৰীহৰেন্দ্ৰপতি গোস্বামী
॥ ৭০ ॥ জাতিস্মৰ
শ্ৰীদ্বিজেন্দ্ৰমোহন শৰ্মা


## চুটিগল্প


॥ ১৩ ॥ ৰজা (খলিল জিব্ৰান)
অনুবাদ : শ্ৰীঅসীম দাস
॥ ২৫ ॥ প্লাষ্টিকৰ ফুল
শ্ৰীআৰতি ভূঞা
॥ ৩৯ ॥ মনময়ূৰীৰ বেদনা
শ্ৰীনিকুল বৰুৱা
॥ ৬২ ॥ এল্ দৰেদো
শ্ৰীবিশ্বকিঙ্কৰ গোস্বামী




॥ বেটুপাতৰ শিল্পী শ্ৰীগৌৰী বৰ্মণে 'কটনিয়ান'লৈ উপহাৰস্বৰূপে পঠোৱা জীৱন আৰু কল্পনাৰ এটি স্কেচছ ॥

।। বিগত ভাৰত-পাকিস্তানৰ সংঘৰ্ষত স্বদেশৰ বাবে যিসকল বীৰ যুঁজাৰুৱে প্ৰাণ হেৰুৱালে আৰু শত্ৰুৰ বিমান আক্ৰমণৰ নৃশংসতা যিসকল দেশবাসীয়ে সুৰ পাতি ল'লে তেওঁলোকৰ করুণ স্মৃতিত আমাৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ ।।

# সংগ্ৰাম লগ্নে আজি...

১৯৬২ চনৰ চীনৰ বৰ্বৰ আক্ৰমণৰ পিছতেই ১৯৬৫ চনৰ ভাৰত-পাকিস্তান সংঘৰ্ষ ভাৰতীয় গণতন্ত্ৰৰ দ্বিতীয় ৰাষ্ট্ৰীয় দুৰ্যোগ। স্বদেশৰ স্বাধীনতা আৰু নিৰাপত্তা অক্ষুণ্ণ ৰাখিবলৈ বীৰ জোৱানসকলে উত্তৰ-পূব সীমান্তত সাহসেৰে যুঁজিলে আৰু ভাৰতীয় জনগণে জাতিধৰ্মনিৰ্বিশেষে আমাৰ জনপ্ৰিয় প্ৰধান মন্ত্ৰী শাস্ত্ৰীজীৰ পাছত থিয় দিলে—জন্মভূমিৰ হেতু সৰ্বস্ব ত্যাগ কৰাৰ প্ৰতিজ্ঞাৰে ; আৰু কবি, গীতিকাৰসকলে যুদ্ধৰত জোৱান আৰু শান্তিপ্ৰিয় দেশ-বাসীক নতুন চেতনা, নতুন অনুপ্ৰেৰণা যোগালে তেওঁলোকৰ শক্তিশালী লেখনীৰে। অসমীয়া ৰাইজে ১৯৬২ চনৰ চীনা আক্ৰমণৰ ভয়াবহতাৰ কথা কেতিয়াও পাহৰিব নোৱাৰে। ১৯৬৫ চনৰ ১১ আৰু ১২ চেপ্তেম্বৰ তাৰিখে যেতিয়া শৰাইঘাট দলং আৰু বৰঝাৰ বিমানকোঠত শত্ৰুৰ বিমানৰ ব্যৰ্থ আক্ৰমণে অসমৰ আকাশত ৰঙীন, সন্ত্ৰাসৰ ছবি এখন আঁকি দিলে, তেওঁলোক বৈ নেথাকিল,—ভাৰতৰ স্বাধীনতা অখণ্ডতাৰ বাবে পূব-প্ৰান্তত দেশপ্ৰেমৰ খলকনি তুলি দিলে। আমাৰ শিল্পী, সাহিত্যিকসকলেও এই ক্ষেত্ৰত প্ৰভূত বৰঙণি যোগালে। আশা কৰা যায়, আকাশবাণীৰ জাগৰণী অনুষ্ঠানৰ যোগেদি পৰিবেশিত শিল্পী শ্ৰীলক্ষহীৰা দাসৰ তলত দিয়া গীত দুটিয়ে আমাৰ জাতীয় জাগৃতিৰ প্ৰচেষ্টা এটি দাঙি ধৰিব পাৰিব।

**দেশজননীৰ আহ্বান**

।।১।। বজোৱা বিজয়ভেৰী
ভেদাভেদ পৰিহৰি
শুনা দেশজননীৰ আহ্বান
মৃত্যুবিজয়ী হোৱা
শঙ্কাবিহীন শুনা
দিশে দিশে জাগৰণী গান ।।
।।২।। ঋষি সাধনাৰ ভূমি
মহান দেশত আজি
দানৱৰ শুনা কোলাহল
সূৰ্য সেনানী দল
হুচিয়াৰ হুচিয়াৰ
ৰাখা দেশজননীৰ মান ।।
।।৩।। সংশয় নাই নাই
যোৱা বীৰ আগুৱাই
সুমহান এই অভিযান
জননী জন্মভূমি
তেওঁৰে পদকে নমি
খোজে খোজে হোৱা আগুৱান ।।

**কৰিব লাগিব মৃত্যু জয়**

।।১।। আজি কৰিব লাগিব মৃত্যু জয়
তই মৃত্যুঞ্জয়।
শত্ৰুৰ বুকুত আঘাত হানিবি
দস্যু কৰিবি ক্ষয় ।।
।।২।। যম কুকুৰাই দিছে ডাক শুন
ভাৰতৰ দুয়োমূৰে
অগ্নি বৰষে দিশে দিশে সউ
শাণিত অস্ত্ৰ ঘূৰে
শিৰ পাতি ল'বি মৃত্যু অশনি
শত্ৰু কৰিবি জয় ।।
।।৩।। উল্কা বজ্ৰ মৃত্যুৰ বাণে
ধৰিলে ধৰক বেৰি
বিক্ৰম তোৰ সিংহসমান
যাবি ছাৰখাৰ কৰি,
বাঘজাল তৰি নাশিবি শত্ৰু
নাই তোৰ পৰাজয় ।।



**Youth and Age**

*Drawn by*
Shri Binode Barua

# কাৰ্বি সমাজৰ বিবাহ-পদ্ধতি

শ্ৰীকেহাই বে
দ্বিতীয় বাৰ্ষিক কলা

পৰ্বত-ভৈয়ামৰ উমৈহতীয়া সংস্কৃতিয়েই অসমৰ সংস্কৃতি। কাৰণ অসমীয়া বুলিলে অসমৰ পৰ্বতে-ভৈয়ামে সিঁচৰিত হৈ থকা লোকসমষ্টিকে বুজায়। অকা, ডফলা, মিৰি, মিচিমি, আদি, কছাৰী, লুচাই, গাৰো, খাচিয়া, কাৰ্বি ( মিকিৰ ) আদি জনজাতিসমূহৰ অসমীয়া সংস্কৃতি আৰু সভ্যতালৈ দান অনুপম। অসমীয়াৰ কলা-সংস্কৃতি, গীত-মাত, আৰু ৰীতি-নীতিবোৰ পূৰ্ণাঙ্গ অৱস্থালৈ আনিবৰ কাৰণে অসমৰ কিছুসংখ্যক সুসন্তানে অশেষ কষ্ট, অশেষ চেষ্টা চলাই আহিছে। কিন্তু এতিয়ালৈকে অসমৰ জনজাতিৰ সাহিত্য-সংস্কৃতি, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ আদি সম্পূৰ্ণ উদ্ধাৰ হোৱা নাই। সেইবিলাক সম্পূৰ্ণ উদ্ধাৰ কৰিব পাৰিলেহে অসমীয়াৰ অসমীয়াত্ব আৰু অসমীয়াৰ সাহিত্য-সংস্কৃতি আদি পূৰ্ণাঙ্গ হ'ব। পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি যাতে অটুট থাকে, দুয়োপক্ষৰ প্ৰাণে প্ৰাণে যাতে অন্তঃসলিলা ফল্গুসদৃশ প্ৰেম-প্ৰীতিৰ নিজৰা যুগে যুগে বৈ থাকে এয়ে আমাৰ আন্তৰিক বাঞ্ছা। কবিয়ে অন্তৰ ফালি এই সম্প্ৰীতিৰেই ইঙ্গিত দিছে--

পৰ্বত-ভৈয়াম মিলি
ধৰি দুয়ো আঁকোৱালি
গঢ়ি ল'ম প্ৰেমৰ আলয়।

ইয়াৰ সাৰ্থকতা বিচাৰিব লাগিব 'আমিয়েই' নহয় জানো? পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ সম্পৰ্কে এটি মাথোন প্ৰবন্ধৰ শিতানেৰে উল্লেখ কৰিলেই যথেষ্ট নহয়। ইয়াত মই আপোনালোকক কাৰ্বি সমাজৰ বিয়া-বাৰুৰ সম্পৰ্কে অলপ আভাস দিবলৈ চেষ্টা কৰিছোঁ।



কাৰ্বি সমাজৰ ৰীতি-নীতি আৰু নিয়ম-কানুনৰ ভিতৰত বিয়া-বাৰুৰ পদ্ধতিও এটা অপৰিহাৰ্য অঙ্গ। বুৰঞ্জীয়ে চুকি নোপোৱা যুগতেই কাৰ্বি সমাজে বিয়া-বাৰুৰ পদ্ধতিও সীমাবদ্ধ কৰি লৈছিল। বৰ্তমান যুগতো এই পদ্ধতিকেই কাৰ্বি সমাজত চলাই আছে। কিন্তু যুগ পৰিবৰ্তন হোৱাৰ লগে লগে আৰু মানুহ সভ্য হৈ অহাৰ লগে লগে ইয়াৰ পৰিবৰ্তন কিছু পৰিমাণে পৰিলক্ষিত হৈছে যদিও বিবাহৰ মূল পদ্ধতি লৰচৰ হোৱা নাই। বৰ্তমান যুগত কিছুমান মানুহে বাহিৰৰ ৰংচঙীয়া জগতলৈ দৃষ্টিপাত কৰি আমাৰ বিয়াতো কিছু ৰংচং আৰু জাকজমকতাৰ ঠাই দিছে। জাকজমকতাপ্ৰিয় মানৱ জাতিৰ অনুষ্ঠানবিলাক যুগ পৰিবৰ্তন হোৱাৰ লগে লগে ৰংচঙীয়া আৰু জাকজমকতাপূৰ্ণ হৈ অহাটো স্বাভাৱিক। পুৰণি কালত আমাৰ বিবাহ-কাৰ্য সম্পাদন কৰোঁতে বাহ্যিক জাকজমকতা নাছিল বুলিও ক'ব পাৰি। বিয়াৰ দিনা দৰা-কন্যাই পৰিধান কৰিবলৈ নিৰ্ধাৰিত সাজ-পাৰ নাই যদিও দৰাই সচৰাচৰ 'ৰিকং মাংএৰ' আৰু 'চয়-প'হ' আদিকে পৰিধান কৰে আৰু কন্যাই 'পেছেলেং', 'লেক্ পেং-খাৰা' আৰু 'ন'কেপী' আদিকে পিন্ধি সাজি-কাছি ওলাই আহে। বৰ্তমান যুগত দৰা-কন্যাৰ সাজ-পাৰবো কিছু সাল-সলনি হোৱা দেখা গৈছে। আজিকালি দৰাই ধুতি-পাঞ্জাবী আৰু কন্যাই অসমীয়া সাজ-পাৰ মেখেলা-চাদৰ-ৰিহা আদিকে পিন্ধে। পুৰণি বিয়া-বাৰুৰ পদ্ধতি মতে কাৰ্বি সমাজত বিয়াৰ দিনা কোনো বাহ্যিক আড়ম্বৰ বা জাকজমকতাৰ আৱশ্যক বোধ নকৰে। মাত্ৰ এই সীমাবদ্ধ বিধি-বিধানকে অনুসৰণ কৰি বিয়াৰ কাৰ্য সম্পাদন কৰি যায়।

**নাৰীৰ স্বাধীনতাঃ** কাৰ্বি সমাজত পৰ্দা-প্ৰথা নাই। নাৰীৰ স্বাধীনতাও প্ৰায় পুৰুষৰ স্বাধীনতাৰ সমকক্ষ বুলিব পাৰি। সেয়েহে এজনী

ছোৱালীয়ে নিজৰ ইচ্ছামতে বা ভালপোৱাজনৰ সৈতে বিয়া হ'বলৈ পায়। ভৈয়ামৰ অসমীয়া ডেকা-গাভৰুৱে যেনেকৈ বিহুতলিত, নৈৰ ঘাটত আৰু অন্যান্য উছৱত আপোন মনে কথা পাতি তেওঁলোকৰ ভবিষ্যত-মধুৰ মিলনৰ কবিতা ৰচে, ঠিক তেনেকৈ আমাৰ কাৰ্বি ডেকা-গাভৰুহঁতেও নিজৰাৰ স্বচ্ছ পানীত প্ৰতি-বিম্ব চাই ধেমালি কৰোঁতে, শিলৰ খটখটীয়েদি নামি আহোঁতে, বুকুত মেঠনি মাৰি যোৱাই হোৱাই খৰি বুটলোঁতে, পথাৰত বনৰীয়া চৰাই খেদিবলৈ যাওঁতে, হাতে হাতে দা লৈ হাবি কটোঁতে বিয়া-সবাহত উলহ-মালহ কৰোঁতে, পূজা-দহাত একে-লগে কাম কৰোঁতে আৰু 'হাচা কেকান' (ধান চপোৱা নৃত্য) কৰোঁতে ইজনে সিজনক নিচাৰি পায়। এয়ে কাৰ্বি ডেকা-গাভৰুৰ বিয়াৰ প্ৰস্তাবৰ আগজাননী। কিন্তু কাৰ্বি ডেকা-গাভৰুৱে তেওঁলোকৰ পিতা-মাতাক অমান্য নকৰে। সেইকাৰণে সচৰাচৰ দৰাপক্ষ আৰু কন্যাপক্ষৰ মতামত লৈহে বিয়া ঠিক কৰা হয়। বিয়াৰ দিনা কন্যাৰ মতামত লোৱাটো নিয়ম। কিন্তু কিছুমান লাজকুৰীয়া কন্যাই মুখত এসোপা লাজ লৈ হৰিণীচকুৰা চকুযুৰিৰে সন্মতি বা অসন্মতি প্ৰকাশ নকৰি মনে মনে ৰহি থাকে। এই ক্ষেত্ৰত 'মৌনেন সম্মতি লক্ষণম্' বুলি ধৰি দৰাপক্ষ আৰু কন্যাপক্ষৰ মানুহে বিবাহকাৰ্য যথাযথভাৱে সম্পাদন কৰে। কিন্তু কিছুমান কন্যাই ভাল নোপোৱা দৰাৰ লগত বিয়া ঠিক কৰিলে **নিজেই** বিয়া বন্ধ কৰিব পাৰে। গতিকে কাৰ্বি সমাজত বিয়া-বাৰুৰ সম্পৰ্কে দৰা-কন্যাৰ অধিকাৰ বা স্বাধীনতা বহু ওপৰত।

বিবাহ-নিষেধ আৰু 'কুৰকেফাল' **:** কাৰ্বি সমাজত একে গোত্ৰ বা খেলৰ ভিতৰত কেতিয়াও বিয়া হ'ব নোৱাৰে। অতীজতো হোৱা নাছিল, বৰ্তমানতো হোৱা নাই। যেনে—ইংতিয়ে ইংতিৰ ঘৰৰ ছোৱালীক, তেৰাঙে তেৰাঙৰ ঘৰৰ ছোৱালীক আৰু বেয়ে বেৰ ঘৰৰ ছোৱালীক কেতিয়াও বিয়া কৰিব নোৱাৰে। এনেকি মিকিৰ খৃষ্টানসকলো এই নিয়মৰ পৰা কিঞ্চিতো বিচলিত হোৱা নাই। যদি ইয়াৰ ব্যভিচাৰ আৰু ব্যতিক্ৰম ঘটে তেনেহ'লে তাৰো বেলেগ নিয়ম-নিৰ্বন্ধ আছে। প্ৰথমতে যিকোনো উপায়েৰে দৰা-কন্যাক বিবাহ বিচ্ছেদ কৰাবলৈ চেষ্টা কৰে ; তেও যদি নোৱাৰে তেনেহলে দৰা-কন্যাক অন্য খেললৈ নি তেওঁলোকক সমাজৰ উচ্চশ্ৰেণীৰ লোক চিংথং আৰু ৰংহাঙৰ আগত বিয়া কৰোৱাই দিয়ে। তেতিয়াই দৰাজনে আপোন পিতাক 'অং' (শহুৰ) আৰু তেওঁক যি খেললৈ নিয়া হয় সেইখেলৰ মানুহক 'পিতা' বুলি সম্বোধন কৰিব লাগে। এই নিয়মক 'কুৰকেফাৰ্ল' বোলে। এনেকুৱা কঠোৰ নিয়ম থকাৰ কাৰণে সমাজত তেনে ঘটনা দেখা নেযায়। এই বিয়াত দুয়োপক্ষৰ মানুহে একো সাজ-বস্তুৰ ভাগ নেপায়। তেতিয়া দৰা-কন্যাক বাইজৰ দৰা-কন্যা হিছাবে গণ্য কৰা হয়।

আদান-প্ৰদান **:** কাৰ্বি সমাজত কোন খেলৰ মানুহে কোন খেলৰপৰা ছোৱালী আনিব পাৰে তাৰো নিৰ্ধাৰিত নিয়ম আছে, যেনে—টেৰণ খেলৰ মানুহে বে, ক্ৰ আৰু টেৰাং খেলৰ মানুহৰ পৰা ; বে, ক্ৰ আৰু টেৰাং খেলৰ মানুহে এজাং খেলৰ মানুহৰ পৰা (এজাং বংশৰ ত্ৰিশটা ঠাল আছে) ; এজাং খেলৰ মানুহে ইংতি, ইংলেং আৰু টেৰণ খেলৰ পৰা ; ইত্যাদি। অৱশ্যে বৰ্তমান যুগত এই নিয়মৰ ব্যতিক্ৰমো ঘটিছে। আজিকালি নিজৰ খেলৰ বাহিৰে কোনো বাচ-বিচাৰ নকৰা হৈছে।

ভিনীহি-খুলশালিৰ মাজত সম্বন্ধ **:** কাৰ্বি সমাজত আপোন মাতুলৰ কন্যাক বিয়া কৰাব পাৰে। সেইকাৰণে কাৰ্বিসকলৰ জেঠেৰি-বৈনাই বা ভিনীহি-খুলশালিৰ মাজত বিয়ৈ সম্বন্ধ ঘটে। খুলশালিয়ে ভিনীহিক সম্বোধন কৰি গোৱা গীতৰ নমুনা এই—

জা চাংলিন কামে  
আন খিমা বিম্‌ৰ'চেহ্  
বংছুক পাংফাৰচে  
দেং কিন্দু তকচে  
ল'টি আজাক মে  
জেং জাতি পেন লে  
ল' হ'ম্‌ৰি ৰাংকে।

অৰ্থাৎ— কিয়নো আহিছা চেনেহৰ ভিনিদেউ  
লগত লৈ বান্ধৱৰ দল,  
মূৰত পকা চুলি হাতত লাখুটি  
চকু জলক্ তলক্ হ'ল।

নিহু-কাংথিম **:** মাতুলৰ কন্যাক বিয়া কৰাব পৰাৰ কাৰণে পুতেকক নিজ ভায়েকৰ কন্যাৰ সৈতে বিয়া পাতিবলৈ মাকে বহুত প্ৰচেষ্টা কৰা সমাজত যুগে যুগে দেখা গৈছে। যদি একে ঘৰৰ বা খেলৰ পৰা ছোৱালীক পুৰুষে পুৰুষে আনি থাকে সেই খেলৰ মানুহক 'নিহু-কাংথিম' বোলে, অৰ্থাৎ পুৰুষানুক্ৰমে সম্বন্ধ হোৱা শহুৰ নাইবা বিয়ৈ। কিন্তু আজিকালি ইয়াৰ ব্যতিক্ৰম ঘটিছে। 'নিহু-কাংথিম' আজিকালি প্ৰায় নোহোৱা হৈছে। কিছুমান দৰাই নিজৰ মাতুলৰ কন্যাক ভাল নেপাই অন্য খেলৰ ছোৱালীক বিয়া কৰে। তেনেকুৱা প্ৰথম 'নিহু-কাংথিম' ছিগোতে আগৰ শহুৰ নাইবা বিয়ৈ পক্ষৰ মানুহক বিয়াৰ দিনা সাজ-বস্তুৰে মান-সন্মান দিয়াটো

নিয়ম : এই স্নাজ-বস্তৰে মান দিয়াটো 'নিহু-কেপ্লুত-আহৰ-মাই' বোলে।

**বহুপত্নী প্ৰথা :** কাৰ্বি সমাজত বহুপত্নী প্ৰথা নাই যদিও ধনী-মানীসকলে দুই তিনি গৰাকী তিৰোতালৈকে বিয়া কৰিব পাৰে। মণিপুৰত মুনিহৰ সংখ্যা তিৰোতাৰ সংখ্যাতকৈ কম হোৱাৰ কাৰণে তাত বহুপত্নী প্ৰথা প্ৰচলিত আছে। কিন্তু মিকিৰ পাহাৰত মতাৰ সংখ্যা তিৰোতাৰ সংখ্যাৰ প্ৰায় সমান; সেই কাৰণে কাৰ্বি সমাজত একপত্নী প্ৰথাহে বেছিকৈ দেখা যায়।

**বিধবা-বিবাহ প্ৰথা :** কাৰ্বি সমাজত বিধবা বিবাহ প্ৰথাও আছে। কাৰ্বি সমাজৰ এইটোও এটা বিশেষত্ব যে মৃত ককায়েকৰ ঘৈণীয়েকক ভায়েকে বিবাহ কৰিব পাৰে; কিন্তু মৃত ভায়েকৰ ঘৈণীয়েকক ককায়েকে বিয়া কৰাব নোৱাৰে। যদি কেতিয়াবা কাৰোবাৰ ব্যতিক্ৰম ঘটে তেনেহ'লে তেওঁলোকক সামাজিক প্ৰথাৰে এই মহাপাপৰ পৰা উদ্ধাৰ কৰিব লাগে।

**'কুৰ-কেপন' অৰু অন্যান্য জাতিৰ সৈতে আদান-প্ৰদান :** কাৰ্বি ৰমণীক আন আন জাতিলৈ বিয়া দিয়াটো সামাজিকভাবে কোনো বাধা নাই। কিন্তু ই অবৈধভাবে হ'ব নেলাগে। কাৰ্বি ডেকায়ো পিতৃ-মাতৃৰ সন্মতি লৈ অন্যান্য জাতিৰ ছোৱালীক বিয়া কৰাই আনিব পাৰে। সেইকাৰণে আন আন জাতিৰ সৈতে এই সম্পৰ্কত আদান-প্ৰদান হোৱা সমাজত দেখা যায়। হিন্দু, খৃষ্টান, বৈষ্ণৱ আৰু বৌদ্ধ ধৰ্মাৱলম্বী মানুহৰ সৈতে বিয়া-বাৰুৰ আদান-প্ৰদান কৰা কোনো বাধা নাই। অন্য জাতিৰ দৰাৰ ইচ্ছা হ'লে কাৰ্বিৰ খেলত সোমায়ো কাৰ্বিৰ কন্যাক বিয়া কৰাব পাৰে। এই প্ৰথাটোক 'কুৰ-কেপন' বোলে।

**বোৱাৰীৰ চিহ্ন :** ভাৰতীয় নাৰীয়ে বোৱাৰী হোৱাৰ লগে লগে কপালত সেন্দূৰৰ ফোট আৰু মূৰত ওৰণি লৈ নাৰীৰ বিশেষত্ব ফুটাই তোলে। ভৈয়ামৰ অসমীয়াৰ সমাজতো এই নিয়ম অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত। কপালত সেন্দূৰৰ ফোট আৰু মূৰৰ ওৰণিয়ে নাৰীক নাৰীত্ব আৰু মাতৃত্বৰ চিনাকি দিয়ে। কাৰ্বি নাৰীয়ে বোৱাৰী হোৱাৰ লগে লগে ভৈয়ামৰ বোৱাৰীৰ দৰে কপালত ফোট আৰু মূৰত ওৰণি নলয় যদিও আমাৰ কাৰ্বি সমাজতো বোৱাৰীৰ বিশেষত্ব আছে। কোনো কাৰ্বিদম্পতী এফালে যাত্ৰা কৰিলে তিৰোতাগৰাকী গিৰীয়েকৰ আগে আগে যাব লাগে। স্ত্ৰীক স্বামীৰ আগত ৰাখি যোৱাটো কাৰ্বিৰ সামাজিক প্ৰথা। এই প্ৰথাক কাৰ্বি ভাষাত 'কেচাৰৰি' বোলে। সমাজত তেনে প্ৰথা থকাৰ কাৰণে কোনো অবিবাহিত গাভৰুৱেই যিকোনো মতা মানুহৰ আগে আগে সচৰাচৰ যাব নোৱাৰে। এজন বিবাহিত বা অবিবাহিত পুৰুষ অন্য বোৱাৰীৰ পিছে পিছে যোৱাটো সামাজিকভাবে নিষেধ। এই দৃষ্টিভঙ্গীৰে কাৰ্বি সমাজত বিবাহিত নাৰী আৰু অবিবাহিত নাৰীৰ পাৰ্থক্য সহজতে চকুত পৰে। বৰ্তমান যুগত কাৰ্বি শিক্ষিত সমাজত কিছুসংখ্যক বোৱাৰীৰ কপালত সেন্দূৰৰ ফোট আৰু মূৰত ওৰণি লোৱাৰ দৃষ্টান্তও পৰিলক্ষিত হৈছে।

**'আদাম-আছাৰ-কাংথুৰ' বা বিয়ানাম-উদ্ধাৰ :** 'থেলু-আলুন' বা 'আদাম-আছাৰ' বুলিলে কাৰ্বিসকলৰ বিয়া সম্পৰ্কীয় গীতকেই বুজায়। কন্যা খোজাৰ পৰা আৰম্ভ কৰি বিয়াৰ কাম শেষ হৈ যোৱালৈকে সকলো কথা গীতৰ মাজেৰেই চিত্ৰিত হোৱা দেখা যায়। বিয়ানাম বিয়াৰ দিনাহে গায়। গীত নোগোৱাকৈয়ো এখন বিয়া হৈ যাব পাৰে। কিন্তু গীত নোগোৱা বিয়াখনক সাধাৰণ বিয়া বুলিহে অভিহিত কৰা যায়। গীতেৰে বিয়া পতাটো বৰ খৰছী আৰু সেই বিয়াত মধুৰতা আৰু মাদকতাও বেছি। কাৰ্বিসমাজত এনেকৈ বিয়া পতাক 'আদাম-আছাৰ-কাংথুৰ' বা বিয়ানাম-উদ্ধাৰ বুলি আখ্যা দিয়া হয়।

সচৰাচৰ কন্যাৰ ঘৰতে বিয়াখন পতা হয়। দৰাঘৰীয়া মানুহে 'হৰলাং' আৰু 'হৰ-আৰাক' (সাজ-বস্তু) আনিব লাগে। কন্যাঘৰীয়া মানুহে শাক-পাচলি, চাউল-ডাইল, নিমখ-তেল আৰু পাৰিলে মাছ-মাংস ঠিক কৰিব লাগে।

কাৰ্বি সমাজৰ বিয়াৰ মূলকথাখিনি ছটা ভাগত ভগাব পাৰি। যেনে—(১) 'নেংপী নেংছ' কাচিংকি' অৰ্থাৎ বৌ-ননন্দৰ মাজত আলোচনা, (২) 'কেহাং আহৰ' অৰ্থাৎ প্ৰথম সোধনি ভাৰ, (৩) 'আজ-আনি কেফা' অৰ্থাৎ বিয়াৰ দিন ধাৰ্যকৰণ, (৪) 'লাম্ আথেক আহৰ' অৰ্থাৎ ঘৰ-জোঁৱাই বা চপনীয়া হৈ থকা বা নথকাৰ সিদ্ধান্ত, (৫) 'কেপাংৰি আহৰ' অৰ্থাৎ আচল বিয়াৰ দিন আৰু (৬) 'পেছ-ৰিছ কেচেথন্' অৰ্থাৎ সাজ-বস্তু পুনৰ প্ৰদান।

**বৌ-ননন্দৰ মাজত আলোচনা :** বৌ-ননন্দৰ মাজতেই কাৰ্বিসকলৰ বিয়ৈনিৰ সম্বন্ধ ঘটে। প্ৰথমতে দৰাঘৰীয়া তিৰোতা কেইগৰাকীয়ে পাণ-তামোল আদি লৈ কন্যাৰ ঘৰলৈ আহে আৰু ছেগ বুজি বিয়াৰ প্ৰস্তাৱ কৰিবলৈ ইচ্ছা কৰা কথাটো প্ৰকাশ কৰে। তাৰপিছত দুয়োপক্ষৰ বৌ-ননন্দৰ মাজত আলোচনা চলে। কাৰ্বি সমাজত বৌ-ননন্দৰ মাজত বহুত মিল থকা দেখা যায়। সেইকাৰণে তেওঁলোকৰ ল'ৰা-ছোৱালী হ'লে সৰু কালতেই ল'ৰা-ছোৱালীৰ বিয়াৰ সম্পৰ্কে আলোচনা কৰি থাকে। বৌ-ননন্দৰ আলোচনাৰ

জৰিয়তে দৰাঘৰীয়া মানুহে সকলো খবৰ জানি লয়। তেতিয়া বিয়াৰ প্ৰস্তাব দাঙি ধৰিব খোজা খবৰ মাকে জীয়েকক কয়।

**প্ৰথম সোধনি ভাৰ :** বৌ-ননন্দৰ মাজত আলোচনাৰ পিছত দৰাঘৰীয়া মানুহে যা-যোগাৰত ধৰে। সময়, অৱস্থা আৰু পৰিবেশ বুজি দৰাপক্ষৰ মানুহ মিতিৰ-কুটুমসকলৰ সৈতে আকৌ কন্যাৰ ঘৰলৈ আহে। 'হৰ-আলাং' আৰু 'হৰ-আবাক' অৰ্থাৎ সাজ-বস্তুবিলাক 'হাক'ত (তিৱোতা মানুহে ব্যৱহাৰ কৰা খাং) ভৰাই ডেকা-গাভৰুহঁতে লৈ অহাটো নিয়ম। প্ৰথম সোধনি ভাৰ পেলাবলৈ আহোঁতে দৰা লগত আহিব লাগে। কিন্তু দৰাই তাত কৰিবলগীয়া কাম একো নেথাকে। দৰা-কন্যাৰ দেখা-সাক্ষাৎ কৰিবলৈ কোনো ব্যৱস্থাও নেথাকে। ৰাতি দৰাঘৰীয়া মানুহে কন্যাৰ পিতা-মাতাক সাজ-বস্তুৰে মান-সন্মান কৰিব লাগে। কন্যাৰ ঘৰত মতা মানুহ যিমান থাকে তেওঁলোকেও সাজ-বস্তুৰ ভাগ পায়। মাননি দিয়াৰ পিছত কন্যাঘৰীয়া মানুহ (খুলশালি) আৰু দৰাঘৰীয়া মানুহৰ (ভিনীহি) মাজত কথোপকথন চলে। প্ৰথম সোধনি ভাৰ পেলাবলৈ আহোঁতে গীত গোৱা নহয়, আচল বিয়াৰ দিনাহে গীত গায়। ভিনীহি-খুলশালিৰ মাজত কথোপকথনৰ তাৎপৰ্যও বৰ প্ৰসংশনীয়। কথোপকথনৰ কথাখিনি সীমাবদ্ধ আৰু মুখস্থ। তাৰে অসমীয়া ৰূপান্তৰ এই— "সমনীয়া গাভৰু ছোৱালী থকা বুলি জানি এদিনাখন বৌ-ননন্দৰ মাজত আলোচনা কৰা হ'ল। সেইদিনাৰ কথামতে আজি সাজ-বস্তুৰে আপোনালোকৰ ওচৰলৈ আহিছোঁ। কাপোৰ ব'ব-গুঠিব নজনা আৰু ৰান্ধিব-বাঢ়িব নজনা কথাটো আমি নিজেই শিকাই ল'লে পাৰিব। ভগৱানে তাইক শিকাব। ছোৱালীজনীক আমালৈ দিয়াৰহে কথা।" এইদৰে খুলশালিৰ তিনিবাৰ আৰু ভিনীহিৰ তিনিবাৰকৈ কথোপকথন চলে। কথোপকথন এবাৰ পিছত কন্যাঘৰীয়া মানুহে কন্যাৰ সন্মতি বা অসন্মতি জানিবৰ কাৰণে কন্যাক সোধে। এই সাজ-বস্তু খাবলৈ পোৱা বা নোপোৱাটো কন্যাৰ সন্মতি বা অসন্মতিৰ ওপৰত নিৰ্ভৰ কৰে। যদি কন্যাই বিয়াত সোমাবলৈ অসন্মতি দিয়ে তেনেহ'লে সাজ-বস্তু খাব নোৱাৰে। ইয়াক অনুচিত বুলি কাৰ্বিসকলে যুগে যুগে বিবেচনা কৰি আহিছে। কন্যাই সন্মতি দিলে কন্যাঘৰীয়া বৃদ্ধজনে দম্পতীৰ সুখময় মিলনৰ অৰ্থে সাজ-বটলক ছুই মন্ত্ৰ গায়।

**বিয়াৰ দিন ধাৰ্যকৰণ :** প্ৰথম সোধনি ভাৰ পেলোৱাৰ পিছতেই দৰাঘৰীয়া মানুহে নিৰ্ধাৰিত সাজ-বস্তু লৈ পুনৰ কন্যাৰ ঘৰলৈ আহে। দুয়োপক্ষৰ মাজত সুবিধা-অসুবিধা চাই বিয়াৰ দিন ঠিক কৰা হয়। লগতে 'হেমফু-মুক্ৰাংক' (ঘৰৰ দেৱতা) পূজা-পাতল বিধি দিয়াৰ বিধান আৰু বিয়ানাম উদ্ধাৰ কৰা বা নকৰা কথাও ঠিক কৰি আহে।

**ঘৰ-জোঁৱাই থকা বা নথকাৰ সিদ্ধান্ত :** বিয়াৰ দিন ঠিক কৰাৰ লগে লগে ইয়াৰ সিদ্ধান্তও কৰি আহিব পাৰে। মান-সন্মানৰ চিনস্বৰূপে সাজ-বস্তুবোৰ বেলেগে বেলেগে দিব লাগে আৰু সমাজৰ বিবাহ-প্ৰথা মতে একেদিনাই কৰি আহিব নোৱাৰে। কিন্তু কাৰ্বি সমাজত ঘৰ-জোঁৱাই বা চপনীয়া হৈ থকা প্ৰায় দেখা নেযায়।

**আচল বিয়াৰ দিন :** তাৰপিছত দৰাঘৰীয়া মানুহ নিৰ্ধাৰিত দিনত মিতিৰ-কুটুম আৰু জনসাধাৰণৰ সৈতে আকৌ কন্যাৰ ঘৰলৈ আহে। কন্যাৰ ঘৰলৈ অহাৰ আগতে ৰাইজৰ সা-সহায় পাবৰ মানসেৰে দৰাৰ গাঁৱৰ গাওঁবুঢ়া আৰু কন্যাৰ গাঁৱৰ গাওঁবুঢ়াক সাজ-বস্তুৰে মাননি দিয়াটো বিধেয়। গাওঁবুঢ়া আৰু মাননি বস্তু নিয়া মানুহৰ মাজত হোৱা কথোপকথনো সীমাবদ্ধ আৰু মুখস্থ। গাওঁবুঢ়াৰ সা-সহায়েৰে আচল বিয়াখন পতা হয়। আন আন দিনাৰ দৰে দৰাঘৰীয়া মানুহে কন্যাৰ পিতা-মাতাক মান-সন্মান আৰু সেৱা-নমস্কাৰ জনায়। আচল বিয়াৰ দিনা গাওঁবুঢ়াও উপস্থিত থাকিব লাগে। তেওঁকো মান-সন্মান দেখুৱায়। গায়কক 'লুঙে' সাজ-বস্তুৰে মাননি দিয়াৰ নিয়ম আছে। মান-সন্মান দিয়াৰ পিছত দৰাঘৰীয়া আৰু কন্যাঘৰীয়াৰ মাজত কথোপকথন চলে। কথোপকথন শেষ হোৱাৰ পিছত দৰাঘৰীয়া গায়ক আৰু কন্যাঘৰীয়া গায়কে বিয়ানাম আৰম্ভ কৰে। এইদৰে গায়ক দুজনে ওৰে ৰাতিটো বিয়ানাম শেষ নোহোৱালৈকে গাই থাকে। আচল বিয়াৰ দিনতো কন্যাৰ সন্মতি লোৱা নিয়ম। কিন্তু নিয়ম ৰখাৰ কাৰণেহে কন্যাৰ সন্মতি ল'বলৈ যায়। তেতিয়া কন্যা-ঘৰীয়া বয়োবৃদ্ধজনে 'হৰলাং-বটল' ছুই দেৱতাসকলক স্মৰণ কৰে। ইয়াৰ অসমীয়া ৰূপান্তৰ এনেকুৱা—"হে মহান ঈশ্বৰ, হে পিতা, হে গ্ৰহদেৱতা, হে বন্ধন-দেৱতা, হে গ্ৰহনিৰ্মাণকাৰী দেৱতা—আমাৰ পুৰণি মিত্ৰতাৰ বান্ধোন লৌহ-সদৃশ কঠিন হওক, শিলৰ নিচিনা ভাঙিব নোৱাৰা হওক, সোণ-ৰূপৰ সূতাৰ নিচিনা ছিঙিব নোৱাৰা হওক। হে সাজ-বস্তুৰ বটল, তুমি দৰা-কন্যাৰ ভৱিষ্যত-বাণী ব্যক্ত কৰা।" ইয়াৰ পিছত বৃদ্ধজনে লাওৰ পৰা মদ ঢালি দিয়ে।

বিয়াৰ দিনাৰ ৰাতিৰ পৰা দৰা-কন্যা একেলগে শুব পাৰে। কিন্তু সচৰাচৰ বিয়াৰ দিনাৰ ৰাতি দৰা-কন্যাই একেলগে থকা দেখা নেযায়। অকল তেওঁলোকৰ কাপোৰ-কানিবোৰকে একে বিচনাতে থয়। এই

নিয়মক 'দিম তাব কেচেপাছিক' বুলি কয়। বিয়াৰ পিছদিনা ৰাতিপুৱা দৰা-কন্যাক উদ্দেশ্য কৰি 'হেমফু আৰোৰ' পূজা কৰে। পূজাৰ পাছত সেইদিনাই কন্যা দৰাৰ ঘৰলৈ যাব লাগে। দৰাৰ ঘৰতো এদিন এৰাতি ভোজ খুৱাব লাগে।

**সাজ-বস্তু পুনৰ প্ৰদান :** দৰাঘৰীয়া মানুহে (বিশেষকৈ দৰা-কন্যাই) বিয়াৰ এসপ্তাহৰ পিছত আকৌ কন্যাঘৰত সাজ-বস্তু দি আহিব লাগে। সাজ-বস্তু দিয়াৰ আগতে দুয়োপক্ষৰ মানুহে অহা-যোৱা কৰিব নোৱাৰে। এইখিনিলৈ আহিলে বিয়াৰ দিনৰো সামৰণি পৰে।

কাৰ্বি সমাজত বাল্য-বিবাহৰ প্ৰথা নাই। ল'ৰাৰ পঁচিশ-চাব্বিশ বছৰ আৰু ছোৱালীৰ পোন্ধৰ-ষোল বছৰ পাৰ হ'লেহে বিয়াৰ উপযুক্ত সময় বুলি বিবেচনা কৰা হয়। দেখা যায় যে, অসমৰ জনজাতিসমূহৰ বিবাহ-পদ্ধতিত কিছুমান মিলো আছে। সাধাৰণতে জনজাতীয় সমাজত বিয়াৰ সাজ-বস্তু হিচাবে মদ আৰু ফটিকা ব্যৱহাৰ কৰে। বিয়াত পুৰোহিত আৱশ্যক নহয়। বাল্য-বিবাহ আৰু বহুপত্নী প্ৰথা জনজাতিৰ সমাজত প্ৰায় নায়েই বুলিব পাৰি।

জনজাতিসমূহৰ বিয়া-পদ্ধতিত কিছুক্ষেত্ৰত অমিলো দেখা যায়। কিছুমান জনজাতিৰ বিয়াত (যেনে-মিৰি, ডিমাছা-কছাৰী, বড়ো-কছাৰী, ৰাভা আৰু মিজু আদিৰ বিয়াত) গা-ধন দিয়াটো নিয়ম। কিন্তু কাৰ্বি, গাৰো, আৰু খাচিয়া সকলৰ বিয়াত এনে নিয়ম নাই। খাচিয়া আৰু গাৰোৰ সমাজত অধিকাংশ ফৈদে নিজ নিজ ফৈদ একো এগৰাকী আদি-মাতৃৰ পৰা উৎপত্তি হৈছে বুলি দাবী কৰে। সেই মাতৃগৰাকীক খাচিয়া সমাজৰ মতে 'কা ইয়াওবে টিনৰাই' বুলি কয়। মাক-জীয়েক আৰু জীয়েকৰ সন্তান-সন্ততি গোটখাই একোটা পৰিয়াল হয়। বুঢ়ী-মাকেই সেই পৰিয়ালৰ মূল। খাচিয়া আৰু গাৰোৰ প্ৰথামতে বিয়াৰ পিছত দৰা শাহুৰেকৰ ঘৰত থাকিব লাগে। ল'ৰা-ছোৱালীবিলাকে পিতাকৰ উপাধি নিলিখি মাকৰ উপাধি লিখে। কিন্তু খাচিয়া আৰু গাৰোৰ বাহিৰে আন আন জনজাতিৰ (যেনে—মিৰি, কাৰ্বি, নগা, কছাৰী আৰু আদি সকলৰ) তেনে প্ৰথা নাই। তেওঁলোকৰ সমাজৰ প্ৰথামতে বিয়াৰ পিছত কন্যা দৰাৰ ঘৰলৈ যায়। পিতাক, ককায়েক, ভায়েক আৰু ককায়েক-ভায়েকৰ সন্তান-সন্ততি গোট খাই একোটা পৰিয়াল হয়। পিতাক নাইবা ককা-য়েকেই পৰিয়ালৰ মূল। ল'ৰা-ছোৱালীবিলাকে পিতাকৰ উপাধি লিখে। গতিকে কাৰ্বি সমাজত পিতৃ-প্ৰধান ব্যৱস্থা প্ৰচলিত।

আহোমৰ চকলং বিয়াত পুৰোহিতৰ আৱশ্যকতা আছে। পুৰোহিতে হোম পুৰি মন্ত্ৰ গাই দৰা-কন্যাৰ ভৱিষ্যত-মধুৰ জীৱনৰ অৰ্থে পূজা-অৰ্চনা কৰে। দৰা-কন্যাই হোমৰ কাষত একেলগে বহি ভগৱানক প্ৰাৰ্থনা কৰিব লাগে। ভৈয়ামৰ অসমীয়াৰ বিবাহ প্ৰথা মতে বিয়াৰ পিছত কন্যাই দৰাৰ উপাধি লিখে। কিন্তু কাৰ্বি সমাজত এই নিয়ম নাই। বিয়াৰ পিছতো কন্যাই তেওঁৰ পিতাকৰ উপাধিকে লিখিব লাগে।

মনিপুৰীৰ বাহিৰে অসমৰ অন্যান্য জনজাতিৰ সমাজত বহুপত্নী প্ৰথা নাই। প্ৰবাদ আছে যে, মনিপুৰী ৰজাৰ তিনি গৰাকী মহাৰাণী বা 'আপানুবি' আৰু ১০৫ গৰাকী ৰাণী বা 'নাইমালোবি' আছিল।

কাৰ্বি সমাজৰ বিবাহ-পদ্ধতিত ওপৰোক্ত নিয়মৰ বাহিৰে একো নাই। এজনী ছোৱালীক টানি আনি বিয়া কৰালেও পিছত সামাজিকভাবে আৰু বিবাহ-পদ্ধতিৰ মতে বিয়াত সোমাব লাগে। দৰা-কন্যাৰ মিলন যেতিয়াই তেতিয়াই হ'ব পাৰে; কিন্তু পিছত সা-সুবিধা, সময়, অৱস্থা আৰু পৰিবেশ বুজি পুনৰ বিয়া পাতিব লাগে। দৰা-কন্যাৰ দুই-এটি ল'ৰা-ছোৱালী হোৱাৰ পিছত বিয়া পতাও সমাজত দেখা যায়। বড়ো-কছাৰীৰ সমাজত পাঁচ প্ৰকাৰে বিয়া পতা দেখা যায়। যেনে—(১) সমাজ-দস্তুৰ মতে বিয়া পতা, (২) ঘৰ-জোঁৱাই হৈ বিয়া কৰোৱা, (৩) ঢকা থাকি বিয়া কৰোৱা, (৪) ছোৱা-লীয়ে ল'ৰাৰ ঘৰলৈ গৈ গা যাচি বিয়াত সোমোৱা আৰু (৫) টানি আনি বিয়া কৰোৱা। ইবোৰৰ প্ৰথম চাৰিটা সমাজৰ স্বীকৃত আৰু আনটো অবৈধ প্ৰকাৰৰ।

কাৰ্বি সমাজত চপনীয়া হৈ থকা বা ঘৰ-জোঁৱাই থকা নিয়ম নাই। কন্যাৰ ঘৰৰ অৱস্থা চাই কিছু-সংখ্যক দৰাই অৱশ্যে কন্যাৰ ঘৰত দুই-তিনি বছৰমান থাকিব লগীয়া হয়।

●●●

শ্ৰীদেৱযানী খনিকৰ
প্ৰাক্-বিশ্ববিদ্যালয় কলা

# ॥ আমাৰ ধৰ্মজ্ঞান আৰু ধৰ্মচক্ৰ ॥

এই ক্ষুদ্ৰ জীৱনৰ বিভিন্ন সময়ৰ ভিতৰত সংসাৰৰ নানান ঘটনা দেখি মনতে কিছুমান প্ৰশ্ন জাগে। আমি কোন, ক'ৰপৰা ইয়ালৈ আহিছোঁ, মৃত্যুৰ পিছত আমি ক'লৈ যাম, বা মৃত্যুৰ পিছত আমাৰ অন্য কিবা গতি আছে নে নাই, এই পৃথিবীৰ কেতিয়া সৃষ্টি হ'ল, কেতিয়া ইয়াৰ শেষ হ'ব, শেষ হোৱাৰ পিছত কি হ'ব বা সৃষ্টিৰ আদিতে কি আছিল—এই প্ৰশ্নবোৰৰ উত্তৰ দিয়া সম্ভৱ হয় নে নহয় ক'ব নোৱাৰোঁ। তথাপিও এই প্ৰশ্নবোৰ মনলৈ আহে। কেৱল মোৰেই নহয়, হয়তো পৃথিবীৰ হেজাৰ হেজাৰ মানুহৰ মনতো এই প্ৰশ্নবোৰৰ উদয় হয়। এই প্ৰশ্নবোৰৰ সমাধান বিচাৰি ফুৰোঁতেই মনৰ মাজত কিছুমান অসংলগ্ন ভাৱৰ সৃষ্টি হয়। বাস্তৱতে পৃথিবীৰ সভ্যতাৰ মূলতেই দুটা প্ৰশ্ন : আমি কোন আৰু আমাৰ কৰ্তব্য কি। এই প্ৰশ্ন দুটাৰ সমাধান মানুহে যিভাবে গ্ৰহণ কৰিছে সেই ভাবেই একোটা সভ্যতাৰ সৃষ্টি হৈছে।

পৃথিবীৰ সৃষ্টি, সৃষ্টিৰ আদি বা ভৱিষ্যত সম্পৰ্কে যিমানবোৰ প্ৰশ্নৰেই উদয় হয় সিবোৰৰ উত্তৰত মাথোন ইয়াকে ক'ব পাৰি যে ই অনাদি আৰু অনন্ত। সেই-দৰেই আমাৰ চাৰিওফালে যি আকাশ আছে, তাৰ বুকুত অসংখ্য গ্ৰহ-নক্ষত্ৰ-তৰা দেখিবলৈ পাওঁ ; কিন্তু ই কিমান দূৰ জুৰি আছে? আৰু তাৰ পাছতেই বা কি আছে? আৰু এই আকাশৰেই বা বিস্তৃতি কিমান? তাৰ পিছত—তাৰো পিছতনো কি আছে? এই প্ৰশ্নবোৰৰ উত্তৰতো ক'ব লাগিব—ই অনন্ত। কিন্তু এয়ে প্ৰকৃত উত্তৰ হ'ল নে? এই উত্তৰ লৈ মানৱ-মন কিমান দূৰ তৃপ্ত হ'ব পাৰে বাৰু? এই অনন্ত বিশ্বব্ৰহ্মাণ্ডৰ তুলনাত আমাৰ পৃথিবী এটি ক্ষুদ্ৰ ধূলি-কণাতকৈও নগণ্য। আৰু তাৰ ভিতৰতে মানুহ, এই অনাদি অনন্ত কালৰ তুলনাত মানুহৰ অস্তিত্ব, মানুহৰ জীৱনৰ আশী বছৰ বা এশ বছৰ পানীৰ এটি বুৰবুৰণি মাথোন। পৃথিবীত চামে চামে প্ৰাণীসমূহ উপজিব লাগিছে, মৰিবও লাগিছে। এই জন্ম-ক্ৰিয়াত বা মৃত্যু-ক্ৰিয়াত বাধা দিবৰ মানুহৰ কোনো শক্তি নাই। আজিৰ বিজ্ঞানেও তাৰ ওপৰত কোনো ক্ষমতা লাভ কৰিব পৰা নাই। চিকিৎসকে ৰোগীক ঔষধ দিয়ে—একেই ঔষধেৰেই কোনোবা বাচি উঠে, কোনোবা আকৌ মৰে। বিনা চিকিৎসাৰেও কোনো কোনো এশ-ছকুৰি বছৰ পৰ্যন্ত জীয়াই থাকে ; হেজাৰ চিকিৎসাৰ মাজত থাকিও বহুতে অকালতে প্ৰাণ হেৰুৱায়। তেন্তে এই জগতত মানুহৰ অস্তিত্ব আৰু জীৱনত মানুহৰ ক্ষমতা কিমান?

জীৱনৰ অস্তিত্ব উপলব্ধি কৰিবলৈ আৰু এই অস্তিত্বৰ প্ৰতি সদ্ব্যৱহাৰ কৰিবলৈকে আমাৰ ধৰ্মৰ প্ৰয়োজন। ধৃ+মন্=ধৰ্মন্, অৰ্থাৎ যি আমাক ধাৰণ কৰে। যাৰ দ্বাৰা আমি ধৃত, ৰক্ষিত, পৰিবৰ্ধিত—সেয়ে ধৰ্ম। মাছ যেনেকৈ পানীত থাকে—পানী নহ'লে থাকিব নোৱাৰে, প্ৰাণীসমূহ যেনেকৈ বায়ু নহ'লে থাকিব নোৱাৰে, সেইদৰে প্ৰকৃত মানুহ হিচাবে থাকিবলৈ ধৰ্মৰ একান্ত প্ৰয়োজন। জগতৰ সকলো মানুহেই ধৰ্মৰ দ্বাৰা ধৃত, ৰক্ষিত আৰু পৰিবৰ্ধিত।

নদীৰ ধৰ্ম কি? ওপৰৰপৰা তললৈ বৈ যোৱা। পানী সদায় ওখৰপৰা চাপৰলৈ বৈ যাবই। নদীৰ পানীও সদায় এই ধৰ্মৰ দ্বাৰা ধৃত। জগতৰ ধৰ্ম কি? পৰিবৰ্তন। এই পৰিবৰ্তনৰ লক্ষ্য কি? পূৰ্ণতা। পূৰ্ণতা কি? পৰমব্ৰহ্ম পৰমেশ্বৰক লাভ কৰা। সৃষ্টিৰ সকলো জীৱই ভগৱানৰ অংশ। জ্ঞাতসাৰে বা অজ্ঞাতসাৰে জীৱই আকৌ সেই ভগৱানৰ ফালেই গতি কৰিছে। পূৰ্ণতাৰ কাৰণেই জীৱৰ এই তৃষ্ণা আৰু আকুলতা। এই গতিৰ পৰা সৃষ্টিৰ কোনো মুক্ত নহয়। এয়েই জগতৰ ধৰ্ম।

ধৰ্মজ্ঞান আছে বাবেই মানুহ জগতৰ শ্ৰেষ্ঠ জীৱ ; ইতৰ প্ৰাণীয়ে নেজানে সিহঁতৰ গতি কিহৰ ফালে। জীৱ-জন্তু, উদ্ভিদ আদি সকলো প্ৰকৃতিৰ অধীন। কিন্তু বহুক্ষেত্ৰত মানুহ স্বাধীন আৰু সেয়ে ধৰ্ম-সাধনা কৰি মানুহ প্ৰকৃতিৰ বন্ধনৰ পৰা মুক্ত হ'ব পাৰে। এয়েই ক্ৰমবিকাশৰ চৰম সীমা। মানুহৰ এই স্বাধীনতা থকা সত্বেও যদি ধৰ্মজ্ঞান লাভ নহয়, আৰু সেই চৰম উন্নতিৰ কাৰণে যদি কোনো চেষ্টা নকৰি সাধাৰণ খোৱা-লোৱা কামতেই ব্যস্ত থাকে, তেন্তে মানুহ আৰু ইতৰ প্ৰাণীৰ মাজত প্ৰভেদ থাকিল ক'ত? মানুহৰ স্বাধীনতা বা বিশেষ ক্ষমতাৰ মৰ্যাদা থাকিল ক'ত? বহুতো গুণৰ অধিকাৰী হ'লেও আমাৰ দুৰ্বলতাই আমাৰ উন্নতিত বাধা দিয়ে।

জগতৰ ধৰ্ম গতিশীলতা। গতিশীলতাই জীৱনৰ লক্ষণ আৰু গতিহীনতাই মৃত্যু। প্ৰত্যেক ভৌতিক

জীৱনৰ তিনিটা ভাগ আছে। বাল্য, যুৱ, জৰা। যি কোনো জীৱৰেই সংগঠনৰ পিছত তাৰ শক্তি বৃদ্ধি হয়। তাৰপিছত এনে এটা সময় আহে, যেতিয়া তাৰ শক্তি আৰু বৃদ্ধি নহয় ; ই পুনৰ ক্ষয় হ'ব লাগিব। সেই কাৰণেই এটি গছপুলি ক্ৰমাৎ ডাঙৰ হয়, ফুল-ফল ধৰে,—এনে ধৰণেই কিছুদিন থাকে, তাৰপিছত ক্ষয় বা জৰা আৰম্ভ হয় আৰু শেষত মৰি থাকে। এটি শিশু জন্ম হোৱাৰ পিছত নিজে নিজেই মাত মাতিবলৈ শিকে, খোজ কাঢ়িবলৈ শিকে, তাৰ পিছত ডেকা হয়। ডেকা বয়সত শাৰীৰিক শক্তিৰ আৰু ক্ৰমবৰ্ধন নহয়, মাত্ৰ ই সংৰক্ষণ কৰে। তাৰপিছত ক্ৰমে শক্তি কমি আহে, শৰীৰ অৱশ হয়, মাংসল দেহাটো ক্ষয়প্ৰাপ্ত হয় আৰু অৱশেষত মৃত্যু হয়। সংবৰ্ধন, ধাৰণ আৰু সংৰক্ষণেই হ'ল জীৱন-চক্ৰত ধৰ্মৰ কাম। কিন্তু জীৱনৰ এই কাম হ'ল ভৌতিক ক্ৰমবিকাশৰ কাৰণে। কেৱল ভৌতিক ক্ৰমবিকাশতেই ধৰ্ম-কাম শেষ নহয় ; ধৰ্মৰ আৰু কাম হৈছে প্ৰাণী-জগতৰ মানসিক ক্ৰমবিকাশ আৰু মানৱ জীৱনত নৈতিক আৰু আধ্যাত্মিক ক্ৰমবিকাশ। প্ৰকৃততে মানৱ জীৱনত ধৰ্মৰ চৰ্চা এই শেষৰ দুটা কাৰণেহে।

ধৰ্মই যেনেকৈ প্ৰাণীসমূহক উৎকৰ্ষৰ বাবে অনুপ্ৰেৰণা যোগায়, সেইদৰে অধৰ্মই ক্ষয়প্ৰাপ্ত কৰে। ধৰ্মই যেনেকৈ জাগৃতিৰ বাবে অনুপ্ৰেৰণা যোগায়, অধৰ্মই তেনেকৈ নিদ্ৰাৰ বাবে আকৰ্ষণ কৰে। বহুদূৰ পথ অতিক্ৰম কৰাৰ পিছত এজন মানুহৰ অৱসাদ আহে। এই অৱসাদৰ সময়ত পথৰ কাষত এজুপি গছ পালে তাৰ ছাঁত বহিবৰ মন যায়। বহাৰ পিছত লাহে লাহে টোপনি আহে আৰু লক্ষ্যস্থলৰ কথা পাহৰি যায়। কৰ্মৰ প্ৰেৰণাৰ মাজত যি অৱসাদ আৰু জাগৃতিৰ মাজত নিদ্ৰাৰ কাৰণে যি আকৰ্ষণ সেয়ে অধৰ্ম। গতিকে ধৰ্ম-অধৰ্ম জগতত চিৰবিদ্যমান। কিন্তু মানুহৰ ইয়াক বুজিবৰ ক্ষমতা আছে, আৰু ধৰ্মৰ অনুশীলনৰ মাজেদি অধৰ্মৰ প্ৰভাৱৰ পৰা মুক্ত হ'বৰ ক্ষমতাও মানুহৰ আছে। প্ৰকৃততে ধৰ্মৰ এই অনুশীলনৰ মাজেদিয়েই চিৰজাগৃতিময় এখন সুন্দৰ সমাজ গঢ়ি তুলিব পাৰি।

এটি বীজ উপযুক্ত ভূমিত সিঁচি দিলে তাৰ পৰা এটি গছপুলি গজি উঠে ; ই ক্ৰমে ডাঙৰ হয় আৰু সময়ত ফুল-ফল আদি ধাৰণ কৰে। কিন্তু কাষৰ হাবি-বন গুচাই মুকলি কৰি দি আৱশ্যকীয় সাৰ-পানীৰে প্ৰতিপালন কৰিলে গছপুলিটো বেছি পৰিমাণে পুৰ্ণ্ঠ হ'ব আৰু বেছি দিনৰ কাৰণে জীয়াই থাকিব। সেইদৰেই মানুহৰ জন্মৰ পিছত প্ৰকৃতিৰ পৰা যি জ্ঞান লাভ কৰে, তাৰে উপযুক্ত শিক্ষা আৰু চৰ্চাৰ মাজেদি নৈতিক জীৱনৰ উৎকৰ্ষ সাধন কৰিব পাৰে।

এটি শিশুৱে যেতিয়া প্ৰথমে কথা কয়, তেতিয়া তাৰ সঁচা-মিছা জ্ঞান নেথাকে ; মাত্ৰ মনৰ ভাৱ প্ৰকাশ কৰিবৰ কাৰণে কয়। প্ৰথমে যেতিয়া খোজ কাঢ়ে, তেতিয়া ক'লৈ যাব ক'ব নোৱাৰে ; মাত্ৰ যায়। শিশুটিয়ে প্ৰথমে কাম কৰোঁতে ভাল বেয়া বিবেচনা কৰিব নোৱাৰে। মাত্ৰ কৰি যায়। কিন্তু তাকে চৰ্চাৰ মাজেদি—কথা কোৱাৰ মাজেৰে 'গীত', খোজ কঢ়া বা কাম কৰাৰ মাজেৰে 'নৃত্য'ৰ ৰূপ দিব পাৰি। সেইদৰে সকলো ভাল-বেয়াৰ মাজৰ পৰা নীতিশিক্ষা আৰু অনুশীলনীৰ মাজেদি ভালটো মাত্ৰ বাছি লৈ গোটেই কৰ্মময় জীৱনটো সুন্দৰ কৰি তুলিব পাৰি। এনে নীতিশিক্ষা সাধনাৰ মাজেদি মানুহৰ আত্ম-পৰিচয় আৰু আত্মোৎকৰ্ষ হয়। আৰু এনে আত্মশোধিত লোকেৰেহে একোখনি সুন্দৰ সমাজ সংগঠিত হ'ব পাৰে। গতিকে মানৱ জীৱনৰ সাধাৰণ জ্ঞান

শ্ৰীঅৰূপকুমাৰ শৰ্মা
তৃতীয় বাৰ্ষিক কলা

# প্ৰাৰ্থনা

হে ঈশ্বৰ,
মোক এখন আকাশ দিয়া—
উশাহ ল'বলৈ,
তোমাক চাবলৈ,
মেঘৰ মাজেৰে পোহৰৰ
লুকাভাকু দেখিবলৈ।

মোক অন্য এখন আকাশ দিয়া
য'ত সাতৰঙৰ ৰামধেনুখন
তোমাৰ পৰশ পাই মোহনীয় হয়।

মই জানোঁ, হে ভগৱান,
সুধিবা তুমি মোক,
শত সহস্ৰ পঙ্গু ভেড়াক আবৰি থকা
নীলৰঙী এই অতিকায় পিয়লাটোৰে
মোৰ মন নোজোৰা হ'ল কিয় !

কিন্তু হে প্ৰভো,
মোক জীয়াই থাকিবলৈ
অন্ততঃ অন্য এখন আকাশ দিয়া।

● ● ●

আৰু বুদ্ধিৰ বিকাশ হোৱাৰ পিছত যি আধ্যাত্মিক উৎকৰ্ষ হয়, অনেক প্ৰলোভনৰ মাজতো সৎপথ আৰু নৈতিকতাৰ পৰা বিচলিত নহ'বলৈ অন্তৰত সি আমাক শক্তি দিয়ে। এজন মানুহ বা এটা জাতিৰ মাজত যেতিয়া ধৰ্ম-ভাৱৰ হ্ৰাস হয়, সেই মানুহজন মনুষ্যত্ব বিকাশৰ পথত বাধাৰ হেতু হয় আৰু সেই জাতি জাতি হিচাবে উৎকৰ্ষ সাধন কৰিব নোৱাৰে। গতিকে এজন মানুহক আধ্যাত্মিক বা নৈতিক পথেদি আগুৱাই নিয়া অথবা এটা জাতিক নৈতিক ভিত্তিত সুদৃঢ় কৰি সৎ পথেদি আগুৱাই নিয়াই ধৰ্মৰ কাম। এই কাৰণেই ধৰ্মৰ লক্ষণ গতিশীলতা আৰু ইয়াৰ প্ৰতীক হ'ল চক্ৰ। গাড়ীৰ চকা যিমানে ঘূৰে, যিমানেই সি আগুৱাই যায়—আমিও জীয়াই থাকিবলৈ হ'লে আগুৱাই যাব লাগিব। কাৰণ জীৱনৰ লক্ষণ হ'ল ক্ৰমবৰ্ধন আৰু তাৰ কাৰণে ধৰ্মৰ এই চক্ৰ আমি ঘূৰাই ৰাখিব লাগিব। ৰ'বলৈ দিব নেলাগিব।

চক্ৰ ভাৰতীয় আদৰ্শত ধৰ্মৰ প্ৰতীক। চক্ৰই গতিশীলতা সূচায় আৰু এই গতিশীল জগতত ধৰ্ম হ'ল মানুহৰ নৈতিক উৎকৰ্ষ বা গতিৰ সোপান। গতিকে উৎকৰ্ষমুখী জগত সদায় ধৰ্মৰ আধাৰৰ ভিতৰত। সমাজত মঙ্গল প্ৰতিষ্ঠা আৰু তাৰ কাৰণে নৈতিক সাধনাকেই জাতিৰ জীৱন বুলি ভাৰতীয় আদৰ্শই অতীজৰেপৰা ধৰ্মৰ যোগেদি জাগতিক উৎকৰ্ষৰ চিন্তা কৰি আহিছে আৰু সেইবাবেই ভাৰতীয় জাতীয় জীৱনত ধৰ্ম ওতঃপ্ৰোতভাবে জড়িত। প্ৰকৃতপক্ষে ভাৰতীয় জাতীয় জীৱনৰ উত্থান-পতন ধৰ্মৰ উত্থান-পতনৰ ইতিহাস বুলি ক'ব পাৰি। কলিঙ্গ জয় কৰি মহাৰাজ অশোকে মানুহৰ তেজেৰে নৈ বোৱালে, কিন্তু মানুহৰ অন্তৰ জয় কৰিব নোৱাৰিলে,—ইয়াকে উপলব্ধি কৰিয়েই তেওঁ ৰাজ্যজয়ৰ পৰিবৰ্তে মানুহৰ হৃদয় জয় কৰাৰ মানসেৰে ধৰ্মৰ আশ্ৰয় গ্ৰহণ কৰিলে। ধৰ্মৰ গতিশীল প্ৰবাহৰ দ্বাৰা অশোকে সমগ্ৰ এচিয়াতে অহিংসা আৰু প্ৰেমৰ এখন নতুন ৰাজ্য সৃষ্টি কৰিলে। আজি প্ৰায় আঢ়ৈ হেজাৰ বছৰৰ পূৰ্বে ৰাজৰ্ষি অশোকে ধৰ্মৰ প্ৰতীকৰূপে লোৱা সাৰনাথৰ স্তম্ভত খোদিত চক্ৰকে ভাৰতবৰ্ষই জাতীয় পতাকাত গ্ৰহণ কৰিছে। ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ যদিও ভাৰতবৰ্ষই জাতীয় উৎকৰ্ষৰ বাবে নীতিশীলতাৰ ওপৰত বিশ্বাস কৰে আৰু এয়ে হ'ল প্ৰকৃত ধৰ্ম। 'সত্যমেৱ জয়তে'। তদুপৰি অশোকৰ দিনৰেপৰা আজিলৈকে ভাৰতীয় জাতীয় জীৱনত একেটা চিন্তাধাৰাই যে প্ৰবাহমান এই ঐতিহ্য ৰক্ষা কৰিবৰ বাবেই এই ধৰ্মচক্ৰটি অশোক-স্তম্ভৰ পৰা গ্ৰহণ কৰা হৈছে। মুঠতে এই মহামানৱজনে ঘূৰাই দিয়া চক্ৰটিৰ গতি জাতীয় জীৱনত অপৰিহাৰ্য।

● ● ●

# সাহিত্য আৰু

সাধনা বুলিলে পোনেই আমি ঋষি-মুনিসকলে পৰ্বত বা অৰণ্যলৈ গৈ বহুদিন ব্যাপী কৰা তপস্যাকে বুজোঁ। যদিও সাধনাৰ অৰ্থ ঋষি-মুনিতেই সীমিত নহয়। সাধনাৰ অৰ্থ হৈছে উপাসনা, আৰাধনা বা সিদ্ধিলাভৰ কাৰণে কৰা যত্ন আৰু যথাবিহিত কাৰ্য। গতিকে সাধনা শব্দই যিকোনো ব্যক্তিৰ অভীষ্ট সিদ্ধিৰ কাৰণে কৰা যৎপৰোনাস্তি চেষ্টা, অধ্যৱসায়, ধৈৰ্য, পৰিশ্ৰম আদি সকলোকে সামৰে। অভীষ্ট সিদ্ধিৰ কাৰণে ঋষি-মুনি, ৰজা-মহাৰজাসকলে হেজাৰ হেজাৰ বছৰ সাধনা বা তপস্যা কৰাৰ অনেক কাহিনী পুৰাণ-ভাগৱত আদিত পোৱা যায়। দস্যু ৰত্নাকৰ অকল ব্ৰহ্মাৰ বৰতেই ঋষিত্ব পোৱা নাছিল; বাল্মীকি হোৱাৰ আগতে তেওঁ বহুতো বছৰ তপস্যা কৰিব লগা হৈছিল, উঁইয়ে শৰীৰত হাঁফলু তুলিছিল,—তথাপি তেওঁ তপস্যাৰ পৰা বিৰত হোৱা নাছিল। অমৰত্ব লাভৰ কাৰণে হিৰণ্যকশিপু, তাড়কাসুৰ আদি দৈত্যপতিসকলেও ৰ'দ, বতাহ, বৰষুণ সকলোকে কাতি কৰি থৈ বহু বছৰ সাধনা কৰিছিল। সাধনাৰ বলতেই তেওঁলোকে আনকি ব্ৰহ্মা, শিৱ আদি শ্ৰেষ্ঠ দেৱতাসকলকো বশীভূত কৰিছিল। ইমানেই সাধনাৰ শক্তি।

সাধনাৰ কাৰণে যে অসীম মনোবল, ধৈৰ্য আৰু কাম্যবস্তু লাভৰ বাবে যৎপৰোনাস্তি চেষ্টা আৰু বিবিধ উপায় অৱলম্বন কৰিব লাগে তাৰ আদৰ্শ আমি কালিদাসৰ উমাৰ পৰাও পাব পাৰোঁ। যৌৱনৰ দুৱাৰ-ডলিত ভৰি দিয়াৰ লগে লগে উমাৰ একমাত্ৰ বাসনা হ'ল দেৱাদিদেৱ মহাদেৱক স্বামীৰূপে লাভ কৰা। অতুলনীয় ৰূপ-সৌন্দৰ্যৰ অধিকাৰিণী আছিল উমা। প্ৰথম অৱস্থাত তেওঁ ভাবিছিল ৰূপেৰে শিৱৰ মন জয় কৰিব পাৰিব; কিন্তু যোগীৰাজ ত্ৰিনয়নে যেতিয়া মদনক ভস্ম কৰিলে, উমাৰ ৰূপ-যৌৱনৰ গৌৰৱ ব্যৰ্থ হৈ গ'ল। অৱশ্যে তেওঁ হতাশ নহ'ল। মহাদেৱক পাবৰ কাৰণে নতুন উপায় অৱলম্বন কৰিলে। তেওঁ কঠোৰ সাধনাত ব্ৰতী হ'ল। তাৰ কাৰণে আহাৰ ভোজন, সাজ-পাৰ প্ৰসাধন সকলো বিসৰ্জন দিলে। ৰাজ-কন্যা তেওঁ; কিন্তু ৰাজভোগ এৰি প্ৰথম অৱস্থাত মাটিত পৰা পকা পকা গছপাতৰ ৰস পান

কটনিয়ান

**শ্ৰীহেমন্তকুমাৰ শৰ্মা**
অসমীয়া বিভাগ

# সাধনা

কৰিছিল। কিন্তু শেষত তাকো এৰি দিলে। সেই-কাৰণেই তেওঁৰ নাম হ'ল অপৰ্ণা। জীৱনৰ শ্ৰেষ্ঠ-বস্তু লাভৰ কাৰণে শাৰীৰিক দুখ-কষ্টও নগণ্য। উমাই চিৰতুষাৰময় হিমালয়ৰ পুহমহীয়া জাৰত এডিঙি পানীলৈ নামি আৰু জেঠ-আহাৰমহীয়া দুপৰত গাৰ চাৰিওফালে চাৰিকুৰা জুই লৈ সূৰ্যৰ ফালে চাই থাকিও তপস্যাত ব্ৰতী হৈছিল। মহাকবিৰ ভাষাত—

নিকাম তপ্তা িবিধেন বহ্নিনা নভশ্চৰেনেন্ধন-
সমৃতেন সা ॥···
িনিনায় সাত্য হিমোৎকিৰা নিলাঃ সহস্য ৰাত্ৰী-
ৰুদবা তৎপৰা।
প ৎস্পৰাক্ৰন্দিনি চক্ৰবাকয়োঃ পু.ৰা বিযুক্তে
মিথুনে কৃপাৱতী ॥···
স্বয়ং বিশীৰ্ণদ্ৰ ন পৰ্ণবৃত্তি ভা পৰাহি কাষ্ঠা
তপসস্তয়া পুনঃ।
তদপ্য পাকিৰ্ণমতঃ প্ৰিয়ং বদাং বদন্ত্য পৰ্ণেতি
চ তাং পুৰাবিদঃ ॥···

এয়ে আছিল উমাৰ গভীৰ তপস্যা-কঠোৰ সাধনা-—যাৰ ফলত অৱশেষত তেওঁ মহাদেৱৰ মন মুহিব পাৰিছিল, মহাদেৱে নিজেই 'মই তোমাৰ দাস' বুলি উমাৰ হাতত ধৰা দিছিল।

পৃথিবীৰ িসকল লোকে মনীষী বা মহাপুৰুষৰ আসন অলঙ্কৃত কৰিছে তেওঁলোকক ক্ষণজন্মা বা ঐশী শক্তিৰ অধিকাৰীপুৰুষ বুলি কৈ ক্ষান্ত থাকোঁ যদিও তেওঁলোকৰ আগজীৱনৰ কষ্ট আৰু সাধনাৰ কথাও আমি পাহৰিব নেলাগিব। ব্যক্তিগত প্ৰতিভাৰ উপৰিও তেওঁলোকে অক্লান্ত পৰিশ্ৰম, অসীম মনোবল, অদম্য উৎসাহ, গভীৰ অধ্যৱসায় আৰু হিমালয় প্ৰমাণ দৃঢ়তাৰ সহায়ত কৃতকাৰ্যতাৰ পথত আগবাঢ়ি যায়। মহাপুৰুষসকলৰ প্ৰতিভা ঈশ্বৰ-প্ৰদত্ত বুলি কোৱাও ঠিক নহয়। জগদ্বিখ্যাত বৈজ্ঞানিক টমাছ আল্ভা এডিছনে কৈছে বোলে প্ৰতিভাৰ শতকৰা নিৰানব্বৈ ভাগেই হ'ল অধ্যৱসায়। অধ্যৱসায় হ'ল অবিশ্ৰান্ত-ৰূপে কষ্ট কৰাৰ ক্ষমতা। মানুহে জীৱনত কিবা এটি মহৎ কাম কৰিবলৈ কঠোৰ অধ্যৱসায় তথা সাধনা কৰিবই লাগিব। সাধনা তথা অধ্যৱসায়, পৰিশ্ৰম আৰু সহিষ্ণুতা ব্যতিৰেকে মানুহে সঙ্গীত, শিল্প, বিজ্ঞান, ব্যৱসায় আদি কোনো বিদ্যাতে নৈপণ্য লাভ কৰিব নোৱাৰে। প্ৰসিদ্ধ ইংৰাজ চিত্ৰকৰ ৰেনল্ডছে কৈছে, "যদি কাৰোবাৰ চিত্ৰবিদ্যা নাইবা অন্য কোনো শিল্প-বিদ্যাত পাৰদৰ্শিতা লাভ কৰিবলৈ অভিলাস থাকে, তেন্তে তেওঁ ৰাতিপুৱা শয্যাত্যাগ কৰাৰ পৰা নিশা বিচনালৈ যোৱাৰ সময়লৈকে সমগ্ৰ মানসিক ভাৱ আৰু চিন্তা কেৱল সেইবিষয়তে নিবিষ্ট ৰাখিব লাগে।" ইটালীৰ প্ৰখ্যাত বীণাবাদক গিয়াৰ্ডি নাইকে বীণাবাদনত কৃতকাৰ্যতা লভাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত এ ৰ শিক্ষাৰ্থী এজনক কৈছিল—"একান্ত-মনে দিনে বাৰঘণ্টাকৈ শিকি থাকিলেহে বিশ বছৰৰ মূৰত কৃতকাৰ্যতা লাভ কৰিব পৰা যা ।"

সাধনাৰ কাৰণে সাহস আৰু ধৈৰ্যৰ যে বিশেষ প্ৰয়োজন তাক ওপৰত কোৱা হৈছে। প্ৰথম চেষ্টাত বিফল মনোৰথ হ'লেও সাহস আৰু ধৈৰ্যই পুনৰ চেষ্টা কৰিবলৈ মনত বল দিয়ে। ধৈৰ্য থাকিলে এবাৰ নহয় বহুবাৰ বিফল হ'লেও মানুহ হতাশ নহয় আৰু কৃতকাৰ্য্যতা লভিহে ক্ষান্ত হয়। এনে এজন লোক হ'ল ইংলণ্ডৰ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী ডিজৰেলি। তেওঁ মন্ত্ৰীত্ব পদ লাভ কৰাৰ আগতে ইংলণ্ডৰ পাৰ্লিয়ামেণ্টত যিদিনা প্ৰথম বক্তৃতা দিবলৈ থিয় হৈছিল, সিদিনা তেওঁ কেৱল সদস্যসকলৰ হাঁহিয়াতৰহে পাত্ৰ হৈছিল কিন্তু তেওঁ সহজে এৰা লোক নাছিল। আনৰ নিন্দা শুনি তেওঁ কৈছিল, "জীৱনত বহুকাম কে'বাবাৰৰ চেষ্টাতহে সম্পাদনা কৰিব পাৰিছোঁ; আজি মই ব্যৰ্থ হৈ বহিলোঁ সঁচা (বক্তৃতা দিব নোৱাৰি); কিন্তু এনে এটি দিন আহিব, যিদিনাখন আপোনালোকে মোৰ বক্তৃতা মনোযোগেৰে শুনি থাকিবলৈ বাধ্য হ'ব লাগিব।" সঁচাকৈয়ে ডিজৰেলিয়ে কথা আখৰে আখৰে ফলিয়াইছিল। কঠোৰ সাধনাৰ ফলত ডিজৰেলি হৈ উঠিল সুবক্তা—ইংলণ্ডৰ প্ৰধান মন্ত্ৰী। আৰু পিছত পাৰ্লিয়ামেণ্টত তেৱেঁই বক্তৃতাৰ দ্বাৰা অন্যান্য সদস্যসকলক মোহিত কৰি ৰাখিছিল। এয়ে হ'ল সাধনাৰ ফল।

উক্ত আলোচনাৰ পৰিপ্ৰেক্ষিতত সাহিত্যৰ লগত সাধনাৰ সম্পৰ্ক এটি বিচাৰ্য বিষয়। আন আন বিষয়ৰ দৰে সাহিত্যৰ লগতো সাধনাৰ সম্বন্ধ অতি নিবিড়। সাধনা নহ'লে সাহিত্য-ক্ষেত্ৰত কেতিয়াও কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি। কেইটা-মান কবিতা, গল্প, প্ৰবন্ধ নাইবা কেইখনমান কিতাপ লেখিলেই যে সাহিত্যিক হৈ পৰিব, ই কেতিয়াও নহয়। নাইবা অসংখ্য গ্ৰন্থ লেখিও প্ৰকৃত সাহিত্যিক হ'ব নোৱাৰি—যদিহে সেই গ্ৰন্থসমূহত সাহিত্যিক মূল্য নেথাকে। সাহিত্যিকৰ মূল্য ৰচনাৰ সংখ্যা-সাপেক্ষ নহয়, গুণ-সাপেক্ষহে। সৰহ নেলাগে, সাহিত্যিকে এমুঠি ৰচনাৰেই বিশ্ব-সাহিত্যত স্থায়ী

আসন লাভ কৰিব পাৰে যদিহে সেই ৰচনা কালজয়ী হয়। কিন্তু কালজয়ী ৰচনাৰ কাৰণে লেখকক লাগিব অধ্যৱসায় তথা কঠোৰ সাধনা। সাহিত্য চৰ্খৰ বস্তু নহয়; ই জীৱনৰ সাধনাৰ বস্তু। ইয়াৰ কাৰণে আৱশ্যক হ'লে সাহিত্যিকসকল পাৰ্বতীৰ দৰে অচল-অটল হ'ব লাগিব নাইবা অপৰ্ণাৰ দৰে সকলো ত্যাগ কৰিব লাগিব। সাহিত্যিকক প্ৰতিভা লাগে সঁচা কথা; কিন্তু সাধনা নহ'লে অকল প্ৰতিভাৰেই খ্যাতিমান সাহিত্যিক হোৱাটো ভাবিবলগীয়া বিষয়। প্ৰতিভাৰ আকৰ-স্বৰূপ বিশ্বকবি ৰবীন্দ্ৰনাথৰ জীৱনতো আমি কঠোৰ সাধনাৰেই চানেকি পাওঁ। কবিয়ে 'পদ্মাৰ বোট'ত থাকিয়েই জীৱনৰ বহুকাল কটাই দিছিল; কিয়নো পদ্মানদীৰ মনোমুগ্ধকাৰী দৃশ্যৰাশি আৰু অনুকূল পৰিবেশে কবিক সাহিত্য-সৃষ্টিৰ কাৰণে অনুপ্ৰেৰণা জগাইছিল। কবি যেতিয়া লেখাত ব্যস্ত থাকে, তেতিয়া তেওঁ খোৱা-লোৱাৰ কথা সকলো পাহৰি যায়। পৰিচাৰকে হয়তো ভাত বা অন্য খোৱাবস্তু মেজত থৈ গুচি যায়; কিন্তু কবিৰ সিপিনে খবৰ নেথাকে। আধা ঘণ্টা বা এঘণ্টামানৰ পিছত পৰিচাৰকে খোৱাৰ বাচন নিবলৈ আহি দেখে যে য'ৰ খোৱাবস্তু তাতেই চেঁচা হৈ পৰি আছে, আনপিনে কবি লেখাতেই ব্যস্ত। এয়ে আছিল সাধক ৰবীন্দ্ৰনাথ।

বৰ্তমান আমাৰ সাহিত্যিত কেইগৰাকীমান সাহিত্যিকে বিশেষ ভাৰতীয় খ্যাতি লাভ কৰিছে যদিও বিশ্ব-সাহিত্যৰ দৰবাৰত আসন লাভ কৰিবলৈ এতিয়াও সৌভাগ্য ঘটা নাই। ইয়াৰ কাৰণে আমাৰ সাহিত্যিকক লাগিব আৰু গভীৰ সাধনা। সাহিত্যিকে প্ৰকৃতি বা মানৱ জগতৰ কথা কেৱল ওপৰে ওপৰে ৰূপ দিলেই নহ'ব। সেইবোৰৰ গভীৰ তথ্য উদঘাটন কৰি সাহিত্যত ভাষা দিব লাগিব। মানৱ জীৱনৰ লগত সাহিত্যৰ ঘনিষ্ঠ সম্বন্ধ। মানুহৰ জীৱনত আছে বিচিত্ৰ ভাৱৰ হিন্দোল তথা অনুকূল ভাৱৰ খৰস্ৰোত আৰু প্ৰতিকূল ভাৱৰ ঘূৰ্ণীয়মান আবৰ্ত। মানুহৰ অন্তৰত আছে কল্পনা, চিন্তানুভূতি, আবেগ, মান-অভিমান। বহিঃজগতৰ বিভিন্ন প্ৰতিক্ৰিয়াত ইবোৰৰপৰা অন্তৰত নানা আলোড়নৰ সৃষ্টি হয়। এই আলোড়ন চিৰন্তন আৰু ইয়াক কেন্দ্ৰ কৰিয়ে সকলো শিল্পী-সাহিত্যিকে বিভিন্ন চিত্ৰ আঁকে। কিন্তু যি শিল্পী-সাহিত্যিকৰ কল্পনাশক্তি প্ৰৱল, মানৱানুভূতিক ৰূপ দিয়াৰ ক্ষমতা অধিক, সেইজনৰ চিত্ৰ বা ৰচনাই পাঠক বা ৰসামোদীসকলক সহজে মুগ্ধ কৰে আৰু অন্তৰত মচিব নোৱাৰাকৈ ছাপ বহুৱাই যায়; কিন্তু তুলুঙা শিল্পী-সাহিত্যিকৰ চিত্ৰ বা সাহিত্যই কচুপাতৰ পানীৰ দৰে ক্ষন্তেক সময়ৰ কাৰণেহে পাঠকৰ চকুৰ আগত জিলমিলাই থাকে। পৃথিবীৰ নবীন-প্ৰবীন সকলো সাহিত্যিকে প্ৰেমক কেন্দ্ৰ কৰি নানা বিষয়ৰ ৰচনা লেখে; বিশেষকৈ নবীনসকলৰ ক্ষেত্ৰত এই কথা সৰহকৈ খাটে। কিন্তু প্ৰেমৰ কথা লেখাৰ আগতে, 'মানসী-প্ৰিয়া'ৰ ৰূপ কল্পনাৰে কবিতাত লিপিবদ্ধ কৰাৰ আগেয়ে, ভবা উচিত যে প্ৰেমৰ গভীৰতা তেওঁ কিমান দূৰ উপলব্ধি কৰিব পাৰিছে। বিশ্বকবি ডাণ্টেই প্ৰিয়তমা বিয়েট্ৰিছক কেন্দ্ৰ কৰি 'ডিভাইন্ কমেডি' নামৰ যি মহৎ কাব্য ৰচনা কৰিলে, সি চপল ডেকাৰ ক্ষন্তেকীয়া প্ৰেমৰ উলমুলনিত ৰচিত নহয়; তাত আছে গভীৰ ভাৱাবেগ আৰু কবিৰ বহুদিনৰ সঞ্চিত সাধনাৰ ফল। বিয়েট্ৰিছৰ প্ৰেমত পৰাৰ বহুতদিন পিছতহে কবিয়ে এই কাব্যখন ৰচিছিল আৰু কাব্য ৰচাৰ আগতে বিস্তৃত গ্ৰন্থ অধ্যয়ন কৰি নিজক কাব্য-ৰচনাৰ কাৰণে উপযুক্ত কৰি তুলিছিল।

আজিকালি বহুতো লেখককে গাৱঁলীয়া জীৱনক লৈ গল্প-উপন্যাস আদি লেখা দেখা যায়। কিন্তু তেনেবোৰ গ্ৰন্থ লেখাৰ আগতে লেখকে গাৱঁলীয়া সমাজৰ বিভিন্ন দিশ গভীৰভাবে অধ্যয়ন কৰিব লাগে। খেতিৰ সময়ত খেতিয়কৰ ৰ'দ-বৰষুণত কষ্ট, জোকমহৰ কামোৰ, মাটিৰ সীমা লৈ হোৱা কাজিয়া, ঘৰুৱা জীৱনৰ সুখ-দুখ আৰু আশা-আকাঙ্ক্ষা, ধাৰ্মিক জীৱনৰ কথা—সকলোবোৰ লেখকে নিজে গৈ ভালদৰে চোৱা বা জনাটো দৰকাৰ। নহ'লে তাৰপৰা আঁতৰতে থাকি দুই এখন তেনে বিষয়ক কিতাপ পঢ়ি গাৱঁলীয়া জীৱনৰ চিত্ৰ অঙ্কিত কৰিবলৈ যোৱাটো কেৱল ধৃষ্টতাহে হ'ব মাথোন। আৰ্নেষ্ট হেমিংৱেই 'The Old Man and the Sea' নাইবা 'Farewell to Arms'ৰ দৰে গ্ৰন্থ কেৱল কল্পনাৰ সহায়তে লেখা নাছিল, বাস্তৱ অভিজ্ঞতাৰ আশ্ৰয় লৈহে তেওঁলোকে লেখিছিল। সাগৰ আৰু যুদ্ধ জীৱনৰ লগত তেওঁৰ বাস্তৱ সম্বন্ধ থকা কাৰণেহে তেনে গ্ৰন্থ লেখা সম্ভৱ হৈছিল। সেইদৰে চীনৰ গাৱঁলীয়া জীৱনৰ লগত সম্পূৰ্ণ পৰিচয় থকা কাৰণেহে পাৰ্ল বাকে 'The Good Earth' উপন্যাস ৰচি বিশ্বক চমক খুৱাব পাৰিছিল। লেখকে মনত ৰাখিব লাগিব যে কল্পনাশক্তি তেওঁৰ যিমানেই প্ৰৱল নহওক কিয় বাস্তৱতাক পিঠি দি কেতিয়াও উচচ সাহিত্য সৃষ্টি কৰা সম্ভৱ নহয়। বাস্তৱতাৰ ভেটিতহে কল্পনাৰ সৌধ নিৰ্মাণ কৰিব পাৰি। আৰু সেই বাস্তৱ অভিজ্ঞতা অৰ্জনৰ কাৰণে সাহিত্যিকে শাৰীৰিক পৰিশ্ৰম কৰিবলৈকো কুণ্ঠবোধ কৰিব নেলাগিব। তেনে শাৰীৰিক পৰিশ্ৰম সাধনাৰে অন্য দিশ মাথোন।

সাহিত্যিকসকল সত্য আৰু সুন্দৰৰ পূজাৰী। সত্যক ৰূপ দিয়াৰ কাৰণে তেওঁলোকে যেনেকৈ প্ৰথমে

বাস্তৱ অভিজ্ঞতা অৰ্জন কৰা দৰকাৰ, সেইদৰে সুন্দৰৰ আৰাধনা কৰাটোও তেওঁলোকৰ প্ৰধান কৰ্তব্য। সৌন্দৰ্য কেৱল নাৰীৰ ৰূপতেই আবদ্ধ নেৰাখি প্ৰকৃতি আৰু মানৱ-প্ৰাণৰ সৌন্দৰ্যৰ কথাও সাহিত্যিকে লিপি-বদ্ধ কৰিবলৈ জানিব লাগিব। মৰম-চেনেহ, ভাল-পোৱা, দয়া-সহানুভূতি, শ্ৰদ্ধা-ভক্তি আদিতেই মনৰ সৌন্দৰ্য নিহিত থাকে। সাহিত্যিকে এইবোৰ সূক্ষ্ম-ভাবে নিৰীক্ষণ কৰি কল্পিত কাহিনীৰ যোগেদি ৰূপায়িত কৰিব লাগিব। সাহিত্যিকসকল শিল্পীও। গতিকে তেওঁলোকৰ ৰচনাৰাজি কলাসুলভ ৰূপ নোপোৱালৈকে তেওঁলোক ক্ষান্ত থাকিব নেলাগিব। ইয়াৰ কাৰণেও লাগে সাহিত্যিকৰ ধৈৰ্য, অধ্যৱসায়, তথা সাধনা। বিশ্বসাহিত্যিক ঋষি টলষ্টয়ে হেনো তেখেতৰ বিখ্যাত উপন্যাস 'War and Peace' পোন্ধৰবাৰ শুধৰোৱাৰ পিছুতহে ক্ষান্ত হৈছিল। প্ৰখ্যাত ইংৰাজ ঔপন্যাসিক চাৰ্লছ্ ডিকেন্সেও 'A Tale of Two Cities' উপন্যাসৰ নামটোও হেনো অনেকবাৰ সলনি কৰাৰ পিছতহে ৰাখিছিল। ৰোমা-ণ্টিক কবি ৱৰ্ডছৱৰ্থৰ বিখ্যাত কাব্য 'Prelude' ৰচনাৰ ক্ষেত্ৰতো এনে সাধনাৰ নিদৰ্শন পোৱা যায়। কবিয়ে ১৭৯৮ চনতেই কাব্যখন ৰচনা কৰি মনঃপুত নোহোৱাৰ কাৰণে কিমানবাৰ যে শুধৰালে তাৰ অন্ত নাই; কিন্তু তথাপি সন্তুষ্ট নোহোৱাত তেওঁ ছপাৰ কথা নেভাবিলে। ১৮৫০ চনৰ মৃত্যুৰ পিছতহে তেওঁৰ পৰিবাৰে পুথিখন ছপাই উলিয়ায়। সেইদৰে ফ্লবাৰ্টেও বহুবাৰ লেখাৰ অন্ততহে তেওঁৰ বিখ্যাত গ্ৰন্থ 'মেডাম বোভাৰী' প্ৰকাশ কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে আমাৰ ভালেমান নব লেখকে কিতাপ এখন লেখি উঠিয়েই প্ৰকাশ কৰিবলৈ তৎ নোহোৱা হৈ পৰে। দুই এজন খ্যাতনামা লেখককো দেখা গৈছে, তেওঁলোকে পোন্ধৰ দিন বা এমাহৰ ভিতৰতে এখন কিতাপ লেখি উঠিয়েই প্ৰকাশ কৰি উলিয়ায়। এনেবোৰ গ্ৰন্থই সাময়িকভাবে পাঠকৰপৰা 'বাঃ বাঃ' পালেও সিবোৰৰ সাহিত্যিক মূল্য যে কিমান দিন স্থায়ী হৈ ৰ'ব তাক সহজে উপলব্ধি কৰিব পাৰি। সাহিত্য-প্ৰতিভা থাকিলেও আমাৰ লেখকসকল হ'ব লাগিব ধৈৰ্যশীল আৰু দৃঢ়মনা। তেওঁলোকে দুই-এখন কিতাপ লেখি আনৰ কটু সমালোচনা পালেও যেনেকৈ নিৰুৎসাহ হ'ব নেলাগিব, সেইদৰে তোষামোদপূৰ্ণ সমালোচনা পালেও একেবাৰে ফুলি উঠিব নেলাগিব। লেখকসকল আত্মসংযমী হোৱা দৰকাৰ। তেওঁলোকে সংযত হৈ যাতে ভবিষ্যত ৰচনাৰাজি অধিক উচচমানদণ্ডবিশিষ্ট কৰিব পাৰে তালৈহে সদায় চকু ৰাখিব লাগিব। ইংৰাজ লেখক বুলৱাৰ লিটনেও সাহিত্যিক জীৱনৰ আগভাগত বিফল মনোৰথ হ'বলগীয়া হৈছিল। প্ৰথমে তেওঁ কবিতাৰে সাহিত্যিক জীৱন আৰম্ভ কৰিছিল; কিন্তু তাত তেওঁ পালে প্ৰশংসাৰ সলনি নিন্দা। পিছুত উপন্যাস লিখিবলৈ ধৰিলে; তাৰো ফল হ'ল ঠাট্টা-বিদ্ৰূপ। শেষত বক্তা হ'বলৈ যত্ন কৰিলে; কিন্তু ইয়াৰো ফল হ'ল বিপৰীত। সাধাৰণ লোক হোৱাহেঁতেন গ্ৰন্থ ৰচনা কৰা বা বক্তৃতা দিয়াৰ বিষয়ত চিৰকালৰ কাৰণেই হাত ধুই পেলালেহেঁতেন। কিন্তু লিটন তেনে শ্ৰেণীৰ লোক নাছিল। কোনো কাম আৰম্ভ কৰি শেষ নোহোৱালৈকে এৰি দিয়াটো তেওঁৰ স্বভাৱ-বিৰুদ্ধ কথা আছিল। সেইহে তেওঁ পূৰ্ণোদ্যমে আকৌ লেখা আৰু বক্তৃতা দিয়া আৰম্ভ কৰিলে। অৱশেষত যশোলক্ষ্মীৰ উদয় হ'ল। তেওঁৰ জীৱনলৈ নামি আহিল কৃতকাৰ্যতা আৰু প্ৰতিপত্তি।

ৰোমাণ্টিক কবি কীট্‌ছেও জীৱনৰ আগভাগত 'Endymion' প্ৰমুখ্যে বিভিন্ন গ্ৰন্থ ৰচনা কৰি সমা-লোচকৰ পৰা কেৱল উপহাসহে পাইছিল; কিন্তু তেওঁ হতাশ নহৈ সাহিত্য-সাধনাত মনপুতি হে লাগিছিল। কবিয়ে নতুন উদ্দীপনাৰে 'Isabella' ৰচনা কৰিলে। আৰু তাৰপিছতেই ৰচিলে 'To Autumn', 'Hyperion' আদিকৈ ভালেমান বিশ্ব-বিখ্যাত কবিতা। কবিয়ে এই কবিতাবোৰ এবাৰ লেখিয়ে ক্ষান্ত থকা নাছিল। শাৰীৰিক আৰু মানসিক তীব্ৰ যন্ত্ৰণাৰ মাজতো কবিয়ে কবিতাবোৰ বহুবাৰ কাটি-কুটি সৰ্বাঙ্গ-সুন্দৰ কৰিহে এৰিছিল। উদাহৰণ স্বৰূপে, 'A thing of beauty is a joy for ever'-এই বিখ্যাত শাৰীটো কীট্‌ছে প্ৰথমে 'A thing of beauty is a constant joy' বুলিহে লেখিছিল। এই সম্পৰ্কে ষ্টেইন্‌বাৰ্গে ঠিকেই কৈছে—"He (Keats) was a careful and inventive craftsman." কীট্‌ছে চমু জীৱন কাল ছোৱাৰ ভিতৰত লেখাৰ উপৰিও গভীৰ অধ্যয়নো কৰিছিল। বিশেষকৈ পৌৰাণিক কাহিনীৰ প্ৰতি তেওঁৰ আছিল বিশেষ আকৰ্ষণ আৰু সেইবোৰৰ প্ৰভাৱ তেওঁৰ ৰচনাতো পৰিছিল। সমা-লোচকৰ ভাষাত "He turned studious, read at meal times, did holiday tasks, devoured dictionaries of classical mythology."

আমাৰ সাহিত্যিকসকলেও গভীৰভাবে অধ্যয়ন কৰা উচিত। দুই এগৰাকী অধ্যয়নশীল সাহিত্যিক আছে যদিও ভালেমান লেখকৰ ৰচনাত অধ্যয়নৰ অভাৱ পৰিলক্ষিত হয়। বহুতো লেখকক দেখা যায়, তেওঁলোকে ডেকাকালত বিশেষকৈ ছাত্ৰাৱস্থাত দুই এটি ভাল কবিতা বা গল্প লেখিছে; কিন্তু জীৱনত সংস্থান হোৱাৰ লগে লগেই সাহিত্য-জগতৰপৰা বিদায়

মাগিছে। তেনে লেখকৰ সাহিত্য-মুকুল বিকশিত হোৱাৰ আগতেই মৰহি যাবলৈ দিয়াটো অকল লেখকৰেই নহয়—দেশৰেই দুৰ্ভাগ্য। আগতেই কোৱা হৈছে, চখৰ সামগ্ৰী হিচাপে ল'লে কেতিয়াও প্ৰকৃত সাহিত্য ৰচনা কৰিব নোৱাৰি; কিয়নো তাত নিষ্ঠাৰ অভাৱ ঘটে। সেইহে যিকোনো অৱস্থাতেই নেথাকক লাগে, প্ৰকৃত সাহিত্যিক হ'ব খুজিলে লেখক সাহিত্যৰ সাধক হ'বই লাগিব। যিকোনো বৈষয়িক কৰ্মই নকৰক লাগিলে তেওঁৰ সাহিত্য-ৰচনা নিত্য-নৈমিত্তিক কৰ্মৰ ভিতৰুৱা হ'ব লাগিব। ইংৰাজ গ্ৰন্থকাৰ এণ্টনি ট্ৰোলোপ আছিল ডাকঘৰৰ এজন কৰ্মচাৰী; কিন্তু তেওঁ ধল পুৱাতেই উঠি অফিচলৈ যোৱাৰ আগলৈকে অন্য বিশেষ বাধা উপস্থিত নহ'লে কেবল গ্ৰন্থ ৰচনৰ কামতহে ব্যস্ত থাকিছিল, আৰু সেইহে তেওঁ ইংৰাজী সাহিত্য-ভঁৰাললৈ ভালেমান উপন্যাস, জীৱন-চৰিত আৰু ভ্ৰমণ-বৃত্তান্ত দান কৰিব পাৰিছে। সেই-দৰে প্ৰখ্যাত কবি-ঔপন্যাসিক চাৰ ৱাল্টাৰ স্কটেও ৰাতি পাঁচ বজাতেই উঠি আৱশ্যক হ'লে নিজে চাকি জ্বলাই লেখা আৰম্ভ কৰিছিল আৰু পুৱা ন বজালৈকে বহাৰ পৰা নুঠিছিল। এনেকুৱা নিয়ম মানি সাহিত্যক জীৱনৰ সাধনা স্বৰূপে লোৱা বাবেহে তেৰেঁা অসংখ্য গ্ৰন্থ লেখিব পাৰিছিল।

আমাৰ উদীয়মান লেখকসকল এনেবোৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'লে আৰু সাহিত্যক জীৱনৰ সাধনা স্বৰূপে ল'লে আমাৰ মাজতো যে বিশ্ব-বিশ্ৰুত সাহিত্যিক ওলাব ই নিশ্চিত।

# ছন্দ-পতন

শ্ৰীদীনেশ চন্দ্ৰ গোস্বামী
প্ৰথম বাৰ্ষিক বিজ্ঞান

অকল সিহঁতে কিয়
আমিওতো পাহ'ৰ বগালোঁ,
সিহঁতে ক'লেহি আহি
সিহঁতেতো ভুল কৰা নাই
আৰু আমি মূক হৈয়ে ৰ'লোঁ।

আদ্যোপান্ত সিহঁতেই ক'লে,
বহুৰঙী ফানুচ উৰালে,
মনতে ভাবিলোঁ আমি
আমিওতো ভুল কৰা নাই,
সেয়ে আমি মূক হৈয়ে ৰলোঁ।



এজন দুজনমান সাহসী পুৰুষ
এদেও দুদেও কৰি আগবাঢ়ি গ'ল
আমি গ'লোঁ আন বাটে, ফিৰিও আহিলোঁ,
কিনো পালোঁ, কিমান দেখিলোঁ,
জীৱন ডায়েৰী আমি কিমান লেখিলোঁ
সন্দেহ দিবলে' মাথোঁ পিচ হুঁহুকিলোঁ;
সিহঁতেই সকলো বুজালে,
হাজিৰা বহীৰ পাত লুটিয়াই চালে—দেখুৱালে,
আৰু আমি মূক হৈয়ে ৰ'লোঁ।

জনতাই সিহঁতক হাঁহি আদৰিলে,
ভাবিতো নেচালে কেৰে
আমিও যে ভুল কৰা নাই।
আজি আমি বুজি পালোঁ—
আমি ভুল কৰা নাই ভাবি
সমগ্ৰ জীৱন জুৰি ভুলেই কৰিছোঁ মাথোঁ।
অনুতাপ জৰ্জৰিত ক্ষুণ্ণ হিয়া ল'ই
সেয়ে আমি মূক হৈয়ে ৰ'লোঁ।




**অনুবাদ : শ্ৰীঅসীম দাস**

দ্বিতীয় বাৰ্ষিক কলা

এদিন ছাদিক ৰাজ্যৰ প্ৰজাসকলে বিদ্ৰোহ ঘোষণা কৰি ৰজাৰ কাৰেঙৰ চাৰিওফালে গোট খালে। তেওঁলোকে ৰজাৰ বিৰুদ্ধে নানান শ্লোগান দিলে।

ৰজাই এখন হাতত ৰাজমুকুট আৰু আন হাতত ৰাজদণ্ড লৈ প্ৰাসাদৰ খটখটীৰে নামি আহিল।

বিদ্ৰোহীসকলৰ মাজত হাই-উৰুমি নোহোৱা হ'ল। ৰজাই তেওঁলোকৰ সমুখত থিয় হৈ ক'বলৈ ধৰিলে, "বন্ধু-সকল! এয়া তোমালোকৰ ৰাজমুকুট আৰু ৰাজদণ্ড-এইবোৰ মই তোমালোকৰ হাতত অৰ্পণ কৰিছোঁ। এতিয়া মই তোমালোকৰ সৈতে এজন হৈ মিলি যাম। আমি সকলোৱে একেলগে পথাৰত কাম কৰিম যাতে আমাৰ অৱস্থা উন্নত হয়। এতিয়া ৰজাৰ কোনো প্ৰয়োজন নাই। তোমালোকে মোক মাথোন ইয়াকে কোৱা মই কোনখন পথাৰলৈ যাব লাগে। এতিয়া তোমালোক সকলোৱেই ৰজা।"

প্ৰজাসকলে তেওঁলোকৰ এই সহজ বিজয়ৰ বাবে আনন্দ পালে সঁচা, কিন্তু এক অজান আশঙ্কাই তেওঁলোকৰ প্ৰত্যেকৰে অন্তৰ পৰশি গ'ল। ৰজাই তেওঁলোকৰ হাতত ৰাজমুকুট আৰু ৰাজদণ্ড অৰ্পণ কৰিলে—যাৰ বাবে তেওঁলোকে বিদ্ৰোহ ঘোষণা কৰিছিল আৰু যাক তেওঁলোকে সকলো দুখৰ কাৰণ বুলি ভাবিছিল।

ৰজা প্ৰজাসকলৰ সৈতে এজন হৈ মিলি গ'ল।

কিন্তু ৰজাৰ অবিহনে ছাদিক ৰাজ্যৰ পৰিস্থিতি অকণো উন্নত নহ'ল। এতিয়াও আগৰদৰে চাৰিওফালে কেৱল অশান্তি। বাটে-ঘাটে ৰাইজে চিঞৰি উঠিল—

'আমি ৰাজ্য-শাসন বিচাৰোঁ।'

'আমাক ৰজাৰ ৰাজ্য লাগে।'

'আমাক এজন ৰজা লাগে।'

ডেকা-বুঢ়া সকলোৱে একেলগে চিঞৰি উঠিল—

'আমি আমাৰ ৰজাক ওভতাই আনিম।'

তেওঁলোকে ৰজাক বিচাৰিবলৈ আৰম্ভ কৰিলে আৰু শেষত তেওঁক পথাৰ এখনত কাম কৰি থকা অৱস্থাত দেখা পালে। তেওঁলোকে ৰজাক কাৰেঙলৈ লৈ আহিল আৰু তেওঁৰ হাতত ৰাজদণ্ড আৰু ৰাজমুকুট অৰ্পণ কৰিলে। তাৰপিছত তেওঁলোকে ৰজাক হাতযোৰকৈ ক'লে, "এতিয়া আপোনাৰ সকলো শক্তি প্ৰয়োগ কৰি আমাৰ ওপৰত শাসন চলাওক।"

ৰজাই নিজৰ শক্তি অনুযায়ী শাসনকাৰ্য চলাব বুলি প্ৰতিশ্ৰুতি দিলে।

ক্ষন্তেক পিছতে এদল প্ৰজাই জমিদাৰ এজনৰ বিৰুদ্ধে অভিযোগ লৈ ৰজাৰ দৰবাৰত উপস্থিত হ'ল। এই জমিদাৰজনে তলতীয়া কৰ্মচাৰীসকলৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছিল।

ৰজাই সেইমুহূৰ্তে জমিদাৰজনক মতাই আনিলে। জমিদাৰজন দৰবাৰত উপস্থিত হ'লত ৰজাই তেওঁক তীব্ৰ ভৰ্ৎসনা কৰি ক'লে, "পৰমাত্মাৰ ন্যায়ৰ তুলাচনীত এজন মানুহৰ জীৱনৰ পৰিমাণ আন মানুহৰ জীৱনতকৈ কোনো গুণে কম নহয়। তুমি এই কথাটো উপলব্ধি কৰিব পৰা নাই যে যিসকলে পথাৰত দিনে-ৰাতিয়ে শ্ৰম কৰিছে সেইসকলৰ আত্মাও তোমাৰ আত্মাৰ দৰেই মহান। তোমাক এই ৰাজ্যৰ পৰা বহিষ্কাৰ কৰা হ'ল। তুমি এই ৰাজ্য চিৰদিনৰ বাবে ত্যাগ কৰিব লাগিব।"

পিছদিনা এগৰাকী তিৰোতাৰ বিৰুদ্ধে অভিযোগ লৈ আন এদল প্ৰজা ৰজাৰ ওচৰত হাজিৰ হ'ল। এই তিৰোতাগৰাকীৰ অত্যাচাৰত প্ৰজাসকল অতিষ্ঠ হৈ উঠিছিল।

তিৰোতাগৰাকীকো দৰবাৰলৈ অনা হ'ল। ৰজাই তেওঁকো ৰাজ্য ত্যাগ কৰিবলৈ নিৰ্দেশ দি ক'লে, "যিসকলে আমাৰ পথাৰত খেতি কৰে আৰু আঙুৰবোৰ ৰক্ষা কৰে তেওঁলোক আমাতকৈ অধিক মহান, কাৰণ তেওঁলোকে উৎপন্ন কৰা শস্য আমি খাওঁ আৰু তেওঁলোকে তৈয়াৰ কৰা সুৰা পান কৰোঁ। কিন্তু তুমি এই কথাটো উপলব্ধি কৰিব পৰা নাই—গতিকে তোমাক এই ৰাজ্যত থাকিবলৈ দিয়া নহ'ব।"

তাৰপিছত কেইগৰাকীমান তিৰোতাই কান্দি-কাটি আহি ৰজাক ক'লে, "মহাৰাজ, পাদুৰিয়ে আমাৰ হতুৱাই গীৰ্জাৰ ডাঙৰ ডাঙৰ শিলবোৰ কঢ়িয়াইছে কিন্তু পাৰিশ্ৰমিক দিয়া নাই।"

পাদুৰিৰ নামতো আদেশ জাৰি কৰা হ'ল।

তেওঁ দৰবাৰত উপস্থিত হোৱাৰ লগে লগে ৰজাই তৰ্জন গৰ্জন কৰি ক'লে, "যি ধৰ্ম-চিহ্ন ক্ৰুচ তুমি চিত্ৰিত ওলমাই লৈছা তাৰ মৰ্ম কি জানা—জীৱনক জীৱন দিয়া। কিন্তু তুমি জীৱনক জীৱন লাভৰপৰা বঞ্চিত কৰিছা। তুমি এই পবিত্ৰ বাণীক উপহাস কৰিছা। তোমাক এই ৰাজ্য ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। তোমাক কেতিয়াও উভতি আহিবলৈ দিয়া নহ'ব।"

এইদৰে প্ৰায় এমাহজুৰি প্ৰজাসকলে নিতৌ ৰজাৰ ওচৰলৈ আহি তেওঁলোকৰ দুখৰ কাহিনী শুনালে। ৰজায়ো অত্যাচাৰীসকলক এজন এজনকৈ দেশৰপৰা বহিস্কাৰ কৰিলে।

ছাদিক ৰাজ্যলৈ পুনৰ শান্তি নামি আহিল।

তাৰপিছত এদিনাখন ছাদিক ৰাজ্যৰ স্ত্ৰী-পুৰুষ ল'ৰা-ছোৱালী সকলোৱে আকৌ এবাৰ ৰজাৰ কাৰেঙৰ সমুখত গোট খালে।

ৰজাই আগৰদৰে এহাতত ৰাজমুকুট আৰু আনখন হাতত ৰাজদণ্ড লৈ প্ৰাসাদৰ খটখটীৰে নামি আহিল আৰু প্ৰজাসকলক সম্বোধি ক'লে, "তোমালোকে মোৰ পৰা এতিয়া আকৌ কি বিচাৰিছা? হোৱা, এইবোৰ তোমালোকক আকৌ ওভতাই দিছোঁ।"

"নহয় নহয় মহাৰাজ"—তেওঁলোকে চিঞৰি উঠিল—"আপুনি আমাৰ ৰজা। আপুনি আমাক বিশাক্ত সাপ আৰু কুকুৰনেচীয়া বাঘৰ অত্যাচাৰৰপৰা ৰক্ষা কৰিলে। আমি আপোনাৰ গুণ গাবলৈ আহিছোঁ। এই ৰাজদণ্ড আপোনাৰ আৰু এই ৰাজমুকুটো আপোনাৰেই।"

ৰজাই ক'লে, "মই ৰজা নহওঁ, তোমালোকহে ৰাজ্যৰ গৰাকী। যেতিয়া তোমালোকে মোক দুৰ্বল বুলি ভাবিছিলা আৰু মোৰ শাসন ত্ৰুটিপূৰ্ণ বুলি ক'বলৈ সাহ কৰিছিলা তেতিয়া আচলতে তোমালোক নিজেই দুৰ্বল আৰু ত্ৰুটিপূৰ্ণ আছিলা। এতিয়া ৰাইজ সুখত আছে আৰু সেয়া তোমালোকৰ ইচ্ছাৰ বলতে সম্ভৱ হৈছে। শাসকসকলৰ দৰাচলতে কোনো অস্তিত্বই নাই।"

ৰজাই ৰাজদণ্ড আৰু ৰাজমুকুট লৈ কাৰেঙত প্ৰবেশ কৰিলে।

ছাদিক ৰাজ্যৰ প্ৰজাসকলে প্ৰত্যেক নিজকে ৰজা যেন অনুভৱ কৰি দিহা-দিহি গুচি গ'ল। তেওঁলোকে অনুভৱ কৰিছিল যেন সঁচাসচিকৈ তেওঁলোকৰ প্ৰত্যেকৰে হাতত ৰাজদণ্ড আৰু ৰাজমুকুট আছে।

# নদীৰ নাম কুহকিনী

**শ্ৰীমুনীন্দ্ৰমোহন দাস**
প্ৰাক্-বিশ্ববিদ্যালয় বিজ্ঞান

পলাশ বনত জুই লাগিছিল।
ধূমাকাৰ বাট খুলি খুলি
বহুত আহিলোঁ নদী।
অলপ থমকি ৰওঁ।

এজাৰ ফুলত মোৰ ৰংবোৰ এৰি থৈ আহিলোঁ।
বননিত কিবা পাওঁ নেকি বাৰু
বিচাৰি চাওঁ।

শীৰ্ণ হাতত একো নাই মোৰ,—
উভতি উভতি বেলিলৈ' চাওঁতে
চকুৰ পোহৰসোপাকে কাঢ়ি নিলে।
উৰি যোৱা বগলীমখাই
মোৰ চুলিত ৰংবোৰ এৰি গ'ল।

বহুত আহিলোঁ নদী।
ভাগৰি পৰিছোঁ।
ক'ব নোৱাৰাকৈ' কিবাকিবি মোৰ চুৰি হৈ গ'ল
যিবা পালোঁ মই চাওঁ খেপিয়াই
তাম দি বেহালে সোণ।

এলান্ধু-বুলীয়া নিমৰ পাতত
বিচাৰি চাওঁ কিবা আছে নেকি
এবাৰ বিচাৰি চাওঁ।

বহুত আহিলোঁ নদী।
উভতি যাবলৈ' এলাহ লাগিছে,
হেৰোৱা দুখত মনো জামৰিছে,
আৰু কিবা যেন হেৰায় হেৰায়
ভয়ত থমকি ৰওঁ।

—০—



# আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু কল্পচিত্ৰ

শ্ৰীকুমুদ গোস্বামী
প্ৰাক্-বিশ্ববিদ্যালয় বিজ্ঞান

অসমীয়া কাব্য-জগতত প্ৰতীক আৰু কল্পচিত্ৰৰ প্ৰয়োগ অৰ্বাচীন নহয়। পাৰ্থিৱ আৰু অপাৰ্থিৱৰ মাজত যোগসূত্ৰ স্থাপনৰ হেতু বৈষ্ণৱ কবিবৃন্দয়ো আধিভৌতিক (Metaphysical) প্ৰতীকবাদৰ সূচনা কৰিছিল। শ্ৰীমদ্ভগৱদগীতা আৰু অষ্টাদশ উপনিষদৰ দৰ্শনে অসীমৰ (beyond) বাৰ্তা লৈ প্ৰতীকৰূপে নিমগ্ন চেতনাত নিয়নৰ পোহৰ বিলাইছিল। শ্ৰীকৃষ্ণৰ ৰাখোৱাল ৰূপ আধ্যাত্মিক উপলব্ধিসম্ভূত সনাতন সত্যৰ প্ৰতীক। একেই অৰ্থতে মেটাৰলিংকৰ 'Blue Bird' প্ৰতীকবাদী। প্ৰতীক আৰু প্ৰতীকবাদৰ প্ৰকৃতিগত বিভিন্নতা সত্বেও অসমীয়া জন-সাহিত্যৰ বুকুত অৱধাৰিত প্ৰতীকবাদ মুখ্যতঃ যৌন অভিব্যক্তিৰ (Sex-expression) দ্বাৰা অনুপ্ৰাণিত। এই সামাজিক প্ৰতীকবাদৰ মূলসুঁতি ডব্লিউ, জি, আৰ্চাৰে কোৱাৰ দৰে কল্পচিত্ৰৰ 'twin levels'। কবি বাৰ্নচৰ কবিতাত ইয়াৰ প্ৰয়োগ সহজে দৃষ্টিগোচৰ হয়। নৈসৰ্গিক প্ৰাচুৰ্যৰ আবীৰত ইয়াৰ পুষ্টিসাধন ঘটে।

বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যধাৰাত ৰহস্যবাদী প্ৰতীকৰ সূত্ৰপাত হয়; ইয়াৰ উৎস হ'ল বেদান্ত উপনিষদৰ পৰমাত্মাবাদ—

যস্মাৎ পৰং নাপৰমস্তি কিঞ্চিৎ
যস্মান্নানিয়ো ন জায়োঽস্তি কিঞ্চিৎ
বৃক্ষইব স্তব্ধোদিৱি তিষ্ঠত্যেকস্তেনেদং
পূৰ্ণং পুৰুষেণ সৰ্বম্ ॥ আৰু ফৰাচী দৰ্শনৰ

স্থিতিবাচক চিন্তাধাৰা (Positivist Philosophy)। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু নলিনীবালা দেৱীৰ প্ৰতীকবাদ আধ্যাত্মিক ৰস নিমজ্জিত আৰু মিষ্টিক্। 'তুমি' কবিতাৰ প্ৰতীক অদ্বৈতবাদী সত্যবাদী দৰ্শন—বেদান্ত-দৰ্শন ইয়াৰ প্ৰাণ প্ৰস্ৰৱণ। নলিনীবালা দেৱীৰ 'দূৰণিৰ পখীজাক' স্বৰ্গীয় আভাৰে দীপ্ত আত্মাৰ প্ৰতীক—

দূৰণিৰ পখীজাক মিলি যায় দিগন্তত,
মাতি যায় আকুল সুৰত;
প্ৰতিধ্বনি বাজে সুদূৰত।

এয়া যেন আইৰিছ্ কবি এ,ইৰ অপাৰ্থিৱ কল্পচিত্ৰৰ বুকুত শুই থকা অবিনশ্বৰ আত্মাৰ প্ৰতিধ্বনি। মফিজুদ্দিন আহমদ হাজৰিকাৰ 'দিনকণা'ত চুফীবাদৰ ৰহস্যধৰ্মী উপলব্ধি সাধাৰণ কল্পচিত্ৰ এটিৰ মাধ্যমত অনুৰণিত হৈছে। 'বাটৰ দুবৰিবন' আৰু 'নিয়ৰকণা'ৰ প্ৰতীকেৰে মহাজাগতিক চৈতন্যৰ স্পন্দন অনুভূত হৈছে দুৰ্গেশ্বৰ শৰ্মা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত। নাও, নাৱৰীয়া, নদী আৰু পাহৰণি যতীন্দ্ৰনাথ দুৱৰাৰ কাব্যধাৰাত প্ৰেম-সম্ভূত প্ৰাঞ্জল জীৱন-দৰ্শনৰ প্ৰতীক। বিহগী কবিৰ বাবে জীৱন-ৰহস্য কিন্তু 'নীলপখী'ৰ দৰে প্ৰতীকী মৃগতৃষ্ণা।

জন-সাহিত্য আৰু বৈষ্ণৱোত্তৰ যুগৰ সাহিত্যৰ সৈতে সম্পূৰ্ণ বিপৰ্যস্ত আধুনিক অসমীয়া কবিতাৰ প্ৰতীকবাদৰ সুৰ প্ৰতীচীৰ। ফৰাচী প্ৰতীকবাদৰ Surrealism আৰু অভিব্যক্তিবাদৰ যোগেদি ইয়াৰ গতিপথ নিৰ্দিষ্ট হৈছে বুলি ক'লেও অধিককথনৰ দোষে নুচুৱে। ই ঘাইকৈ ব্যক্তি-মানসৰ সৃষ্টি—কবি-হৃদয়ৰ ভাৱানুভূতিৰ ৰহণেৰে ৰঞ্জিত বুদ্ধিপ্ৰসূত সৃষ্টি। সেয়েহে সৰ্বসাধাৰণৰ মগজুৰ বাবে ই দুৰ্বোধ্য। গতিশীল জগতৰ ক্ষীয়মান জীৱনবোধ আৰু সামাজিক, ৰাজনৈতিক চিন্তাধাৰাৰে ই পৰিগৰ্ভিত। প্ৰতিটি কল্পচিত্ৰ আৰু প্ৰতীক বোধগম্য কৰিবৰ বাবে আৱশ্যক হয় পাঠকৰ পৰিস্থিতি-সজাগতা, বুদ্ধিৰ তীক্ষ্ণতা আৰু কাব্যবিন্যাসৰ সম্যক্ জ্ঞান। কবিতা বুজাৰ যি প্ৰাচীন পন্থা তাকে লৈ সেয়েহে আধুনিক অসমীয়া কবিতাৰ ভবিষ্যত সম্বন্ধে পাঠকেই সন্দিগ্ধ।

সাম্প্ৰতিক অসমীয়া কবিতাৰ 'দুৱাৰ মুকলি' কৰোঁতা দেৱকান্ত বৰুৱাৰ কবিতাত ছন্দৰ অপূৰ্ব মাধুৰ্য আৰু ভাৱাবেগৰ ৰোমাণ্টিক সুৰ সহজে পৰিলক্ষিত হয়। তেওঁৰ প্ৰতীকবাদ বিস্তৃত নহয় আৰু অনেক ক্ষেত্ৰক Formal যেন লাগে। 'সাগৰ দেখিছা'ৰ কল্পচিত্ৰসমূহো উপমাধৰ্মী (Metaphorical)। জাগ্ৰত স্বদেশপ্ৰেমৰ জ্বলন্ত বহ্নি-শিখা আৰু বিশ্বপ্ৰেমৰ উত্তাল তৰংগ তেওঁৰ কবিতাৰ প্ৰতি ছত্ৰে ছত্ৰে ভাস্কৰ। প্ৰতীকবাদৰ ভূমিকা তাত নগণ্য।

প্ৰথিতযশা কবি নৱকান্ত বৰুৱাৰ কবিতাসৃষ্টিক প্ৰতীক আৰু কল্পচিত্ৰৰ ফিটাৰে মাপ কৰিবলৈ গ'লে তেওঁৰ কবিতাৰ বৈদিকধ্বনি আৰু কাব্যছন্দৰ বিশ্বপ্ৰশস্ত সুৰ আঘাতপ্ৰাপ্ত হোৱাৰ সম্ভাৱনা আছে। সংখ্যালঘু ইংগিতধৰ্মী গতিশক্তিয়ে যদিও তেওঁৰ কাব্য ধাৰাত এক প্ৰতীকী আবীৰ (Symbolic Tings) সানে, তথাপি তেওঁক বিশুদ্ধৰূপে প্ৰতীকবাদী বোলাৰ ধৃষ্টতা আমাৰ নাই। কবিৰ অলংকাৰ তথা কল্পচিত্ৰসমূহ প্ৰায়ে 'পদাৰ্থৰ প্ৰত্যক্ষ অনুভূতিৰ ফল'। শব্দবাচনিতো এক Imagist Zeal পৰিলক্ষিত হয়।

‘প্ৰাৰ্থনা : আকাশৰ প্ৰতি : খিৰিকীৰে’ কবিতা অপূৰ্ব প্ৰতীক কেতবোৰৰ সমাবেশ। Marxism আৰু physiology ৰ অভ্যুদয় সত্বেও নিমগ্ন চৈতন্যৰ সহায়ত অৰ্ধচেতন ( Subconscious ) মনৰ সৈতে প্ৰত্যক্ষ সংযোগ ৰখাৰ প্ৰচেষ্টা ‘মহাকাব্যৰ পাণ্ডুলিপি’ত ফৰিংফুটা হৈ পৰিছে—

আত্মাৰ চৰাইখানা সিহঁতৰ
তৰ্ক আৰু চুৰুটৰ ধোঁৱাৰে ধূৰঁলি।

বিশ্ববিশ্ৰুত কবি-সমীক্ষক লৰেন্স ডুৰেলৰ কথাত—
‘To us, living in the fifties it seems that the pendulum has sung out very far in the direction of romantic or the mystical.’ চেতনাস্ৰোতৰ প্ৰবাহত স্থাবৰ-জংগমে কবি-হৃদয় তৰংগায়িত কৰে। ‘বোধিদ্ৰুমৰ খৰি’ আধুনিক প্ৰতীকবাদৰ সাৰ্থক বাৰ্তাবহ—

জীৱন জ্বলাই গলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ জ্ঞান জ্বলে।

‘চোৰ’ কবিতাত এটি অকণমান পোকক প্ৰতীকৰূপে লৈ কবিয়ে নিজৰ কাব্যিকতাত মস্তিকৰ অভাৱ অনুভৱ কৰিছে—

দুটুকুৰা অনচ্ছ আইনাৰ মাজেৰে মই
দেখা পালোঁ যেন মোৰ কবিতাৰ
প্ৰকাণ্ড এখন এক্স-ৰে প্লেট :
তাত মগজুৰ ঠাইখিনি শূন্য।

—‘গোষ্পদে নভোমণ্ডলম’ৰ দৰে এক পূৰ্ণ আত্মিক উপলব্ধিৰ মাজতে পৰিদৃষ্ট হৈছে সমকালীন কাব্য-ধাৰাত এক অদৃশ্য চোৰৰ উপলব্ধি ; সেই চোৰ এই অন্তঃসাৰশূন্যতাৰ বাবে জগৰীয়া। নাও, নাৱৰীয়া আৰু দলং যেনেদৰে হেমিংৱেৰ উপন্যাসত দুৰ্যোগৰ প্ৰতীক, আকাশ তেনেদৰে নৱকান্ত বৰুৱাৰ কবিতাত শাশ্বত এক পাৰ্থিৱ বেদনাৰ প্ৰতীক। ইয়াৰ সহায়ত সংঘটিত হৈছে আকাশ আৰু পৃথিবীৰ হৃদয়ৰ বিনিময়। বুদ্ধিজীৱী কবিৰ প্ৰতীকসমূহ ঠায়ে ঠায়ে ৰূপ-ধৰ্মী আৰু বিশ্বজনীন। ৰহস্য তথা দুৰ্বোধ্যতাৰ ছত্ৰছায়া তাত দুষ্প্ৰাপ্য—যেন ৱাল্ট হুইটমেনৰ কণ্ঠ-নিঃসৃত মুক্তি-সংগীত। Paterism আৰু Dandyism ৰ মধ্যবৰ্তী প্ৰতীকবাদৰ ধ্বনি নৱকান্ত বৰুৱাৰ একাধিক কবিতাত শুনা যায়। আৰ্থাৰ চাইমন্‌ছৰ কবিতাতো ইয়াৰ পূৰ্ণাংগ প্ৰয়োগ বিদ্যমান—

Only her eyes, only her mouth
Live in the agony drouth,
Athirst for that which may not be ;
The desert of her virginity
Aches in the hotness of her mouth……

কোৱা বাহুল্য, নৱকান্ত বৰুৱাৰ কবিতাত ইয়াৰ উপৰিও এক মহাকাব্যিক সুৰ শুনা যায়, যাৰ আত্ম-বিকাশৰ বাবে প্ৰতীকতকৈ উপলব্ধি আৰু সৌন্দৰ্য-বোধৰ উন্মুক্তিহে প্ৰশস্ততৰ।

হৰি বৰকাকতি, বীৰেশ্বৰ বৰুৱা আৰু হোমেন বৰগোহাঞি ঘাইকৈ বুদ্ধিবাদী কবি। বীৰেশ্বৰ বৰুৱাৰ ‘কল্লোল’ স্পষ্ট আৰু যুক্তিমাৰ্জিত প্ৰতীকৰ চানেকি। বৰগোহাঞিৰ ‘সাপ’ কবিতাত মহেন্দ্ৰ বৰাৰ একে নামৰ কবিতাটিৰ দৰে বুদ্ধিধৰ্মী প্ৰতীকবাদৰ ধ্বনি মূৰ্ত হৈ উঠিছে। ইলিয়টৰ দৰে অকাব্যিক শব্দৰ প্ৰয়োগেৰে সুখপাঠ্য কবিতা ৰচনা কৰা ক্ষেত্ৰত বৰ-গোহাঞি সিদ্ধহস্ত। ‘সাহচৰ্য’ কবিতাৰ সোণালী গাওঁখন এটি মনোৰম কল্পচিত্ৰ।

মহেন্দ্ৰ বৰাৰ কবিতাত প্ৰতীক আৰু কল্পচিত্ৰ-সমূহ ছন্দ-চেতনাৰ সুসমন্বিত পৰিস্ফূৰণ আৰু ভাষাৰ *মৌলিক প্ৰয়োগৰ দ্বাৰা বিধৌত। তেওঁৰ প্ৰথম* পৰ্যায়ৰ ৰচনা ‘কপৌ আৰু শগুণ’ মননশীলতা-আৰু সমালোচনাধৰ্মী। ‘কপৌ আৰু শগুণ’ৰ কল্পচিত্ৰই ৰক্ষণশীল কবিৰ অন্তৰৰ শ্লেষাত্মক মনোভংগী ব্যক্ত কৰিছে। ‘জাতিস্মৰ’ কবিতা-পুথিৰ অন্তৰ্গত কবিতা-সমূহৰ ভাৱাদৰ্শ আৰু প্ৰতীকবাদ মূলতঃ ৰোমাণ্টিক—নষ্টালজিয়াবোধজনিত বিষাদ, কশ্মিক প্ৰতিবাদ আৰু প্ৰেম। এক অভূতপূৰ্ব আৰু একক সূৰ্যোদয়ৰ কল্প-চিত্ৰ আছে ‘আবৰণহীন এটা কণী’ত, যাৰ দৰ্শনত সম্ভৱ হৈছে ‘বিশুদ্ধ সৌন্দৰ্যৰ নিষ্কাষণ’।

মোৰ ক্লান্তি-পথ নাই তথাপিতো সনাতন
তীৰ্থযাত্ৰী মই
শুভ্ৰ নিখিলৰ চিৰন্তন অধিবাসী মোৰ পৰিচয়।

এই তীৰ্থযাত্ৰীৰ প্ৰতীকেৰে কবিয়ে জাতিস্মৰৰ দৰে সনাতন আত্মাৰ স্মৃতি সুঁৱৰিছে। কবি নিজেই জাতিস্মৰ ; ৰেঁমা ৰেঁলাৰ দৰে কবিও আত্মা সম্পৰ্কে যথেষ্ট উদাৰ। এই চৈতন্যৰ প্ৰতীক সম্পূৰ্ণ নৈৰ্ব্যক্তিক ; অথচ ৰঞ্জন-ৰশ্মিৰ দৰে অভ্ৰভেদী। ‘এতিয়া সময় হ’ল’, ‘নীলা স্বপ্ন,’ ‘চাৰমন’ আদি কবিতাত স্বপ্নৰ প্ৰতীকে প্ৰশস্তৰ পৰা প্ৰশস্ততৰ হৈ কবিৰ সমগ্ৰ বিশ্ব-চৈতন্য আৰু ৰোমাণ্টিক আনন্দোল্লাসক নীলা চামনিৰে আবৰি ৰাখিছে। ‘সাপ’ৰ কল্পচিত্ৰৰ দ্বাৰা কবিয়ে শ্যামসমান মৰণাকাঙ্ক্ষাৰ মাধ্যমত আধুনিক জীৱনবোধৰ নিপীড়ণতা সম্পৰ্কে প্ৰতিবাদ কৰিছে—

আৰু তাৰ সাগৰৰ দৰে উত্তাল মৃত্যুৰ দৰে স্নিগ্ধ
কি নিবিড় সেই আকৰ্ষণ।
কি নিবিড় সেই আকৰ্ষণ।

‘চিনিকৰ বিশ্ববীক্ষা’ত এই প্ৰতিবাদ অত্যধিক শ্লেষা-হৈ উঠে যেন লাগে—

কোন সঁচা ? নুব্জপৃষ্ঠ মানুহৰ অমৰ হ’বৰ
বিফল প্ৰয়াস ;

হাঁহি উঠে বুৰ্বকৰ কেঁকোৰা গাঁতত দেখি অনৰ্থক
উচ্ছলতা।

এই কেঁকোৰা গাঁতৰ প্ৰতীকে হয়তো বণিক সভ্যতাৰ অন্তঃসাৰশূন্যতাকে সূচায়। 'অপৰূপ এই নদী'ত মহেন্দ্ৰ বৰাই সংখ্যাধিক কল্পচিত্ৰ আৰু প্ৰতীকৰ সহায়ত পাখিৰ জীৱনৰ ৰূপ মহিমাময়ী কৰি তুলিছে। এই নদী 'ভূগোলৰ গাঢ় নীলা ৰেখা যে নহয়'—

যাৰ বুকুৰ বোকাত ফুলে পাখিৰ পদুম
যাৰ পাৰে পাৰে আছে সিঁচি থোৱা
মায়াময় সাধুৰ সুৰভি।

এজোপা গছ, সৰলৰ হাবি, এজাক বগলী আদি যৌৱন, সপোন আৰু সৌন্দৰ্যৰ প্ৰতীক। এই নদীৰ বুকুত এটা সৰু দ্বীপ আছে; হয়তো সেয়া হৃদয় মৰমৰ পলসেৰে গঢ়া—

এইখন নদীৰ দেহত আছে কোনো এটি
কৰুণ নিবিড় দ্বীপ
পলসৰ সপোনেৰে তন্দ্ৰাতুৰ যেন এটি চকু
ৰং তাৰ উপমাৰে ক'বকে নোৱাৰি
সেই এটা সৰু দ্বীপ মই জানোঁ পৃথিৱীৰ
পৰম বিস্ময়

'সন্ধ্যাৰ গুঞ্জন' বিগত যৌৱন ব্যক্তিমানসৰ স্বগতোক্তি। জীৱনৰ চিনাকি পাৰত বহি কবি মৰণৰ সিপাৰে থকা ৰহস্যৰ বিষয়ে উৎসুক হৈ পৰিছে। ইপাৰ আৰু সিপাৰ কবি-কল্পনাৰ মনোমোহা চিত্ৰ—

মই মাথোঁ জানোঁ আছে সঁচাকৈয়ে এইটো
পাৰতে আছে
সীমাৰ ৰেখাৰে বন্দী জীৱনৰ সীমাহীন শান্তি

বুদ্ধিবাদী কবি হেম বৰুৱাৰ প্ৰতীকবাদ ঘাইকৈ ৰূপধৰ্মী আৰু কল্পনাপ্ৰসূত—জাপানী তথা চীনদেশীয় আহিৰ। ইয়াত উপমাৰ প্ৰাচুৰ্য আছে; আৰু আছে ব্যক্তিগত বুদ্ধিনিষ্ঠাৰ সজীৱ ৰূপায়ণ। খিৰিকীৰে নামি অহা জোনটো কবি-কল্পনাত 'ফুলতে বিধবা হোৱা জোনালী বাইদেউ'। জীৱন আৰু সৌন্দৰ্যৰ সম্যক্ উপলব্ধি সম্ভৱ হৈছে উক্ত কল্পচিত্ৰৰ দ্বাৰা। 'জীৱনৰ ৰং' কবিতাত এমুঠি তৰাৰ প্ৰতীকেৰে কবিয়ে জীৱনৰ চিৰ উজ্জ্বল দিশটোৰ কথা ব্যক্ত কৰিছে। মৃত আকাশৰ ছাঁ আৰু পোহৰৰ মোহনামুখত জীৱন উৱলি যোৱাৰ পিছত পৃথিৱীত ৰস মাথোন মহৎকাৰ্যৰ স্মৃতি—

জীয়াই থাকে মাথোঁ এমুঠি তৰাৰ মিছিল,
জহি যোৱা ফুটছাইৰ অগ্নিকণা হৈ।

আধুনিক জীৱনবোধ আৰু সামাজিকতাৰ গতি আজি অধোমুখী, যাৰ ফলত জীৱন হৈ পৰিছে এটা ক্ৰনিকৰ দৰে,—সেয়ে কবি-লেখনীত এটা পোক হৈ ধৰা দিছে। এই পোকে মগজুত প্ৰৱেশ কৰি চিন্তাৰ কুণ্ডলী পকায়। শৈশৱৰ জোন-তৰাৰ মায়া, যৌৱনৰ অনিৰুদ্ধ স্বপ্ন আৰু বাৰ্ধক্যৰ তন্দ্ৰাজুৰি এই পোকৰ আধিপত্য। এইখিনিতে হেম বৰুৱাৰ প্ৰতীকবাদ আধিভৌতিক গুণসম্পন্ন। জাপানী কবিতাৰ আহিত লেখা 'আধা ডজন কবিতা'ত জোন, কপৌ, ফেটীসাপ, নাহৰফুটুকী বাঘ আৰু লেম্পপোষ্টৰ নৈসৰ্গিক কল্পচিত্ৰ সন্নিৱেশ কৰা হৈছে। ব্যক্তিচেতনাৰ গোন্ধত এইবোৰ অধিকতৰ জীৱন্ত হৈ উঠিছে 'এমুঠি কবিতা'ত। চীনদেশীয় হাইকু আৰু টান্‌কাৰ আহিত অংকিত ইয়াৰ কল্পচিত্ৰসমূহৰ ব্যাপক প্ৰয়োগ আছিল স্বৰ্ণ-যুগৰ চৈনিক কবিতাত। বৰ্তমান সাহিত্যৰ ৰভাতলত হয়তো এইবোৰ আচহুৱা যেন লাগিব পাৰে। কবিৰ দুই এটা কবিতাত সৌন্দৰ্যপ্ৰীতি আৰু সৌন্দৰ্যনিমগ্নতাৰ সুন্দৰ প্ৰকাশ আছে। কবি-কল্পনাৰ আবেষ্টনীত মন কেতিয়াবা হয় বনৰীয়া হাঁহ; আৰু এই প্ৰতীকৰ মাধ্যমত কবিয়ে সৌন্দৰ্যৰ সৈতে একাত্মীভূত হ'বলৈ বিচাৰে। 'বালিচন্দা'ৰ প্ৰতীকবাদ বাক্য বিন্যাসৰ ইন্দ্ৰজাল আৰু পৰম্পৰ বিপৰীতমুখী কল্পচিত্ৰৰ মাজেদি প্ৰকাশ পাইছে।

প্ৰতীক তথা কল্পচিত্ৰ অৱগুণ্ঠিত ভাৱ-ব্যঞ্জনা জটিলৰ অন্তত জটিলতৰ হৈ ততোধিক ঘণীভূত, প্ৰতীয়মান হৈছে উদীয়মান কবি নীলমণি ফুকনৰ কবিতাত। প্ৰথম দৃষ্টিতে ফুকনৰ কাব্যধাৰাত Vorticismৰ প্ৰভাৱ-প্ৰাবল্য পৰিদৃষ্ট হয় যদিও প্ৰেম-সৌন্দৰ্যৰ চিত্ৰ, এক আধ্যাত্মিক প্ৰতীতি, নিৰ্জন সুৰ আৰু 'আত্মাৰ গভীৰতম সমস্যাৰ গধুৰতম উপলব্ধি'-য়েই মুখ্যতঃ তেওঁৰ কবিতাৰ বুনিয়াদ, যাৰ মোহনীয় ব্যঞ্জনা সম্ভৱ হৈছে বিবিধ প্ৰতীক আৰু কল্পচিত্ৰৰ বিশুদ্ধ ৰূপায়ণত। ইয়াৰ বুকুত হয়তো ৰিল্কে, বোদলেয়াৰ নাইবা ৰ্যাবোঁৰ সমুদ্ৰ-সৈকতগন্ধী চৈতন্য-প্ৰবাহৰ ধূমায়িত ৰূপসজ্জা পৰিলক্ষিত হ'ব পাৰে। অন্যথাই কবি-চিত্তৰ ৰং-ৰেখাতেই আমাৰ যুক্তি কেন্দ্ৰস্থ হয়। ইজিপ্তীয় জন-গাঁথাৰ আধাৰত ৰচিত 'সূৰ্য্য হেনো নামি আহে এই নদীয়েদি' কবিতাটিৰ কল্পচিত্ৰসমূহ নিতান্তই বৈয়ক্তিক আৰু চাৰ্‌ৰিয়েলিজমৰ গোন্ধ-ভাপযুক্ত; যেনে—পকা আঙুৰ যেন তৰা, মৰা মাছৰ পিঠিত মকৰাৰ চকু যেন সূৰ্য, চীনা মাটিৰ প্লেটৰ দৰে জোন, ইত্যাদি। উক্ত কবিতাটিৰ অনন্য প্ৰতীকদ্বয় হ'ল এখন পাতালৰ নদী—'ৰক্তক্ষৰা ভুজংগিনীসম' এই নদীয়ে সূৰ্যৰ ৰথকো হেনো টানি লৈ যায়, আৰু এটা সূৰ্য যি 'আধ্যাত্মিক পুনৰুজ্জীৱন'ৰ প্ৰতীকমান। তথাপি এই কবিতাত নদী আৰু সূৰ্যৰ প্ৰতীক দুটাৰ মধ্যবৰ্তী Harmony ৰক্ষা নপৰিল। 'A Prayer for my Daughter'ত ধুমুহা আৰু

গহ্বৰ মাজত ঐক্যগ্ৰন্থী অব্যাহত ৰাখিবলৈ কবি ইয়েংছে কৰা আনুভূতিক উপলব্ধিৰ অভাৱ ইয়াত সহজানুমেয়। ছান্দোগ্য উপনিষদৰ মতে আকাশ আৰু পৃথিৱীৰ মূল এটা সোণালী কণী—ইয়াৰে পটভূমিত ৰচিত 'সেই সোণালী কণীৰ কুহুমৰ মাজলৈ' কবিতাটিৰ ইংগিত ধূসৰ হৈ পৰিছে 'ওপৰমুৱা কাঁইট, অকণমান কিবা এটা, কোমল সুৰুঙা, আলিদোমোজা আদি অস্পষ্ট অৰ্থজ্ঞাপক প্ৰতীকৰ ব্যৱহাৰত। 'সোণালী কুহুম' হয়তো পুৰাণৰ আকাশী পোহৰ, যাৰ বক্ষেৰ পৃথিবী বোলোৱাৰ আকুতি কবিৰ হৃদয়-নিঃসৃত। এয়া Esoteric Symbolismৰ বাহপ।

'বুৰঞ্জী' কবিতাৰ ধাৰণা সম্বন্ধে সন্দিহান হোৱাৰ পথ আছে যদিও ইয়াৰ কল্পচিত্ৰসমূহ চমকপ্ৰদ একতা সূত্ৰেৰে গ্ৰন্থিত। ইতিহাসৰ নিকৰুণ পৰিণতিৰ প্ৰতি কবিৰ বিষাদ বেদনাতকৈ এক আহ্লাদহে ইয়াৰ পোহৰত প্ৰতিভাত হৈ উঠিছে—

কুঁৱলীৰ দৰে ধোঁৱাৰ সাগৰত
সাঁতুৰি সাঁতুৰি চৰাইবোৰ জাকে জাকে
উৰি গৈছিল,
লানি নিছিগাকৈ সাপবোৰ পানীত উটি অহা
দেখিছিলোঁ।

সিহঁতলৈ আমাৰ কিন্তু মৰম লাগিছিল। ধোঁৱাৰ সাগৰ, চৰাই, সাপ, অৰণ্য আদি প্ৰত্যেকেই একোটাহঁত বাঙময় কল্পচিত্ৰ, যাৰ প্ৰতি কবিৰ মৰম দ্ৰবীভূত হৈছে। কিন্তু কবি যুগধৰ্মৰ (Time Spirit) পিঞ্জৰাত আবদ্ধ; ইও এক যন্ত্ৰণা—যেন ইলিয়টৰ 'অনুৰ্বৰ ভূমি' এই পৃথিৱীখন। স্থানান্তৰত প্ৰেম আৰু সৌন্দৰ্যঘটিত নিৰ্জনতাই 'এটি হৰিণা পোৱালী' হৈ কবি-মানসত ধৰা দিছে—

ক'ৰবালে' গুচি যাওঁ ব'লা, শুকাবতী
পৃথিৱীৰ চব মানুহ ক'ৰবালে' গুচি য'ক,
মাথোঁ থ'ক
এটি হৰিণা পোৱালী, ফুটুকা ফুটুকী।

জাপানী পুৰাণৰ ইজানামিয়েও আধ্যাত্মিক জ্যোতিৰ প্ৰতীকৰূপে 'অন্য এক নক্ষত্ৰ'ত কবিৰ ভাৱধাৰাক উদ্বেলিত কৰা দেখা যায়—

ইজানামি! মেঘত ওলমি
আহিবানে নামি? আহিবা এবাৰ?
উত্তৰ—উত্তৰ ক'ত
হেনাস্ দূৰৰ শুকুলা পাহাৰ।

'গৌতমৰ মাৰ দৰ্শন' কবিতাত স্বৰ্ণমৃগৰ কল্পচিত্ৰৰ আলম লৈ গৌতম বুদ্ধৰ জ্ঞানজ্যোতিৰ ভাৱ ব্যক্ত কৰিছে। 'ৰাজহাঁহ' নামৰ প্ৰতীকী কবিতাত আকাশৰ জোনক ৰাজহাঁহৰ লগত তুলনা কৰা হৈছে—

ৰাতি সৰোবৰত চৰি ফুৰা
মই এটা ৰাজহাঁহ, বিহংগ বিনোদ।

উক্ত প্ৰতীকৰ ব্যঞ্জনা অভিজ্ঞতাপ্ৰসূত নহয়, যদিও কবিতাত নিজেই সূৰ্য-অন্বেষণকাৰী ৰাজহাঁহ। কবিৰ অনিষ্ট সূৰ্যৰ পথত বহুত দৌৰ্বল্য। অৱশ্যে ইয়াৰ সংখ্যাধিক পংক্তিত কল্পচিত্ৰৰ ভাষাই উৎকৰ্ষতাৰ চৰম বিন্দু পাইছে—

পাখি মোৰ পাখি নহয়, কাঁড়
দেহ মোৰ কাঁড়ৰ এটা কুকী।

নিৰ্মলতা ফুকনৰ কবিতাৰ অন্যতম সুৰ—'A motion and a spirit' এই উপলব্ধিক কৃতকাৰ্যতাৰ পথত অগ্ৰগামী কৰাইছে কেতবোৰ নিৰিবিলি সুৰ-সংবাদী চিত্ৰৰ প্ৰয়োগে—

ভুলতে তোমাক বিছনাখনত
খেপিয়াই ফুৰিছিলোঁ,
তুমি যে পৰ্বতটোৰ
নামনিত
তিলফুল হৈ
হাঁহি জালি ফুলি আছা।

এই নিৰ্জনতাৰ গহনকোণত ধ্বনিত হৈছে বেদনা-উদ্ভূত এক বিশ্ব-চেতনা, যাৰ সৈতে কবিৰ মাটিমুখী ভাৱাবেগ একাত্মবোধৰে পৰিচায়ক। ফুকনৰ কবিতাত স্থানবিশেষে এজ্ৰা পাউণ্ড আৰু হিল্ডা ডুলিট্লৰ ইমেজিজ্‌মৰ চৰণধ্বনি অনুভূত হয়।

অন্ধকাৰ, প্ৰেম আৰু নিৰ্জনতাৰ বিষাদ—এই ত্ৰিধাৰা হৈ বিয়পি থকা দীনেশ গোস্বামীৰ কবিতাত প্ৰতীকবাদ নিতান্তই ব্যক্তিগত আৰু নিৰাশধৰ্মী। পোহৰ-বিৰাগী কবি অন্ধকাৰপ্ৰিয়; চিন্তা-মানসৰ চৌপাশ বেঢ়ি থকা এই অন্ধকাৰত কবিয়ে শুনিবলৈ পায় এটা মধুৰ সুৰ আৰু সন্ধান পায় এক নিৰ্জন সৌন্দৰ্যৰ—

এতিয়া ইয়াৰ পৰা শুনা গৈছে বৰ্ষশেষৰ
শাখাচ্যুত পত্ৰৰ মৰ্মৰ ধ্বনি
শুনা গৈছে উৰি যোৱা নিশাচৰ পখীৰ পাখি
মৃদু জলতৰংগৰ শব্দ। (অন্ধকাৰ)

এয়া যেন 'তমসো মা জ্যোতিৰ্গময়'ৰ বিপৰ্যস্ত ধ্বনি, যাৰ বাবে কবিৰ হৃদয় মাতাল—

এই অন্ধকাৰ মোৰ আপোন;
অন্ধকাৰৰ এই বিশাল ছাঁয়াত মই মাতাল।
( অন্ধকাৰ )

আধুনিক জীৱনবোধৰ পতন, ৰাষ্ট্ৰীয় শাসনৰ শোষণ আৰু নাগৰিকতাৰ ( urbanity ) স্খলন দেখি কবিয়ে এটা প্ৰতীকী আত্মহত্যাৰ ক্ষণ ৰূপায়িত কৰিছে 'আত্মহত্যাৰ মুহূৰ্ত'ত! এই আত্মহত্যা আত্মবিলুপ্তিৰ প্ৰতীক। 'শূন্য গাঢ় ঘোৰ তমিস্ৰাত' কবিয়ে গাইছে—

অন্ধকাৰ হ'লে
পৃথিৱীৰ ভিতৰ ঘৰলৈ অকলে খোজ লওঁ
ভয়াবহ শূন্যতাক শয্যাসংগিনী কৰি
পিয়লাত বিষ ঢালি লওঁ।

'The weariness, fever and the fret'এ কবিক হৃদয়ৰ মাজতে নিৰুদ্দেশ হোৱাৰ পথ সুগম কৰি দিছে। পিয়লাৰ বিষখিনি যেন প্ৰতীকী অৰ্থত যান্ত্ৰিক সভ্যতাৰ মন্থনত উদগাৰিত হোৱা অসূয়া জীৱন-তৃষ্ণা। আজিৰ সভ্য নগৰী কবি-কল্পনাত প্ৰাচীন অৰণ্য, য'ত আৰণ্যক চিন্তাপুষ্ট সভ্যতাৰ ধ্বজাধাৰীৰ অবাধ বিচৰণ আৰু এই জীৱন-জিজ্ঞাসাৰ নীৰন্ধ্ৰ আন্ধাৰ। তাত হৃদয় এক বেগবান হৰিণ। কবিয়ে হৰিণৰ কল্পচিত্ৰেৰে আত্মপৰিহাস কৰিছে—

মই যেন এক বিদূষক, প্ৰভুৰ তৃপ্তিৰ হেতু
অকাতৰে মুখা পিন্ধোঁ, অৰ্থহীন অংগীভংগী কৰোঁ
দুবেলা দুমুঠি অন্ন আৱশ্যক একান্ত যিহেতু।
(আত্মপৰিহাস)

ইলিয়টী চিন্তাধাৰাৰ প্ৰবল আৰ্দ্ৰতা দেখা যায় 'মই নৰকৰ পৰা' কবিতাত। যুগ-যন্ত্ৰণাত অতিষ্ঠ কবিয়ে যেন শেলীৰ দৰে চিঞৰি উঠিছে—

I fall upon the thorns of life I bleed,
O, lift me as a cloud, as wave, as leaf!

অন্ধকাৰ আৰু নিৰ্জনতাৰ প্ৰিয় উপলব্ধিত কবিয়ে এই নৰকৰূপী যুগ-যন্ত্ৰণাৰ পৰা মুক্তি পাবলৈ বিচাৰিছে। অন্ধকাৰত কবিয়ে প্ৰেয়সীৰ খোপাৰ ফুলৰ সুৰভি-নিৰ্যাসৰ উমান পায়। 'পাহাৰত শীত' এটি গভীৰ প্ৰেমৰ কবিতা। এই পাহাৰ, এই নিৰ্জনতা কবিৰ উপলব্ধিসম্ভূত সম্পূৰ্ণ বৈয়ক্তিক কল্পচিত্ৰ। পখীৰ কণ্ঠৰ গীত আৰু নীল নিৰ্জনতাত কবিয়ে বিৰহী যক্ষৰ দৰে প্ৰেয়সীৰ প্ৰেম, স্মৃতি, ভালপোৱাৰ ৰূপ দৰ্শন কৰিছে আৰু আস্বাদ লৈছে আত্মমুক্তিৰ—এয়া হয়তো গ্ৰীক কবি চেফাৰিছৰ হেলেনিক আদৰ্শৰ ক্ষণিক আভাস। গোস্বামীৰ প্ৰতীক আৰু কল্পচিত্ৰ এই অৰ্থত নৈসৰ্গিক আৰু আধ্যাত্মিক।

'বনৰীয়া হাঁহ' কবিতাত হাঁহৰ প্ৰতীকেৰে কবিয়ে অতীতৰ দিনবোৰলৈ উভতি চাইছে। 'ডেৰকুৰি বনৰীয়া হাঁহ' আদবয়সীয়া কবিৰ ডেৰকুৰিটা বসন্তৰ সীমাৰেখা। সিহঁতৰ স্মৃতিয়ে কবিক বেদনা দিয়ে। জীৱন-নৈত উটি বুৰি ফুৰা বনৰীয়া হাঁহৰূপী ডেৰকুৰিটা বছৰলৈ কবিয়ে এটি সৌন্দৰ্যদীপ্ত দৃষ্টিৰে চাইছে—

আৰু মই দুপৰীয়া অৰণ্য-প্ৰান্তত বহি
সিহঁতক দেখিছোঁ যেন খেলা কৰা নদীৰ বুকুত—
সেই উৰি যোৱা ডেৰকুৰিটা বনৰীয়া হাঁহ।

জাপানী কবিতাৰ প্ৰতীকী অৰ্থ ইয়াত সহজে পাঠকৰ দৃষ্টিগোচৰ হয়।

অত্যন্ত ৰোমাণ্টিক ভাৱৰ কবি বীৰেন বৰকটকী, বীৰেন বৰগোহাঞি আৰু পৰেশমল্ল বৰুৱাৰ কবিতা-সমূহ ঘাইকৈ ভাৱৰ উচ্ছ্বাস আৰু যুগচেতনাৰ মনোমোহা বৰ্ণনা। ইয়াত প্ৰতীক তথা কল্পচিত্ৰৰ প্ৰাধান্য দেখা নেযায়। বৌদ্ধদৰ্শনৰ মোক্ষ বা পৰিনিৰ্বাণৰ উপলব্ধি আনে বাৰ্ধক্যই। প্ৰফুল্ল ভূঞাৰ 'মুক্তি' কবিতাৰ 'দাস' প্ৰতীক এই অৰ্থত আধ্যাত্মিক। পাৰ্থিৱ যন্ত্ৰণাত বিদীৰ্ণ হৃদয় মানুহৰ বাবে এই মুক্তিৰ আস্বাদ কিন্তু প্ৰিয় নহয়। পাৰ্থিৱ জীৱনৰ ৰূপ আৰু সাৰ্থকতা সম্পৰ্কে কবিক বেছি সচেতন দেখা যায়। 'বাইচুকেল' কবিতাৰ চাইকেলখন বিংশ শতাব্দীৰ গতিৰ স্বাক্ষৰ আৰু নাৰীগৰাকী যেন আগত শতিকাৰ জীৱন-ধাৰা। আন বহুতো কবিৰ দৰে প্ৰফুল্ল ভূঞাৰ কবিতাত নদী জীৱনৰ প্ৰতীক আৰু সময় এই নদীৰ উৎস এক মৰুপ্ৰান্তৰ। অন্ধকাৰ মহাকালৰ বুকুত এদিন জীৱনৰ অপমৃত্যু ঘটিব; মৰুময় প্ৰান্তৰত হেৰাই যোৱা এটা নদীৰ দৰে—

অন্ধকাৰ এই নদী অন্ধকাৰ,
হেৰাই যাব এই নদী মৰুপ্ৰান্তৰত,
কিমান হেৰাল নদী,
(অন্বেষণ)

'হয়তোবা আকৌ এদিন'ৰ হালধীয়া চুৰেটাৰ পিন্ধা মানুহটো এটি মনোমোহা কল্পচিত্ৰ। 'সূৰ্য-শিখা' কবিতাত জীৱন আবৰি থকা পোহৰৰ সিপাৰে কবিয়ে এক শাশ্বত অন্ধকাৰৰ অস্তিত্ব অনুভৱ কৰিছে। এই অন্ধকাৰ হয়তো জীৱনান্তৰ ইংগিত! জীৱন এক সঁচা প্ৰপঞ্চ; 'তেনেকুৱা আহিনৰ দিন'ত কবিৰ প্ৰকৃতি-প্ৰীতি তীব্ৰ হৈ উঠিছে কেইটামান মধুৰ কল্পচিত্ৰৰ সহায়ত।

মানুহৰ সৈতে হৃদয়ৰ বিনিময় আৰু এক সৰল মানৱ-প্ৰেম ৰাম গগৈৰ একাধিক কবিতাৰ বিষয়বস্তু। 'সৰাফুল'ৰ প্ৰতীকেৰে কবিয়ে প্ৰেম আৰু মৰমৰ ফুলনিত সৰি পৰা, মানৱিকতাৰ স্বত্বহাৰা কেতবোৰ অঘৰী ল'ৰাৰ প্ৰতি মৰমকোমল দৃষ্টিপাত কৰিছে। সমাজৰ অন্যায়-অনীতি, ঘোচখোৰ, লুৎসা আদিৰ প্ৰতি কবি সদায় সজাগ। 'সংসাৰ' কবিতা ইয়াৰ সম্যক উদাহৰণ। হিংসা আৰু বিদ্বেষৰ স্বৰূপ মূৰ্ত হৈ উঠিছে 'দংশন' নামৰ প্ৰতীকী কবিতাটিত। এৰা গছৰ সেউজীয়া পাত ইয়াত মানুহৰ হৃদয়। 'আহা বন্ধু কথা পাতোঁ,' 'অদৃশ্য', 'উৰি যাব এটি পখী' আদি ৰাম গগৈৰ আন আন প্ৰতীকধৰ্মী কবিতা। অৱশ্যে এই প্ৰতীকবাদ বুদ্ধিপ্ৰসূত আৰু পৰিপূৰ্ণ নহয়। কিন্তু 'এটম বোমা' কবিতাৰ প্ৰতীকবাদ যুক্তিমাৰ্জিত আৰু পূৰ্ণাংগ।

ৰবীন্দ্ৰ বৰা, নগেন ঠাকুৰ আৰু ভবেন বৰুৱাৰ

প্ৰতীকবাদ প্ৰতীচ্যৰ কাব্য-ৰীতি অধ্যয়নৰ ফল; কবিতাৰ বিষয়বস্তু মূলতে ৰোমাণ্টিক আৰু ব্যক্তিগত। সম্ভাৱনাপূৰ্ণ কাব্যৰীতিৰে আগবাঢ়ি অহা হৰেকৃষ্ণ ডেকাৰ কবিতাতো ঠাইবিশেষে গুটিদিয়েক প্ৰতীকৰ প্ৰয়োগ দেখা যায় যদিও শব্দটিৰ প্ৰকৃতিগত অৰ্থেৰে তেওঁৰ কবিতাৰ জোখ-মাপ কৰাৰ সময় অদ্যাপি দূৰস্থ। ডেকাৰ কবিতাত প্ৰতীক বা কল্পচিত্ৰতকৈ উপলব্ধিহে অধিকতৰ বাঙময়। তেইশৰ উপকণ্ঠত এখন পাহাৰ—সিপাৰত ৰহস্যৰ দুৰ্বাৰ আকৰ্ষণ; কেৱল বৰষুণ আৰু বৰষুণ। হয়তো সময়ৰ ৰূপালী সূতাত বান্ধ খাই পৰা কবিৰ আত্মিক সংকেতধ্বনি—

তেইশত পাহাৰ নবগাবা। বৰষুণত পাহাৰৰ
গা পিছল হৈ আছে।
ক'তনো তুমি খোপনি ল'বা? শিলবোৰো
নিমজ নহয়।
(তেইশৰ উপকণ্ঠত বৰ্ষা)

এই পাহাৰ, এই শিল পিচিছল জীৱন-যৌৱনৰ। বনগীতৰ ধ্বনি-প্ৰতিধ্বনিত এই প্ৰতীকসমূহ ওপঙি আহিছে। ছত্ৰবিশেষে জ্যঁ। প'ল ছাৰ্ত্ৰেৰ অস্তিত্ববাদৰ (Existentialism) গোন্ধেও ঘ্ৰাণেন্দ্ৰিয় ব্যতিব্যস্ত কৰি তোলে। সমুদ্ৰবক্ষত মৃত্যুৰ নিঃশব্দ পদক্ষেপৰ উমান পাই কবিৰ অন্তৰত 'সমুদ্ৰভীতি'ৰ সঞ্চাৰ হৈছে—

মই জানোঁ সিন্ধুত আহিব বান।
যিদৰে ঢৌৱাই নিলে
বহু প্ৰাচীন সভ্যতাক, দৰ্শনক।
সিদৰে মৃত্যুৰ নিঃশব্দ পদক্ষেপে
সমুদ্ৰ ব্যাপ্ত হ'ব। সেই হেতু
বৰ ভয় লাগে, বৰ ভয় লাগে সমুদ্ৰক।

সমুদ্ৰৰ কল্পচিত্ৰৰ আলমত এক সৃষ্টিকামী আশাৰ Opti nistic মনোভাৱ বহিৰ্গত হৈছে যদিও অতীত, ভৱিষ্যৎ আৰু বৰ্তমান জুৰি বিনাশৰ বীজ অংকুৰিত আছে। কবিৰ সমুদ্ৰ চিৰদিন গৰ্ভৱতী; হয়তো মুহূৰ্ততে জন্ম দিব পাৰে আভীৰৰ দস্যুৰ দল। ই এক চিৰন্তন সত্তা; নিৰ্বিকাৰ, ৰহস্যময়ী। কিন্তু এই ৰহস্যৰ উৎস সন্ধান সম্পৰ্কে কবিক আগ্ৰহশীল দেখা নেযায়। প্ৰতিভা বিকাশৰ বাবে ই বিপজ্জনক। মিল্টনৰ Paradise Regainedৰ উৎস নৰক দৰ্শনতহে নিহিত আছিল।

Falling towers,
Jerusalem, Athens, Alexandria,
Vienna, London
Unreal····বুলি লেখা The Waste Landৰ পংক্তিকেইটাত ইলিয়টে উপলব্ধিৰ বীজ বপন কৰা বাবেহে ই গ্ৰহণযোগ্য হৈছে; ইয়াৰ ধ্বনি অশ্ৰুতপূৰ্ব নহয়। 'হঠযোগ প্ৰদীপিকা'ত আছে, শৰীৰৰ সৰ্ববিধ দ্বাৰ যদি চূড়ান্ত চেতনাৰ দ্বাৰা অৱৰুদ্ধ কৰা যায় তেন্তে উপলব্ধিৰ অন্তৰতম্ প্ৰান্তৰত ধ্বনিত হয় এক মোহনবংশীৰ ধ্বনি—'অচ্যুত ভূমি' আৰু অন্ধকাৰৰ প্ৰতীকেৰে এই হৃদয়-বৃত্তি জাগৰূক হৈ পৰিছে—

মাথোন একান্ত মনে শুনোঁ যেন
কোনো এক অন্তৰতম্ প্ৰদেশত
ক্ষীণ আৰু ক্ষীণতৰ মধুৰ শব্দ
বিন্দু বিন্দু বাৰি পতনৰ। (উপলব্ধি)

জীৱনৰ উত্তৰ-পশ্চিম ব্যাপী দুটা ভুলৰ হাত কবিয়ে উপলব্ধি কৰিছে—'হঠাৎ দুটা ভুল'ত—যি ভুল অবাঞ্ছিত কিন্তু সাৰ্বজনীন; বুৰ্বক ছাগলী আৰু বৃদ্ধ চকিদাৰৰ প্ৰতীকেও তাকেই সূচায়। ডিঙিত ৰঙা ফিটা মাৰি এইজনী ছাগলী আহিছিল ঘাঁহ বিচাৰি; কিন্তু শুকান ঘাঁহত জুইৰ ফিৰিঙতি। মধ্যক জীৱনৰ কণ্টকাকীৰ্ণ পথ যেন এক হাবি য'ত আছে সোণালী ফচল আৰু অলেখ সোণৰ কণী; বৃদ্ধ চকিদাৰ হয়তো সময়। এৰা সময়—সময় পাখি লগা কাঁড়ৰ দৰে অবিৰাম—

"But at my back I always hear
Time's winged chariot hurrying near."

ডেকায়ো সময়ৰ কথাকে কৈছে—

এনেতে দেখিলোঁ—
বৃদ্ধ
চকিদাৰে
চুৰ কৰি
নিছে আহি
সোণালী ফচল
আৰু
সোণৰ কণী
এটা দুটাকৈ
মনে মনে।

জোনাক, দুপৰ আৰু আকাশ ডেকাৰ কবিতাত আধিভৌতিক; অন্ধকাৰ যেন উপলব্ধিৰ তড়িৎ পুষ্পক।

জীৱন এটা নদী যেন জন্মৰ সেতুৰে গৈ উভতি অহাৰ আওপুৰণি বাট—এই প্ৰতীকৰ অভিব্যঞ্জনা ৰোমাণ্টিক কবি দেবেন্দ্ৰপতি গোস্বামীৰ একাধিক কবিতাত বিদ্যমান—

এয়ে জানো সেই নদী ???
ভ্ৰূণভীৰ পথাৰত কৰে নিতে নৱ
প্ৰাণৰ সঞ্চাৰ;
: এটাহে দেখোন বাট আওপুৰণীয়া,
জন্মৰ সেতুৰে গৈ উভতি অহাৰ।
(নিৰুদ্দেশ নদীৰ সপোন)

'প্ৰতিশ্ৰুতি সোণালী দিনৰ' এটা গভীৰ প্ৰেমৰ কবিতা, ৰোমা ন্টিক কবিৰ প্ৰেমৰ শাশ্বত এটি দিশৰ এনালাইচিচ্। ইয়াতো জীৱন এক সোণালী নদী যি নদী 'আঙুৰ ৰঙৰ, মিঠা মিঠা বুজাব নোৱাৰা।' এই প্ৰতীকৰ ইতিহাস অতি প্ৰাচীন অথচ কবিৰ জীৱন প্ৰাচুৰ্য্যৰ মোহেৰে উজ্জীৱিত—

এইবাৰ আহোঁতে উভতি, বাটে বাটে
সোণালী নদীৰ
কোঁচ ভৰি বুটলিম চব হাঁহি কেৱল পোৱাৰ ;

দ্বীপ, মেঘ আৰু নীলৰঙী এন্দুৰ আদি কল্প-চিত্ৰয়ো কবিৰ দুই এটা কবিতাত ভুমুকি মৰা দেখা যায়। Alexander Popeৰ The Rape of the Lock আৰু Shelley ৰ Prometeus Unbound ত ব্যৱহৃত ব্যক্তিগত আৰু আখ্যানমূলক প্ৰতীকবাদৰ (Mythological Symbolism) ব্যৱহাৰ এওঁ কৰিছে, যেনে—'অভিমন্যু'। সাম্প্ৰতিক জীৱনৰ ব্যৰ্থ মূল্য-বোধত কবিৰ মন কণ্টকিত হৈ পৰিছে যদিও কেতিয়াবা কেতিয়াবা প্ৰেমৰ উচ্ছ্বাসত আৰু ব্যৰ্থ প্ৰেমৰ যন্ত্ৰণাত তেওঁৰ কবিতা চেমেলিয়নৰ দৰে হয়। সুস্থ কাব্যকৃতিৰ বাবে এই ভাৱাদৰ্শৰ পথ পুষ্পাকীৰ্ণ নহয়।

তাৰ পিছতে উল্লেখ কৰিব পাৰি হীৰেন্দ্ৰনাথ দত্ত, নিৰঞ্জন ফুকন আৰু হীৰেন গোহাঁইৰ নাম। কোৱা বাহুল্য যে, প্ৰথম দশকৰ কবিসকলতকৈ পিছৰ দশকৰ নৱাগত কবিসকলৰ কবিতাত প্ৰতীকবাদ অধিক মূৰ্ত হৈ উঠিছে যদিও ই এতিয়াও পৰীক্ষামূলক ভিত্তিতে চলি আছে ; ফৰাচী প্ৰতীকবাদৰ দৰে অভিযানৰ ৰূপ লোৱা নাই। সংখ্যাধিক পাঠকৰে অভিযোগ—আধুনিক কবিতা দুৰ্বোধ্য ; কিন্তু এই অভিযোগৰ কুঁৱলীত আমি এই কবিতাৰ প্ৰকৃত ৰূপ নেদেখিবও পাৰোঁ।



# অন্য এক প্ৰয়োজন

**শ্ৰীলোহিতকুমাৰ দত্ত বৰুৱা**
প্ৰাক্-বিশ্ববিদ্যালয় বিজ্ঞান

এতিয়া স্তব্ধ হ'ল নীড়হাৰা পখীৰ ক্ৰন্দন ;
এতিয়া বন্ধ হ'ল অমৃত মণ্ঠন। মথনীত ভেজা দি
এতিয়া ভাগৰি পৰিছে দেৱতা দানৱ।
ঠেং ভঙা কুকুৰৰ অদ্ভুত গেঙনি লৈ
ভ্ৰূণৰ যে আজি গৰ্ভতে মৰণ।
অন্তঃসত্বা পৃথিবীৰ অলেখ বেদনা লৈ
তন্দ্ৰালস স্বপ্নাতুৰ মন—
অনাগত শিশুৰ যে কঁপনি স্তব্ধ হ'ল।
মৃতাত্মা পৰীক্ষিত আজি গভীৰ গুহাত চিৰ নিদ্ৰিত—
প্ৰয়োজন আছে কিন্তু মুক্তনীল আকাশ তলত।
সেয়েহে—
মৃতাত্মাৰ প্ৰাণসঞ্চাৰ কৰা সোনকালে।
আজি পুনুবাৰ
প্ৰতিকাৰ হ'ক মাতৃত্বৰ অৱমাননাৰ।
প্ৰমাণিত হ'ক চকুলোৰ বিফলতা য'ত,
প্ৰমাণিত হ'ক আৰু—হলাহল পান কৰা
আজিৰনো নীলকণ্ঠ ক'ত।
আজিৰ সূৰুযৰ শেঁতা জুই—তেজ নাই তাত।
বাহিৰতো আজি গুহাৰ আন্ধাৰ—
পোহৰ আছে পৰুৱাৰ চকামকা লৈ।
আমাক লাগে বহুতো পোহৰ—
আমাক লাগে একুৰা জুই--পুৰি মাৰিবৰ।
পোহৰে আন্ধাৰে লুকাভাকু খেলা,
বন্ধ পানীত বেঙৰ ৰাও--তাকো কাঢ়িবলৈ
লাগে কিবাকিবি।
সেয়েহে—
পৰীক্ষিতৰ প্ৰাণ সঞ্চাৰ হ'ক।
উপশম হ'ক অদ্ভুত যাতনা ঠেং ভঙা কুকুৰৰ ;
অলেখ হাঁহি অঙ্কিত হ'ক চকুৰ পানীত
পাখি ভগা পখিলাৰ।
সেয়েহে বিচাৰোঁ—সোনকালে
প্ৰাণ সঞ্চাৰ হ'ক।

# নৃত্য-নাট্য

শ্ৰীস্বপ্না বৰদলৈ
দ্বিতীয় বাৰ্ষিক বিজ্ঞান

সাধাৰণ অৰ্থত নৃত্য-নাট্য বুলিলে নৃত্যৰ মাধ্যমেৰে ৰূপায়িত কৰা নাটককে বুজায়। কিন্তু বিশ্লেষণ কৰি চালে দেখা যায়, প্ৰতিটো নৃত্যই হৈছে একো একোটা কাহিনীৰেই ছন্দময়, ৰূপময় প্ৰকাশ। ক্লাচিকেল নৃত্যৰ কথাতো স্বকীয়াই, লোক-নৃত্যবোৰতেই মনৰ বিভিন্ন ৰঙৰ প্ৰতিফলন জিলিকি উঠে। পৃথিবীৰ আদিম মানুহজনে চিকাৰ পোৱাৰ আনন্দত, প্ৰকৃতিয়ে ক্ষণে ক্ষণে সলোৱা অপৰূপ ৰূপ দেখি হোৱা পুলকত—নদীৰ চঞ্চল গতিৰে, বাঁহপাতৰ কঁপনিৰে যি আদিম, উল্লাস নৃত্য নাচিছিল সেই নৃত্যয়ো সঁচা জীৱনৰ নাটকখনকে জনা-নজনাকৈ ৰূপ দিছিল।

যুগ সলনি হোৱাৰ লগে লগে মানুহৰ মনৰ অনুভৱ বিচিত্ৰ আৰু জটিল হ'বলৈ ধৰিলে। আদিম মনৰ সহজ আৰু পোনপটীয়া প্ৰকাশভঙ্গীৰ ঠাইত উন্নত শিল্পীমনে সূক্ষ্ম, লুকাভাকু খেলা প্ৰকাশভঙ্গী প্ৰতিষ্ঠাপিত কৰিলে। সঙ্গীত, নৃত্য আদি শিল্পকলা উচ্চমানবিশিষ্ট ৰীতি-নীতিৰ শৃঙ্খলাৰে ক্লাচিকেল পৰ্যায়লৈ উঠিল মনীষীসকলে নৃত্য, নাটক আৰু সঙ্গীতৰ তাল, মুদ্ৰা, কাহিনী, কৌশল, ৰাগ, লয় আদি বান্ধি দিলে। আদিম মনৰ মুক্ত আৰু স্বতঃস্ফূৰ্ত প্ৰকাশৰ লোকগীত, লোকনৃত্যৰ ভেঁটিত শৃঙ্খলিত, নিয়ম সমৃদ্ধ হৈ ভাৱ আৰু অনুভূতি প্ৰকাশিত হ'ল। শৃঙ্খলাবদ্ধ নিয়মৰ মাজলৈ নৃত্য অহাত মনৰ ভাৱৰ স্বতঃস্ফূৰ্ত প্ৰকাশভঙ্গী যে বাধাগ্ৰস্ত হ'ল এনে নহয়, বৰঞ্চ নিয়মৰ সংযত কৌশলৰ সীমিত সময়ৰ গণ্ডীৰ মাজত বিভিন্ন ভাৱৰ প্ৰকাশ বেছি উজ্জ্বলতাৰেহে প্ৰকাশ পালে।

ভাৰতবৰ্ষত সঙ্গীত আৰু নৃত্যৰ স্থান ইমান উচ্চ যে ইয়াক 'পঞ্চম বেদ' ৰূপে অভিহিত কৰা হয়। কিম্বদন্তী মতে পোনপ্ৰথম ভৰত মুনিয়েই ভাৰত-নাট্যশাস্ত্ৰ নামৰ অমূল্য গ্ৰন্থত নৃত্য, সঙ্গীত আৰু নাটকৰ অবিসম্বাদী অভিমত লিপিবদ্ধ কৰি থৈ যায়। নৃত্যৰ বিষয়ে বিশদ আলোচনাৰ কীৰ্তিস্তম্ভস্বৰূপ এই গ্ৰন্থখনিয়েই।

নাট্যশাস্ত্ৰৰ মতে ভাৰতীয় নৃত্যৰ তিনিটা বিশেষ দিশ আছে—নৃত্ত, নৃত্য আৰু নাট্য। নৃত্ত তাল লয়াশ্ৰয়ম্, নৃত্য ভাৱাশ্ৰয়ম্ আৰু নাট্য হৈছে নৃত্য, গীত, কথাৰ এক মধুৰ সমন্বয়।

নৃত্তত নাচ সহজ আৰু ঘাইকৈ তালৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত পদ-চালনা ( foot work ) আৰু অঙ্গ-উপাঙ্গ চালনাৰ ওপৰতে গুৰুত্ব দিয়া হয়। নৃত্যত ভাষাহীন অঙ্গী-ভঙ্গীৰ ওপৰত গুৰুত্ব দিয়া হয় বেছি, যাৰ দ্বাৰা দৰ্শকে কথাৰ মাধ্যম নথকাকৈয়ে নাচোঁতাজনৰ ভাৱ আৰু আবেগ অনুসৰণ কৰিবলৈ সক্ষম হয়। নৃত্যত ভাৱ, ৰাগ, তালৰ উপৰিও নৃত্তকো সামৰা হয়। নাট্য হৈছে কোনো কাহিনীৰ নাটকীয় প্ৰতিলিপি—য'ত সঙ্গীত, নাচ, আবেগিক প্ৰকাশ, কথা আটাইখিনি নাটক কৰি দেখুওৱা হয়। এই কাৰণেই নাট্যত নৃত্ত আৰু নৃত্যকো অন্তৰ্ভূক্ত কৰা হয়।

ভাৰতীয় ক্লাচিকেল নৃত্যৰ প্ৰাণ হৈছে অভিনয়। অভিনয় বাদ দিলে ভাৰতীয় নাচ অসম্পূৰ্ণ বুলি ক'লেও বঢ়াই কোৱা নহয়। অভিনয় চাৰি ধৰণৰ—আঙ্গিক, বাচিক, আহাৰ্য আৰু সাত্ত্বিক। অঙ্গ, প্ৰত্যঙ্গ আদি আৰু মুদ্ৰাৰ দ্বাৰা প্ৰকাশ কৰা ভাৱকে আঙ্গিক অভিনয় বুলি কোৱা হয়। বাচিক অভিনয় হৈছে গীত বা কথাৰ দ্বাৰা প্ৰকাশ কৰা ভাৱ। আহাৰ্য অভিনয়ত সাজ-সজ্জা, আ-অলঙ্কাৰ, প্ৰসাধন আদিৰ সহায়ত চৰিত্ৰৰ ভাৱক প্ৰকাশ কৰা হয়। চৰিত্ৰ একোটাৰ মনত বিভিন্ন অৱস্থা বা অনুভূতিৰ প্ৰকাশ কৰা কৌশলক সাত্ত্বিক অভিনয় বুলি কোৱা হয়।

নাট্যশাস্ত্ৰৰ মতে ভাৰতৰ চাৰিবিধ প্ৰধান শাস্ত্ৰীয় নৃত্য—কথাকলি, ভাৰত-নাট্যম্, কথক আৰু মনিপুৰী নৃত্যৰ ভিতৰত কথাকলিক এক বিশিষ্ট নৃত্য-নাট্য বুলি ক'ব পাৰি। কথাকলি দক্ষিণ ভাৰতৰ কেৰেলা অঞ্চলৰ নৃত্য। কিন্তু এই নৃত্যত নৃত্ত, নৃত্য আৰু নাট্য আটাইকেইটাৰে উল্লেখযোগ্য মিলন ঘটিছে। ৰামায়ণ আৰু মহাভাৰত কাহিনীৰ আধাৰত এই কথাকলি পৰিৱেশন কৰা হয়।

ভাৰত-নাট্যমৰ কুচিচপুতি ধাৰাটোত নৃত্য আৰু নাটকৰ এক অপূৰ্ব সমন্বয় পৰিলক্ষিত হৈছে। প্ৰায় চাৰি শ বছৰৰ আগেয়ে স্বামী সিদ্ধেন্দ্ৰ যোগীয়ে পাৰিজাত-হৰণৰ কাহিনী লৈ 'পাৰিজাত হৰণ' বা 'ভীমকলাপম্' ( সত্যভামাৰ কাৰ্যকলাপ ) নাম দি কুচিচপুতি ষ্টাইলৰ প্ৰথম নৃত্য-নাট্যখন ৰচনা কৰে। কুচিচপুতিৰ প্ৰায়বোৰ নৃত্য-নাট্যই ভাগৱতৰ কাহিনীৰ আধাৰত ৰচিত। এই নৃত্য-নাট্যত পুৰুষেহে ভাও লয়। আনকি নাৰী চৰিত্ৰবো ভাও পুৰুষেহে দিয়ে। আজি প্ৰায় তিনিশ বছৰ ধৰি চলা তামিল নাদৰ

'ভাগৱত-মেলা' নাটকো নৃত্য-নাট্য বুলি ক'ব পৰা যায়। উল্লেখযোগ্য যে ইয়াতো ছোৱালীয়ে কোনো অংশ গ্ৰহণ নকৰে। ভাৰত-নাট্যমৰ আন এটা শাখা কুৰৱঞ্জিক 'অপেৰা' বুলিব পাৰি। আনহাতে এই নৃত্য-নাট্যত মাত্ৰ নাৰীয়েহে অংশ লয়। কুৰৱঞ্জি নৃত্য আগেয়ে দেৱদাসীসকলে শিৱ-মন্দিৰত প্ৰদৰ্শন কৰিছিল।

উত্তৰ ভাৰতৰ কথক নৃত্য অত্যন্ত তাল-লয়প্ৰধান। মুচলিম পৃষ্ঠপোষকতাৰ কাৰণেই হয়তো কথক নৃত্যত আগেয়ে থকা ভাৰত-নাট্যশাস্ত্ৰৰ অৰ্থব্যঞ্জক মুদ্ৰাবোৰ লোপ পালে। ইয়াত একোটি কাহিনী নৃত্যেৰে আগ বঢ়াই এটি এটি বাক্যহে নৃত্যেৰে প্ৰকাশ কৰা হয়।

মনিপুৰী নৃত্য লাস্যপ্ৰধান। লাইহাৰোবা আদি নৃত্যত মনিপুৰত চলি অহা কিম্বদন্তী আৰু লোকবিশ্বাস ধুনীয়াকৈ ৰূপায়িত কৰা হয়। মনিপুৰৰ ৰাস-লীলা নৃত্যক এক অপূৰ্ব সুন্দৰ নৃত্য-নাট্য বুলি আখ্যা দিব পৰা যায়। দ্বাপৰ যুগত শ্ৰীকৃষ্ণই ৰাধা আদি গোপী-সকলৰ স'তে কৰা ৰাস-ক্ৰীড়াৰ মধুৰ সোঁৱৰণত মনি-পুৰী বৈষ্ণৱসকলে এই নৃত্য অতি পবিত্ৰ আদৰ্শেৰে প্ৰতি বছৰে অনুষ্ঠিত কৰে। বসন্ত ৰাস, কুঞ্জৰাস আৰু মহাৰাস, এই তিনি ৰাস বছৰটোত ভিতৰত পালন কৰা হয়। বসন্ত ৰাসত ৰাধা-কৃষ্ণৰ মান-অভিমানৰ পৰ্ব আৰু শেষত মিলন, কুঞ্জৰাসত ৰাধা-কৃষ্ণৰ দৈনন্দিন জীৱনৰ ৰূপ, আৰু মহাৰাসত ৰাধা-কৃষ্ণৰ বিচ্ছেদ, গোপীসকলৰ বিৰহ-বেদনা আৰু পুনৰ মিলন প্ৰদৰ্শিত কৰা হয়। বাঁহী, কৰতাল, মৃদঙ্গ আদি বাদ্য, কীৰ্তনৰ গীত আৰু নৃত্যৰ সহায়ত কাহিনীবোৰ মূৰ্ত হৈ উঠে। সাধাৰণতে মাজৰাতিৰ পৰা পুৱতি নিশালৈকে ৰাস-নৃত্য অনুষ্ঠিত হয়। এনে মনিপুৰী ৰাস-নৃত্যত নৃত্য আৰু নাট্য অতি মনোৰমকৈ সংযোজিত হৈছে।

উষা-চিত্ৰলেখাৰ দেশ অসম। অসম অতি প্ৰাচীন কালৰ পৰাই বিবিধ নৃত্যেৰে ঐশ্বৰ্যশালী। ভাগৱতৰ মন্দিৰত উষাই প্ৰতিদিনে নৃত্য কৰা আৰু চিত্ৰলেখাই অপূৰ্ব নৃত্যেৰে অনিৰুদ্ধ কোঁৱৰক হৰণ কৰাৰ কথাও শুনা যায়। জাতি-উপজাতিৰ মাজত থকা প্ৰচুৰ লোকনৃত্যৰ উপৰিও প্ৰাচীন কালৰে পৰা অসমত ওজাপালিৰ নৃত্যৰ প্ৰচলন আছে। মনসা-কাব্য বা ৰামায়ণৰ কাহিনী একোটাক চাৰিজন পালিৰ সহায়ত ওজাই গীত বচন, হস্তৰ মুদ্ৰা আৰু অঙ্গী ভঙ্গীৰে ৰূপ দিয়ে। চাবলৈ গ'লে ওজাপালি নৃত্য-নাট্যই। ইয়াত পালি চাৰিজনে খুটিতালৰ সহায়েৰে বাদ্য পৰিবেশন কৰে।

আজি প্ৰায় পাঁচ শ বছৰৰ পূৰ্বে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা অঙ্কীয়া নাটৰ ভাওনা, ঘৰ ধেমালি, সৰু ধেমালি (খোল, তাল আদিৰ সহায়ত পৰিবেশন কৰা সুৰ-সমলয়), নাটকৰ গীত, সুৰীয়া বচন আৰু নৃত্য-ভঙ্গীমাৰে প্ৰকাশ কৰা কাহিনীৰে একো একো-খন নৃত্য-নাট্য জানো নহয়? দশাৱতাৰ, ৰাস আদি সত্ৰীয়া নৃত্যসমূহো ধৰ্মীয় কাহিনী, ভাৱপ্ৰকাশক বিভিন্ন মুদ্ৰা আৰু নৃত্যৰে সমন্বয়। মহাপুৰুষ মাধৱ দেৱৰ অঙ্কীয়া নাটবোৰো নৃত্য-গীতপ্ৰধান ঝুমুৰাহে।

অসমৰ বিভিন্ন ঠাইৰ মৌ-মেল আদিত অনুষ্ঠি-পীয়াকৈ সৃষ্টিমূলক (creative) নৃত্য-নাট্য সময়ে সময়ে গঢ় লৈ উঠিছে, কিন্তু স্থায়ী সংৰক্ষণ হোৱা নাই। ওজাপালি আৰু সত্ৰীয়া নৃত্যৰ ভেঁটিত 'কালীয় দমন' আদি নৃত্য-নাট্য সুৰেশচন্দ্ৰ গোস্বামীয়ে প্ৰদৰ্শন কৰিছিল। বৰ্তমান নৃত্যবিশাৰদ চাৰু বৰদলৈৰ নেতৃত্বত আৰু দেৱেন শৰ্মাৰস হযোগত 'উমা-মহেশ্বৰম্', 'চিত্ৰাঙ্গদা' আদি আৰু নৃত্যবিদ্ কালাৱন্ত সিংহৰ নেতৃত্বত আৰু মাখন দেৱান প্ৰভৃতিৰ সহযোগত 'ৰামায়ণ', 'শকুন্তলা,' 'গীত-গোবিন্দ,' 'মদন-ভস্ম' আদি ক্লাচিকেল ষ্টাইলৰ নৃত্য-নাট্য অসমত সুচাৰুৰূপে অভিনীত হৈছে। তেজপুৰৰ অজিত সিংহ, কল্পনা বেজবৰুৱা আদিৰ পৰিচালনাত 'শকু-ন্তলা', সুৰশিল্পী ভূপেন হাজৰিকা আৰু নৃত্যবিদ্, নবীন বৰাৰ পৰিচালনাত 'শকুন্তলা' আৰু 'পানেইৰ পোনাকণ,' নবীন বৰাৰ নৃত্য পৰিচালনাত জ্যোতি-প্ৰসাদ আগৰৱালাৰ 'নিমাতী কন্যা,' ৰজনীকান্ত বৰদলৈৰ 'মিৰি-জীয়ৰী,' ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'চণ্ডা-লিকা' (অনুবাদ কৰিছে নৰকান্ত বৰুৱাই), নিৰ্মলপ্ৰভা বৰদলৈৰ 'উৰ্বশী,' 'ৰঙালী' (সুৰ সংযোজনাত মুকুল বৰুৱা) সাৰ্থকভাবে ৰূপায়িত হৈছে। ৰুদ্ৰ বৰুৱা আৰু মণি শৰ্মাৰ নেতৃত্বত 'এটি গীতৰ জন্ম হ'ল' (কমলা কুঁৱৰী) নৃত্য-নাট্যও আকৰ্ষণীয়ভাবে মঞ্চস্থ হৈছে।

নৃত্য-নাট্য ৰচনাৰ ধৰা-বন্ধা কৌশল তেনেকৈ আছে বুলি ক'ব নোৱাৰি। জনপ্ৰিয় একোটি মৌখিক কাহিনী বা ক্লাচিকেল সাহিত্যৰ মনোৰঞ্জক কাহিনী নৃত্য-নাট্যৰ বাবে সাধাৰণতে বিষয়বস্তু কৰি লোৱা হয়। নৃত্য-নাট্যৰ বিষয়বস্তু যদি দৰ্শকৰ একেবাৰে অপৰিচিত হয় তেনেহ'লে ৰস-গ্ৰহণত কিছু অসুবিধা হয়। পাশ্চাত্য 'বেলে' বা 'অপেৰা'তো সেই একে কথা খাটে। অনধিক জনপ্ৰিয় বা অপৰিচিত বিষয়-বস্তুৰ ক্ষেত্ৰত মঞ্চৰ আঁৰ-কাপোৰ উঠাৰ আগতেই বিষয়-বস্তুৰ বিষয়ে থূলমূলকৈ দৰ্শকক কৈ দিয়া হয়।

নৃত্য-নাট্যৰ কাহিনী ভাগ সাধাৰণতে ছন্দোবদ্ধ কবিতা আৰু গীতৰ কৌশলত ৰচনা কৰা হয়। নৃত্য-নাট্যৰ গতি যাতে ক'তো মন্থৰ হৈ নপৰে তাৰ

কাৰণে আৰু মুহূৰ্তে মুহূৰ্তে দৰ্শকক যাতে ৰস আৰু আনন্দ দিব পাৰে তাৰ কাৰণে নাটকীয় কৌশলবো আৱশ্যক হয়। নৃত্য, গীত আৰু ছন্দোবদ্ধ বা সাঙ্গীতিক লয় থকা কথাৰে কাহিনীভাগ ওথ মঞ্চত প্ৰয়োজনীয় দৃশ্যসজ্জা আৰু পোহৰৰ সমন্বয়ত ৰূপ লৈ উঠে। নৃত্য আৰু অভিনয় অংশ ভাৱৰীয়াসকলে আগবঢ়াই নিয়াৰ লগে লগে গীতাংশ সহযোগীসকলে পৰিবেশন কৰে। নৃত্য-নাট্যৰ ভাৱৰীয়াসকলে নিজে গীতত অংশ নলয়। এই গীত আৰু বাদ্য কোনো কোনো ঠাইত নেপথ্যৰ পৰা আৰু কোনো কোনো ঠাইত মঞ্চৰ এদাঁতিত দৰ্শকে দেখা পোৱা অংশত আছুতীয়াকৈ লোৱা ঠাইৰ পৰা পৰিবেশন কৰা হয়। নৃত্য-নাট্যৰ পৰিচালকে এই স্থানৰ পৰাই নিৰ্দেশ দি নৃত্য-নাট্য আগুৱাই নিয়ে।

# প্ৰতিশ্ৰুতি


**শ্ৰীসত্যেশ বণিক্য**
প্ৰথম বাৰ্ষিক বিজ্ঞান


তোমাৰ 'এপিটাফ' লেখিবলৈ আমি আছোঁ।
যেতিয়া
মদিৰা আৰু কামনাৰ অগ্নি-তৃষ্ণাৰে
ক'লা গহ্বৰৰ সপোন ৰচিছিলোঁ,
মোক কাণে কাণে কোনোবাই কৈছিল—
মই হেনো এটা 'ফিউজ বাল্ব'।
হাঁহি দিব খুজিছিলোঁ,
ফটা জেপ দুটাৰ লগতে সঁহাৰি জনাই।

সময়ে ডায়েৰী লেখে,
পৃথিবী পুৰণি হয়,
তুমি জমা-খৰচ কৰা—দেহ আৰু ধনৰ।

মহাসিন্ধুৰ তীৰত বহি
একুৰা জুই বিচাৰিলোঁ;
জুইকুৰা গোট মাৰি গৈছে
ৰঙা ৰঙা টুকুৰা—তেজৰ চেকুৰা।

ভয় নকৰিবা চম্পা—
তোমাৰ 'এপিটাফ' লেখিবলৈ আমি আছোঁ।

কাহিনীটোৰ স্বাভাৱিক ৰূপ ফুটাই তুলিবৰ বাবে বহু সময়ত পটভূমিৰ দৃশ্য, পোহৰ সংযোজনা, আৰু shadow techniqueৰ (আঁৰ-কাপোৰৰ ওপৰত ছাঁ পেলাই দেখুওৱা কৌশল) ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে। বিশ্ববিখ্যাত ৰাছিয়ান বা বৃটিছ 'বেলে' বোৰতো এই কৌশলেই প্ৰয়োগ কৰা দেখা যায়। ৰাছিয়ান 'বেলে'বোৰত আৰম্ভণিতে থকা কৃত্ৰিম কিছুমান কথা ইছাডোৰা ডানকানৰ নেতৃত্বত সলনি হয় আৰু 'বেলে'বোৰলৈ স্বাভাৱিক নৃত্যভঙ্গী আদি আহে। তাৰ পিছত অহা নতুন জাগৰণে 'বেলে'বোৰত জাতীয় প্ৰেৰণাটো প্ৰতিফলিত কৰাৰ জোৰ দিয়ে আৰু ন-পুৰণি বহুত মিহলি কৰি নৃত্য-নাট্যৰ কৌশল নতুনকৈ নিৰ্ণয় কৰে। নতুন কৌশল মতে নৃত্য-নাট্যৰ কাহিনীক সহায় নকৰা অকণমান নৃত্যভঙ্গী বা ভাৱো নৃত্য-নাট্যত ৰখা উচিত নহয়। নৃত্য-নাট্যত অকল নায়কৰে নহয় প্ৰতিজন ভাৱৰীয়াৰে প্ৰকাশভঙ্গী নিখুঁত হ'ব লাগে। নৃত্য-নাট্যখন সঙ্গীত বা বাদ্যসমূহে ঢাকি ধৰা হ'ব নেলাগে। নৃত্য-নাট্যৰ সাজ-পোছাকো পৰম্পৰাগত নহৈ স্বাভাৱিক হ'ব লাগে।

ভাৰতীয় নৃত্য-নাট্য ৰচনাত তেনে নিয়ম কোনোবাই প্ৰৱৰ্তন কৰিছে যদিও জনা হোৱা নাই। ভাৰতীয় নৃত্য-নাট্যত পৌৰাণিক বা অসংগত কাহিনী ৰূপায়িত কৰিব লগা হ'লে মুখা আদিৰ ব্যৱহাৰো কৰা হয় নতুবা কৃত্ৰিম প্ৰসাধনেৰে তেনে চৰিত্ৰ ফুটাই তোলা হয়। সাজ-সজ্জা পৰাপক্ষত কাহিনী আৰু কাহিনীৰ সময়ৰ লগত সামঞ্জস্য ৰাখি কৰা হয়। নৃত্য-নাট্যৰ ভাৱৰীয়াসকলৰ খোজ-কাটল নৃত্য-ছন্দময় হোৱাটোও একান্ত বাঞ্ছনীয়। প্ৰবেশ আৰু প্ৰস্থানৰ সময়ত ভাৱৰীয়াসকলে ঠৰঙা হৈ খোজ কাঢ়ি অহা আৰু যোৱা দেখুৱালে নৃত্য-নাট্যৰ ৰসভঙ্গ হয়। এইক্ষেত্ৰত অঙ্কীয়া ভাওনাৰ ভাৱৰীয়াসকলৰ খোজলৈ আঙুলিয়াব পাৰি।

নৃত্য-নাট্যৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। তাৰ মূলতেই হ'ল আধা ঘণ্টা, এঘণ্টা বা দুঘণ্টাত একোখন নৃত্য-নাট্য চাই দৰ্শকে অভিনয় আৰু নৃত্য এই দুই জনপ্ৰিয় আৰ্ট একে সময়তে দৰ্শন কৰিবলৈ পায়। পৰিচালকৰ সৃষ্টিমূলক কৌশলেও এই জনপ্ৰিয়তাত বৰঙণি যোগাইছে। স্বনামধন্যা ৰুক্মিণী দেৱীৰ নেতৃত্বত মাদ্ৰাজৰ কলাক্ষেত্ৰই ন-পুৰণি সংমিশ্ৰণেৰে ভাৰত-নাট্যমৰ ভিত্তিত মনোমোহা নৃত্য-নাট্য পৰিবেশন কৰি ভাৰত আৰু ভাৰতৰ বাহিৰতো অকুণ্ঠ প্ৰশংসা পাইছে। নৃত্যবিশাৰদা বৈজয়ন্তীমালায়ো আধুনিক ৰুচিৰ প্ৰতি দৃষ্টি ৰাখি নৃত্য-নাট্যৰ স্বকীয়া অনুষ্ঠান সৃষ্টি কৰি অজস্ৰ প্ৰশংসা বিদেশতো অৰ্জন কৰিছে।

# প্লাষ্টিকৰ ফুল

শ্ৰীআৰতি ভূঞা
দ্বিতীয় বাৰ্ষিক কলা



পূব আকাশত সূৰুযে কেতিয়াবাই এটি নতুন দিনৰ সূচনা কৰিলে। এই চহৰখনতো এটি গতানুগতিক দিন। কিন্তু যোৱা ৰাতিৰ দেৱলাৰ সেই চাঞ্চল্যকৰ ঘটনাই যেন গতানুগতিক দিনটোৰ প্ৰতিটো ক্ষণ চঞ্চল কৰি তুলিছে আৰু চঞ্চল কৰিছে এই চহৰখনৰ মানুহবোৰৰ মন আৰু যুক্তিবোৰ। সকলোৰে মুখে মুখে কেৱল সেই ঘটনা।

চহৰখনৰ আন মানুহবোৰৰ দৰে সুৰভিয়েও শুনিলে সেই ঘটনা আৰু যি মুহূৰ্তত এই কথা শুনিছিল ঠিক সেই মুহূৰ্তৰ পৰা তাইৰ এনেকুৱা লাগিছিল যেন তাই একো শুনা নাই, একো দেখা নাই, একো ভবা নাই, তাই যেন নিজতে নিজে নাই। মাথোন তাইৰ মনত আছে এটা সময়ত তাই নিজৰ কোঠাৰ দুৱাৰখন ভিতৰৰ পৰা সজোৰে বন্ধ কৰি বিছনাখনত বাগৰি পৰি কৈছিল—"নহয়, নহয়,--- ই সম্ভৱ নহয়। ই হ'ব নোৱাৰে। দেৱলাই কেতিয়াও তেনেকুৱা কাম কৰিব নোৱাৰে।"....

সুৰভিয়ে লাহে লাহে বুজি উঠিল, ই তাইৰ বাবে এটা নিষ্ঠুৰ সত্য। তাইৰ কাণত বাজিছে বন্ধ দুৱাৰৰ সিফালে থকা বাৰাণ্ডাত ঘৰখনৰ মানুহবোৰৰ কথাবোৰ—'দেৱলাই তেনেকুৱা নকৰিলে কোনে কৰিব? .....দেৱলাৰ নিচিনা ছোৱালীৰ পৰিণতি তেনেকুৱাই, সেইকাৰণেই মই সুৰভিক বাৰে বাৰে সাৱধান কৰি দিছিলোঁ দেৱলাৰ লগত বন্ধুত্ব নকৰিবলৈ। ...তোমাৰ ছোৱালী জানো কম জেদী আৰু গোঁৱাৰ, আমি যিটো কৰিবলৈ মানা কৰিম, নিজৰ ইচ্ছা মতে কৰে, সকলোতে নিজৰ ইচ্ছা। আমি যেন তাইৰ একো নহওঁ, দেৱলাহে সকলো। এতিয়া পাইছে নহয় মজাপালি, এতিয়া তাই মুখ খুলি কওকচোন দেৱলা ভাল ছোৱালী বুলি। দেৱলাৰ বিষয়ে মাতেই মাতিব নোৱাৰি, এতিয়া? ..এতিয়াতো গোটেই চহৰখনেই দেৱলাৰ কথা কৈছে।..." ঘৰখনৰ মানুহবোৰৰ বিভিন্ন যুক্তি আৰু মন্তব্যই সুৰভিৰ সহ্যৰ সীমা কেতিয়াবাই অতিক্ৰম কৰিছিল। তথাপি আজি তাই নিৰুপায়। সকলো কথা নীৰৱে শুনিবলৈ তাই যেন আজি বাধ্য। কাৰণ প্ৰত্যেকটো যুক্তি আৰু মন্তব্য আজি অপ্ৰিয় সত্য হৈ পৰিছে। তাই কেনেকৈ প্ৰতিবাদ কৰিব? অসহায়ভাবে তাই বিছনাৰ গাৰুটোত মুখখন গুজি কাণ দুখন দুই হাতেৰে হেঁচি ধৰিলে। তথাপি সেই কথাবোৰে বিষাক্ত শৰৰ দৰে তাইৰ কাণত অহৰহ বিন্ধি তাইৰ শৰীৰ, মন সকলো বিষাক্ত কৰি তুলিলে। অধৈৰ্য হৈ পাগলীৰ দৰে তাই একেজাঁপে বিছনাৰপৰা উঠি দুৱাৰখন খুলি উত্তেজিতভাবে ক'বলৈ ধৰিলে—"মোক পাগল কৰিবা নেকি তোমালোকে? আঁতৰি যোৱা ইয়াৰপৰা। নহ'লে—নহ'লে—" বাৰাণ্ডাত থিয় হৈ থকা প্ৰত্যেকজন মানুহে তাইৰ ফালে চালে আৰু হঠাতে তেওঁলোকৰ মুখবোৰ বন্ধ হৈ গ'ল। সুৰভিৰ ৰুক্ষ চুলি,

শুকান মুখ, অসংযত কাপোৰ, উত্তেজিত আৰু অস্বাভাৱিক কণ্ঠস্বৰ শুনি তেওঁলোকে কিবা ক'ব খুজিও নকৈ নীৰৱ হৈ ৰ'ল। মাত্র মাকে তাইৰ ওচৰলৈ আগবাঢ়ি আহি আকুলভাৱে সুধিলে—"কি হৈছে সু··?" তেওঁৰ অৰ্ধসমাপ্ত কথাৰ ওপৰতে সুৰভিয়ে দ্বিগুণ উত্তেজনা মিশ্রিত কম্পিত কণ্ঠস্বৰেৰে ক'লে—"আঁতৰি যোৱা। মোক অলপ শান্তিৰে থাকিবলৈ দিয়া।" লগে লগে দুৱাৰখন সুৰভিয়ে পুনৰ বন্ধ কৰি দিলে। নীৰৱ হৈ ৰৈ থকা মানুহবোৰলৈ চাই সুৰভিৰ মাকে ক'লে—"তাইক এই সময়ত একো নোকোৱাই ভাল।" প্ৰত্যেকেই সেই একেষাৰ কথাকে উপলব্ধি কৰিছিল। সুৰভিক তেওঁলোকে জানে। তাই আন ছোৱালীৰ দৰে নহয় আৰু সেয়ে তাই আনে কৰিব নোৱাৰা কিবাকিবি কৰিব পাৰে আৰু কৰিছেও।

বন্ধ দুৱাৰখনৰ ওচৰৰ পৰা আঁতৰি আহি লাহে লাহে সুৰভি নিজৰ বিছনাখনতে পুনৰ বহি পৰিল আৰু ক্ৰমান্বয়ে স্বাভাৱিক হৈ তাই সকলোবোৰ কথা ভাবিবলৈ ধৰিলে। দেৱলাই কিয় তেনেকুৱা কৰিলে? কিয়? কিয় দেৱলাই যোৱা ৰাতি তেনেকুৱা এটা কাম কৰি গোটেই চহৰখনৰ মানুহৰ মুখৰোচক কাহিনীৰ সৃষ্টিৰ ইন্ধন যোগালে? সুৰভিয়ে ভাবিলে, আজি তাই ক্ষন্তেকৰ বাবে হ'লেও ঘৰৰ মানুহবোৰৰ মুখবোৰ বন্ধ কৰিলে; কিন্তু গোটেই চহৰখনৰ মানুহৰ মুখবোৰ জানো বন্ধ কৰিব পাৰিব? তাই জানে ঘৰখনৰ মানুহবোৰে তাইক খুব মৰম কৰে। কাৰণ তিনিজন ভায়েক ককায়েকৰ একান্নবৰ্তী পৰিয়ালত তায়ে একমাত্র ছোৱালী। তাইৰ প্ৰতি থকা মৰমৰ বাবেই তাইৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত আনে কথা নকৈছিল। আৰু সেয়ে তাই হৈ পৰিছিল অলপ বেলেগ ধৰণৰ। নিজে যিটো অন্যায় বুলি ভাবিছিল তাৰ প্ৰতিবাদ কৰিছিল। আৰু যিটো ন্যায় সেইটো স্বইচ্ছাৰে কৰি গৈছিল। সেই কাৰ্যৰ পৰা তাইক বিৰত কৰিবলৈ ঘৰখনৰ কাৰো সাধ্য নাছিল।

ঘৰখনৰ এই সাধ্য নাছিল বাবেই তাই দেৱলাৰ নিচিনা ছোৱালীৰ লগত বন্ধুত্ব কৰিব পাৰিছিল। দেৱলাৰ লগত ঘনিষ্ঠতা হোৱা এই ছমাহৰ প্ৰতিটো ক্ষণ, প্ৰতিটো ঘটনাই সুৰভিৰ আজি স্পষ্টকৈ মনত আছে। এই ঘনিষ্ঠতাখিনিয়ে দেৱলাক সম্পূৰ্ণৰূপে বুজি উঠিবলৈ সুৰভিক সহায় কৰিছিল। তথাপি সুৰভিয়ে আজি অনুভৱ কৰিছে, তাই দেৱলাক একেবাৰে বুজা নাছিল। বুজিছিল এই চহৰখনৰ আন প্ৰত্যেক মানুহে; তেওঁলোকে মনে মনে দেৱলাৰ বিষয়ে যি কথা ভাবিছিল অথচ মুখ ফুটাই কোৱা নাছিল সেয়ে আজি বাস্তৱত পৰিণত হ'ল।

দেৱলাৰ প্ৰতি অবুজ অভিমানেৰে সুৰভিৰ মন ভৰি পৰিল। কিন্তু সুৰভিয়ে বুজিছে এই অভিমান কিমান মূল্যহীন। যাৰ ওচৰত এই অভিমান কৰিছে সেই দেৱলাই আজি তাইৰ ওচৰত নাই। দেৱলাই সুৰভিক একো নজনোৱাকৈ তাইৰ ওচৰৰ পৰা আঁতৰি গৈছে।

যোৱাকালি আবেলিও সুৰভিয়ে দেৱলাক লগ পাইছিল আৰু সেই সময়ত এনেকুৱা এটা কাম যে দেৱলাই কৰিব তাৰ কোনো ইঙ্গিতেই সুৰভিয়ে পোৱা নাছিল। আনদিনাৰ দৰেই দেৱলাই সুৰভিক দেখি একেই চিনাকি হাঁহিৰে তাইক সম্ভাষন জনাইছিল। বহুত কথা কৈছিল আৰু কৈছিল সিহঁতৰ বন্ধুত্বৰ কথা—যি খিনি কথা দেৱলাই প্ৰায়ে কয়। সুৰভিৰ চকুলৈ চাই তাই কৈছিল—"সঁচাকৈয়ে তুমি মোক খুব ভালপোৱা নহয় সুৰভি? মোৰ নিচিনা ছোৱালীৰ যে কিমান ভাগ্য তোমাৰ দৰে বন্ধু পোৱাটো। মাজে মাজে এনেকুৱা লাগে যেন ভগৱানে এই বন্ধুত্ব, এই মৰম সহ্য কৰা নাই, জানা।" "ধেৎ কিবোৰ যে তুমি কোৱা!" —সুৰভিয়ে অভিমানেৰে কয়।

দেৱলাই কিন্তু কৈ গৈছিল—"সঁচা কৈছোঁ। সুৰভি, ভয় লাগে আমাৰ এই বন্ধুত্ব অজানিতে হেৰুৱাওঁ বুলি। মোৰ কি আছে? জীৱনত হাঁহি কি বস্তু নেজানিলোঁ। তোমাৰ বন্ধুত্ব মোৰ বাবে আছিল আশীৰ্বাদ। জীৱনত প্ৰত্যেক মানুহে অলপ মৰম, অলপ ভালপোৱা, অলপ সহানুভূতি বিচাৰে। মই তোমাৰ পৰা সকলো পাইছিলোঁ—।" কিন্তু দেৱলাৰ মাতটো আবেগত কঁপিছিল। চকুহালো সজল হৈ উঠিছিল। দেৱলাৰ এইবোৰ কথা এই সজল চকু সুৰভিয়ে যোৱা ছমাহৰ কেবাদিনো দেখিছে। দেৱলাই আৰু কৈছিল—"তুমি মোক সদায়ে ভাল পাই থাকিবা সুৰভি। যেতিয়া মই জানিম কেৱল তুমি মোক ভাল পাইছা তেতিয়া জীৱনত একো নেপালেও সকলো পোৱাৰ আনন্দ মই পাম। আমাৰ বন্ধুত্বত কোনো স্বাৰ্থ নাই, স্বাৰ্থহীন বন্ধুত্ব এই পৃথিবীৰ মানুহবোৰৰ সহ্য নহয়, হয়তো ভগবানৰো।"

দেৱলাই কৈছিল তাইৰ এতিয়া আৰু কোনো দুখ নাই। তেন্তে কিহৰ দুখত যোৱাৰাতি তাই তেনেকুৱা কৰিলে? সুৰভিয়ে পুনৰ অনুভৱ কৰিলে, তাই দেৱলাক সম্পূৰ্ণৰূপে বুজি উঠিও, দেৱলা বোলা ছোৱালীজনীৰ মনটো চিনি পায়ো শেষত একো নুবুজিলে। দেৱলা তাইৰ ওচৰত অপৰিচিতা হৈ ৰ'ল, দেৱলা তাইৰ খুব ওচৰলৈ আহি আত্মপ্ৰকাশ কৰি শেষত দূৰলৈ আঁতৰি চাৰিওফালে ৰহস্যৰ অৱগুণ্ঠন টানি অস্পষ্টভাৱে দূৰত ৰৈ আছে, যিদৰে আছিল প্ৰথম দিনাখন!

সেই প্ৰথম দিনটো। কলেজীয়া জীৱনৰ

পাতনি মেলা সেই প্ৰথম দিনটোত সুৰভি কিছুমান চিনাকি অচিনাকি ছোৱালীৰ মাজত ছোৱালীৰ জিৰণি কোঠাৰ বাৰান্দাত থিয় হৈ আছিল। হঠাতে ছোৱালী-বোৰৰ মাজত এটা মৃদু গুঞ্জন উঠিল। আৰু সকলোৰে মনবোৰ কৌতূহলপূৰ্ণ হৈ পৰিল। সেই মৃদু গুঞ্জন আৰু কৌতূহলৰ উৎস আছিল অলপ আঁতৰেদি পাৰ হৈ যোৱা এজনী অকলশৰীয়া শান্ত ছোৱালী। ছোৱালীজনীয়ে কাৰো ফালে চোৱা নাছিল। উকা মুগাৰ মেখেলা, সাধাৰণ এখন কপাহী চাদৰ আৰু ব্লাউজেৰে ছোৱালীজনীৰ মুখৰ শান্ত ভাবখিনি আৰু শান্ত কৰি তুলিছিল। সুৰভিয়ে তাইৰ আশে পাশে হোৱা মৃদু গুঞ্জনৰ পৰা বুজি পালে, চহৰখনৰ কৌতূহলৰ বিষয় দেৱলা বোলা ছোৱালীজনীয়েই সেয়া। সুৰভিয়ে আগেয়ে কেতিয়াও এই ছোৱালীজনীক দেখা নাছিল, যদিও একেখন চহৰ দুয়োজনী ছোৱালীৰ জন্মৰে পৰাই পৰিচিত। তাৰ প্ৰধান কাৰণ হৈছে সুৰভিৰ মন। লগৰ কোনো সহপাঠিনীৰ লগত তাইৰ বিশেষ বন্ধুত্ব নাই, কাৰণ সুৰভিৰ মনৰ লগত সামঞ্জস্য থকা ছোৱালী নাছিল। সেয়ে বেছিভাগ সময় সুৰভি ঘৰতে থাকে। তদুপৰি আজি তিনিবছৰৰ আগতে কৌতূহলৰ বিষয় কৰি তোলা দেৱলা বোলা ছোৱালী-জনীও এই চহৰত থাকিও নথকাৰ দৰে। চহৰৰ এমূৰে থকা ঘৰটোত বেছিভাগ সময় তাই সোমাই থাকে। বিশেষ প্ৰয়োজন নহ'লে কোনোদিনে তাইক ঘৰটোৰ বাহিৰত দেখা পোৱা নগৈছিল।

ছোৱালীৰ জুমটোত তেতিয়া কেৱল দেৱলাৰ কথা—"এয়াই সেই দেৱলা" যোৱা তিনিবছৰৰ ভিতৰত চহৰখনলৈ নতুনকৈ অহা ছোৱালী দুজনীমানে কৈছিল—"কথাটো যে একেবাৰে অসম্ভৱ যেন লাগে, সঁচা জানো? দেউতাকেই বা কিয় আত্মহত্যা কৰিলে?" লগে লগে সেই সুখৰোচক কাহিনীৰ পুনৰাবৃত্তি হৈছিল—"এইবোৰ একেবাৰে সঁচা কথা। তিনিবছৰ আগতে কোনেও নেজানিছিল যে দেৱল বোলা মৰম লগা ল'ৰাটো দৰাচলতে এজনী ছোৱালী। জানিবানো কেনেকৈ? তাই জন্মৰে পৰা ল'ৰাৰ দৰে চাৰ্ট-পেণ্ট পিন্ধিছিল, ল'ৰাৰ লগত খেলিছিল। ল'ৰাৰ স্কুলত পঢ়িছিল, সৰুৰে পৰা ল'ৰাৰ লগত হলি-গলি কৰি নিজৰ সকলো ধৰণৰ আচৰণ ল'ৰাৰ দৰে কৰি পেলাইছিল। তাইৰ গাতেই বা কি দোষ? দোষ হয়তো ছোৱালীজনীৰ ভাগ্যলিপিৰ। চাৰিজনী ছোৱালীৰ জন্মৰ সাত আঠ বছৰৰ পিছত যি সন্তান ঘৰখনলৈ আহিব খুজিলে সকলোৱে ভাবিছিল এই সন্তান নিশ্চয় পুত্ৰ-সন্তান। আশাও কৰিছিল সকলোৱে। কিন্তু সেই সন্তান যেতিয়া ছোৱালী হ'ল, মাক-বাপেকে মনত সান্ত্বনা পাবৰ বাবেই গোপনে সিদ্ধান্ত কৰিলে তাইক ল'ৰাৰ দৰেই তুলিব। সেই সন্তান ল'ৰা বুলিয়েই জানিলে সকলোৱে। কিন্তু সত্যক জানো ঢাকি ৰাখিব পাৰি? দেৱলৰ লগত পঢ়া কেবাবাৰো ফেল কৰা অলপ বয়সস্থ ল'ৰাবোৰে আবি-স্কাৰ কৰিলে দৰাচলতে দেৱল ছোৱালী। লগে লগে এই খবৰে গোটেই চহৰ ৰজনজনাই দিলে। তাৰ দুদিনমান পিছত ঘৰৰ পাছফালৰ পুখুৰীত দেৱলৰ দেউতাকৰ মৃতদেহ পোৱা গ'ল। বহুতো কথাই কোৱা হ'ল আৰু এদিন সমাজত থাকিও দেৱলহঁতৰ ঘৰখনে সমাজৰ লগত থকা সকলো সম্পৰ্ক বিছিন্ন কৰিলে। চহৰৰ এমূৰে থকা চিৰদিনৰ বাবে দেউতাকৰ আত্ম-হত্যাই কালিমা সনা ঘৰখনত পৰি ৰ'ল লোক অপমান, কলঙ্ক মূৰ পাতি লোৱা এগৰাকী মাতৃ আৰু এজনী দুৰ্ভগীয়া ছোৱালী। এইবোৰ ঘটনা ঘটাৰ বহু আগতেই দেৱলাৰ বায়েক চাৰিগৰাকীৰ বিয়া হৈ গৈছিল।......"

সুৰভিয়ে সিদিনা আৰু ঢেৰ কিবাকিবি শুনিছিল, মাত্ৰ সিদিনাই নহয়। তাৰ আগতেও বহুতো দিন বহুত কথা সুৰভিয়ে দেৱলাহঁতৰ ঘৰখনৰ বিষয়ে শুনিছিল আৰু কলেজত নাম লগোৱাৰ পিছত দেৱলা বোলা ছোৱালীজনীৰ বহুত কথা নিজে প্ৰত্যক্ষভাবে শুনিলে। প্ৰথমতে সুৰভিয়ে এইবোৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। মনো দিয়া নাছিল। লাহে লাহে সুৰভিয়ে দেখিলে দেৱলা কলেজলৈ আহে, ক্লাছ কৰে, কাৰো মুখলৈ চকু তুলি নেচায়, কাৰো লগত কথা নেপাতে আৰু যেতিয়া ছোৱালীৰ জিৰণি-কোঠাৰ দাঁতিয়েদি পাৰ হৈ যায়, ছোৱালীৰ মাজত এটি মৃদু গুঞ্জনৰ সৃষ্টি হয়। সুৰভিয়ে আৰু মন কৰিলে, যেতিয়া ছোৱালীজনীয়ে ক্লাছৰ সময়ত কোঠাটোলৈ অকলশৰীয়াকৈ এখন বেঞ্চত উদাসভাবে বহি থাকে, অন্য ছোৱালীবোৰ সোমোৱাৰ আগলৈকে ল'ৰাবোৰে নানা মন্তব্যৰে তাইক থকা-সৰকা কৰে। সুৰভিয়ে মন কৰে দেৱলাৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই। মুখত সেই একেই শান্ত উদাস ভাৱ। ইমান অপমান সুখ বুলি সহ্য কৰা ছোৱালীজনীৰ ধৈৰ্য দেখি সুৰভিয়ে ক'ব নোৱাৰাকৈ দেৱলাৰ প্ৰতি আকৰ্ষিত হৈ পৰে। ক্ৰমান্বয়ে দিনবোৰ অতিবাহিত হৈ যোৱাৰ লগে লগে ছোৱালীজনীৰ ওপৰত কৰা অপমান অবিচাৰবোৰ দেখি সুৰভি অধৈৰ্য হৈ উঠে। কেবাৰাতিও তাই বিছনাত পৰি শোৱাৰ আগমুহূৰ্তলৈকে ভাবে—কিহৰ কাৰণে দেৱলাৰ ইমান অপমান; মাক-বাপেকে কৰা ভুলৰ বাবে? কিন্তু কিয়? দেৱলা কি ছোৱালী নহয়? তাইৰ কি মন নাই? সেই মনত জানো-ভাৱ নাই? অনুভূতি নাই? সুৰভিয়ে ভাবে, দেৱ-লাৰ প্ৰতি ই ভীষণ অন্যায়। প্ৰত্যেক মানুহে ভুল কৰে। ভুলৰ ক্ষমা জানো নাই? নিশ্চয় আছে।

সুৰভিয়ে ভাবে, দেৱলাৰ প্ৰতি কৰা অন্যায় আৰু অপমানৰ তাই প্ৰতিবাদ কৰিব। সুৰভিৰ বাবে অন্যায়ক প্ৰশ্ৰয় দিয়া অসহ্য। যেতিয়াৰ পৰা সুৰ-ভিয়ে বুজিলে দেৱলাৰ প্ৰতি কৰা অপমান অন্যায়ৰ বাহিৰে একো নহয় তেতিয়াৰ পৰা কেৱল তাইৰ এটাই চিন্তা হ'ল কেনেকৈ তাই এই অন্যায়ৰ প্ৰতিবাদ কৰিব! দুদিনমান অতিবাহিত হোৱাৰ পিছত কোনোবা এটা আবেলি সুৰভিক দেৱলাহঁতৰ পদূলি মুখত ৰিক্সাৰ পৰা নমা দেখা গ'ল। সুৰভিয়ে দুদিনমান ভাবি ভাবি ঠিক কৰিছিল আনে দেৱলাক যি ব্যৱহাৰ নকৰক লাগে, তাই নিজে ভাল ব্যৱহাৰ কৰিব—যি ব্যৱহাৰ প্ৰত্যেক মানুহে মানুহৰ প্ৰতি কৰা উচিত, তেনেকুৱা ব্যৱহাৰ। দেৱলাৰ লগত চিনাকি হ'বৰ বাবে সুৰভি দেৱলাহঁতৰ ঘৰলৈ আহিল। কলেজত দেৱলাক মাতিবৰ সুবিধা নাই। কাৰো ফালে ছোৱালীজনীয়ে নেচায়। গোটেই বাটটো কেৱল দেৱলাৰ কথাকে ভাবিছিল। ছোৱালীজনী বা কি ধৰণৰ? সুৰভি সিহঁতৰ ঘৰলৈ যোৱাটোক বা কিদৰে গ্ৰহণ কৰে? দেৱলাই নিশ্চয় কোনো মানুহকে ভাল চকুৰে নেচায়। মানুহৰ পৰা তাইনো কি পাইছে? কেৱল অপমান। মনে মনে নিশ্চয় তাই মানুহৰ বিচাৰধাৰাক অভিশাপ দিয়ে। দেৱলাৰ বিষয়ে কিছুমান অনিশ্চিত ধাৰণা লৈ প্ৰথমবাৰৰ বাবে সুৰভি সিহঁতৰ বাৰাণ্ডাত অলপ-পৰ থিয় হৈ ৰ'ল। ভিতৰৰ পৰা কোনোবা এগৰাকী মহিলাৰ বৈ বৈ হোৱা কাহৰ শব্দ তাইৰ কাণত পৰিল। তাই দুৱাৰখনত আঙুলিৰ টোকৰ মৰাৰ লগে লগে শুনা গ'ল—"মাজনী চাচোন, কোনোবা আহিছে হ'ব পায়; কোননো আহিল আমাৰ ঘৰলৈ?" তাৰ পিছত সুৰভিয়ে কাৰোবাৰ পদধ্বনি তাইৰ ফালে ক্ৰমান্বয়ে আগবাঢ়ি অহা শুনিলে। সুৰভিয়ে অলপ পিছতে দেখিলে, সঁচাকৈয়ে সেয়া দেৱলা। দেৱলাই সুৰভিক দেখি যথেষ্ট অপ্ৰস্তুত হৈছিল। তথাপি নিজকে সংযত কৰি দেৱলাই মিঠা হাঁহিৰে সুৰভিক বহিবৰ বাবে অনুৰোধ কৰিলে। প্ৰথমবাৰৰ বাবে দেৱলাৰ মুখত সুৰভিয়ে হাঁহি দেখিলে। সুৰভিয়ে নিজৰ চিনাকি দিলে। দেৱলাই ক'লে—"মই তোমাক দেখিছোঁ, নামটোহে নেজানিছিলোঁ।" সুৰভিয়ে মন কৰিলে, দেৱলাই উপযাচি কথা নকয়। সুৰভিয়ে কথা সুধিলে কেৱল চুটি চুটি উত্তৰ দিয়ে আৰু যেতিয়া সুৰভিয়ে কথা নকয় দেৱলা খুব অপ্ৰস্তুত হৈ পৰে।

সুৰভিয়ে দেৱলাক সুধি জানিব পাৰিলে কাহি থকা মানুহগৰাকী দেৱলাৰ মাক। ঘৰত থকা মানুহ হৈছে কেৱল তাই, মাক আৰু বহুদিনৰ পৰা সিহঁতৰ ঘৰত বন কৰা মানুহ ৰামমোহন। সুৰভিয়ে প্ৰথম দিনাখনেই দেখিলে, এজনী ছোৱালীৰ জানিবলগীয়া সকলো কাম বন দেৱলাই জানে আৰু এইবোৰ কামত যে দেৱলা কিমান পাৰদৰ্শী তাক অ'ত ত'ত পাৰি থোৱা ধুনীয়া এমব্ৰয়দাৰী কৰা কভাৰবোৰ, পাছফালৰ ঘৰ-দুৱাৰ আৰু সুৰভিক দিয়া চাহৰ কাপৰ দাঁতিত থকা জলপানৰ প্লেটখনে বুজাই দিছিল। সিদিনা আহিবৰ সময়ত দেৱলাই নিজৰ ফালৰ পৰা উপযাচি এষাৰ কথাই কেৱল কৈছিল—"তোমাৰ লগত চিনাকি হৈ খুব ভাল লাগিল। সম্বন্ধীয় ছোৱালীৰ বাহিৰে আন ছোৱালীৰ লগত কোনো দিনে মই কথা পাতি পোৱা নাই। সেয়ে কথা কেনেকৈ ক'ব লাগে নেজানোঁ। মোৰ দোষ ক্ষমা কৰিবা। মাজে মাজে তুমি আহি থাকিলে খুব ভাল পাম। আহিবা দেই।"

সিদিনা সুৰভিয়ে ঘৰলৈ আহি মাকহঁতক সকলো *কথা ক'লে। প্ৰথমতে ঘৰত নোকোৱাকৈ বিশেষকৈ* দেৱলাৰ নিচিনা ছোৱালীৰ ঘৰলৈ যোৱাৰ বাবে সুৰভিক সকলোৱে কিবাকিবি কৈছিল। সুৰভিয়ে বহুত কিবাকিবি যুক্তিৰে প্ৰতিবাদ কৰি মাকহঁতক কৈছিল—ই তাইৰ দৃষ্টিত একো বেয়া কাম নহয়, বৰঞ্চ সমাজৰ আন দহজন মানুহৰ দৰে তায়ো তেনে ব্যৱহাৰ কৰাটো অন্যায়। সেই সময়ত বিজয়ো দুদিনমানৰ বাবে সেই চহৰলৈ আহিছিল। সুৰভিক দেৱলাৰ ঘৰলৈ ভৱিষ্যতলৈ আৰু নেযাবৰ বাবে সি অনুৰোধ কৰিছিল। বিজয়ৰ অনুৰোধ সুৰভিয়ে নিজৰ যুক্তি দৰ্শাই নম্ৰভাৱে প্ৰত্যাখ্যান কৰি কৈছিল—বিশেষকৈ বিজয়েই এনেকুৱা অনুৰোধ কৰা অন্যায়।

পিছদিনা কলেজত সকলোৱে ইমান দিন অকল-শৰে থকা দেৱলাৰ লগত সুৰভিৰ ঘনিষ্ঠতা মন কৰিলে। সুৰভিৰ অলক্ষিতে এই বিষয়ে সকলোৱে কিবাকিবি কৈছিল। অৱশ্যে সুৰভি এই কিবাকিবিলৈ মন দিয়া ছোৱালী নাছিল। পিছলৈ দেৱলাই এদিন কৈছিল—"মোৰ লগত থকা কাৰণে তোমাক দেখোন বহুতে বেয়া পাইছে। তুমি মোৰ লগত আৰু থাকিব নেলাগে সুৰভি। মোক অপমান কৰে, মই সহ্য কৰোঁ। কাৰণ এই অপমান সহ্য কৰিবলৈ মই বাধ্য। কিন্তু মোৰ বাবে তুমি অপমানিত হ'লে ধৈৰ্যেৰে থাকিব নোৱাৰোঁ।"

সুৰভিয়ে দেৱলাক বুজাই দিছিল, তাই এইবোৰলৈ মনেই নকৰে। মানুহৰ মন গৈছে অপমান কৰিছে, তোষামোদ কৰিছে, মন গৈছে বদনাম গাইছে। "মই নিজে জানোঁ মই কাৰো অন্যায় কৰা নাই। বৰঞ্চ যিটো ন্যায় তাক মূৰ তুলি দৃঢ়ভাৱে কৰিব পাৰিছোঁ। ইয়াতকৈ ডাঙৰ সুখৰ বা আনন্দৰ কথা মোৰ ওচৰত নাই। এই সুখ বা আনন্দৰ ওচৰত বদনাম বা তোষামোদ খুব তুচ্ছ।"—সুৰভিয়ে কৈছিল। দেৱ-

লাই মুগ্ধ চকুহালেৰে সুৰভিৰ ফালে চাই কৈছিল—তুমি অসাধাৰণ সুৰভি"।

তাৰ পিছত যোৱা ছমাহ অতিবাহিত হৈছে। লাহে লাহে সুৰভি আৰু দেৱলাৰ ঘনিষ্ঠতাও মানুহৰ চকুত পুৰণি হৈ আহিল আৰু সেই বিষয়ত বিশেষ সমালোচনাও নকৰা হ'ল কোনেও। সুৰভিৰ ঘৰৰ মানুহবোৰেও সুৰভিক দেৱলাৰ লগত মিলামিচা কৰাত প্ৰথম প্ৰথম আপত্তি দেখুৱাই ভাগৰি পৰি শেষলৈ বুজিলে সুৰভিক সেই কাৰ্য্যৰ পৰা বিৰত কৰা অসম্ভৱ। কিন্তু সুৰভিয়ে মন কৰিছিল—এজন মানুহে বিশেষভাবে দেৱলাৰ লগত তাইৰ ঘনিষ্ঠতাখিনি সহজভাবে নলয়, অৱশ্যে স্পষ্টভাবে প্ৰতিবাদ কৰিবও নোৱাৰিছিল। সেই মানুহজন হৈছে বিজয়। এতিয়া পুনৰ দুদিনমানৰ বাবে কিবা এটা কামত এই চহৰলৈ আহি পেহীয়েকৰ ঘৰতে আছে। বিজয় আৰু সুৰভিৰ মাজত থকা সম্পৰ্কৰ কথা ঘৰখনৰ সকলো মানুহে জানে আৰু সেই সম্পৰ্কত সঁহাৰিও জনাইছে। এই সম্পৰ্ক গঢ়ি উঠাৰ আগতেই অৱশ্যে ঘৰখনে বিজয়ক সুৰভিৰ বাবে মনোনীত কৰি থৈছিল।

আজি হয়তো বিজয়েও সুৰভিক দেৱলাৰ বিষয়ে কিবাকিবি কৈ যোৱাৰাতিৰ সেই কাহিনীৰ সমালোচনা কৰিব। যি মুহূৰ্তত সুৰভিয়ে বিজয়ৰ কথা ভাবিছিল ঠিক সেই মুহূৰ্ততে তাই বন্ধ দুৱাৰৰ সিফালে বিজয়ৰ মাত শুনিলে। সুৰভিয়ে সংযত হৈ অনিচ্ছা-সত্বেও দুৱাৰখন খুলি দি মাথোন তলমূৰ কৰি থিয় হৈ ৰ'ল। তাই গম পালে বিজয় সোমাই আহিল খোটালিটোলৈ। আৰু তাই ভাবি থ'লে, যদি বিজয়ে দেৱলাৰ সম্পৰ্কে একাষাৰ কথাও এতিয়া উলিয়ায়, তেন্তে তাই চিঞৰি উঠিব—'আঁতৰি যোৱা; আঁতৰি যোৱা। মোক পাগল কৰিবা নেকি তোমালোকে? আঁতৰি যোৱা ইয়াৰ পৰা। নহ'লে—নহ'লে—' কিন্তু সুৰভি আচৰিত হ'ল, যেতিয়া বিজয়ে তাইলৈ বন্ধ লেফেফা এটা আগবঢ়াই দিলে। হাত পাতি লেফেফাটো লৈ কিবা এটা ক'বলৈ মুখ মেলাৰ আগতেই দেখিলে বিজয় আঁতৰি গৈছে।

দুৱাৰখন এনেয়ে জপাই তাই লেফেফাটো খুলিব খুজি অনুভৱ কৰিলে তাইৰ হাতখন থৰথৰকৈ কঁপি উঠিছে। ভাবিলে, হঠাতে বিজয়ৰ কি ইমান বিশেষ কথা ওলাল, বিশেষকৈ আজিৰ দিনত!

সুৰভিয়ে লেফেফাটো মৃদু উত্তেজনাৰে খুলি ভিতৰৰ চিঠিখন পঢ়ি গ'ল—'সুৰভি, তোমাক কিছুমান কথা নক'লে নহ'ব। মই আজি মুক্তকণ্ঠে এটা সত্য স্বীকাৰ কৰিম যি সত্য যোৱা নিশা দেৱলাই কৰি যোৱা ঘটনাৰ লগত ওতঃপ্ৰোতভাবে জড়িত। ঘটনাটো শুনাৰ পিছৰপৰা মোৰ মনৰ অৱস্থা মই তোমাক বুজাব নোৱাৰেঁ। মুখেৰে হয়তো ভালদৰে ক'ব নোৱাৰিম; সেয়ে চিঠিৰে জনালোঁ। মোৰ অনুভৱ হৈছে, সকলোখিনি ঘটনাৰ বাবে ময়েই দায়ী।' চিঠিখন হাতত লৈ পঢ়ি যোৱা সুৰভিৰ হাতখন ইমান অসম্ভৱ ধৰণে কঁপি উঠিল যে চিঠিৰ আখৰবোৰ যেন যেন ঘূৰি ঘূৰি এক আৱৰ্তৰ ৰূপ লৈছিল।

শ্ৰীহৰেন্দ্ৰপতি গোস্বামী
প্ৰাক্-বিশ্ববিদ্যালয় কলা

# এই ৰঙে উচুপে

ধূমায়িত কফিৰ কাপত বন্দী হ'ল
বাৰুদৰ ৰঙচুৱা জুই।
জননীৰ স্নেহৰ বান্ধোন
নীৰৱে সুলকি যায়।
আকাশৰ নীলা ৰং তেজৰঙা হয়,
অশ্ৰুৰে ৰুদ্ধ বাট চিকিমিকি কৰে—
শুকাই চামনি বান্ধে
তেজৰ কৌলুষ।

অলপ আগতে, ইয়াতো আছিল
মেঘমুক্ত বিশাল আকাশ:
সিঁচৰিত হ'ই পৰা অযুত জোনাক,
তৰাৰ দীপালীত আছিল
অসীম প্ৰত্যয় এক জীয়াই থকাৰ,
পাখিত ফাগুন সানি
উৰিছিল জোনাকী এজাক।

হঠাতে ধূসৰ হ'ল সুন্দৰ আকাশ,
কুণ্ডলীত বহ্নিমান চিতাৰ ধোঁৱাৰে
ৰক্তস্নাতা পৃথিবীত ধ্বংসৰ উৎসৱ।
দৈত্যৰ ছায়াই গিলে
জ্যোৎস্নাৰ অনন্ত আকাশ।

আইতাই উচুপিলে, উচুপিলে
সীমান্তৰ চিঠি লৈ শুধ বগা কপালেৰে
পঁজালে' সোমাই যোৱা কোনোবা ষোড়শী
যাৰ বাবে—স্বপ্নৰ, আকাশৰ
সকলো তৰাৰ—
এই মাত্ৰ পাখি গজি গ'ল।

চিঠিখন কোলাত থৈ অলপ পৰ চকুহাল মুদি পুনৰ মেলি একে উশাহে পঢ়ি গ'ল— 'তুমি দেৱলাৰ লগত কৰা ঘনিষ্ঠতা মোৰ সিমান ভাল নেলাগিলেও শেষলৈ সহ্য হৈছিল। কিন্তু মায়ে এই বন্ধুত্বক ভালভাবে গ্ৰহণ কৰিব পৰা নাছিল। বিশেষকৈ যি গৰাকী তেওঁৰ ভাবী বোৱাৰী, সেই গৰাকী এখন কলঙ্ক থকা ঘৰৰ ছোৱালীৰ লগত মিলা-মিচা কৰাটো তেওঁ সহ্য কৰিব নোৱাৰিছিল। মাৰ দৃঢ় ধাৰণা দেৱলাৰ লগ ল'লে তুমি বেয়া হৈ যাবা। দেৱলা হৈছে বংশ-মৰ্যাদা নথকা এজনী সাধাৰণ ছোৱালী। মায়ে প্ৰায়ে মোক কৈছিল যে তুমি দেৱলাৰ পথ ত্যাগ নকৰিলে তেওঁ তোমাক বোৱাৰী কৰিবলৈ ভাল নেপাব। তুমি জানা, মা অসম্ভৱ জেদী আৰু এক কথাৰ মানুহ। ইফালে তোমাৰ অবিহনে মই মোৰ জীৱনৰ কথা ভাবিবই নোৱাৰোঁ। শেষত বহুতো কথা ভাবি সকলো কথা দেৱলালৈ মুক্তভাবে জনোৱাটো ঠিক কৰিলোঁ। ইয়ালৈ আহি যোৱাকালি আবেলি দেৱলালৈ সকলো কথা সবিশেষ লেখি পঠিয়াই দিলোঁ। তাত লেখিছিলোঁ— সুৰভিৰ মনৰ আকাশ দুখন। এখন আকাশত তুমি, আনখনত মই। এখনত তোমাৰ বন্ধুত্ব, আনখনত মোৰ প্ৰেম। সুৰভিয়ে শেষত কোনখন আকাশৰ তলত আশ্ৰয় ল'ব নেজানোঁ। হয়তো মোৰ প্ৰেমৰেই শেষত পৰাজয় হ'ব। কাৰণ সুৰভিক মই জানো। ন্যায়ৰ সপক্ষে নিজকো বলি দিব পাৰে।'

মই ভবা নাছিলোঁ মোৰ চিঠি পঢ়ি দেৱলাই তেনে এটা ভয়াবহ আৰু নিষ্ঠুৰ সিদ্ধান্ত গ্ৰহণ কৰিব বুলি। পুৱা শুই উঠি মই ৰাস্তাৰ পিনে থকা খিৰিকীৰ কাষত থকা টেবুলখনত এখন বন্ধ লেফেফা দেখিলোঁ। অচিনাকি আখৰৰ চিঠিখন কৌতূহলবশতঃ পঢ়ি গ'লোঁ। সেই ক্ষুদ্ৰ চিঠি আছিল দেৱলাৰ। দেৱলাই লেখিছিল —'আপোনাৰ সকলো কথা পঢ়িলোঁ। কিন্তু আপুনি এটা ক্ষেত্ৰত ভুল কৰিছে। সুৰভিৰ মনৰ আকাশ এখনেই। সেই আকাশত আপোনাৰ ভাল পোৱা হৈছে সূৰ্য আৰু মোৰ বন্ধুত্ব হয়তো জোন। যোৱা তিনি বছৰ আৰু ছমাহ ধৰি প্ৰায়ে মই এটা কথা ভাবিছিলোঁ মোৰ দৰে ছোৱালীৰ এই পৃথিৱীত জীয়াই থকাৰ প্ৰয়োজন বা কি? সুৰভিৰ বন্ধুত্ব আৰু মৰমে মোৰ প্ৰয়োজনহীন জীৱনত বহুত কিবাকিবি দিছিল। সেই কিবাকিবি খিনি দিবলৈ সুৰভিয়ে নিজৰ বহুত কিবাকিবি হেৰুৱাটোৰ কামনা মই কোনোদিন কৰা নাই আৰু নকৰোঁও। সুৰভিৰ মৰম আৰু বন্ধুত্বৰ বিনিময়ত মই একো দিব পৰা নাছিলোঁ। অৱশ্যে সুৰভি আৰু মোৰ বন্ধুত্বত পোৱা-নোপোৱাৰ হিচাব কোনোদিন উঠা নাছিল। আপোনালোকৰ প্ৰেম যুগমীয়া হোৱাটোৱেই মোৰ জীৱনৰ শেষ কামনা। সুৰভিলৈ জীৱনৰ সকলো মৰম আৰু শুভেচ্ছা থাকিল। এইবোৰ কথা সুৰভিক নজনালোঁ আৰু আপুনিও নজনোৱাটোয়েই হয়তো ভাল হ'ব। হয়তো সুৰভিয়ে অভিমান কৰিব, দুখত ভাগি পৰিব, মোৰ বিষয়ে বহুত কিবাকিবি ভাবিব। কিন্তু মোৰ প্ৰতি থকা মৰম ভাল, পোৱা আৰু বন্ধুত্বখিনি যেন দলিয়াই নেপেলায়।' দেৱলাৰ চিঠিখন হুবহু তুলি দিছোঁ। চিঠিখন পঢ়াৰ অলপ পিছতেই দেৱলাই আত্মহত্যা কৰা বুলি শুনিলোঁ। দেৱলাই এইবোৰ কথা জনাবলৈ বাধা কৰা সত্ত্বেও তোমাক জনালোঁ। মোৰ অৱচেতন মনত এতিয়া কেৱল এটা অপৰাধবোধে মূৰ দাঙি উঠিছে। মই জানোঁ মোৰ এই অপৰাধৰ বাবে তোমাৰ ওচৰত ক্ষমা খোজাৰ যোগ্যতাও মোৰ নাই। মোৰ চিঠি পঢ়ি দেৱলাই তেনেকুৱা কৰিব বুলি সামান্য সন্দেহো মই কৰিব পৰা হ'লে যোৱা কালিৰ সেই চিঠি মই নেলেখিলোঁহেঁতেন। তুমি মোক ক্ষমা কৰা বা নকৰা—মোৰ এই অজানিত অপৰাধে হয়তো গোটেই জীৱন জুৰি মোৰ বিবেক দংশন কৰিব আৰু এই বিবেক দংশনেই হয়তো মোৰ অপৰাধৰ একমাত্ৰ উপযুক্ত আৰু অসহনীয় শাস্তি..'

বিজয়ৰ চিঠিখন কোলাত লৈ বহুসময় সুৰভি বোবা হৈ বহি ৰ'ল। এটা সময়ত জপাই থোৱা দুৱাৰখন ঠেলি বিজয় সোমাই আহিল আৰু সুৰভিৰ সন্মুখত বৈ ক'লে—''মই কি কৰি পেলালোঁ সুৰভি!'' বিজয়ে দেখিলে সুৰভি একে ভাবেই বহি আছে। তাৰ উপস্থিতি তাই দেখা নাই, তাৰ প্ৰশ্ন তাই শুনা নাই, তাই যেন এটা শিলৰ মূৰ্তি। বিজয়ে সুৰভিৰ মুখখন তাৰ ফালে দাঙি ধৰিলে। সুৰভিয়ে ভাৱশূণ্য চকুহাল তাৰ পিনে এবাৰ তুলি পিছমুহূৰ্ততে হঠাতে বিছনাত মুখখন গুজি উচুপি উঠিল। বিজয়ৰ এনেকুৱা অনুভৱ হ'ল যেন সুৰভিৰ এই উচুপনিৰ শেষ কোনোদিন নাই আৰু কোনোদিন নহ'বও।



শ্ৰীপ্ৰিয় বৰা
প্ৰাক্-বিশ্ববিদ্যালয় কলা

# ডিটেক্টিভ সাহিত্য
## এটি সমীক্ষা

উপন্যাস-সাহিত্য আৰু গল্প-সাহিত্যৰ এটি জনপ্ৰিয় ভাগ হ'ল ডিটেক্টিভ সাহিত্য। এইবিধ সাহিত্যই অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিছে আৰু চৈয়দ আব্দুল মালিকে ক'বৰ দৰে ই ডেকাসকলৰ সংহিতাস্বৰূপ হৈ পৰিছে। ডিটেক্টিভ সাহিত্য ৰচনাৰ এটি সূত্ৰ আছে। প্ৰথমে কোনো হত্যাকাণ্ড বা যি কোনো ঘটনাক কেন্দ্ৰ কৰি লেখকে এনে এটা পৰিবেশৰ সৃষ্টি কৰে যি পৰিবেশে পাঠকৰ মনটো বান্ধি ৰাখি প্ৰকৃত দোষীজনৰ পৰা আঁতৰত ৰাখে; তাৰ পিছত কিছুমান পাৰ্শ্বচৰিত্ৰৰ উপস্থাপনা কৰি এক নতুন ঘটনাপ্ৰবাহৰ সৃষ্টি কৰে আৰু এজন বা একাধিক ৰহস্যোদ্ঘাটক বা ডিটেক্টিভৰ সহায়ত প্ৰকৃত দোষীজনক উলিয়াই দিয়ে। ডিটেক্টিভ সাহিত্যত ডিটেক্টিভজনৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। ব্ৰুচ স্মিথৰ ভাষাত ডিটেক্টিভজনৰ সংজ্ঞা এনেকুৱা—'Detective....conducts investigations in order to locate persons, to collect evidence, to interview witnesses and so generally to prepare criminal or evil actions for trial and adjudication.'

ডিটেক্টিভ গল্প বা উপন্যাসত পাঠকৰ মন বন্ধনগ্ৰস্ত হৈ মুক্তিৰ বাবে ঘটনাৰ শেষৰ ফালে খৰকতীয়া গতিত আগবাঢ়ে। কেতিয়াবা এনে সাহিত্যৰ পৰিণতি খেলি-মেলিৰ মাজত থাকে। পাঠকে দোষীজনক নিজে উলিয়াবলগীয়া হয়।

ডিটেক্টিভ কাৰ্যাৱলীৰ উৎপত্তি সম্পৰ্কে সঠিক সময় নিৰ্ধাৰণ কৰা টান। স্মিথে ডিটেক্টিভৰ সৃষ্টি ষোল বা সোতৰ শতিকাত বুলি ধৰি লৈছে। আন এজনৰ মতে ৰোমান আমোলৰ পৰাই ইয়াৰ আৰম্ভণি। অতীজ ভাৰততো গুপ্তচৰ থকাৰ অলেখ উদাহৰণ আছে। চন্দ্ৰগুপ্ত মৌৰ্য, ছেৰছাহ, আলাউদ্দিন, ঔৰংজেব প্ৰমুখ্যে ৰজা-বাদছাহ সকলৰ ৰাজত্বকালত চোৰাংচোৰাগিৰি থকাৰ প্ৰমাণ বুৰঞ্জীয়েই দিয়ে। অসমতো আহোম ৰজাসকলে চোৰাংচোৰা ৰাখিছিল। গতিকে দেখা যায়, বিভিন্ন ঠাইত অতি পুৰণি কালৰে পৰা চোৰাংচোৰাগিৰি বা ডিটেক্টিভ কাৰ্যপদ্ধতি চলি আহিছে। কিন্তু প্ৰথম ডিটেক্টিভ সাহিত্য এড্গাৰ এলান পোৰ কাপৰ পৰাহে ওলায়। পো আছিল উনৈশ শতিকাৰ প্ৰথমাৰ্ধৰ লেখক আৰু তেওঁকেই ডিটেক্টিভ সাহিত্যৰ পিতৃস্বৰূপ বুলি ক'ব প্যাৰি। পোৰ হাতত এইবিধ সাহিত্য সৃষ্ট হৈ ছাৰ আৰ্থাৰ কোনান ডয়েলৰ হাতত পূৰ্ণতা লাভ কৰে। এফ্-বি-আই (ফেডাৰেল বুৰো অব্ ইন্ভেষ্টিগেছন), ক্ৰিমিনেল ইন্ভেষ্টিগেছন ডিপাৰ্টমেণ্ট অব্ স্কটলেণ্ড য়াৰ্ড আৰু ছুৰেটে নেছনেল অব্ পেৰিচৰ ডিটেক্টিভ কাৰ্যালয়ৰ কাৰ্যাৱলীক লৈ নাইবা তদ্ৰূপ ঘটনাৱলীৰ আলমত আজিলৈকে অসংখ্য ডিটেক্টিভ সাহিত্যৰ সৃষ্টি হৈছে।

ইংৰাজী ভাষাত প্ৰথম ডিটেক্টিভ গল্প-সাহিত্যৰ সৃষ্টি কৰে এড্গাৰ এলান পোৱেই। একেৰাহে গল্পলেখক, কবি আৰু সাংবাদিক এই বহুমুখী প্ৰতিভাসম্পন্ন লেখকজনৰ প্ৰথম ডিটেক্টিভ ভাৱধাৰা পৰিলক্ষিত হয় তেওঁৰ 'The Murder in Rue Morgue House' কিতাপখনিত। তাৰপিছত 'The Mystery of Marie Roget' আৰু 'The Purloined Letter'ত একেই ভাৱধাৰা দেখা যায়। ডুপিন আছিল পোৰ ডিটেক্টিভ গল্পসমূহৰ ডিটেক্টিভ চৰিত্ৰ আৰু এই চৰিত্ৰৰ সহায়েৰেই তেওঁ প্ৰভূত জনপ্ৰিয়তা লাভ কৰিব পাৰিছিল। কিন্তু আমেৰিকাত গণ-বিপ্লৱ হোৱাৰ লগে লগে এলান পোৰ জনপ্ৰিয়তা অন্যান্য লেখকসকলৰ দৰে পাহৰণিৰ বুকুত সোমাই গ'ল।

পোৰ লেখনী সম্পৰ্কত হাভি এলানে কৈছে—"Poe ....is by nature a precise, delicate and pedantic writer." তেওঁৰ ডিটেক্টিভ গল্পসমূহে সমসাময়িক বা তেওঁৰ পৰৱৰ্তী ইংৰাজী লেখকসকলক ডিটেক্টিভ ভাৱধাৰাৰে অনুপ্ৰাণিত কৰাৰ উপৰিও ফৰাছী আৰু জাৰ্মান সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰে। বোদলেয়াৰে পোৰ কিতাপবোৰ ১৮৫৬ চনত 'Histories extraordinaries par Edgar Poe' নামেৰে ফৰাছী ভাষালৈ অনুবাদ

কৰি উলিয়ায়। পোৰ লেখনীৰ দ্বাৰা প্ৰভাৱান্বিত হৈ এমিল গেলৰবিয়ানে ফৰাছী ভাষাত ডিটেক্টিভ সাহিত্যৰ সূত্ৰপাত কৰে। জাৰ্মান সাহিত্যত পোৰ প্ৰভাৱ 'distilled to highest potency.'। যুদ্ধৰ আগে আগে হিটলাৰৰ দেশৰ ডেকা ল'ৰাবোৰে ডিটে-ক্টিভ ভাৱধাৰাৰে লেখা গল্প-কাহিনীবোৰ পঢ়ি খুব আমোদ পাইছিল। সেই কাৰণেই তেওঁলোকৰ তেতিয়াৰ উপন্যাস, নাটক, চুটিগল্প সকলোতে পোৰ প্ৰভাৱ পৰোক্ষ বা প্ৰত্যক্ষভাৱে পৰিলক্ষিত হয়।

পোৰ পিছত ডিটেক্টিভ সাহিত্যক অধিক জনপ্ৰিয় কৰি তোলে আমেৰিকাৰ আন্না কেথাৰিন গ্ৰীণে। তেওঁৰ 'Leevenworth Case'এ আমেৰিকাৰ পাঠকসকলৰ পৰা প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছিল। উনৈশ শতিকাৰ আন দুজন বিখ্যাত লেখক আছিল এলান পিঙ্কাৰ্টন আৰু জন ৰাছেল কৰেল। কিন্তু আমেৰিকান ডিটেক্টিভ সাহিত্যত বিশেষভাৱে সফল হোৱা লেখকজন হ'ল উইলিয়াৰ্ড হাণ্টিংটন। 'The Murder Case,' 'Earl Derr Biggers,' 'Dashill Hammett' আদি কিতাপে এখেতৰ মহৎ সাহিত্য-স্থষ্টিৰ পৰিচয় দিয়ে।

কুৰি শতিকাৰ ডিটেক্টিভ সাহিত্যৰ চাঞ্চল্যকাৰী লেখকজন হ'ল ছাৰ আৰ্থাৰ কোনান ডয়েল (১৮৫৯-১৯৩০)। ছাৰলক হ'মছ নামৰ বিখ্যাত ডিটেক্টিভ চৰিত্ৰটো ডয়েলৰে নিখুঁত আৰু অনুপম স্থষ্টি। ছাৰ-লক হ'মছ চিৰিজত কোনান ডয়েলৰ প্ৰথম অৰ্ঘ 'Study in Scarlet' ১৮৮৭ চনত প্ৰকাশিত হৈছিল। তেওঁৰ অন্যান্য ডিটেক্টিভ গ্ৰন্থসমূহ হ'ল 'The Sign of the Four' (১৮৮৯), 'The Adventures of Sherlock Holmes' (১৮৯২), 'The Memories of Sherlock Holmes' (১৮৯৪), 'The Hound of the Baskervilles' (১৯০২), 'The Return of Sherlock Holmes' (১৯০৫), 'The Valley of Fear' (১৯১৫), 'His last Bow' (১৯১৭) আৰু 'The Case Book of Sherlock Holmes' (১৯২৭)। কোনান ডয়েলৰ ছাৰলক হ'মছ চৰিত্ৰটো ইমান জীৱন্ত যে যিদিনা ডয়েলে হ'মছৰ মৃত্যু ঘোষণা কৰিছিল সেইদিনা ডিটেক্টিভপ্ৰেমীসকলে ক'লা চিহ্ন আঁকি লৈ ঘূৰি ফুৰিছিল বুলি জনা যায়। চলচিত্ৰ আৰু অনাতাঁৰৰ যোগেদি হ'মছৰ জনপ্ৰিয়তা আৰু বৃদ্ধি পাইছিল। ছাৰলক হ'মছক স্বেচ্ছাচাৰী আৰু অবৈতনিক ডিটেক্টিভ হিচাবে ডয়েলে ৰূপ দিছে; হ'মছৰ প্ৰখৰ বিশ্লেষ-ক্ষমতা আৰু ডিটেক্টিভ সমস্যা-বোৰত অপৰিসীম অবেক্ষাৰ বাবেই স্কটলেণ্ড য়াৰ্ডক বাৰে বাৰে লাজত পেলাব পাৰিছে। হ'মছৰ আচ-ৰণত বিষম আৰু অদ্ভুত স্বভাৱ কিছুমান পৰিলক্ষিত হ'লেও সেইবোৰ তেওঁ ন্যায় আৰু নীতিৰ অন্তৰ্ভুক্ত কৰিব পাৰিছে। শুনা যায়, হ'মছৰ ডিটেক্টিভ কাৰ্যাৱলী লিপিবদ্ধ কৰা বন্ধু ডাক্তৰ ৱাটছন আছিল ডয়েল নিজে আৰু তেওঁৰ অপূৰ্ব চৰিত্ৰ ছাৰলক হ'মছৰ স্থষ্টিৰ মূলতে আছিল ডাক্তৰ জোচেফ বেল (১৮৩৭-১৯১১) নামৰ এজন প্ৰখ্যাত এডিনবাৰ্গ চাৰ্জন। জোচেফ বে'লৰ তত্বাৱধানত ডয়েলে ঔষধোপচাৰ সম্পৰ্কে শিক্ষা গ্ৰহণ কৰিছিল আৰু ১৮৮২ চনৰ পৰা ১৮৯০ চনলৈকে চাউথ-চ্ছীত ভেষজবৃত্তি অৱলম্বন কৰিছিল। তেওঁৰ লেখনীৰ উচ্চপ্ৰশংসা কৰি এজন সমালোচকে 'He could describe suspense and he could describe wonderfully the action that flows' বুলি কৈছে। ছাৰলক হ'মছ চৰিত্ৰটোৱে সমগ্ৰ ইউৰোপত আৰু ইউৰোপৰ বাহিৰতো অভুতপূৰ্ব চাঞ্চল্যৰ স্থষ্টি কৰিছিল। হ'মছৰ ডিটেক্টিভ কাৰ্যাৱলীত মুগ্ধ হোৱা এজন লেখকে এইদৰে কৈছিল—"It is certion that present-day Europe is suffering from a disease which might be termed 'Sherlockism,' a literary illness, similar to the Werthermania and romantic Byronism we have known.'

পোৰ ডিটেক্টিভ সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা আন এজন লেখক হ'ল ৱাকি কলিন্‌ছ। ১৮৬৮ চনত প্ৰকাশিত 'The Moon Stone' গ্ৰন্থখনিৰ চাৰ্জেণ্ট কাফ্ নামৰ ডিটেক্টিভ চৰিত্ৰটো তেওঁৰেই সুন্দৰ স্থষ্টি। গিলবাৰ্ট কেইথ চেষ্টাৰ্টন (১৮৭৪-১৯৩৬) ৰচিত 'Innocence of Father Brown' আৰু 'The Wisdom of Father Brown'ৰ গল্পসমূহৰ অন্তৰ্গত ৰোমান কেথলিক পুৰোহিত ফাডাৰ ব্ৰাউনে প্ৰমাণ নিৰপেক্ষ প্ৰক্ৰিয়াৰে পাপকাৰ্য উৎঘাটন কৰা দেখা গৈছিল। ১৮৫২ চনত প্ৰকাশিত ডিকেন্সৰ 'Bleak House'ৰ ইন্স-পেক্টৰ বুকেট অন্য এটি প্ৰখ্যাত ডিটেক্টিভ চৰিত্ৰ। মিঃ ৰেজিনাল্ড ফৰচুন চৰিত্ৰটোৰ আমোদজনক কাৰ্যা-ৱলী বেইলীৰ ডিটেক্টিভ গল্পসমূহত সিঁচৰিত হৈ আছে। মেছনৰ 'At the Villa Rose,' 'The House of the Arrow' আৰু 'The Prisoner in Opal' গল্প তিনিটাত হানান্দ নামৰ ডিটেক্টিভ চৰিত্ৰ এটি পোৱা যায়। গেবেৰিয়ানৰ গল্পসমূহত কিন্তু দুজন ডিটেক্টিভ আছে—এজন অবৈতনিক, টাবাৰেট আৰু সিজন ব্যৱসায়ী, লেকক। ম'ৰিছ লেব্লেঙ্কৰ উপন্যাস-বোৰত আৰ্চিন লুপিন নামৰ নায়কজন পাপাচাৰী আৰু ৰহস্যোৎঘাটক উভয়ৰূপে অঙ্কিত হৈছে। তেওঁৰ চুটি গল্পসমূহটো এই চৰিত্ৰটোৰ ৰহস্যান্বেষণৰ কাহি-নীয়ে ছাৰলক হ'মছৰ কাৰ্যাৱলীৰ দৰেই মনোৰঞ্জনৰ সামগ্ৰী যোগাব পাৰিছে। ৰিচাৰ্ড আষ্টিন ফ্ৰিমেনৰ (১৮৬২-১৯৪৩) ডঃ থৰ্নডাইক নামৰ ডিটেক্টিভ

চৰিত্ৰটোৱে বৰ্তমান যুগৰ শ্ৰেষ্ঠ ডিটেক্টিভ ন্যায়বিদ্‌সকলৰ অন্যতম বুলি স্বীকৃতি পাইছিল। ডঃ জাৰ্ভিছ্‌ আৰু পল্টন তেওঁৰ সহকৰ্মী আৰু লেবৰেটৰী কৰ্মী আছিল। আগাথা ক্ৰিষ্টি, বেণ্ট্ৰ‌্লি, ভেন ডাইন আৰু ডৰথী চেয়াৰ্চ লেখক কেইজনৰ ডিটেক্টিভ চৰিত্ৰ কেইটা হৈছে ক্ৰমে হাৰ্কুল পইৰট, ট্ৰেণ্ট, ফিল' ভেঞ্চ আৰু লৰ্ড পিটাৰ উইম্‌ছে। আন এটা ডিটেক্টিভ চৰিত্ৰ চি-আই-ডি ইন্সপেক্টৰ ফ্ৰেঞ্চৰ ভূমিকা ফ্ৰিমেন উইল্‌ছ্‌ ক্ৰেফ্‌টৰ ডিটেক্টিভ গল্পসমূহত পোৱা যায়।

ভাৰতীয় ভাষাসমূহত ডিটেক্টিভ সাহিত্যৰ সৃষ্টি-পাশ্চাত্য প্ৰভাৱৰ পৰাই সম্ভৱ হৈছে। হিন্দী সাহিত্যত 'চাঁদনী ৰাতি,' 'খুনীজাচুচ,' 'খুনী হীৰা,' 'সুন-হৰী মকৰী,' 'ট্ৰেন্সমিটাৰ কী খোজ,' 'মকবোৰী কী বাদশাহ,' 'পিশাচ-সুন্দৰী,' 'নিশানে বাজ' আদি ৰহস্যোপন্যাসৰ উদাহৰণ। বৰ্তমান উৰীয়া সাহিত্যৰ সম্বন্ধে কালিন্দীচৰণ পাণিগ্ৰাহীয়ে কৰা মন্তব্য উল্লেখযোগ্য: It is indeed distressing to mention that the major portion of the heap of books and periodicals produced from day to day falls far below the right standard. Thrillers and crime stories and sexy poems are on the increase.' তেওঁৰ মতে উৰীয়া সাহিত্যত ডিটেক্টিভ গল্প আৰু উপন্যাসৰ সংখ্যা বাঢ়িয়েই আছে। কিন্তু তাৰ ফলত ইয়াৰ মান হ্ৰাস হৈহে আহিছে আৰু সেয়ে উৰীয়া ডিটেক্টিভ সাহিত্যত কোনো উল্লেখযোগ্য ডিটেক্টিভ চৰিত্ৰৰ নাম জনা নেযায়।

বঙালী সাহিত্যত এইবিধ সাহিত্যৰ বিশেষ প্ৰাচুৰ্য দেখা যায়। এফালে কিছুমান সস্তীয়া কাহিনী আৰু আনফালে শক্তিশালী প্ৰকাশভঙ্গী এই সাহিত্যত সহজে দৃষ্টিগোচৰ হয়। স্বপন কুমাৰৰ 'কলেজ ষ্টুডেণ্ট চিৰিজ' সস্তীয়া ঘটনা কিছুমানৰ বাহিৰে একো নহয়। তথাপিও দীপক আৰু ৰতনলালৰ চৰিত্ৰ মনোৰম। 'দস্যু মোহন চিৰিজ' এসময়ত খুব চলিছিল। নীহাৰৰঞ্জন গুপ্তৰ কিৰীটী ৰায়ক কেন্দ্ৰ কৰি লেখা ৰহস্যোপন্যাসবোৰ বঙালী সাহিত্যলৈ অনুপম দান। কিৰীটী ৰায়ক এগৰাকী লেখকে ছাৰলক হ'মছ্‌ৰ লগত তুলনা কৰিছে। শৰদিন্দু বন্দোপাধ্যায়ৰ 'বোমকেশৰ ত্ৰিনয়ণ', শ্ৰীহৰ্ষ মল্লিকৰ 'ঢেউয়ে ঢেউয়ে ৰক্ত,' মৃত্যুঞ্জয় চট্টোপাধ্যায়ৰ 'কাল-নাগিনী,' চিন্ময় দেৱীৰ 'স্বৰ্ণ কঙ্কণ' আৰু 'সোণাৰ হৰিণ' আদিও বঙালী ডিটেক্টিভ উপন্যাসৰ উদাহৰণ। গুজৰাটী, কানাড়া, মালয়ালম, মাৰাঠী, পাঞ্জাবী, তামিল, তেলেগু আদি ভাৰতীয় ভাষাতো অনেক ডিটেক্টিভ চিৰিজ পোৱা যায়।

অসমীয়া সাহিত্যত এইবিধ সাহিত্যৰ পৰিচয় পোৱা যায় অনুবাদ সাহিত্য ৰূপেহে। 'আৱাহন'ৰ যুগতেই ইয়াৰ প্ৰথম প্ৰকাশ হয়। ৰসজ্ঞ বুৰঞ্জীবিদ্‌ বেণুধৰ শৰ্মাই ক'বৰ দৰে তেখেতসকল ছাত্ৰাৱস্থাত কলিকতাত থাকোঁতেই 'ছাৰলক হ'মছ্‌ চিৰিজ' আৰু অন্যান্য বঙালী ৰহস্যোপন্যাসৰ গ্ৰন্থকীট আছিল। ইয়াৰ প্ৰমাণ পোৱা যায় 'মঙ্গলতিৰ কণ্ঠীমালা' আৰু 'ৰহস্য-কাহিনী'ত। অসম ছাত্ৰ-সন্মিলনীৰ উদ্যোগত তেজপুৰৰ গুণাভিৰাম শৰ্মা আৰু ৰত্নধৰ শৰ্মাই 'ছাৰলক হ'মছ্‌'ৰ কেইটামান গল্প অসমীয়ালৈ তৰ্জমা কৰাৰ পিছতেই বেণুধৰ শৰ্মাই 'ছাৰলক হ'মছ্‌'ৰ কেইটামান অনূদিত গল্প গ্ৰন্থাকাৰে 'মঙ্গলতিৰ কণ্ঠীমালা' নাম দি উলিয়ায়।

অসমীয়া সাহিত্যৰ প্ৰথম ডিটেক্টিভ লেখকজন হ'ল কুমুদেশ্বৰ বৰঠাকুৰ। বৰঠাকুৰ চতুৰ্থ দশকৰ লেখক; তেখেতৰ 'গোলাই চিৰিজ'ৰ পুস্তিকাৰ আকাৰত প্ৰকাশ পোৱা 'নিম্ন শ্ৰেণীৰ সৰু সৰু ডিটেক্টিভ উপন্যাস কেইখনৰ বাহিৰে আঙুলিয়াই দিব পৰা ৰচনা নাই'। চিৰিজটোত 'পুতুমাইৰ বিয়া', 'প্ৰিয়ে,' 'তেজপিয়া,' 'টাংটিঙালি,' 'ধিতিঙা,' 'ৰূপহী,' আদি ষোলখনৰ অধিক ডিটেক্টিভ উপন্যাস আছে। ঘটনা-বোৰক ৰহস্যাবৃত কৰি ৰখাত লেখকজন বিশেষভাবে সফল হ'ব নোৱাৰিলেও অসমীয়া সাহিত্যত উক্ত চিৰিজেৰে ডিটেক্টিভ সাহিত্যৰ পাতনি মেলি যি অৰিহণা যোগালে তাৰ বাবে তেওঁৰ নাম অসমীয়া সাহিত্যৰ বুৰঞ্জীত জিলিকি থাকিব। এসময়ত 'গোলাই চিৰিজে' খুব জনপ্ৰিয়তা লাভ কৰিছিল; কিন্তু 'পা-ফু' চিৰিজৰ আবিৰ্ভাৱৰ লগে লগে ইয়াৰ জনপ্ৰিয়তা হ্ৰাস পালে।

যুদ্ধোত্তৰ যুগত যি গৰাকী যুগান্তকাৰী ডিটেক্টিভ ঔপন্যাসিকে অধিক সমৃদ্ধ ৰচনা-সম্ভাৰেৰে অসমীয়া সাহিত্যত পদাৰ্পণ কৰে, তেখেতেই হ'ল 'পা-ফু' আৰু 'ৰহস্য চিৰিজ'ৰ লেখক প্ৰেমনাৰায়ণ দত্ত। অসমীয়া ডিটেক্টিভপ্ৰেমীৰ মাজত এওঁ প্ৰেমনাৰায়ণ বুলিয়েই খ্যাত। তেওঁৰ লেখনীত 'অভিনৱ মৌলিকতা আৰু ৰসৰ বানপানী আছে'। উগ্ৰগতি, পাৰ্থ সিং, হেমিল্টন, কেপ্টেইন আৰু দলপতি (গোঁসাই)—এই পাঁচজন ফুকনক লৈ এই 'পা-ফু' চিৰিজৰ সৃষ্টি। পুলিচ বিভাগৰ শইকীয়া, ডাওৰা আৰু ডেভিদৰ চৰিত্ৰ কেইটাও বাস্তৱ আৰু (ডাওৰাৰ ক্ষেত্ৰত) ৰসাল। উপন্যাস কেইখনত ঘটনাসমূহ ৰহস্যাবৃত কৰি ৰাখিবলৈ লেখক সক্ষম হ'ব পাৰিছে। মনোৰঞ্জনৰ সামগ্ৰী আৰু কৌতূহলৰ খোৰাকো ইয়াত অজস্ৰ আছে। 'দিন ডকাইত', 'মাধমাৰ', 'শক্তিশেল', 'নাৰীদস্যু', 'প্ৰহেলিকা', 'বিভীষিকা', আদি 'পা-ফু' চিৰিজৰ উপন্যাস। 'ৰহস্য চিৰিজ'ৰ 'হত্যা-ৰহস্য', 'জেৰীয়া-

গাঁঠি' আৰু যমপাল' উচ্চস্বৰৰ। দণ্ডিনাথ কলিতাৰ 'হত্যাকাৰী কোন', দীনেশ চন্দ্ৰ শৰ্মাৰ 'ৰঙাপখী', শঙ্কৰ শইকীয়াৰ 'ৰঙহৰ মঙহ', ভবেন্দ্ৰনাথ শইকীয়াৰ 'আতঙ্কৰ শেষত' আদি অন্যান্য অসমীয়া ডিটেক্টিভ উপন্যাস।

অসমীয়া ডিটেক্টিভ উপন্যাসৰ বিষয়ে কোনো বহুল আলোচনা এতিয়ালৈকে হোৱা নাই। আনফালে পৃথিবীৰ আনবোৰ সাহিত্যত এই অভাৱ সহজে পৰিলক্ষিত নহয়। ডিটেক্টিভ সাহিত্য ৰচনা কৰোঁতে লেখকজন এক বিশেষ সাধনাৰ বশবৰ্তী হ'বলগীয়া হয়। জটিল পৰিবেশৰ মাজেৰে চৰিত্ৰসমূহ জটিল আৰু মনোগ্ৰাহী কৰি তোলাত লেখকৰ অধিক নৈপুণ্যৰ প্ৰয়োজন হৈ পৰে। সাধাৰণতে কাহিনীৰ চৰিত্ৰ উপস্থাপনা আৰু চৰিত্ৰ-সৃষ্টিৰ কৌশলৰ ওপৰতে বেছি প্ৰাধান্য দিয়া হয়। এই ক্ষেত্ৰত ইংৰাজ, জাৰ্মান, ফৰাচী আৰু বঙালী ডিটেক্টিভ সাহিত্য সাফল্যমণ্ডিত হৈছে। অসমীয়া ডিটেক্টিভ সাহিত্যত এটিও 'ইউনিক্' চৰিত্ৰ পোৱা নেযায়। আনফালে 'গোলাই চিৰিজ'ৰ উপন্যাস-বোৰক কোনো উপায়েৰেই ডিটেক্টিভ উপন্যাসৰ শাৰীত পেলাব নোৱাৰি। চিৰিজটো কিছুমান সস্তীয়া কাহিনীৰ সমাহাৰ মাথোন। কিন্তু স্বীকাৰ কৰিব লাগিব যে 'পা-ফু' আৰু 'ৰহস্য চিৰিজে' অসমীয়া ডিটেক্টিভ প্ৰেমীসকলৰ ক্ষুধা নিবাৰণ কৰিব পাৰিছে। প্ৰেম-নাৰায়ণৰ লেখনীৰ ধাৰা সাৱলীল; সেইবাবে তেওঁ কাহিনীবোৰক ৰহস্যৰ আঁৰকাপোৰেৰে ঢাকি ৰাখিব পাৰিছে। কিন্তু উৎকৃষ্ট চৰিত্ৰ অঙ্কনত তেওঁ সক্ষম হ'ব পৰা নাই। চৰিত্ৰৰ সংখ্যা সৰহ হোৱা গতিকে 'ইউনিক্' চৰিত্ৰ বিচাৰি উলিওৱা অতি টান হৈ পৰে; তদুপৰি প্ৰেমনাৰায়ণৰ বেছিভাগ উপন্যাসেই অযথাকৈ দীঘল।

বৰ্তমান অসমীয়া সাহিত্যত ডিটেক্টিভ সাহিত্যৰ অভাৱ খুবেই পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত অনুবাদ সাহিত্যই এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি আশা কৰিব পাৰি। তদুপৰি অনুবাদ সাহিত্যক বাদ দি বিশ্বৰ কোনো সাহিত্যই বিশ্বজনীনতা লাভ কৰিব নোৱাৰে। আজি ইংৰাজী সাহিত্যৰ এই সাৰ্বজনীনতাৰ গুৰিতে আছে অনুবাদ সাহিত্যৰ বিৰাট সম্ভাৰ। অৱশ্যে ইংৰাজসকলৰ নিজস্ব সাহিত্যৰে এক বিৰাট বৈশিষ্ট্য আছে। ওচৰৰ বঙালী সাহিত্যই বৰ্তমান ৰহস্য-সাহিত্যত অধিক উন্নতিৰ সোপানত আগবঢ়াৰ দৃষ্টান্ত দেখিও অসমীয়া সাহিত্যই ডিটেক্টিভ সাহিত্যৰ গুৰুত্ব সম্পৰ্কত সমূলি নভবাটো অত্যন্ত পৰিতাপৰ বিষয়। বঙালী সাহিত্যৰ ইমান উন্নতিৰ মূল্যতেও হৈছে অনুবাদ সাহিত্য। আশা কৰোঁ যাতে অদূৰ ভবিষ্যতত আমাৰ সাহিত্যত ডিটেক্টিভ সাহিত্যৰ পুনৰ প্ৰাণ-প্ৰতিষ্ঠা হ'ব অধিক দৃঢ়তাৰে।

• • •

[১৯৬৫ চনৰ ২ জানুৱাৰী তাৰিখে অসমীয়া ডিটেক্টিভ সাহিত্যৰ অপ্ৰতিদ্বন্দ্বী স্ৰষ্টা প্ৰেম-নাৰায়ণ দত্তৰ মৃত্যু ঘটিছে। এইজনা মহান কলাসেৱীৰ পুণ্যস্মৃতিত তেখেতৰ অন্যতম সুহৃদ্ ডঃ কালীনাথ শৰ্মাৰ এই সোঁৱৰণটি আগবঢ়োৱা হ'ল।

সম্পাদক]

প্ৰেমনাৰায়ণ দত্তৰ লগত প্ৰায় বাইশ বছৰ কাল মই অতি ঘনিষ্ঠভাবে পৰিচিত আছিলোঁ। তেওঁ সাহিত্য সাধনা কৰা কালছোৱাৰ ভিতৰত আমি দুয়ো প্ৰায়ে নানা আলাপ আলোচনা কৰিছিলোঁ। এই আলোচনাবোৰৰ মাজেদি মই প্ৰেমনাৰায়ণক কেৱল সাহিত্যিক হিচাবেই নহয়, মানুহ হিচাবেও চিনি পাবলৈ বহু সুযোগ পাইছিলোঁ।

১৯৪২ চনৰ আগ ভাগতে মই প্ৰেমনাৰায়ণ দত্তক প্ৰথম লগ পাওঁ। তেতিয়া তেওঁ সম্পূৰ্ণ নামটো লেখিছিল; ১৯৪৫-৪৬ চনৰ পৰাহে নামটো চমু কৰি প্ৰেমনাৰায়ণ কৰিছিল। কান্ধত এখন জোলোঙা লৈ তেওঁ পুৱা-গধূলি ওলাই যায় আৰু সেই জোলোঙা খনেৰে সৈতে ঘৰ সোমায়হি। আমাৰ পৰিচয় ঘনিষ্ঠ হৈ অহাৰ পিছত মই তেওঁৰ জোলোঙাত থকা সম্পদৰ পৰিচয় পাওঁ। 'পা-ফু' চিৰিজৰ পহিলা দুখনমান উপন্যাস আৰু সৰু সৰু গল্পৰ সংগ্ৰহ কেইটামান জোলোঙাত ভৰাই লৈ তেওঁ প্ৰকাশক বিচাৰি ফুৰে। এদিন সন্ধিয়া তেওঁ মোৰ আগত দুখ কৰি সেইবোৰ পুৰি পেলাব বুলি কৈ হুমুনিয়াহ কাঢ়িলে। কোনো প্ৰকাশকে বোলে সেই পুথিবোৰ প্ৰকাশ কৰিবলৈ সন্মত নহয়। মই হাতে লেখা অৱস্থাতে পুথি কেই-খন পঢ়ি অনুভৱ কৰিলোঁ যে অসমীয়া সাহিত্যৰ এই পৰ্যন্ত খালি হৈ থকা অংশ এটা ভালদৰে পূৰাব পৰা সম্পদ সেই জোলোঙাখনতে আছে। মই দত্তক সেইবোৰ সংৰক্ষণ কৰিবৰ কথা ক'লোঁ। লাহে লাহে আমি দুয়ো আৰু বেছি ওচৰ চাপি আহিলোঁ আৰু দুয়ো কিতাপ কেইখন প্ৰকাশ কৰিবলৈ বৰ ব্যগ্ৰ হৈ পৰিলোঁ। পুথি কেইখন প্ৰকাশ হোৱাৰ সম্ভাৱনা দেখিলেই যেন তেওঁৰ কলমৰ গতিবেগ বহুগুণে বাঢ়ি যাব এনে এটা ভাৱ মোৰ মনত জাগি উঠিল; প্ৰকাশ নহ'লে কিন্তু সেই লেখনী স্তব্ধ হৈ যাব পাৰে তেনে আশঙ্কাও যে নাছিল তেনে নহয়। এনে অৱস্থাত প্ৰেমনাৰায়ণৰ কিতাপবোৰ প্ৰকাশ কৰিবৰ বাবেই

# প্ৰেমনাৰায়ণৰ স্মৃতিত

'গৌতম এণ্ড কোম্পানী' নামে অনুষ্ঠান এটা স্থাপন কৰি তাৰ জৰিয়তে তেওঁৰ 'পা-ফু' চিৰিজৰ প্ৰথম তিনিখন ডিটেক্টিভ উপন্যাস আৰু 'অসমাপ্ত,' 'আশীৰ্বাদ,' 'হে হৰি সাৰশূণ্য,' আৰু 'আদি ৰসৰ উৎপত্তি' নামৰ চাৰিখন গল্পৰ কিতাপ আৰু 'কণ্ঠৰোল' নামৰ ব্যঙ্গ-নাটিকা এখনি প্ৰকাশ কৰা হ'ল। আমাৰ পঢ়ুৱৈ সমাজে প্ৰেমনাৰায়ণৰ সাহিত্যৰ সোৱাদ পাবলৈ বেছি দিন নেলাগিল আৰু অসমীয়া সমাজত তেওঁৰ প্ৰতিষ্ঠা হৈ গ'ল। 'বিভীষিকা'ৰ পৰা আৰম্ভ কৰি তেওঁ লেখা চল্লিশ খনৰো বেছি কিতাপ পিছত দত্তই নিজে প্ৰতিষ্ঠা কৰা 'মণি-মানিক প্ৰকাশে' অসমীয়া সাহিত্য সমাজত পৰিবেশন কৰিছে।

প্ৰেমনাৰায়ণে জীৱনৰ আগখণ্ডত নানাৰকম পৰিস্থিতিৰ সন্মুখীন হৈ তেওঁৰ অভিজ্ঞতাৰ ভঁৰাল টনকিয়াল কৰিবলৈ সুযোগ পাইছিল। জীৱনবীমা আৰু হোমিওপ্যাথিৰ মাজেদি বাহিৰৰ বহল জগতখনৰ মাজত সোমাই মানৱ চৰিত্ৰৰ সম্ভেদ পোৱাটো তেওঁৰ বাবে সুচল হৈ পৰিছিল। তেওঁৰ মনটো আছিল চিৰ নবীন আৰু অত্যন্ত গ্ৰহণশীল। ঘটনা যিমানেই ক্ষুদ্ৰ নহওক, চিত্ৰ যিমানেই বৈচিত্ৰহীন নহওক, দত্তৰ সংবেদনশীল অন্তৰত তাৰ ৰেখাপাত নোহোৱাকৈ নেথাকিছিল।

গীতা, উপনিষদ্, ভাগৱত আদি পঢ়িবলৈ সংস্কৃত ভাষাৰ সম্যক্ জ্ঞানৰ প্ৰয়োজন। তেওঁৰ সংস্কৃতৰ সাধাৰণ জ্ঞান আছিল, কিন্তু তাৰ দ্বাৰা স্বতন্ত্ৰভাবে মূল গীতা বা বেদান্ত-দৰ্শনৰ কথাবোৰ ভালদৰে উপলব্ধি কৰাত অসুবিধা পাই তেওঁ ১৯৫২ চনত নতুনকৈ সংস্কৃত ব্যাকৰণ পঢ়িবলৈ আৰম্ভ কৰে। ১৯৫৪-৫৫ চনত তেওঁ সংস্কৃতৰ জটিল কথাবোৰ ভালদৰে বুজিব পৰা হৈছিল। তেতিয়াৰ পৰা তেওঁ সম্পূৰ্ণভাবে গীতা আৰু বেদান্ত-দৰ্শনৰ অধ্যয়নত মনোনিবেশ কৰে। অষ্টাদশ অধ্যায় গীতা তেওঁৰ অনৰ্গল কণ্ঠস্থ হৈছিল। এই সময়তে ৰাজমোহন নাথৰ লগত এওঁৰ পৰিচয় ঘটে। মৃত্যুৰ পূৰ্বে ৰাজমোহন নাথে এবাৰ পত্ৰযোগে দত্তলৈ লেখিছিল যে হিন্দুশাস্ত্ৰৰ জটিল দাৰ্শনিক তত্ত্ববোৰ পঢ়ি সম্যক্‌ৰূপে হৃদয়ঙ্গম কৰা সুহৃদ্ এজন (দত্তৰ মাজত) পাই তেওঁ আনন্দ লাভ কৰিছিল। নাথে প্ৰেমনাৰায়ণলৈ বেছিভাগ চিঠি পদ্য-ছন্দত লেখিছিল আৰু সেইবোৰ তত্ত্বকথাৰে পূৰ্ণ আছিল।

প্ৰেমনাৰায়ণক ৰসৰ ৰহঘৰা হিচাবে পঢ়ুৱৈ সমাজে তেওঁৰ কিতাপ-পত্ৰবোৰৰ মাজেদি পাই আহিছে। আনন্দমোহন দুৱৰাৰ গোঁফৰ পেটাৰ্ণ, মালতী আৰু মাধৱৰ মাজত লাগি থকা কণ কণ মান-অভিমানৰ কাজিয়াবোৰ সকলোৰে আমোদৰ বস্তু। কলমৰ মুখেদি তেওঁ যিদৰে ৰস সৃষ্টি কৰিছিল, বন্ধু-বান্ধৱৰ লগতো সেইদৰে কথাবতৰাত সদায় হাঁহিৰ থুনুপাক তুলিছিল। এজন জ্যোতিৰ্বিদে হেনো কোনোবা এটা আহাৰ মাহত তেওঁৰ প্ৰাণহানি যোগ আছে বুলি কৈছিল। সেই বছৰ আহাৰ মাহৰ পিচত তেওঁ মোক সকীয়াই দিছিল যে তেওঁৰ বোলে প্ৰাণটো হানি হৈ গৈছে, কেৱল দেহাটোহে টানি লৈ ফুৰিছে। চাহ নেথাকিলে 'চাহিত্য' হ'ব নোৱাৰে, 'সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ' কথাষাৰৰ অৰ্থ হ'ল সকলোকে এৰি মোমায়েকৰ শৰণ লোৱা যুগুত, মদৰ ভক্ত হৈ মদৰ নৈত জাঁজি হৈ উটি যাবলৈ গীতাই উপদেশ দিছে ইত্যাদি সকলো সৰু-বৰ কথাতে ৰস সৃষ্টি কৰিবলৈ যি ৰহৰহীয়া মনৰ প্ৰয়োজন, শেষ-পৰ্যন্ত সেই মনৰ অধিকাৰী আছিল প্ৰেমনাৰায়ণ।

প্ৰেমনাৰায়ণে মৃত্যুপৰ্যন্ত কলম চলাই গৈছিল। জীৱন কালত তেওঁৰ কিতাপে লাভ কৰা জনপ্ৰিয়তাৰ ওপৰত ভিত্তি কৰি কোনো সমালোচক বা সাহিত্যানুষ্ঠানে তেওঁক সাহিত্যিক স্বীকৃতি দিবলৈ আগবাঢ়ি অহা নাছিল। প্ৰেমনাৰায়ণেও তেওঁৰ সৃষ্টি-প্ৰতিভাক এই বাহ্যিক অস্বীকৃতিৰ দ্বাৰা ম্লান হ'বলৈ দিয়া নাছিল। গীতাৰ কৰ্মযোগীৰ দৰে তেওঁ কাম কৰি গৈছিল ; কিন্তু ফলাকাঙ্খা কৰা নাছিল।

ৰহস্য গ্ৰন্থাৱলীয়ে প্ৰেমনাৰায়ণৰ সম্পূৰ্ণ পৰিচয় নিদিয়ে। তেওঁৰ ভিতৰত থকা বিপ্লৱী আৰু সংস্কাৰকামী মানুহজনৰ পৰিচয় পোৱা যায় তেওঁৰ সৰু সৰু গল্পবোৰৰ মাজেদি, 'নিয়তিৰ নিৰ্মালি,' 'প্ৰাণৰ পৰশ,' 'প্ৰণয়ৰ সুঁতি,' 'আশাৰ অন্তৰালত' আদি সামাজিক উপন্যাস কেইখনৰ মাজেদি আৰু কাগজে-পত্ৰই প্ৰকাশিত হোৱা ব্যঙ্গ-কবিতা আৰু ৰচনাবোৰৰ যোগেদি। ৰহস্য-গ্ৰন্থাৱলীৰ মাজত যি এটি উচ্চ আদৰ্শৰ আৰু দেশ-প্ৰেমৰ সন্ধান পোৱা যায়, অন্যায়, অবিচাৰ আৰু অনাচাৰৰ বিৰুদ্ধে যি সংগ্ৰামৰ ৰোল উঠিছে সেইবোৰৰ দ্বাৰাইহে প্ৰকৃত প্ৰেমনাৰায়ণ জনক বিচাৰি পোৱা যায়। অসমীয়া সাহিত্যসেৱীয়ে এইজনা শান্ত আৰু মৌন সৃষ্টিধৰ্মী সাহিত্যিকৰ প্ৰতি উপযুক্ত সন্মান দেখুৱাবলৈ যথাবিহিত ব্যৱস্থা লোৱা উচিত হ'ব বুলি আমি ভাবোঁ।

ডঃ কালীনাথ শৰ্মা

শ্ৰীনৰকান্ত বৰু
ইংৰাজী বিভাগ

# অসমীয়া শিশু-সাহিত্যৰ প্ৰকৃতি

"কৰতল কমল কমল দল নয়ন
ভব দব দহন গহন ফণ শয়ন।"

লোকপ্ৰসিদ্ধি মতে মালতী ছন্দৰ এই কবিতাটি এজন পাঁচ বছৰীয়া শিশুৰ ৰচনা। সেই শিশুজন হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। যুটীয়া আখৰৰ কথাই নাই, ইয়াত আ-কাৰ আৰু ই-কাৰৰো নাম-গোন্ধ নাই। কিন্তু এই অ-কাৰ সৰ্বস্ব কবিতাটিত অনন্তশায়ী বিষ্ণুৰ যি ৰূপ-বৰ্ণনা কৰা হৈছে তাক দৈৱশক্তিৰহে প্ৰভাৱ বুলিব পাৰি, শিশুসুলভ কল্পনাৰ বা শৈশৱ জীৱনৰ অভিজ্ঞতাৰ আভাস ইয়াত নাই। শিশুৱে ৰচা হ'লেও ই শিশু-সাহিত্য নহয়। মানুহৰ কলাকৃতিৰ দুটা ৰূপ হ'ল সাহিত্য আৰু চিত্ৰ। কলা হিচাবে দুয়োৰে প্ৰকৃতি এক। কিন্তু শিশুৰ ক্ষেত্ৰত দুয়োৰে গতি বিপৰীতমুখী। শিশু-চিত্ৰকলা বুলিলে চিত্ৰসমালোচকসকলে বুজে শিশুৱে অঁকা ছবি, য'ত শিশুৰ নতুন অথচ মুক্ত কল্পনাৰ অবাধ বিহাৰ। কিন্তু সাহিত্য-সমালোচকসকলে শিশুৰ কাৰণে যি সাহিত্য ৰচিত হৈছে তাৰহে নাম থয় শিশু-সাহিত্য। স্ৰষ্টাৰ নামেৰে তাৰ নামকৰণ হোৱা নাই। তাৰ নামে প্ৰকাশ কৰিছে সৃষ্টিৰ উদ্দেশ্যেহে।

শিশুৰ ৰসাস্বাদনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল একাত্মীয়তাবোধ—'চেল্‌ফ্ আইডেণ্টিফিকেছন'। শিশু-সাহিত্যৰ শ্ৰোতা বা ৰসিক হ'ল শিশু। শিশুৱে য'ত নিজক বিচাৰি পায়, যিখন মনৰ পৃথিবীত সি বাস কৰে, তাৰ আস্বাদ যি দিব পাৰে সেয়াহে শিশু-সাহিত্য। নীতি-শিক্ষা দিবলৈ ডাঙৰে ৰচনা কৰা কাহিনীৰ আখ্যানটোহে শিশুৱে গ্ৰহণ কৰে। নীতি-শিক্ষাটো ওপৰে ওপৰে পিছলি গুচি যায়। শিশুৰ জগতৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা অথবা শিশুৰ প্ৰতি অসীম আগ্ৰহ থকা লোকেহে প্ৰকৃত শিশু-সাহিত্য ৰচনা কৰিব পাৰে। সেইবাবেই মৌখিক যুগৰ শিশু-সাহিত্য হ'ল ধাইনাম, নিচুকনি নাম। ধাইনাম, নিচুকনি নামত এটা কথা লক্ষ্য কৰিব পাৰি যে তাত যিবোৰ চিত্ৰ বা কাহিনীৰ আভাস থাকে তাত কোনো ন্যায়শাস্ত্ৰসন্মত পাৰম্পৰ্য দেখা নেযায়; তাত থাকে যুক্তিহীন মুক্ত অবাধ কল্পনাৰ লীলামলা।

শিয়ালীৰ কাণ কাটি বাতি লগোৱাৰ পিছত শিয়ালীয়ে কোন বেজৰ তাত গৈ বনদৰব লগালে তাৰ খবৰ শিশুৱে নিবিচাৰিলে। শিয়ালীয়ে মূৰত মকুৱা ফুল পিন্ধি যে ৰতনপুৰ পালেগৈ সেইটো গম পায়েই যেন শিশুৰ সকলো প্ৰয়োজন সমাধান হৈ গ'ল। কামৰূপৰ ধাইনাম এটাত আছে—

আগুৰ গুৰ
মাগুৰ জালি
ঘোঁৰাৰ নাকত দিলোঁ জৰী
ঘোঁৰা গ'ল উতাৰে
শাল মাছে গুজাৰে
শালৰ গুজগুজানি
মাদাৰৰ টৌ
চুতীয়া শালিকা লঙ্কা লৌ।

নাকজৰী লগোৱা ঘোঁৰা উত্তৰে গ'লে শাল মাছেনো কিয় গুজৰিব লাগে তাৰ কোনো যুক্তিসংগত কাৰণ নাই, কিন্তু শিশুৰ পৃথিবীত ডাঙৰৰ যুক্তি নচলে। ধাইনামৰ চিত্ৰবোৰত সেইবাবে আন একপ্ৰকাৰ যুক্তি আছে, সেয়া হ'ল ধ্বনি-বৈচিত্ৰৰ যুক্তি, ছন্দৰ যুক্তি। ধ্বনিৰ প্ৰয়োজনতেই চিত্ৰবোৰ এখন এখনকৈ নামি আহে—

ঢোল বায় ক'ত লতমপুৰত
খোল বায় ক'ত লতমপুৰত
কাউৰী কেলকেলায় বান্দৰী নচুৱায়
বাহবাৰী বাহবাৰী গোঁসাই ঘৰত
কেক্‌লো পাত ঐ মইনাৰ মাক ঐ
কইনা উলিয়াই দিয়া
কেনেকৈ দিম মই বয়সৰ কইনা
চিনি পাই লৈ যাব লোকে,
উহুৱা গৈ তুহকলি কুহলিৰ পাত
খেদি যাওঁ দেখি যাওঁ কুকুৰাৰ গাত
কুকুৰাৰ পোৱালীয়ে কৌ কৌ কৰে
দাউকৰ পোৱালী ঘৰতে ধৰে
আমুকা তামুকা গগনা মাৰোঁগৈ আহ
গগনা বজালা ভালকে কৰিলা
দেহা লৈ আহিছা কি
আনিছোঁ আনিছোঁ সোণৰে শিকলি
এমুঠি গাঁঠিয়ন দি।

সেইবাবে বোধকৰোঁ বৈষ্ণৱ যুগত প্ৰথম লিখিত শিশু-সাহিত্য কাণখোৱাৰ অৱলম্বন হ'ল নিচুকনি নাম। সকলো 'শিশুৰ কাণ খাই খাই' ফুৰা কাণ-খোৱাৰ পৰিচয় বিচাৰি শিশু শ্ৰীকৃষ্ণই নিজেই নিজৰ সকলো অৱতাৰ বৰ্ণনা কৰাটোত বৰ মনোজ্ঞ আৰু পৰোক্ষভাবে বৈষ্ণৱ সাহিত্যৰ কেন্দ্ৰস্থ উদ্দেশ্যধৰ্মিতাৰ ইঙ্গিত পোৱা গৈছে। এনে কৌশল এতিয়াৰ যুগৰ প্ৰচাৰধৰ্মী সঙ্গীত-সাহিত্যৰো আহি হ'বৰ যোগ্য।

শিশুৰ জগতত কাহিনীৰ মূল্য অপৰিসীম। শিশুৰ নিজৰ অতীত নেথাকে। গতিকে সাধুকথা, কাহিনীয়ে তাক সেই নোহোৱা অতীতৰ স্বপ্ন দেখুৱাই তাৰ ভৱিষ্যত গঢ়ি তোলে। অতীতৰ অভিজ্ঞতাৰ সত্যাসত্য বিচাৰ কৰি ল'ব নোৱাৰাৰ বাবেই অদ্ভুত, অতিৰঞ্জিত আৰু বিস্ময়জনক কাহিনীয়েও শিশুৰ মনত বাস্তৱ সত্যৰ ৰূপ লয়। নিজকেই সি প্ৰতি-ফলিত দেখে তাত। দ্বিতীয়তে হাঁহি শিশুৰ চৰিত্ৰৰ প্ৰকাশ। হাঁহি উঠা কাহিনী সেইবাবে শিশুৰ অতি প্ৰিয়। বৈষ্ণৱ যুগত যেতিয়া ৰামসৰস্বতীয়ে 'ভীম চৰিত্ৰ' ৰচনা কৰে তেতিয়া তেওঁ ভীমৰ বীৰত্বকো হাস্যৰসেৰে উজ্জ্বল কৰি তুলিছে। অদ্ভুত আৰু উদ্ভট পৰিস্থিতি, ঘৰুৱা চিত্ৰ আৰু অতিৰঞ্জনৰ সহায়ত কাহিনীটো হৈ উঠিছে আকৰ্ষণীয় আৰু বিচিত্ৰ।

শিশুৰ ছবি সুন্দৰভাবে ৰূপায়িত কৰিব পৰা আৰু এজন সাধক কবি আছিল শ্ৰীমাধৱদেৱ। 'কাণ-খোৱা,' 'ভীম চৰিত'ৰ দৰে শিশুৰ উপভোগ্য কাব্য তেওঁ ৰচনা কৰা নাই সঁচা, কিন্তু নাট আৰু গীতত তেওঁ শিশু শ্ৰীকৃষ্ণৰ যি চৰিত্ৰ আঁকিছে তাৰ বিচিত্ৰতা আৰু বাস্তৱতা ভাগৱত, হৰিবংশৰ পৰা তেওঁ পোৱা নাই। এই অবিবাহিত উদাসীন ভক্তজনাৰ চাৰিও-ফালে উমলি ফুৰা শিশুৰ দলৰ পৰাই তেওঁ দুষ্ট ল'ৰা শ্ৰীকৃষ্ণৰ ছবি আহৰণ কৰিছে যেন লাগে। শিশুৰে ভালপোৱা সাহিত্যত এটা কথা সদায় দেখা যায় যে অতি 'সুবোধ বালক'ৰ চিত্ৰই শিশুক আকৰ্ষণ কৰিব নোৱাৰে ; দুষ্ট ল'ৰাহে শ্ৰেষ্ঠ শিশু-সাহিত্যৰ যোগ্য নায়ক। শ্ৰীকৃষ্ণৰ কথাকে কওক বা এতিয়াৰ যুগৰ টম ছায়াৰ, হাকলবেৰীফিনৰ কথাকে কওক।

এইখিনিতে এটা মন কৰিব লাগিব যে পৰম্পৰা হিচাবে শিশু-সাহিত্য ৰচনাৰ ৰীতি অৰ্বাচীন। বৈষ্ণৱ যুগৰ শিশু-সাহিত্য আধুনিক অৰ্থত শিশু-সাহিত্য নহয়। সি শিশুৰো সাহিত্য মাত্ৰ। তাত শিশু-সাহিত্যৰ অনেক বৈশিষ্ট্য দেখা গ'লেও তাৰ উদ্দেশ্য বয়স নিৰ্বিশেষে সকলোকে আনন্দ দিয়াহে।

দৰাচলতে অসমীয়া ভাষাত আধুনিক শিশু-সাহিত্য পশ্চিমৰহে দান। 'অৰুণোদই' কাকতত শিশুৰ উপযোগীকৈ বাইবেলৰ সাধু আৰু অন্যান্য নীতিমূলক সাধুকথা মিছনাৰীসকলে প্ৰকাশ কৰিছিল। ইংৰাজী শিশু-সাহিত্যৰ আদৰ্শতে আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ'ত নীতিমূলক সাধুকথা সংযুক্ত কৰিছিল। ব্ৰাউন, ব্ৰন্সন, কটাৰ আদি মিছ-নাৰীসকলে বাইবেলৰ সাধু, আফ্ৰিকাৰ কোঁৱৰ, মাউৰী ছোৱালী, ঈগলৰ বাঁহ আদি সাধুকথা প্ৰচাৰ কৰিছিল। সাধুকথাৰে শিশুক নীতি-শিক্ষা দিব লাগে—পঞ্চতন্ত্ৰ, ইছপৰ সাধুৰ পৰা আজিকোপতি এই ধাৰণা অব্যাহত আছে। কিন্তু বুঢ়ী আয়ে কোৱা বাৰীকোঁৱৰৰ বা টেঁটোনৰ সাধুকথাত জানো এনে নীতিশিক্ষা আছে? ল'ৰা-ছোৱালীয়ে সেইবোৰতহে আনন্দ বেছি পায়। এই সত্যটো উপলব্ধি কৰিলে লক্ষ্মীনাথ বেজবৰুৱাই। পুৰণি অসমীয়া সাধুবোৰ সেইবাবে তেওঁ নতুন সাজেৰে সজাই তুলিলে 'ককাদেউতা আৰু নাতিল'ৰা', 'বুঢ়ী-আইৰ সাধু', 'জুনুকা' আদি সাধুৰ সঙ্কলনত। গুণাভি-ৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীয়েও তেখেতৰ 'সাধুকথা' পুথিত এই বাট দেখুৱাই থৈ গৈছিল।

পানীন্দ্ৰনাথ গগৈয়ে যদিও পাঠ্যপুথিহে ৰচিলে তথাপি তেওঁৰ 'ল'ৰা-পুথি' অসমীয়া সাহিত্যলৈ আপুৰুগীয়া দান। ভাষা-শিক্ষাৰ এটা আৱশ্যকীয় অঙ্গ শব্দৰ ব্যৱহাৰ। তেওঁৰ পাঠ্যপুথিয়ে অসমীয়া জতুৱা-ঠাঁচ সম্পূৰ্ণ ৰক্ষা কৰি শিশুক যিদৰে যুক্তাক্ষৰ-যুক্ত শব্দবিলাকৰ লগত চিনাকি কৰি দিছিল তাৰ তুলনা বিৰল।

শিশু-সাহিত্য ধাইকৈ কাহিনীধৰ্মী, সেইবাবেই শিশু-সাহিত্য পুথিৰ তালিকাত সাধুকথাৰ সংখ্যা বেছি। আনকি জ্ঞান-বিজ্ঞানৰ কথাও তাত কাহিনীৰ সূতা একোডালিত গুথি দিয়া দেখা যায়। ভুবনমোহন দাসৰ 'আদিম যুগৰ আদিকথা' আৰু অনিল শৰ্মাৰ 'জীৱজন্তুৰ কথা' সাধুকথা শিতানৰ কিতাপ। বিষ্ণুপ্ৰিয়া দেৱীৰ 'সাধুকথা'ৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে অনেক লেখকে সাধুকথাৰে শিশুৰ মনোৰঞ্জন কৰিবলৈ চেষ্টা কৰিছে। জ্ঞানানন্দ জগতীৰ 'সাধুকথাৰ জোলোঙা,' শৰৎচন্দ্ৰ গোস্বামীৰ 'অসমীয়া সাধুকথা' ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানীৰ 'সন্ধিয়াৰ সাধু,' কুমুদেশ্বৰ বৰঠাকুৰৰ 'সাধুৰ ভঁৰাল,' বাণীকান্ত কাক-তিৰ 'পখিলা,' হৰিপ্ৰসাদ বৰুৱাৰ 'মইনা,' 'বিৰচতীয়াৰ দেশ,' সৰস্বতী বৰুৱাৰ 'সাধুৰ মালা,' এইবোৰ দেশী-বিদেশী সাধুকথাৰ সমষ্টি।

অসমীয়া ভাষাত শিশু-উপন্যাস অতি তাকৰ। হৰগোবিন্দ শৰ্মাৰ 'পাতালপুৰী'য়েই সম্ভৱতঃ প্ৰথম অসমীয়া শিশু-উপন্যাস। লুইচ কেৰলৰ আদৰ্শত অনুপ্ৰাণিত হৈ এখুদ ককাইদেৱে দুখন 'খেয়াল ৰস'ৰ শিশু-উপন্যাস ৰচনা কৰিছে। লীলা গগৈৰ 'ৰংমনৰ কথা' এটা পৰুৱাৰ কাহিনী। পিপং বৰুৱাৰ গাড়ী-

নটবৰ চৰিত্ৰবোৰ কীট-পতঙ্গজাতীয়।

শিশুৰ বাবে ৰচা কবিতাৰ ক্ষেত্ৰত কিয় জানো আনন্দচন্দ্ৰ আগৰৱালাৰ নামটোৱেই প্ৰথমে মনলৈ আহে ; তাৰ আগতে অৱশ্যে বলদেৱ মহন্ত আৰু ধনাই বৰাৰ নাম ল'বই লাগিব। কিন্তু প্ৰকাশ-ভঙ্গীৰ ফালৰ পৰা এওঁলোক দুজন প্ৰচীনপন্থী। বৈষ্ণৱ যুগতে গঢ় লোৱা সাধুভাষাৰ দৃঢ়তাৰ পৰা তেওঁলোক মুক্ত নহয়। আনন্দচন্দ্ৰ আগৰৱালাৰ 'আমাৰ গাওঁ' ভাষা আৰু ছন্দৰ প্ৰাঞ্জলতাৰ বাবে অতি সাৰ্থক শিশু-কবিতা। তেওঁৰ সমসাময়িক মহম্মদ চোলেইমান খাঁ, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বিষয়চন্দ্ৰ বিশ্বাসী আদিৰ কবিতাৰ ধৰ্মও তেনে। ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা আৰু ৰত্নকান্ত বৰকাকতীৰ গভীৰ ভাৱৰ কবিত্ব খ্যাতিয়ে এটা কথা আমাক পাহ-ৰাই ৰাখে যে তেওঁলোকৰ শিশু-কবিতা কেইটিয়েও তেওঁলোকক অমৰ কৰি ৰাখিব পাৰে। ৰঘুনাথ চৌধাৰীৰ 'প্ৰাৰ্থনা', দুৱৰাৰ 'পখিলা' আৰু বৰকাকতীৰ 'অকণ'ৰ দৰে সুন্দৰ কবিতা পঢ়ি অসমীয়া শিশুৰ জীৱন সাৰ্থক হৈছে। এটা কথা লক্ষ্য কৰা যায় যে ধেমে-লীয়া কবিতা শিশুৰ বৰ প্ৰিয়। 'ভীমচৰিত্ৰ', 'কাণ-খোৱা'ও ধেমেলীয়া কবিতাহে। এতিয়াৰ যুগত ধেমেলীয়া খণ্ড-কবিতাই আকৌ ঠন ধৰি উঠিছে। এই ধেমেলীয়া কবিতাবোৰত মাজে মাজে কাহিনীৰ আভাসো থাকে। মুক্তিনাথ শৰ্মা বৰদলৈৰ 'কঠালৰ নৰিয়া,' দেৱকান্ত বৰুৱাৰ 'আসৈৰ নাতি' এই ক্ষেত্ৰত উল্লেখযোগ্য। শিশুৰ লগত সম্পূৰ্ণভাৱে আপোন হৈ শিশু-জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ ৰূপ দিবলৈ চেষ্টা কৰা কবি দলৰ মাজত প্ৰেমধৰ দত্ত, নীলা বাইদেউ ওৰফে নিৰ্মলপ্ৰভা বৰদলৈ, লীলা গগৈ আৰু এখুদ ককাইদেউৰ নাম ল'ব পাৰি। প্ৰেমধৰ দত্তৰ দৰে শিশুৰ লগত ইমান ঘনিষ্ঠ হৈ কবিতা ৰচনা কৰা কবি যি কোনো সাহিত্যতে বিৰল।

শিশুৰ উপযোগী নাট ৰচনাৰ বাট দেখুৱাওঁতা বুলিব পাৰি দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাকে। এতিয়া অনাতাঁৰৰ অৱলম্বনত বহুতে শিশু উপযোগী নাট ৰচনা আৰু পৰিবেশন কৰি আছে। তাৰ ভিতৰত কীৰ্তিনাথ হাজৰিকাৰ 'ফুটুকাৰ ফেন' আৰু লক্ষ্যধৰ চৌধুৰীৰ গম্ভীৰ নাটক 'পুৰস্কাৰ' সকলো ফালৰ পৰাই উপাদেয়। অনাতাঁৰ নাটৰ সংখ্যা ইমান সৰহ যে নামৰ উল্লেখ কৰাই সম্ভৱপৰ নহয়। শিশুৰ উপ-যোগী গীতিনাট্য ৰচনা কৰিছিল কীৰ্তিনাথ বৰদলৈ আৰু তেখেতৰ সুযোগ্য পুত্ৰ মুক্তিনাথ বৰদলৈয়ে। 'বাসন্তীৰ অভিষেক', 'লুইত কোঁৱৰ' আৰু 'সুৰবিজয়' গীতিময় কাব্যিক শিশু-নাট।

শিশুৰ মানসিক পৰিপুষ্টি আৰু সামাজিক চৰিত্ৰৰ বিকাশত খেল-ধেমালিৰ প্ৰভাৱ মাতৃস্তন্যৰ তুল্য। সেইবাবেই খেল-ধেমালিৰ গীতবোৰ সুচাৰুভাৱে আৰু সজ্জিত কৰি শিশুৰ হাতত দিয়াৰো সাৰ্থকতা আছে। নিৰ্মলপ্ৰভা বৰদলৈ, দুলালচন্দ্ৰ বৰঠাকুৰৰ 'চিল চিল চিলা বাগী চিল মিলা,' 'ঘুমতি যাওৰে' আদি পুথিৰ সেইফালে মনোনিবেশ কৰাৰ চিন দেখা গৈছে।

জীৱনী-পাঠ শিশুৰ বাবে অপৰিহাৰ্য বুলি ভবা হয়। কিন্তু দৰাচলতে শিশুপাঠ্য জীৱনীৰো আবেদন কাহিনী-মূলকহে। গতিকেই কাহিনীৰূপে চিত্ৰিত কৰিব পৰা জীৱনীহে শিশু-সাহিত্য হিচাবে সাৰ্থক। জীৱনী ৰচনাত মহাদেৱ শৰ্মা, বিপিনচন্দ্ৰ বৰুৱা আদিৰ ৰচনাৰীতি মনোগ্ৰাহী আৰু সেইবাবেই শিশুৰ উপ-ভোগ্য।

লেখক আৰু গ্ৰন্থৰ তালিকা দিয়া এই প্ৰবন্ধৰ *উদ্দেশ্য নহয়। কেৱল মাত্ৰ এটা আভাসহে আগ-*বঢ়োৱা হ'ল।

মুঠতে আমাৰ শিশু-সাহিত্যৰ প্ৰতি লক্ষ্য কৰিলে এটা কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে শিশু-সাহিত্যৰ সৃষ্টিৰ আঁৰত দুই প্ৰকাৰৰ মন লুকাই থাকে। এই দুই প্ৰকাৰৰ মনে দুটা ধাৰাৰ সৃষ্টি কৰে। এটা ধাৰা হ'ল নীতিধৰ্মী, উপদেশমূলক। এই ধাৰাৰ লেখক-সকলে শিশুৰ ভৱিষ্যত গঢ়ি তুলিবৰ বাবে নিজে আহৰণ কৰা জ্ঞান-বৃক্ষৰ ফল শিশুলৈ আগবঢ়ায়। এই লেখকসকলৰ মাজত যেন ঈছপ বা বিষ্ণু শৰ্মাৰ আত্মা পুনৰুজ্জীবিত হৈ উঠিছে।

আনটো ধাৰাৰ উদ্দেশ্য কেৱল মনোৰঞ্জন। শিশুৰ প্ৰতি এওঁলোকৰো মৰম আছে, এওঁলোক যেন খলিল জিব্ৰানৰ শিষ্য। এওঁলোকে নিজৰ চিন্তাৰ ফল শিশুলৈ আগবঢ়ায়। শিশুৰ সৈতে একাত্মীয়তা অনু-ভৱ কৰি শিশুৰ বিচিত্ৰ আৰু আপাতদৃষ্টিৰ অদ্ভুত পৃথিবীখনৰ ছবি আঁকিবলৈ চেষ্টা কৰে। এই ধাৰাৰ মূল প্ৰেৰণা হ'ল ধাইনাম, নিচুকনি গীত আৰু প্ৰায় এশ বছৰৰ আগৰ এজন ইউৰোপীয় লেখক লুইচ কেৰল। বঙালী, শিশু-সাহিত্যিক সুকুমাৰ ৰায়ৰ ভাষাতএ ইবোৰ হ'ল 'খেয়াল ৰস'ৰ সাহিত্য।

(আকাশবাণীৰ সৌজন্যত)



নিশা এঘাৰ বজাৰ সঙ্কেত এয়া। এই শ্বিলং চহৰখনত নিশা এঘাৰ বজা মানে বহুত ৰাতি। সকলো মানুহ সোনকালে শোৱে ইয়াত। ইমান সময়লৈ মাথোন সাৰে থাকে নেপালী-খাচিয়াৰ আড্ডা কিছুমান আৰু পৰীক্ষাৰ সময়ত হোষ্টেলবোৰৰ ছাত্ৰ-ছাত্ৰীবোৰ। কিছুদিনৰ আগতে স্কুল-কলেজৰ পৰীক্ষা শেষ হৈ গৈছে। এতিয়া আৰু মিটাৰৰ ইউনিট বঢ়াই ৰাতি সাৰে থকাৰ প্ৰয়োজন হোৱা নাই। কিন্তু মই সাৰে আছোঁ। লাইটোও জ্বলি আছে।

হোষ্টেলখনৰ বোধহয় সকলোৱেই শুলে। এয়া বিছনাখনত সুজাতাজনীও শুই আছে। কেতিয়াবাই তাইৰ টোপনি গ'ল। এইজনী সুজাতা—মোৰ ৰুম-মেট্। লেডী-কীন হোষ্টেলৰ দক্ষিণ দিশত থকা এই সৰু ৰুমটোত আমি দুয়ো তিনি বছৰ কটাই দিছোঁ। সুজাতাক মই সদায় দেখিছোঁ। এজনী মৰম লগা ছোৱালী। জুনিয়ৰ চিনিয়ৰ সকলো ছোৱালীৰ লগতে মিলি যাব পাৰে খুব সহজে। ভীষণ কথকী। ৰাজনৈতিক, সামাজিক, ব্যক্তিগত সকলো কথা অনৰ্গল কৈ যাব পাৰে তাই। অলপ কথাতে হাঁহে, যি কোনো মুহূৰ্ত্ততে গান গায়, সুবিধা পালেই জুনিয়ৰ ছোৱালীবোৰক জোকায়। অদ্ভুত ছোৱালী সুজাতা! কেতিয়াবা সমূলি নপঢ়ি সন্ধ্যাতে শুই থাকে আৰু কেতিয়াবা নিশা বাৰ বজালৈ সাৰে থাকি অৰ্থনীতিৰ কিতাপ পঢ়ে, গল্প-উপন্যাস পঢ়ে। মন গ'লে টানি টানি মূৰ আঁচুৰি শুধ বগা কাপোৰ পিন্ধা সুজাতা এক সাধাৰণ ছোৱালী। আনহাতে ডাঙৰকৈ পাফ্ তুলি বন্ধা খোপা, মুখৰ প্ৰসাধন আৰু সুন্দৰকৈ 'ফেমিনা' ষ্টাইলেৰে পিন্ধা ৰঙীন সাড়ীৰে তাই অন্য এক নাৰী।

পাহাৰী নিজৰাৰ চঞ্চলতাৰে সদায় স্ফূৰ্তি কৰি, উৎপাত কৰি তাই কটাইছিল সময়বোৰ। লেডী-কীন হোষ্টেলৰ এই ৰুমটোত কোনো দিনেই সুজাতাই দুখ কৰা নাছিল, বেজাৰ কৰা নাছিল। কিন্তু কালি --কালি যেন ইয়াৰ ব্যতিক্ৰম হ'ল। কোনোদিনে কান্দিব নজনা, দুখ কৰিব নজনা ছোৱালী সুজাতাই উচুপি উচুপি কান্দিলে। সুজাতাৰ চকুলো দেখি আচৰিত হৈছিলোঁ।....

বৰদিনৰ বন্ধৰ পিছৰ দিন এটাত আমি সকলোবোৰ ছাত্ৰী আহি হোষ্টেল ভৰি পৰিছিলোঁ। সুজাতাও ঘৰৰ পৰা আহিছিল। তাই আহিয়েই চিনাকি হাঁহিটোৰে কিন্তু অধিক কৌতূহলেৰে মোক কৈছিল—"কস্তুৰী, তোমাক এটা বস্তু দেখুৱাম। কিন্তু কাকো ইয়াৰ বিষয়ে ক'ব নোৱাৰা হ'লে। কোৱা, কাকো নোকোৱাতো।" মই বাধা দি ক'লোঁ —"ধেৎ, 'কিয় ক'ম মই? চাওঁ কি বস্তু—"। সুজাতাই বেছ আনন্দেৰে চুইটকেছটো খুলিবলৈ লাগি গ'ল। কিন্তু কি আচৰিত! আধা খোলা চুইটকেছটো আকৌ বন্ধ কৰি তাই হাঁহি হাঁহি মোৰ বিছনাখনত বহি পৰিল। আনন্দত বিছনাত বাগৰি বাগৰি তাই মোক ক'লে, "কস্তুৰী, তোমাক কেনেকৈ দেখুৱাম, মোৰ যে খুব লাজ লাগিছে—"। আকৌ সুজাতাৰ হাঁহি।

জানিলোঁ। সেইদিনাই জানিলোঁ—সুজাতাৰ সেই আনন্দৰ উৎস ক'ত! তাই পিছত নিজেই ক'লে মোক সকলো। বস্তুটো এখন ফটোৰ বাহিৰে আন একো নহয়। এজন সুদৰ্শন পুৰুষৰ ফটো। যোৰহাটৰ এজন ইঞ্জিনিয়াৰ প্ৰতিম দত্তৰ। সিহঁতৰ বিয়াৰ সকলো ঠিক হৈ গৈছে। সুজাতাই বি-এ পাছ কৰাৰ পিছতেই প্ৰতিম দত্তৰ পৰিবাৰ হৈ পৰিব।





**শ্ৰীমঞ্জুল বৰুৱা**
দ্বিতীয় বাৰ্ষিক বিজ্ঞান


তাৰপিছত এদিন প্ৰতিম দত্তৰ এখন চিঠি আহিল। সুজাতাই চিঠিখন মোক দেখুৱালে। প্ৰত্যুত্তৰ দিয়া চিঠিখনো তাই মোক পঢ়ি শুনালে। খুব ভাল লাগিল সিহঁতৰ এই চিঠিৰ আদান-প্ৰদান দেখি। তাৰ পিছত চিঠি লেখা-লেখি বেছিকৈ চলিল। আৰু মই দেখিছিলোঁ, মৰম উজাৰি প্ৰতিমে সুজাতালৈ প্ৰায়ে চিঠি দিয়ে। সুজাতায়ো প্ৰত্যুত্তৰ দিয়ে। মই খুব ভালকৈয়ে জানোঁ, সুজাতাৰ এই প্ৰত্যুত্তৰ মৰমৰ, ভাল পোৱাৰেই। সেয়েহে সুজাতা সুখী—মোৰ দৃষ্টিত, আৰু প্ৰতিমৰ লগত সুজাতাৰ বিয়া হ'ব, সিহঁতৰ জীৱনো হ'ব সুখৰ—এয়া মোৰ কামনা। সেয়েহে নুবুজিলোঁ—প্ৰতিমৰ ইমান মৰমৰ মাজত সুজাতাৰ কি অভাৱ হ'ব পাৰে, সুজাতাৰ কান্দোনৰ, চকুপানী কাৰণ কি হ'ব পাৰে!

যোৱাকালি নিশা ভাত খাই উঠি আন দিনাৰ দৰেই আমি কথা পাতিছিলোঁ। লক্ষ্য কৰিছিলোঁ—

সুজাতাৰ মুখত স্বাভাৱিক চঞ্চলতা অকণো নাছিল। তাইৰ চকুত দেখিছিলোঁ এক অদ্ভুত উজ্জ্বলতা। আনদিনাৰ দৰেই আমি কথা পাতিছিলোঁ, আনদিনাৰ দৰেই আলোচনা কৰিছিলোঁ আমাৰ ভৱিষ্যতৰ, আমাৰ কল্পনাৰ 'আইডিয়েল'জনৰ। সুজাতাই কোনো দিনেই এইটো 'টপিক'ত মতামত নিদিয়ে। কেতিয়াবা সুধিলে মাথোন কয়—তাইৰ 'আইডিয়েল'জন হ'ব সাধুকথাৰ ৰাজকুমাৰ ৰাজকুমাৰ লগা আৰু কৈয়েই তাই আৰম্ভ কৰে সেই স্বভাৱসুলভ হাঁহিটো। কিন্তু কালি নিশা মোক খুব আচৰিত কৰি চিৰচঞ্চলা সুজাতাজনীয়ে এজনী খুব গহীন সুজাতাৰ ৰূপ ধৰি মোক কৈছিল, "চোৱা কস্তুৰী, তুমি খুব বেছি কল্পনা কৰা। কল্পনাবোৰ সঁচাকৈয়ে ভাল লাগে, আৰু সেই কল্পনাৰ মাধ্যমেৰেই তুমি চোৱা পৃথিৱীখনক। সেয়েহে তুমি পৃথিৱীক, পৃথিৱীৰ সকলো মানুহক মৰম কৰিব, বিশ্বাস কৰিব, প্ৰশংসা কৰিব পাৰা—আৰু ইয়াৰ মাজৰ পৰা'ই বাছি উলিয়াইছা তোমাৰ 'আইডিয়েল'ক। মোৰ কিন্তু তোমালৈ পুতৌ হয়। ইমান সপোন সপোন লগাকৈ নহয়, বাস্তৱ বাস্তৱ লগাকৈ পৃথিৱীখনক বুজিবলৈ শিকা! নহ'লে তোমাৰ বাছনি ভুল হৈ যাব।" কথাষাৰ শুনিয়েই চক্ খাই চাইছিলোঁ সুজাতাৰ মুখলৈ। তাইৰ চকুৰ কোণকেইটাত চকুলো ভৰি পৰিছিল। তাইক সান্ত্বনা দিয়াৰ বা এটা কথা কোৱাৰ সাহস মোৰ নাছিল তেতিয়া। অলপ পিছতে সুজাতাই কান্দিছিল। উচুপি উচুপি বিচনাত বাগৰি তাই কান্দিছিল। মই কি কৰিম কি নকৰিম একো ভাবি নেপাইছিলোঁ। মনটো ডাঠ কৰি মই বৃথা চেষ্টা কৰিছিলোঁ সুজাতাৰ উচুপনি মাৰ নিয়াবলৈ।

এটা সময়ত ক্ৰন্দসী সুজাতা ওলাই গৈছিল ৰুমৰ পৰা। মই অপ্ৰস্তুত হৈছিলোঁ। নিজকে সংযত কৰিবলৈ চেষ্টা কৰিছিলোঁ। সুজাতাই চকু-মুখ ধুই উভতি আহিছিল। মুখখন মচি মচি তাই মোৰ ওচৰলৈ আহি কৈছিল—"কস্তুৰী, তুমিতো খুব আচৰিত হৈছা মই কন্দা দেখি। কিন্তু এয়া মোৰ সঁচা কান্দোন জানা! তুমি ইমান দিনে দেখি অহা সকলোবোৰেই মিছা হাঁহি। মাথোন অভিনয়। কিন্তু মোৰ খুব অস্বস্তি লাগিছে। সেয়েহে হাঁহিৰ মুখা আঁতৰাই মই এয়া কান্দিছোঁ। মই জানোঁ, তুমিয়েই আটাইতকৈ আচৰিত হ'বা মোৰ কথা শুনি। হয়তো বিশ্বাসে নকৰিবা। কিন্তু মই তোমাক আজি এক কাহিনী ক'ম যি কাহিনী শুনি তুমিও স্বীকৃতি দিবা মোৰ এই অভিনয়ক।

স্থবিৰ হৈ গৈছিলোঁ সুজাতাৰ কথা শুনি। বাক্-ৰুদ্ধ হৈ চাই আছিলোঁ ছোৱালীজনীলৈ, আৰু তাই কৈ গৈছিল——

তেতিয়া হাই স্কুলৰ ছাত্ৰী আছিলোঁ। এটা দুপৰীয়া। কলিং বেলটো বজা শুনি ওলাই আহিছিলোঁ বাহিৰলৈ। এজন অচিনাকি ধুনীয়া ডেকা বৈ থকা দেখা পাই অপ্ৰস্তুত হৈ পৰিছিলোঁ। লক্ষ্য কৰিছিলোঁ, অপ্ৰত্যাশিতভাৱে মোক দেখি ল'ৰাজনো খুব অপ্ৰস্তুত হৈ গৈছিল। হঠাৎ তেওঁ সুধিছিল—"ডাক্তৰ ভূঞা ঘৰত আছে নেকি?" বুজিছিলোঁ—তেওঁৰ ঘৰ ভুল হ'ল। আমাৰ সন্মুখত থকা ডাক্তৰ ভূঞাৰ ঘৰটো তেওঁক দেখুৱাই দিবলৈ নেপাওঁতেই দেউতা ওলাই আহিল। ডাক্তৰ ভূঞাৰ ঘৰ বিচাৰি অহা জানিব পাৰি ল'ৰাজনক দেউতাই ক'লে যে ডাক্তৰ ঘৰত নাই, ৰাতিপুৱাতে এটা চিৰিয়াচ কে'চত ওলাই গৈছে। গতিকে ডাক্তৰলৈ তেওঁ কিছু সময় অপেক্ষা কৰিব লাগিব।

ডাক্তৰ ভূঞাৰ ঘৰৰ আগত নেম-প্লেট নাছিল। সেইবাবেই ল'ৰাজনে আমাৰ ঘৰকে ভূঞাৰ ঘৰ বুলি ভাবি আহিছিল। বাহিৰত তেতিয়া খুব ৰ'দ, ভীষণ গৰম। ঘামি জামি ৰঙা পৰা ল'ৰাজনলৈ বোধহয় দেউতাৰ মৰম লাগিছিল। সেয়েহে ল'ৰাজনক ভিতৰতে বহিবলৈ ক'লে, আৰু তেওঁক ভিতৰলৈ নিবলৈ মোক নিৰ্দেশ দিলে। প্ৰথমতে ল'ৰাজনে ইতস্ততঃ কৰিছিল; কিন্তু বাধ্য হৈ তেওঁ মোৰ লগে লগে ভিতৰলৈ সোমাই আহিল। মই পাৰ্টিক'ত তেওঁক বহিবলৈ দি মাক খবৰটো দিলোঁগৈ। মাই আহি তেওঁৰ পৰিচয় ল'লে।

সেইদিনাই জানিছিলোঁ, ল'ৰাজন আছিল অনুজ হাজৰিকা। এগ্ৰিকালচাৰ ডিপাৰ্টমেণ্টত নতুনকৈ বদলি হৈ অহা জয়ন্ত হাজৰিকাৰ ভায়েক অনুজ। স্থানীয় কলেজত চতুৰ্থ বাৰ্ষিক বিজ্ঞানত নাম লগাইছে। মই আনি দিয়া চৰবত গিলাচ লৈ তেওঁ মোৰ মুখলৈ চাই লাজত তলমূৰা হৈ পৰিছিল। কিছু সময় বহি অনুজ গুচি গৈছিল। যাওঁতে তেওঁ মাক কথা দি গৈছিল যে তেওঁ আমাৰ ঘৰলৈ মাজে সময়ে আহি থাকিব। ভতিজাক ৰাজুৰ অসুখত ডাক্তৰ নিবলৈ আহি এইদৰেই আমাৰ লগত পৰিচিত হ'ল অনুজ।

সেইদিনা নিশা মই অনুজৰ কথাই ভাবিছিলোঁ। বাৰে বাৰে মনত পৰিছিল লাজত ৰঙা পৰা অনুজৰ মুখখন আৰু এক লাজ লাজ চাৱনি। এটা ধুনীয়া নাম, এটা ধুনীয়া ল'ৰা—চতুৰ্থ বাৰ্ষিক বিজ্ঞানৰ। ভাল লাগিছিল ভাবি।

এদিন সন্ধ্যা মাৰ সৈতে বাটত ফুৰি থাকোঁতে দেখিলোঁ অনুজ চাইকেল চলাই আহিছে। আমাক দেখি ৰৈ গ'ল। মিচিকীয়া হাঁহি এটা মাৰি আমাৰ

খবৰ সুধিলে। বাজুৰ অসুখৰ অজুহাত দেখুৱাই আমাৰ ঘৰলৈ আহিব নোৱাৰাৰ কাৰণে ক্ষমা খুজিলে আৰু পিছদিনা নিশ্চয় আহিব বুলি কৈ আকৌ চাইকেলত উঠি গুচি গৈছিল।

পিছদিনা অনুজ সঁচাকৈয়ে আহিছিল আমাৰ ঘৰলৈ। কথা পাতিছিলোঁ। লক্ষ্য কৰিছিলোঁ—ল'ৰাটোৰ লাজটো আঁতৰা নাছিল। কিন্তু এটা সময়ত সকলো ঠিক হৈ গ'ল। অনুজ প্ৰায়েই আহিছিল আমাৰ ঘৰলৈ। লাহে লাহে লাজটো আঁতৰিছিল। আৰু আমি সহজ হৈ পৰিছিলোঁ। অনুজক বি-এছ্-চি পৰীক্ষাত ভাল ৰিজাল্ট কৰিবলৈ মই সদায় উৎসাহ দিছিলোঁ, আৰু মেট্ৰিকত ভাল কৰাৰ উদগনিও মই সদায় পাইছিলোঁ অনুজৰ পৰা। পৰীক্ষাৰ পিছত অনুজ প্ৰায়েই আহিছিল আমাৰ ঘৰলৈ। সৰু ডাঙৰ বহুত কথাই পাতিছিলোঁ আমি। বহুত সন্ধিয়া আমি বাৰাণ্ডাত বহি কটাইছিলোঁ। মুক্তালতা জোপাৰ মাজেদি জোনটো দেখিছিলোঁ—মুহূৰ্তবোৰ খুব পবিত্ৰ পবিত্ৰ লাগি গৈছিল। তাৰপিছত জয়ন্ত হাজৰিকাৰ ঘৰৰ লগত আমাৰ আহ-যাহ সঘনে চলিছিল। মাজে সময়ে অনুজহঁতৰ ঘৰলৈ মই গৈছিলোঁ। অনুজৰ নবৌৱেকৰ আপোন আপোন লগা ভাব আৰু কথাবোৰ ভাল লাগিছিল। পিছলৈ তেখেতে অনুজ আৰু মই বহি কথা পাতিলে জোকোৱা হৈছিল,—দুয়ো লাজত হাঁহি দিছিলোঁ, দুয়োৱে চকুত বুজিব পৰা এখনি ছবি বিচাৰি পাইছিলোঁ।

মেট্ৰিকৰ ৰিজাল্ট ওলাইছিল। ভালদৰে পাছ কৰিছিলোঁ মই। গুৱাহাটীলৈ গুচি আহিছিলোঁ পঢ়িবলৈ আৰু হোষ্টেলত আৰম্ভ হ'ল মোৰ কলেজীয়া জীৱন। অনুজেও খুব ভালকৈ পাছ কৰি এম-এছ্-চি পঢ়িবলৈ আহিছিল গুৱাহাটীতে। আমি প্ৰায়েই লগ পাইছিলোঁ, কথা পাতিছিলোঁ। আমি পৰস্পৰক বেছি গভীৰভাৱে বুজি উঠিছিলোঁ। হঠাৎ কিছুদিন অনুজ মোৰ ওচৰলৈ অহা নাছিল। খুব উৎকণ্ঠাৰে কেইটামান দিন কটোৱাৰ পিছত এখন চিঠি পালোঁ অনুজৰ। লেখিছিল--কিছুদিনৰ পৰা অসুস্থ হৈ পৰাত মোক লগ ধৰিবলৈ বা ক্লাছ কৰিবলৈ যাব পৰা নাছিল, ককায়েকে খবৰ পাই লৈ যাবলৈ অহাত তেওঁ ঘৰলৈ গ'ল,—মই যেন অভিমান নকৰোঁ। চিঠিখন পঢ়ি খুব দুখ লাগিছিল।

কিছুদিনৰ পিছত অনুজৰ নবৌৱেকৰ যিখন চিঠি পালোঁ তাত লেখা আছিল—অনুজৰ টাইফয়েদ, খুব চিৰিয়াচ। অনুজৰ আৰোগ্যতাৰ বাবে ভগৱানক প্ৰাৰ্থনা জনোৱাৰ বাহিৰে আন উপায় মোৰ নাছিল। তেতিয়া মাহঁতে বোধকৰোঁ মোৰ অৱস্থা বুজিছিল। মোলৈ অনুজৰ খবৰ নিয়মিতভাৱে দি আছিল। প্ৰায় এমাহ জ্বৰ ভোগাৰ পিছত অনুজ ভাল হৈছিল বুলি খবৰ পাইছিলোঁ। ইতিমধ্যে আমাৰ বাছনি পৰীক্ষা হৈ গৈছিল। পৰীক্ষা খুব বেয়া হ'লেও প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষা দিবলৈ মনোনীত হৈছিলোঁ। বন্ধ এটা পায়েই মই ঘৰলৈ গৈছিলোঁ। ঘৰ পায়েই মাক সুধিছিলোঁ অনুজৰ কথা। মই অনুজৰ ওচৰলৈ যাব খোজাত মাই বাধা দি কৈছিল—অনুজ সম্পূৰ্ণ ভাল হৈছে, মাত্ৰ জিৰণিৰ প্ৰয়োজন—এই সময়ত মই যোৱাটো ভাল নহ'ব। পিছদিনা মাই বাধা দিয়া সত্বেও মই অনুজৰ ওচৰলৈ গৈছিলোঁ। কিন্তু হে ভগৱান! ক্ষীণ, কঙ্কালসাৰ এটা দেহ লৈ যিজন মানুহ চকী এখনত বহি আছিল সেয়া মোৰ চিনাকি অনুজ নাছিল। বেদনামিশ্ৰিত এক দৃষ্টিৰে মোৰ পিনে চাইছিল। কথা ক'ব পৰা ক্ষমতা মোৰ হেৰাই গৈছিল। অনুজৰ এনেকুৱা এটা অৱস্থা দেখি মই কান্দি দিছিলোঁ হুক্‌হুকাই। অনুজৰ নবৌৱেকে তাৰপৰা মোক আঁতৰাই লৈ গৈছিল। পুনৰ অনুজৰ ওচৰলৈ যাবলৈ নিদি মোক তেওঁলোকে ঘৰত থোৱাই দিছিল।

সেইদিনাৰে পৰা মই ঘৰত বন্দী হৈ থাকিলোঁ। মা-দেউতাই মোক বুজাবলৈ ধৰিলে। পঢ়াত মন বহুৱাবলৈ বহুতো উপায় ল'লে। এনেকৈ এটা মাহ পাৰ হৈ গ'ল। মই গুৱাহাটীলৈ আকৌ গুচি আহিলোঁ।

জানা কস্তুৰী, মা-দেউতাই মোক একেটা কথাকে বাৰে বাৰে কৈছিল। অনুজক মই পাহৰি যাব লাগে। আভিজাত্যৰ বংশমৰ্যাদা থকা মোৰ দেউতাই এজন খুব ভাল ল'ৰাৰ লগত মোক বিয়া দিব লাগিব। নহ'লে যে সমাজত দেউতাৰ নাম নুমাই যাব। অনুজৰ লগত মোৰ বিয়া কেতিয়াও হ'ব নোৱাৰে—এয়া দেউতাৰ কথা। সঁচা কথা, স্বনামধন্য উকীলৰ ছোৱালী মই। মোৰ বিয়া এটা বোবা ল'ৰাৰ লগত—বোবা অনুজৰ লগত কেতিয়াও হ'ব নোৱাৰে। জানা কস্তুৰী, টাইফয়েদৰ পিছত অনুজৰ বাক্‌শক্তি নাইকিয়া হৈ গ'ল। ময়ো ইচ্ছা নকৰোঁ মা-দেউতাৰ আশা চূৰমাৰ কৰি দিবলৈ। সেয়েহে মাৰ কথা মতে ঠিক কৰিলোঁ অনুজক মই পাহৰি যাম বুলি। বহুত চেষ্টা কৰিছোঁ—বহুত। কিন্তু ইমান সোনকালে মই কেনেকৈ অনুজক পাহৰি যাব পাৰোঁ বাৰু?

খুব বেয়াকৈয়ে প্ৰাক্-বিশ্ববিদ্যালয়ৰ মহলা পাৰ হৈছিলোঁ। তাৰ পিছত শ্বিলঙলৈ গুচি আহিছিলোঁ। শ্বিলঙৰ পৰা প্ৰথমবাৰ বন্ধতগৈ গম পাইছিলোঁ—জয়ন্ত হাজৰিকা শিলচৰলৈ বদলি হৈ গুচি গ'ল। অনুজ ভাল হ'ল যদিও বাক্‌শক্তি ঘূৰাই নেপালে পুনৰ।

তাৰ পিছত অনুজৰ একো খবৰ মই পোৱা নাই।

প্ৰতিম দত্তৰ লগত মোৰ বিয়া ঠিক হ'ল। মা-দেউতাই ঠিক কৰা বিয়া। মত দি দিলো। প্ৰতিম দত্তৰ পৰা মৰম, ভালপোৱা পাইছোঁ যথেষ্ট। ময়ো চেষ্টা কৰিছোঁ তাৰ প্ৰতিদান দিয়াৰ। কিন্তু আজি মোৰ পুনৰ মনত পৰিছে অনুজলৈ। নেজানোঁ, অনুজ এতিয়া ক'ত আছে। তথাপিও মনত পৰিছে মোৰ অনুজলৈ। আজি মোৰ অৰ্ণামেণ্ট কে'চটো খুলিছিলোঁ। হঠাৎ চকুত পৰিছিল—মুক্তাৰ ব্ৰুচ-পিনটোত। ব্ৰুচটো মোক অনুজেই দিছিল মোৰ জন্মদিন এটাত। ব্ৰুচটোৱে আজি মোক খুব বেয়াকৈ মনত পেলালে অনুজলৈ। সেয়েহে আজি ভাবিছোঁ অনুজৰ কথা, মোৰ কথা, অনুজ-মোৰ অতীত-টোৰ কথাবোৰ—যদিও মই সদায় ভাবিবলৈ চেষ্টা কৰোঁ প্ৰতিমৰ কথা, মোৰ কথা, প্ৰতিম-মোৰ ভবিষ্যতৰ কথাবোৰ।...

শেষ নিশালৈ শেষ হৈছিল সুজাতাৰ কথা। টোপনি অহাৰ বৃথা আশাৰে দুয়োজনী লেপৰ তলত সোমাই পৰিছিলোঁ।

আৰু আজি এয়া—নিশা এঘাৰ বাজিছে। নিয়মিতভাবেই সুজাতা আজিও বহুত আগতেই টোপনি গ'ল। এখনি স্বাভাৱিক, সুন্দৰ মুখ। কপালত কিছুমান অসংলগ্ন চুটি চুলি। ছোৱালীজনীলৈ মোৰ খুব মৰম লাগি গ'ল। এই জনীয়েই সুজাতা—খুব পুৰণা অথচ খুব নতুন নতুন লগা মোৰ ৰুম-মেট। সুজাতাৰ এই ধুনীয়া মুখখনে যোৱাকালিৰ দৰে কান্দি কান্দি এনিশা সাধু কোৱাৰ কোনো সঁহাৰি নিদিয়ে।

## মহীচন্দ্ৰ বৰালৈ শ্ৰদ্ধাঞ্জলি

ৰস-সাহিত্যিক মহীচন্দ্ৰ বৰাই 'বাঁহী'ৰ যুগৰে পৰা অসমীয়া গল্প-সাহিত্যলৈ যথেষ্ট বৰঙণি দি আহিছিল। ৰসৰাজ বেজবৰুৱাৰ পিছৰে পৰাই বৰাই বুদ্ধিদীপ্ত ব্যঙ্গেৰে অসমীয়া গল্প-ৰীতিৰ মৰ্যাদা অটুট ৰাখিবলৈ সক্ষম হৈছিল আৰু 'আৱাহনে' তেওঁক 'গল্প-সম্ৰাট' বুলিও অভিহিত কৰিছিল। নিৰীহ মানুহৰ কথা, বিধাতাৰ কুটিল দৃষ্টি, কৰ্মীশ্ৰেণী লোকৰ জীৱনধাৰা, মধ্যবিত্ত মানুহৰ সংসাৰ আদি ব্যঙ্গ লিখনীৰে অঙ্কিত কৰা হৈছে 'অব্যয়', 'ভগৱানৰ মৃত্যু', 'কেৰাণীৰ কপাল', 'উকীলৰ আপদ', 'উকীলৰ জন্ম-ৰহস্য' প্ৰভৃতি তেওঁৰ গল্পসমূহত। 'ৰবদৈচিনা' প্ৰমুখ্যে কেইবাখনো আলোচনীত প্ৰকাশিত 'নিৰীক্ষণ' নামৰ উপন্যাসখনেই সম্ভৱতঃ বৰাৰ শ্ৰেষ্ঠ কীৰ্তি। স্বাধীনতা যুঁজৰ সত্যাগ্ৰহী, এজন বিচক্ষণ উকীল হৈ তেওঁ বিভিন্ন মানৱ চৰিত্ৰ নিৰীক্ষণ কৰিবলৈ সুবিধা পাইছিল; সেইবাবেই 'নিৰীক্ষণ'ত চিত্ৰিত ব্যঙ্গচিত্ৰসমূহত সমাজৰ আৰু দেশৰ 'ডাঙৰ' মানুহৰ ব্যৱহাৰ, মধ্যবিত্ত লোকৰ সমস্যাৱলীত তেওঁৰ সংস্কাৰ-কামী মনোভাৱ মূৰ্ত হৈ উঠিছে।

আমাৰ মাজত 'লেখক' আৰু 'সাহিত্যিক'ৰ সংজ্ঞা লৈ হোৱা তুমুল তৰ্ক বৰাই 'লেখক পুতলা, সাহিত্যিক প্ৰতিমা' যুক্তিটো আনি অৱদমিত কৰিব পাৰিছিল। প্ৰকৃততে পুতলা আমাৰ প্ৰিয় আৰু প্ৰতিমা নমস্য হোৱাৰ দৰে লেখক আমাৰ প্ৰিয়, সাহিত্যিক নমস্য।

এইজনা কথা-সাহিত্যিক আৰু আমাৰ মাজত নাই। ১৯৬৫ চনৰ ১৩ জুনৰ দিনা সত্তৰ বছৰ বয়সীয়া মহীচন্দ্ৰ বৰাৰ মৃত্যু ঘটিছে। সমালোচনা সাহিত্যৰ বিষয়ে লেখা তেওঁৰ এই মন্তব্যটোৰে তেওঁৰ পবিত্ৰ স্মৃতিত আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ—

'আমাৰ সাহিত্য আজি সম্ভাৱনাৰ পথত। সেই পথ শুচি আৰু নিকা কৰি ৰাখিবলৈ সমালোচনাৰ প্ৰয়োজন। আমাৰ লেখক আৰু পাঠকৰ সংখ্যা বাঢ়িছে। লক্ষণ শুভ, সন্দেহ নাই। কিন্তু গুণী সমালোচকৰ সংখ্যা অতীৱ বিৰল। মুক্ত, নিৰপেক্ষ আৰু বলিষ্ঠ সমালোচনাই সাহিত্যৰ সৌষ্ঠৱ বঢ়ায়। জুয়ে সোণৰ জেউতি চৰায়। অগণিৰ পৰশতহে ধূপ-ধুনাই গন্ধ বিলায়।'

শ্ৰব্য একাংকিকা

শ্ৰীঅৰূপ বৰদলৈ
২য় বাৰ্ষিক বিজ্ঞান

# মন আৰু মন

( সাগৰৰ বুকু ফালি জাহাজ এখন গৈ থকাৰ শব্দ হয়। অ'ত ত'ত মানুহৰ অস্পষ্ট কণ্ঠস্বৰ আৰু যন্ত্ৰপাতিৰ খেলিমেলি। হঠাতে অলপ দূৰৈত মানুহ এজনে আৰ্তনাদ কৰি উঠা যেন শুনা যায়। আৰু কেইজনমান মানুহে ইফালে সিফালে দৌৰাদৌৰি কৰে।)

চলিহা : বচোৱা, বচোৱা—তাক বচোৱা। আহ্, চে'ভ হিম—চে'ভ .হিম—। হে'ই, আহ্—

কেপ্টেইন : হে'ই কোন? হে'ই—কি হৈছে? হে'ই—

( খং আৰু বিৰক্তিত কেপ্টেইন খট্‌খট্‌কৈ গণ্ড-গোল হোৱা ঠাইৰ ফালে আগুৱাই যায়। )

লেফ্‌টেনেণ্ট ভূঞা : এইফালে, এইফালে—এইটো কেবিনলৈ—এইফালে লৈ আহা। ''এই পানী, পানী—

( কেইবাজনো মানুহে ব্যস্তভাবে ইফাল্ সিফাল কৰা শুনা যায়। )

কেপ্টেইন : লেফ্‌টেনেণ্ট ভূঞা!

ভূঞা : ( ওচৰলৈ অহাৰ শব্দ হয় ) ছাৰ?

কেপ্টেইন : কি হৈছে?

ভূঞা : একজিকিউটিভ অফিচাৰ চলিহা হঠাতে চিঞৰ মাৰি অজ্ঞান হৈ গৈছে ছাৰ। বোধহয় কোনোবা এজন পানীত পৰিছে—

কেপ্টেইন : ( চক্ খোৱাৰ দৰে— ) কি ??

ভূঞা : তেনেকুৱাইতো লাগিছে ছাৰ।

কেপ্টেইন : তেন্তে? ( অসহায়ভাবে— ) হে'ই— এলাৰ্ম চিগনেল— —

( হৈ-চৈৰ মাজত এলাৰ্ম চিগনেল বাজি উঠে। তাৰ পিছত মৃদু হৈ-চৈ এটা হৈ থাকে। )

কেপ্টেইন : ( হৰ্ণত গম্ভীৰ মাতেৰে— ) ডিচ্ ইজ্ ব্ৰীজ, কেপ্টেইন স্পিকিং। প'ৰ্ট আৰু ষ্টাৰবৰ্'ডৰ ফালে থকা চাৰ্চলাইট দুটা আৰু টুৱেণ্টি-ইঞ্চ-প্ৰজেক্টৰ দুটা অনবৰতে চাৰিওফালে ঘূৰাই থাকিবা যাতে জাহাজখনৰ চাৰিওফালে পোহৰ পৰে। স্পে'চিয়েল ডিউটিত নথকাসকলো ফ্লেগ আৰু টপ ডেকলৈ আহা, আৰু ফ'কাচিং লাইটকেইটাৰ পোহৰত কিবা দেখা পালে তৎক্ষণাৎ ফোনেৰে ব্ৰীজলৈ জনাবা। মানুহ পানীত পৰিছে। ( 'মানুহ পানীত পৰিছে' কথা-ষাৰৰ লগত হঠাতে মানুহৰ গুন্‌গুননি শুনা যায়। ) ভয় খোৱাৰ কোনো কাৰণ নাই। মাত্ৰ সকলোৱে পানীলৈ চকু ৰাখিবা। অ'ভাৰ।

( আকৌ এটা মৃদু হুলস্থূলৰ সৃষ্টি হয়। ঠিক তেনেকুৱা সময়তে ঢৌ এটাৰ পানী আহি পৰা শুনা যায়। পৰিবেশ সলনি হয়। )

প্ৰবাল : ( আঁতৰৰ পৰা ওচৰ চাপি— ) কুমাৰ, চাৰ্চ-লাইটটো জ্বলাইছ? আৰু মোৰ লাইফ-জেকেটটো আনিলি?

কুমাৰ : সেইটো—

প্ৰবাল : চাওঁ, দে। হোঁ হোঁ, মোৰ এই পিছফালৰ হুকটো লগাই দি যা।

কুমাৰ : ৰচোন। সেইখিনিতে কিবা দেখা যেন

পালোঁ। মই যে পোহৰ পেলাই দিছোঁ সেইখিনিলৈ চাচোন।

**প্ৰবাল :** লাইটটো মোক দে। ( ক্ষন্তেক নিস্তব্ধতা। লাহে লাহে ঢৌৰ শব্দ বেছি হৈ আহে। ) ক'তা একো নাই দেখোন। যি ঢৌ উঠিছে খুব ভালকৈ সাঁতুৰিব জনা মানুহেও ওপঙি থকা টান। বাইন'-কুলাৰটো ক'ত ?

**কুমাৰ :** ইয়াতে আছে. কিয়, কিবা দেখিছ নেকি ? ( ৰিং কৰিবলৈ হেণ্ডেল ঘূৰোৱাৰ শব্দ হয়। ) ফোন নকৰিবি। মই ঠিক দেখা বুলি কোৱা নাই নহয় ; কিবা এটা দেখা যেন লাগিছিল

**প্ৰবাল :** ননচেঞ্চ। ( ফোন দাঙি লোৱাৰ শব্দ হয়। ) হেল্ল'—হেল্ল' ব্ৰীজ, ডিচ ইজ ফেগডেক প'ৰ্ট চাইড—লিডিং চিগনেলমেন প্ৰবাল স্পিকিং। ছাৰ, এই-খিনিতে কিবা এটা দেখা যেন লাগিছে ··নাই ছাৰ, স্পষ্টকৈ একো দেখা নাই।··হয় ছাৰ, মই প'ৰ্ট চাইডৰ দুইটা লাইটেৰে সেইখিনিতে পোহৰ কৰি আছোঁ।·· থৈছোঁ ছাৰ। ( ফোনটো থোৱাৰ শব্দ হয়। )

**কুমাৰ :** নাই দেখোন—একো নাই।

**প্ৰবাল :** নহওক। তই লাইটটো তাৰপৰা নাঁতৰাবি। ( অলপ নিস্তব্ধতা কিবা এটা বুজাৰ সুৰেৰে-- ) তই কি দেখিছিলি বাৰু ?

**কুমাৰ :** মই ঠিক হাত বাউল দিয়াৰ নিচিনা দেখিছিলোঁ, লগে লগে হাতখন ঢৌৰ মাজত নোহোৱা হৈছিল। ( পুনৰ নিস্তব্ধতা। ) প্ৰবাল, মানুহটো কোন হ'ব বাৰু ?

**প্ৰবাল :** (হঠাৎ মনত পৰাৰ দৰে—) বিশ্বজিত ক'ত ? সি ইয়াতে থকা নাছিল জানো ?

**কুমাৰ :** ইয়াতে আছিলতো ! মই শুবলৈ আহোঁতে সি গাৰ্ড-ৰেইলত ধৰি বমি কৰি আছিল. মই তাক ধৰি নি সেইখিনিতে বহুৱাই থৈছিলোঁ, তাৰপিছত ক'লৈ গ'ল ক'ব নোৱাৰোঁ।

**প্ৰবাল :** ক'ব নোৱাৰ যদি অথনিৰে পৰা তাকে কোৱা নাছিলি কিয় ?

( ৰিং কৰিবলৈ হেণ্ডেল ঘূৰোৱাৰ আৰু ফোন দাঙি লোৱাৰ শব্দ হয়। ) হেল্ল' ব্ৰীজ, ডিচ ইজ ফেগ-ডেক প'ৰ্ট চাইড—প্ৰবাল স্পিকিং।··ঠিক ক'ব নোৱাৰোঁ ছাৰ। চিগনেলমেন বিশ্বজিত দুৱৰা চেইলিং কৰা দিনৰেপৰা মেচ-ডেকলৈ যোৱা নাছিল। কিছুসময়ৰ আগতে সি ইয়াতে গাৰ্ডৰেইলত ধৰি কাম কৰি থকা এজনে দেখিছিল। কিন্তু এতিয়া ইয়াত নাই। যদি কেনেবাকৈ তললৈ গৈছে ক'ব নোৱাৰোঁ। আমাৰ মেচত নাই।··আৰু এটা কথা ছাৰ. মই অলপ আগতে ইয়াত কিবা এটা দেখা বুলি কৈছিলোঁ। আমাৰ ধাৰণাটো ভুল আছিল। মই এইমাত্ৰ দেখিলোঁ সেইবোৰ বোধকৰোঁ সৰু চাৰ্ক-ফিচ। যেতিয়া ঢৌবোৰ উঠি মাজৰ ঠাইখিনি দ হৈ গৈছিল, দীঘলীয়া মাছবোৰক মানুহৰ হাত যেন লাগিছিল।··ছাৰ মই বিশ্বজিতক এতিয়াই বিচাৰিবলৈ পঠিয়াওঁ।··থৈছোঁ ছাৰ। ( ফোন থোৱাৰ শব্দ হয়। )

**কেপ্টেইন :** ( হৰ্ণত কয়— ) ডিচ ইজ ব্ৰীজ, কেপ্টেইন স্পিকিং। প্ৰত্যেক ডিভিজন-ইন-চাৰ্জে নিজৰ ডিভিজনৰ প্ৰত্যেককে বিচাৰি সঠিক খবৰ অতি সোনকালে জনাব লাগে। আৰু তেওঁলোক এতিয়া নিজৰ ঠাইত আছে নে নাই তাৰ সঠিক খবৰৰ ওপৰত আমাৰ শুদ্ধ গণনা নিৰ্ভৰ কৰে। এই কথাটো যেন মনত থাকে। অ'ভাৰ।

( জাহাজৰ কেবিনৰ ভিতৰত এটা গহীন পৰি-বেশ। বাহিৰৰ কোলাহলৰ একো শব্দ নাই। হঠাৎ দুৱাৰত টুকুৰিওৱাৰ শব্দ হয়। )

**কেপ্টেইন :** ওঁ ; সোমাই আহা।

( দুৱাৰ খোলাৰ শব্দ আৰু দুখোজ সোমাই অহাৰ পিছত জোতাৰ গেৰোৱা মাৰি চেলুট দিয়াৰ শব্দ হয়। )

**কেপ্টেইন :** অ' ভূঞা ! আৰু কিবা খবৰ পাইছা ?

**ভূঞা :** নাই ছাৰ। আটাইতকৈ ডাঙৰ কথা হৈছে ছাৰ—এক্‌জিকিউটিভ অফিচাৰ আৰু মোৰ বাহিৰেও আৰু দুই এজনে চিঞৰটো শুনিবলৈ পাইছিল। আনকি কোনোবাই কোনোবাই পানীত পৰাৰ শব্দও শুনিছিল, কিন্তু মানুহজন কোন আছিল কোনেও দেখা নাছিল।

**কেপ্টেইন :** আচৰিত ! কথাটো বেছ ৰহস্যজনক। কিন্তু লেফ্‌টেনেন্ট ভূঞা, তুমি জানো সঁচাকৈয়ে চিঞৰটো শুনিছিলা ? মোৰ এটা ধাৰণা হৈছে, তোমালোকে আন কিবা শব্দ শুনিছিলা নেকি ! কাৰণ মানুহজনক অন্ততঃ কোৱাৰ্টাৰ ডেকত লাইফবয় চেণ্ট্ৰিয়ে দেখা পাব লাগিছিল।

**ভূঞা :** মই স্পষ্টকৈ শুনিছিলোঁ ছাৰ।

**কেপ্টেইন :** চিগনেল ডিভিজনৰ ৰিপ'ৰ্টটো পালানে ?

**ভূঞা :** নাই ছাৰ, এতিয়ালৈকে পোৱা নাই। মোৰ ধাৰণা চিগনেল ডিভিজনৰ সেই চেইলৰজনেই অভাৰব'ৰ্ড হৈছে।

**কেপ্টেইন :** তুমি তাৰ ৰিপ'ৰ্ট এটা আগেয়ে লোৱা। ঘটনাটো ঘটাৰ কিমান সময় হ'ল ?

**ভূঞা :** এতিয়া দহ বাজি পাঁচ মিনিট গৈছে। প্ৰায় আধা ঘণ্টা পাৰ হৈ গ'ল ছাৰ।

**কেপ্টেইন :** হুঁ ! ( ক্ষন্তেক নিস্তব্ধতা। ) ইমান ঢৌত আধা ঘণ্টা এজন মানুহ সাঁতুৰি থকাটো কেতিয়াও সম্ভৱ নহয়। লাইফ-জেকেট নিশ্চয় পিন্ধি থকা

নাছিল। মই সেইকাৰণেই এই কথাটো ডেইলী অৰ্ডাৰত কিমানবাৰ সোঁৱৰাই দিছিলোঁ!

ভূঞা : (হুমুনিয়াহ কাঢ়ি—) ভাগ্য ছাৰ! কোনো-বাই যুঁজি মৰে আৰু কোনোবাই আলাসতে মৰে।

কেপ্টেইন : কিন্তু মিঃ ভূঞা, এই চলিহাৰ ওপৰত মোৰ অলপ সন্দেহ হৈছে।

ভূঞা : ছাৰ?

কেপ্টেইন : ওঁ। মানে আজিৰ দৰে এই অৱস্থা তেওঁৰ আৰু দুবাৰো হৈছিল। ঠিক ফ্লেগ-ডেকৰ সেইখিনি ঠাইলৈ চাই চাই "চে'ভ হিম, চে'ভ হিম" বুলি চিঞৰি অজ্ঞান হৈ পৰে।

ভূঞা : কিন্তু সেইটো তো তেখেতৰ কোনো বেমাৰ নহয় ছাৰ।

কেপ্টেইন : বেমাৰ বুলি মই কোৱা নাই। কিন্তু কথা হৈছে—

ভূঞা : মই জানোঁ ছাৰ।

কেপ্টেইন : (আচৰিত হৈ—) তুমি জানা? কি জানা??

ভূঞা : চলিহাৰ এই মানসিক প্ৰতিক্ৰিয়াৰ উৎস ক'ত—!

কেপ্টেইন : ক'ত? তুমি কেনেকৈ জানিলা?

ভূঞা : কওঁ, শুনক ছাৰ—

কেপ্টেইন : ওঁ, কৈ যোৱা।

ভূঞা : আপুনিতো জানে ছাৰ--লেফ্‌টেনেণ্ট কামা-ওৱাৰ চলিহাৰ ভায়েক জিত চলিহাও আমাৰ নেভীতে আছিল।

কেপ্টেইন : ওঁ, জানোঁ। তেওঁ আই-এন্-এছ্ গোদাবৰীত নাছিল জানো?

ভূঞা : আছিল ছাৰ। কিন্তু—মানে আপুনি হয়তো নেজানে যে লেফ্‌টেনেণ্ট কামাওৱাৰ চলিহা আৰু মোৰ ঘৰ একেখন ঠাইতে—

কেপ্টেইন : অ'—তেনেহ'লে তুমি বহুত কথাই জানা!

ভূঞা : তেখেতৰ ভায়েক জিতৰ লগত মই একে-লগে পঢ়িছিলোঁ। সৰুৰে পৰা আমি দুয়ো একেলগে ডাঙৰ হৈছিলোঁ আৰু শেষলৈকে আমি লগ হৈয়েই থাকিব পাৰিছিলোঁ।

কেপ্টেইন : মানে?

ভূঞা : মানে দুয়ো কমিচন পাইছিলোঁ নেভীত আৰু দুয়ো একেখন জাহাজতে পৰিছিলোঁ।

কেপ্টেইন : তাৰ পিছত?

ভূঞা : এবাৰ আমি গ্ৰীষ্মকালীন প্ৰশিক্ষণত ৰেঙ্গু-নলৈ যাবলগীয়া হৈছিলোঁ। মানে ৰেঙ্গুনলৈ যাত্ৰা কৰাৰ দুদিনমান আগৰ এদিনৰ কথাহে কৈছোঁ ছাৰ।

কেপ্টেইন : কৈ যোৱা।

ভূঞা : আই-এন্-এছ্ গোদাবৰী বম্বে ড'কত আমি সেইদিনা অসমৰ পৰা যাত্ৰা কৰাৰ কথা। আমি মানে মই আৰু জিত। এক্‌জিকিউটিভ অফিচাৰ চলিহা তেতিয়া ছুটি লৈ ঘৰতে আছিল। আবেলি মই তেওঁলোকৰ তালৈ বুলি ওলাই গৈছিলোঁ।—

(**পূৰ্বস্মৃতিৰ পৰিবেশ ::** অনামিকা আৰু জিতে কথা পাতি থকা শুনা যায়।)

অনামিকা : এই—

জিত : (চক খোৱাৰ দৰে) হুঁ—! অ' মিকা—!

অনা : কি ভাবিছা?

জিত : হুঁ, কি ভাবিছোঁ জানা—? ভাবিছোঁ তোমাৰ কথাই! ইমান দীঘলীয়াকৈ মিকাজনীৰ পৰা আঁতৰি থকাৰ কথা ভাবি—

অনা : খুব আৰাম আৰাম লাগিছে নহয়?

জিত : কিয় ক'লা তেনেকৈ?

অনা : বাঃ, সঁচা কথাটো ক'লেও জগৰ! তুমিতো বিয়াৰ পিছৰ পৰা তাকেই আশা কৰি আছিলা, নহয় জানো?

জিত : মানে?

অনা : মানে দীঘলীয়া সাগৰ-যাত্ৰা! তাতে আকৌ নীলা সাগৰৰ আকুল আহ্বান—

জিত : (পাতলকৈ—) কিন্তু তাৰে এচামুচ যে মোৰ সদায় হাতে ঢুকি পোৱাতে আছে মিকা!

(এনেতে কোনোবা সোমাই অহাৰ শব্দ হয়।)

ভূঞা : (নাটকীয় কণ্ঠস্বৰেৰে) এই, পাৰ্টনাৰ—! হেৰ' কিহৰ এচামোচৰ কথা কৈছ? তইঁত কি এচামোচ দুচামোচতে সন্তুষ্ট থাক অ'? ক বোলোঁ— এবটল, একলহ, এবাল্টি। হাঃ হাঃ হাঃ—

(ঘটনাৰ আকস্মিকতাত সকলোৱে হাঁহে।)

জিত : আৰে পাৰ্টনাৰ—ক'ৰপৰা ওলালিহি অস-ময়ত? আহ, বহ বহ।

ভূঞা : আৰে ভাই, অমুকা ভূঞা-পোৱালীৰ আকৌ সময়-অসময়? জাহাজত যাম বুলি শুনাৰ পৰা ঘৰত যি বেহেলা বাজিবলৈ আৰম্ভ হৈছে সেই কৰুণ সুৰৰ মূৰ্চ্ছনাত ৰ'ব নোৱাৰি ওলাই আহিছোঁ ইয়ালৈকে।

অনা : বেহেলাৰ সুৰ? মানে?

ভূঞা : বেহেলাৰ সুৰ মানে বুজি পোৱা নাই?

জিত : পাৰ্টনাৰ, ময়ো বুজি পোৱা নাই অ'—

ভূঞা : ধেৎ, তই দেখিছোঁ দেখাক দেখিহে বিয়া কৰালি। হেৰ' বোলোঁ—মানে আৰু কি হ'ব, কেঁচুৱা আৰু নাৰীৰ ৰণ জিকা অস্ত্ৰপাত; মানে— উঁ-উঁ-উঁ ইঃ-ইঃ-ইঃ (সুৰ লগাই কন্দাৰ নিচিনাকৈ কয় আৰু আটায়ে হাঁহে।)

অনা : যাওক—আপোনালোক বৰ কিবা মানুহ ! এইবিলাক কথালৈও আপোনালোকে ধেমালি কৰেনে?

ভূঞা : নাই নাই। আপুনি মানে বেয়া নেপাব। ঠিক ধেমালি কৰা নাই, মানে, মানে—

জিত : কথা হৈছে কি জান পাৰ্টনাৰ—তোৰ ঘৰত তেওঁ বেহেলা বজাইছে আৰু মোৰ ঘৰত এওঁ ঠিক বেহেলা বজোৱা নাই, মনে মনে বজাইছে নেকি ক'ব নোৱাৰোঁ। কিন্তু কি আচৰিত ভাই—ককাই-দেৱে মই যাবলৈ ওলোৱা দেখি কন্দা-কটাখন আৰম্ভ কৰি দিছে!

ভূঞা : ককাইদেৱে—? কিয় ?

অনা : এৰা ককাইদেৱে। আচৰিত হ'বলগীয়া কথা অৱশ্যে।

জিত : ককাইদেৱে ব'ৰে বাৰে মোক কৈ আছে—পাৰ যদি এইবাৰলৈ ছুটি ল, ছুটি ল এইবাৰলৈ—

অনা : মোকো একে কথাকে কৈ আছে বাৰে বাৰে।

ভূঞা : কিন্তু কিয় ?

জিত : আচৰিত ! ককাইদেউ নিজে নেভৈঁত থকা মানুহ ; সকলো জানে, বুজে, অথচ—

ভূঞা : এতিয়া তেখেতে কি কৈছে ? নে তই ইতিমধ্যে নোযোৱাৰ কিবা দিহা কৰিছ ?

জিত : নাই নাই, নোযোৱাৰ প্ৰশ্ন উঠিব নোৱাৰে। কিয় নেযাম ? যামেই, মই পুৰা খাটাংকৈ কৈ দিছোঁ যাম বুলি।

ভূঞা : তেখেতে কি ক'লে তেতিয়া ?

জিত : কি আৰু ক'ব, মোক একো কোৱা নাই। এওঁক জানো কিবা কৈছিল নেকি!—

অনা : মোক কৈছে বোলে—জিতটো বৰ অবুজ, যাওঁ বুলিছে যেতিয়া যাবই, যাওক আৰু নহয় জানো ? কিন্তু আবেলিলৈকে তাক আজি ক'লৈকো ওলাই যাবলৈ নিদিবা, মই এতিয়া বিষ্ণুখানলৈ যাওঁ—।

ভূঞা : তাৰ পিছত ?

অনা : তাৰ পিছত ফুল-তুলসী গোটাই লৈ দুপৰী-য়াতেই যি বিষ্ণুখানলৈ গ'ল এতিয়ালৈকে ওলোৱাহি নাই।

ভূঞা : পিছে পাৰ্টনাৰ, তই কি কৰিছ ?

জিত : আৰে মই কি কৰিম, এতিয়া ককাইদেউৰ লগত কাজিয়া কৰিলেহে হ'ব আৰু !

ভূঞা : ধেৎ, তোক কাজিয়া কৰিবলৈ কোৱা নাই নহয় ! তহঁতৰ এই কাণ্ড-কাৰখানা মই একো বুজি পোৱা নাই ভাই।

অনা : নুবুজাৰ আৰু কি আছে, আপোনালোকেতো জানেই—ককাইদেৱে এওঁক কিমান মৰম কৰে !

ভূঞা : জানোঁ অৱশ্যে। ভায়েকক কেনেবাকৈ আলাই-আথনি কৰে বুলিয়েই যিজন মানুহে অবি-বাহিত হৈ দিন কটাইছে, সেইজন মানুহৰ অন্তৰখনৰ কথা কোনে নুবুজিব।

জিত : কিন্তু কি আচৰিত ভাই পাৰ্টনাৰ, ককাই-দেৱে এনে মন লৈ নেভীত ইমান উচ্চ বিষয়া হ'ব পাৰিলে কেনেকৈ বাৰু ?

ভূঞা : আৰে ন'কবি ভাই—এওঁলোক মানুহ ! এওঁলোকৰ কথা তই মই ঢুকি নেপাওঁ ঘৰত ইমান কোমল—ইমান কেঁচুৱা কেঁচুৱা ভাৱ, কিন্তু নেভেল অফিচাৰ হিচাবে কিমান ভীষণ, কিমান পৰাক্ৰমী !!

অনা : জানোঁ, কিন্তু মোৰ বোধেৰে ককাইদেৱে এয়া অকৰামি কৰা নাই। তেখেতে নিশ্চয় কিবা এটা বেয়া দেখিছে, নহ'লে—

জিত : (অভিমানত— ) নহ'লে আগৰ পৰা নমতা নোবোলাকৈ থাকি হঠাতে কালিৰ পৰাহে এইখন আৰম্ভ কৰিলে,—তোমালোকৰ যে কিছুমান অন্ধ-বিশ্বাস, মই বুজি নেপাওঁ এইবিলাকৰ মানে কি হ'ব পাৰে !

ভূঞা : ৰচোন পাৰ্টনাৰ, তই মিছাতে খং নেখাবি। যাবিয়েই যেতিয়া যোৱাৰ সময়ত ঘৰখনত এটা অশা-ন্তিৰ সৃষ্টি কৰ কিয় ? ৰচোন, তই বহ।

জিত : নাই ভাই, এইবিলাক কথাৰ কথা নেকি বাৰু তয়েই কচোন! ( বেগাই ভিতৰলৈ যোৱাৰ জোতাৰ শব্দ হয়। )

ভূঞা : সেইবুলি ৰচোন বাৰু ( স্বগতঃ ) মহা দিগ্‌দাৰ, ইয়ো কিবা অঁকৰা ! ( এনেতে বাহিৰত কুকুৰৰ ভুকভুকনি শুনা যায়। আৰু কোনোবাই মাত দিয়াত কুকুৰটো শান্ত হৈ পৰে। )

অনা : ককাইদেউ আহিছে। ( চলিহা সোমাই অহাৰ শব্দ হয়। )

অনা : ককাইদেউ ?

চলিহা : হুঁ ? অ' নিৰোদ আহিছা—বহা বহা। উঠিলা কিয় বহা। অনামিকা, এইখিনি লোৱাচোন। এই প্ৰসাদখিনি জিতক দিয়া। আৰু এই নিৰ্মালি-খিনি লোৱা। তাক দিবা। আৰু চোৱা—থালখনৰ চুকতে এই চন্দনখিনি যে আছে তাৰে যাবৰ সময়ত ভগৱানৰ নাম লৈ তাৰ কপালত এটা ফোট দি দিবা—বুজিছা ? সি এতিয়া ক'লৈ গ'ল ?

অনা : আছে ককাইদেউ, ভিতৰত আছে।

চলিহা : মই এতিয়া একোকে নেখাওঁ একেবাৰে ভাতকে খাম। সিতো ন বজাত ওলাই যাবই ; গতিকে আমাক একেলগে ভাত দিবা, নে কি কোৱা ? তুমি এতিয়া যোৱা।

( থাল-বাতি আদিৰ সূক্ষ্ম শব্দ হয় আৰু অনামিকা

লাহে লাহে আঁতৰি যায়। )

চলিহা : পিছে নিৰোদ, তুমিও যাবা নহয় ?

ভূঞা : হয়,ময়ো যাম। সেইবাবেহে আহিলোঁ, তাক এবাৰ লগ পাই যাবলৈ।

চলিহা : ভাল কৰিলা, ভাল কৰিলা। মই তোমাৰ তালৈ যাম বুলি ভাবিছিলোঁহে।

ভূঞা : হয়নেকি ? কিয় ককাইদেউ ?

চলিহা : ওঁ ; কিয় মানে অলপ কথা আছিল। বাৰু, সেই ভিতৰৰ দুৱাৰখন অলপ জপাই দিয়াচোন। ( দুৱাৰখন জপোৱাৰ শব্দ হয়। ) নহয়, খিলিডাল একেবাৰে লগাই দিয়া

ভূঞা : ( আচৰিত হৈ—) কিন্তু ককাইদেউ—

চলিহা : নহয়, দিয়াচোন বাৰু খিলিটো লগাই। ( খিলি দিয়াৰ শব্দ হয়। ) বহা।

ভূঞা : বহিছোঁ ; কওকচোন কি কথা।

চলিহা : ওঁ ; ( গম্ভীৰ ভাবে— ) নিৰোদ !

ভূঞা : ককাইদেউ ?

চলিহা : তোমালোকে জানা, মই খুব অন্ধবিশ্বাসী নহওঁ। জনবিশ্বাস, সপোন, কল্পনা—এইবোৰত মোৰ বিশেষ কোনো বিশ্বাস নাই।

ভূঞা : জানোঁ ককাইদেউ, আৰু সেইটোৱেইতো স্বাভাৱিক।

চলিহা : মানে ?

ভূঞা : ( পোনপতীয়া প্ৰশ্নত কিবা বিমোৰত পৰাৰ দৰে— ) ওঁ, অ' নাই, মানে আপোনাৰ দৰে শিক্ষিত, সদাচাৰী লোকৰ পক্ষে সেইবোৰ একো নহয়,—মানে—

চলিহা : ( কওঁ নকওঁকৈ—) কিন্তু নিৰোদ—

ভূঞা : কওক ককাইদেউ।

চলিহা : এৰা ; মই নিজেই বৰ আচৰিত হৈ গৈছোঁ। আগে পিছেতো মোৰ ইমান ভয় লগা নাছিল।

ভূঞা : ভয় ? ভয় কিহৰ ককাইদেউ ?

চলিহা : ওঁ। দেখা, জিত যাবলৈ ওলাইছে। ময়ো জানোঁ, সি যাবই লাগিব। কিন্তু তাক পঠাবলৈ মোৰ কিবা যেন ভয় ভয় লাগিছে।

ভূঞা : কিন্তু ককাইদেউ—

চলিহা : কিন্তু নাই, নিৰোদ। কিন্তুৰ কথা নহয়। যোৱা নিশা মই এটা সপোন দেখিছিলোঁ।

ভূঞা : সপোন ?

চলিহা : এৰা সপোন। ( আবেগেৰে—)জিত যেন আই-এন্-এছ্ গোদাবৰীত গৈ আছে আৰু মাজ সাগৰতে হেনো—( সেপ ঢুকি—) মাজ সাগৰতে হেনো—

ভূঞা : নহয়, নহয়, ককাইদেউ, এইবোৰ ভুল—

চলিহা : মাজ সাগৰতে এখন নাও আহি জাহাজৰ পৰা তাক লৈ আঁতৰি গৈছে আৰু নাওখনত মই স্পষ্টকৈ দেখিছোঁ,—( ঠিক যেন দেখা পাইছে এনে ভাৱত—) সেয়া দেউতা আৰু মা—দেউতা আৰু মা—

ভূঞা : ককাইদেউ !

চলিহা : এৰা—এৰা নিৰোদ। তাৰ পিছতেই মই সাৰ পালোঁ। ৰাতিপুৱা উঠি সিহঁতক বুজালোঁ। পাৰিলে নোযোৱাই ভাল সি—

ভূঞা : কিন্তু ককাইদেউ, সপোনৰ কথা তো বিশ্বাস কৰিব নোৱাৰি।

চলিহা : নহয় নহয় নিৰোদ, সেইদৰে নক'বা। মই স্পষ্টকৈ দেখা পাইছিলোঁ নাওখনত আছিল মা আৰু দেউতা—আৰু—আৰু—মা-দেউতাৰ মৃত্যুৰ বিশ বছৰৰ মূৰত মই তেওঁলোকক সপোনত দেখিছোঁ।

ভূঞা : কিন্তু—

চলিহা : ওঁ ; জিত যাবই—এয়েতো ? যাওক, মই তাক ভাল ভাবেই বিদায় দিম। সি ভালে-কুশলেই যাওক। তোমালোক দুয়ো আকৌ ঘূৰি আহিবা।

ভূঞা : তাৰ বাবে আপুনি নিশ্চিন্তে থাওক ককাই-দেউ। ভগৱানৰ কৰুণা আৰু আপোনালোকৰ দৰে বয়োজ্যেষ্ঠসকলৰ আশীৰ্বাদ থাকিলে আমাৰ কোনো ভয় নাই।

চলিহা : মোৰ আশীৰ্বাদ, মোৰ শুভাশীস : তোমা-লোক ভালে-কুশলে ঘূৰি আহা, আৰু তুমি—

ভূঞা : কওক ককাইদেউ—

চলিহা : তুমি মোক কথা দি যোৱা নিৰোদ—তুমি নিতৌ চব্বিশ ঘণ্টাই তাৰ ওপৰত চকু ৰাখিব লাগিব ; কোৱা ৰাখিবা ?

ভূঞা : সেইটোনো আপুনি ক'ব লাগে নে ককাই-দেউ ! আপুনি চোন জানেই,—জিত আপোনাৰ যিমান মৰমৰ, মোৰো সিমান মৰমৰ বন্ধু।

চলিহা : জানোঁ—জানোঁ নিৰোদ, মই সকলো জানোঁ। তথাপি তোমাক ক'লোঁ— তাক চাবা।

ভূঞা : চাম ককাইদেউ, আপুনি অকণো চিন্তা নকৰিব ; আমি ভালেৰেই উভতি আহিব পাৰিম। মই এতিয়া উঠোঁহে ; ন বজাত যাবই লাগিব নহয়—

চলিহা : কিন্তু নিৰোদ, তুমি মোৰ সপোনৰ কথাটো কাকো নক'বা।

ভূঞা : নকওঁ ককাইদেউ। যাওঁ এতিয়া।

চলিহা : ওঁ যোৱা।

( জোতাৰ শব্দ লাহে লাহে আঁতৰি যায়। দুৱাৰ জপোৱাৰ শব্দৰ লগতে পৰিৱেশ সলনি হয়। )

( পুনৰ জাহাজৰ শব্দ। আগৰ পৰিৱেশত কেপ্টেইন আৰু ভূঞাই কথা পাতি থকা শুনা যায়। )

কেপ্টেইন : তাৰ পিছত ?

ভূঞা : তাৰ পিছত ছাৰ—ৰেঙ্গুনলৈ যোৱাৰ পথত এদিন—এদিন ছাৰ—

কেপ্টেইন : মিঃ ভূঞা ?

ভূঞা : মেন-অ'ভাৰ-ব'র্ড, ছাৰ !

কেপ্টেইন : আৰু সেই মানুহজন নিশ্চয় লেফ্টে-নেণ্ট জিত চলিহা আছিল।

ভূঞা : ( শোকাভিভূত হৈ— ) হয় ছাৰ। আৰু জিত চলিহাই তেনেকৈয়ে আমাক এৰি গুচি গ'ল !

( এনেতে ভিতৰত লেফ্টেনেণ্ট কামাণ্ডাৰ চলিহাই চিঞৰি উঠা শুনা যায়। কেপ্টেইন আৰু ভূঞা সেইফালে জোতাৰে খট্‌খট্‌কৈ শব্দ কৰি আগুৱাই যায়। চলিহাৰ মাত স্পষ্ট হৈ আহে। )

চলিহা : নহয়—নহয়— মোৰ জিত কেতিয়াও তেনেকৈ মৰিব নোৱাৰে। নোৱাৰে—। বচোৰ, বচোৰ—তাক বচোৰ—। আহ্, চে'ভ হিম—চে'ভ—

কেপ্টেইন : চলিহা !!

চলিহা : ( চক্ খোৱাৰ দৰে— ) হুঁ ? অ', অ'—সিতো জিত নহয়। নহয় ছাৰ, নহয়। ( ঘনাই উশাহ লয়। )

কেপ্টেইন : অলপ ভাল পাইছা চলিহা ?

চলিহা : (নিজকে কোৱাৰ দৰে—) উঁ। তাৰ পিছত —তাৰ পিছত তাৰ ঘৰলৈকো এখন টেলিগ্ৰাম কৰিব লাগিব যে, সি পানীত পৰি মৰিল। ভাৰতীয় নৌ-বাহিনীয়ে যুদ্ধ কৰিবলগীয়া হোৱা নাই,—যুদ্ধত মানুহ মৰা নাই ; কিন্তু তথাপিও জাহাজৰে মানুহ মৰে। জাহাজৰ পৰা পৰি মানুহ মৰে। (হাঁহি—) কি ধুনীয়া পৰিসমাপ্তি !

কেপ্টেইন : চলিহা, ইমান অধৈৰ্য হৈছা কিয় ?

ভূঞা : ছাৰ, মই অলপ আহিছোঁ।

কেপ্টেইন : বাৰু চোৱা চলিহা, আমিতো মৰণলৈ একণো ভয় নকৰি চাৰ্ভিচত সোমাইছোঁ। আজি নহয় কালি যদি এখন যুদ্ধ লাগে তাততো গুলী খাই বহুত মানুহ মৰিব। গুলী খাই মৰা, পানীত পৰি মৰা—একেই কথা। এজন মানুহ মৰোঁতে যদি ইমান দুৰ্বল হৈ পৰা, ফ'র্চৰ মানুহ হৈ তুমি বাৰু চাৰ্ভিচটোত কি দিব পাৰিবা ?—

চলিহা : নহয়, নহয়—ছাৰ ; আপুনি তেনেকৈ নক'ব। অকাৰণতে মানুহ এজন মৰি গৈছে—তাৰ কাৰণে দুখ আমি নকৰিম। ছাৰ, এইযোৰ ইউনিফৰ্ম—এইযোৰ ইউনিফৰ্মেৰে দেহটোক ঢাকি ৰাখি মনটোক আমি বহুত মেকানিকেল কৰিছোঁ। কিন্তু মেকানিকেল কৰিব খুজিলেই তো মনটো মেকানিকেল নহয় ছাৰ।

কেপ্টেইন : উঁ, তুমি এনেকৈ কথা কোৱা। কিন্তু তুমি নিজকে ইমান দুৰ্বল কৰি দিছিলা কিয় ? এনেকৈ ভাবা কথাবোৰ—

চলিহা : ছাৰ ওপৰলৈ যাওঁ ব'লক।

কেপ্টেইন : নাই নাই, এতিয়া নেলাগে।

চলিহা : একো নহয় ছাৰ। এয়া চাওক, মই ঠিকে আছোঁ। অলপ দুৰ্বল লাগিছিল। এতিয়া একেবাৰে ভাল পাইছোঁ ছাৰ। ওপৰত মুকলি বতাহো পাম।

কেপ্টেইন : আজি অলপ জিৰণি লোৱাটো ভাল।

চলিহা : ( কথাৰ মাজতে যেন উঠি বহে। ) একো নহয় ছাৰ। আপুনি ভয় কৰিব নেলাগে। মই এতিয়া সম্পূৰ্ণ সুস্থ।

কেপ্টেইন : ব'লা বাৰু। ( খটখটীয়েদি উঠি যোৱাৰ শব্দ হয়। লাহে লাহে পানীৰ শব্দ বেছি প্ৰকট হৈ আৰু জাহাজৰ বাহিৰৰ পৰিবেশ স্পষ্ট হৈ আহে। ) বহা চলিহা।

চলিহা : আপুনি বহক ছাৰ। ( চকীখন চোঁচৰাই বহি পৰাৰ শব্দ হয়। ) চাৰ্চিং এতিয়াও চলি আছে ছাৰ ?

কেপ্টেইন : এৰা।

( এনেতে ভিতৰৰ পৰা কোনোবা এজন বেগাই অহাৰ শব্দ শুনা যায়। জোতাৰে গেৰোৱা লগ লগাই চেলুট দিয়ে। ) লেফ্টেনেণ্ট ভূঞা ?

ভূঞা : ছাৰ, বিশ্বজিত দুৱৰা নামৰ হেৰোৱা মানুহজনক পোৱা গৈছে।

কেপ্টেইন : ( আচৰিত হৈ— ) পোৱা গৈছে ?

চলিহা : (একেই উৎসুকতাৰে—) ক'ত—কেনেকৈ ?

ভূঞা : বাথ-ৰুমত ছাৰ।

কেপ্টেইন : বাথ-ৰুমত ?

ভূঞা : হয় ছাৰ। বোধকৰোঁ বমি কৰিবলৈ তালৈ গৈছিল ; আৰু তাতে অজ্ঞান হৈ পৰি আছিল। আৰু বাকী ডিভিজনবোৰৰ ৰিপ'র্ট মই লৈ আহিছোঁ ছাৰ। সকলো ঠিক আছে।

চলিহা : তেনেহ'লে পৰি যোৱা মানুহজন ক'ৰপৰা আহিছিল !

কেপ্টেইন : মোক মাইক্ৰ'ফোনটো দিয়া। ( ক্লিপৰ পৰা এৰুৱাই অনাৰ শব্দ হয়। ) ডিচ্ ইজ্ কেপ্টেইন স্পিকিং। বৰ আনন্দৰ বিষয় যে পানীত কোনো পৰা নাই। আমাৰ সকলো মানুহ ঠিকেই আছে। তোমালোকে যিটো চিন্তাৰ বাবে ভাগৰি পৰিছিলা সেইটো মাত্ৰ এটা ভুল ধাৰণা আছিল। অ'ভাৰ। ( আকৌ ক্লিপত থোৱাৰ শব্দ হয়। )

ভূঞা : মোৰ এতিয়া এটা সন্দেহ আছে ছাৰ। মইতো মানুহজনে চিঞৰা আৰু পানীত পৰা শুনিছিলোঁ। মোৰ বাহিৰেও এক্‌জিকিউটিভ অফিচাৰেও

শুনিছিল। কিন্তু দুজন মানুহে এনেকৈ একেটা ভুল কেনেকৈ কৰিব পাৰে ?

কেপ্টেইন : ময়ো তাকে ভাবিছিলোঁ। কিন্তু চোৱা, সকলোবোৰ ৰিপ'ৰ্ট পালোঁ। আৰু এইবিষয়ত অন্ততঃ কোনোৱে ভুল ৰিপ'ৰ্ট কেতিয়াও নিদিয়ে।

চলিহা : কিন্তু ছাৰ, চিঞৰা শব্দটো মই স্পষ্টকৈ শুনিছিলোঁ। ইয়াক কেনেকৈ অস্বীকাৰ কৰোঁ ?

কেপ্টেইন : ( চিন্তিত হৈ—) এৰা—,পৰিস্থিতিটো দেখিছোঁ জটিল হৈ উঠিল।

চলিহা : কিন্তু আচৰিত কথা এয়ে যে কোনেও হ'লে পানীত পৰা মানুহজনক দেখা নাছিল।

( হঠাতে আঁতৰত আৰ্তনাদ এটা অস্পষ্ট হ'লেও ধৰিব পৰাকৈ শুনা যায়। )

কেপ্টেইন : ( ভীষণ আচৰিত হৈ—) সেইটো কিহৰ শব্দ হ'ল ?

( সকলোৰে কথা-বতৰাত এটা আচৰিত ভাৱ বৈ যায়। )

চলিহা : ( খুব চিন্তিত হৈ— ) কথাটো কি! মই একো ভাবি পোৱা নাই। আমি এতিয়া ঘৰৰ পৰা অন্ততঃ পাঁচ শ মাইল আঁতৰত। ঠিক একেই শব্দ, একেই আৰ্তনাদ মই তেতিয়াও শুনিছিলোঁ।..

কেপ্টেইন : আচৰিত—কি বস্তু !

ভূঞা : ঠিক একেটা শব্দ ছাৰ—এইটো শব্দই আমাক বিমোৰত পেলাইছিল। ভৌতিক কিবা এটা বুলি জানো বিশ্বাস কৰিব পাৰি ? তদুপৰি শব্দটো জাহাজৰ কাষ দুটাৰ পৰা অহা নাই, আঁতৰৰ পৰা আহিছে। কি বুলি বিশ্বাস কৰিম ছাৰ ?

কেপ্টেইন : ( চিন্তিত হৈ — ) কিন্তু—

চলিহা : (ক্ষন্তেক বৈ—) কিন্তু একো নাই ছাৰ। মই এইবাৰ বুজিছোঁ। সেয়া আন একো নহয়— ( ভীষণ উদ্বিগ্নতাৰে — ) সেয়া—সেয়া মোৰ জিত—

কেপ্টেইন : ( ধমক দিয়াৰ সুৰত — ) চলিহা !!

চলিহা : (আবেগত অভিভূত হৈ—) একো মিছা—একো অলৌকিক নহয় ছাৰ—সকলো সঁচা। কিন্তু আপুনি কেনেকৈ বুজি পাব ছাৰ ? আপুনি জানো জীৱনত কাৰোবাক ইমান মৰম কৰি পাইছিল—? আপুনি জানো কাৰোবাৰ পৰা ইমান গভীৰ শ্ৰদ্ধা পাইছিল ? মই পাইছিলোঁ ছাৰ।—

কেপ্টেইন : তুমি অলপ শান্ত হোৱা চলিহা।

( ঠিক আগৰ দৰে আৰ্তনাদ এটা পুনৰ শুনা যায়। )

চলিহা : সেয়া, সেয়া ছাৰ—আকৌ সেই শব্দ। মই—মই কেনেকৈ— —

কেপ্টেইন : চলিহা, তুমি শান্ত হোৱা। কিবা এটা আঁতিগুৰি নজনাকৈ তুমি ইমান--

চলিহা : কি আৰু আঁতিগুৰি লাগে ছাৰ ? কিন্তু, মই আপোনাক কেনেকৈ বুজাম ? আপুনি কেনেকৈ উপলব্ধি কৰিব পাৰিব ? বিয়াৰ মাত্ৰ ছমাহৰ পিছত সি ক্ৰুইজলৈ গৈছিল। সেইদিনা আকাশত হয়তো ঠিক এনেকুৱা এটা জোন আছিল। সি গাৰ্ড-ৰেইলত ধৰি থিয় হৈ আছিল।..

কেপ্টেইন : গাৰ্ড-ৰেইলৰ কাষলৈ নেযাবা চলিহা।

চলিহা : একো নহয় ছাৰ ; আপুনি চাওক, বুজক, উপলব্ধি কৰক যে এই বিশাল সাগৰৰ মাজত যদি মই মানুহৰ আৰ্তনাদ শুনোঁ, মই কেনেকৈ সহ্য কৰিব পাৰোঁ ? কওক ছাৰ ? মই কেনেকৈ ভাবিব পাৰোঁ সেইটো জিতৰ আৰ্তনাদ নহয় বুলি ? সেয়া—জিতে মোক মাতিছে ছাৰ। পানীত পৰাৰ দহ ঘণ্টাৰ পিছত তাক বিচাৰি পাইছিল। এই দহঘণ্টা সময় বাৰু সি কেনেকৈ কটাইছিল ? ইমান বহল সাগৰখনৰ বুকুত সি অকলে অকলে কিমান অসহায় হৈ পৰিছিল চাগৈ—সি জানো নিচিঞৰি পাৰে ছাৰ ? ( নিজকে কোৱাৰ দৰে— ) এইখিনি ঠাই—ঠিক এইখিনি ঠাইৰ পৰাইতো জিত পৰিছিল। সি পিছলি গৈছিল নেকি। সি চাগৈ—

( লগে লগে আগৰ দৰে এটা আৰ্তনাদ শুনা যায়। চলিহাই 'জিত' বুলি চিঞৰি দিয়ে। লগে লগে পানীত এটা শব্দৰ সৃষ্টি হয়। )

কেপ্টেইন : চলিহা ! চলিহা !!

ভূঞা : ( আঁতৰৰ পৰা দৌৰি অহা জোতাৰ শব্দ হয়। ) ককাইদেউ--

( এটা খেলিমেলিৰ সৃষ্টি হয়। মাইক্ৰ'ফোনটো ক্লিপৰ পৰা উলিয়াই অনা শুনা যায়। )

কেপ্টেইন : ডিছ্ ইজ্ কেপ্টেইন স্পিকিং ; মেন-অভাৰ-বৰ্ড। লৱাৰ ডি হুৱেলাৰ। এক্‌জিকিউটিভ অফিচাৰ চলিহা পানীত পৰি গৈছে। অ'ভাৰ।

( লগে লগে এলাৰ্ম চিগনেল বাজি উঠে। পিছৰ কথাৰ মাজতো মৃদু হৈ এলাৰ্ম চিগনেল বাজিয়েই থাকে। )

কেপ্টেইন : ( ব্যস্ততাৰে— ) লেফ্‌টেনেণ্ট ভূঞা !

ভূঞা : ছাৰ !

কেপ্টেইন : তুমি নিজে ব'টত যোৱা, পলম নকৰিবা।

( যাবলৈ দুটামান খোজ দিয়ে। ঠিক তেনেকুৱা সময়তে আগৰ দৰে আৰ্তনাদ এটা একেবাৰে ওচৰতে শুনা যায় আৰু লগে লগে কিবা গধুৰ বস্তু এটা জাহাজত পৰি যোৱাৰ শব্দ হয়। )

কেপ্টেইন : সেইটো কি ? কি পৰিল ?

ভূঞা : ( ইউৰেকা সুৰেৰে— ) এটা উৰণীয়া মাছ ছাৰ ! —ফ্লাইং ফিছ্ !

কেপ্টেইন : (ভীষণ আচৰিত হৈ—) কি ? ফ্লাইং ফিছ্ ? মইতো কল্পনাই কৰিব পৰা নাছিলোঁ যে মাছেও এনেকৈ মানুহৰ দৰে চিঞৰিব পাৰে বুলি। মাছটো ইয়াত আহি পৰিল বুলিহে ; নহ'লে এইটো এটা ৰহস্য হৈয়েই থাকিলহেঁতেন। (কথাৰ সুৰ সলাই আগৰ ব্যস্ততাৰে—) এইবোৰ এতিয়া এৰা, লেফ্টেনেণ্ট ভূঞা, তুমি যোৱা।

ভূঞা : যাওঁ ছাৰ—। তেখেতক বচাবই লাগিব।

কেপ্টেইন : ওঁ ; সোনকালে—

(এযোৰ জোতা বেগাই আঁতৰি যোৱা শুনা যায়। এলাৰ্ম্ চিগনেল প্ৰকট হৈ আহে আৰু লাহে লাহে আঁতৰি যায়।)

# ইংৰাজ কবিৰ দৃষ্টিত ইষ্ট্-ইণ্ডিয়া কোম্পানীৰ ভাৰতবৰ্ষ

**শ্ৰীদিগন্তকুমাৰ খাৰঘৰীয়া**
প্ৰথম বাৰ্ষিক কলা

অষ্টাদশ শতিকাৰ শেষ ভাগত কেইগৰাকীমান ইংৰাজ কবি ভাৰতৰ ৰাজনৈতিক বিপৰ্যয় আৰু ভাৰতবাসীৰ স্বদেশপ্ৰীতিত অভিভূত হৈ পৰিছিল। আন হাতেদি পাৰ্লিয়ামেণ্টত কেইবাখনো ভাৰতীয় বিলৰ আলোচনা হোৱাৰ সময়ত ৱাৰেন্ হেষ্টিংচৰ ওপৰত অভিযোগ অনাৰ উপৰিও Secret and Select Committeeয়ে ইষ্ট্-ইণ্ডিয়া কোম্পানীৰ ওপৰত তোলা নানান অভিযোগে ইংৰাজ জনসাধাৰণক ভাৰতৰ বিষয়ে বেছিকৈ উৎকণ্ঠিত কৰি তুলিছিল। প্ৰকৃতপক্ষে কবি কপাৰ আৰু কেম্প্‌বেলে ভাৰতীয় জীৱনধাৰাৰ বিষয়ে বহুত কথা ইষ্ট-ইণ্ডিয়া কোম্পানীক লৈ 'হাউচ অব্ কমন্স'ত হোৱা বাক্‌বিতণ্ডাৰ পৰাই সংগ্ৰহ কৰিছিল।

ইংৰাজ কবি ক'লৰিজে ভাৰতবাসীৰ কথা কোনো কবিতাতেই বিশেষভাবে উল্লেখ নকৰিলেও 'Fears in Solitude' কবিতাত ইংৰাজ বেপাৰীৰ সমালোচনা আগবঢ়াইছিল। অৱশ্যে ভাৰতত ইংৰাজ বেপাৰীৰ প্ৰাদুৰ্ভাৱৰ কথাই তেওঁৰ এই কবিতাত ঠাই পাইছিল। ১৭৮৩ চনত ফক্সৰ 'ইণ্ডিয়া বিল'ৰ ওপৰত বাৰ্কেৰ বহুত বাদানুবাদ প্ৰকাশিত হৈছিল। ক'লৰিজেও উক্ত কবিতাত বাৰ্কেৰ পথ অনুসৰণ কৰিছিল আৰু তেওঁৰ এই ৰচনাই আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ১৯৩৮ চনত Victor Gollanczৰ সম্পাদনাত 'Poems of Freedom' নামৰ কবিতা-সংগ্ৰহত ১৬৯ টা কবিতা প্ৰকাশ পাইছে। কিন্তু তাত কপাৰ আৰু কেম্পবেলৰ ভাৰতৰ বিষয়ে লেখা কোনো পংক্তিকেই ঠাই দিয়া হোৱা নাই। উল্লেখযোগ্য যে তেতিয়াৰ বৃটিছ কবিসকলৰ মাজত বিশেষভাবে এই দুজনেই ভাৰতীয় প্ৰজাসাধাৰণৰ দুখৰ আঙুৰ ৰসৰ কথা উপলব্ধি কৰিছিল। 'Fears in Solitude' প্ৰকাশ হোৱাৰ লগে লগে 'Poems of Freedom'ক ভাৰতৰ কথা অনুভৱ কৰিবলৈ সুবিধা দিছে। তদুপৰি আল্‌ডুছ্ হাক্স্‌লীয়ে ক'লৰিজৰ কবিতাক 'Text and Pretext' গ্ৰন্থত প্ৰকাশ কৰিছিল। হাক্সলীয়ে নিজেই ক'লৰিজৰ কবিতাত পৰাভূত হৈ কৈ পেলাইছিল—"The modern conscience is inclined to endorse Coleridge's judgment rather Kipling's' ৱৰ্ডচ্‌ৱৰ্থৰ চনেটতো

ভাৰতৰ কথা উল্লেখ নথকা নহয়। কবিয়ে ইংলণ্ডক নিন্দা কৰি লেখিছে—

If for Greece, Egypt, India, Africa
Aught good were destined thou wouldst step between.

ইংলণ্ডৰ বহুতো কবিৰ মাজত কেম্প্‌বেলৰ ভাৰতক লৈ লেখা কবিতা বিশেষ আকৰ্ষণীয়। তেওঁৰ কবিতাত ন্যায় আৰু স্বাধীনতাৰ সোৱাদ পোৱা যায়। এজন লেখকে কেম্প্‌বেলৰ বিষয়ে কৈছে—"As a true lover and spirited exponent of freedom and justice Campbell was next only to Byron and Shelley." কেম্প্‌বেলৰ ৰাজনৈতিক মতবাদত সহনশীলতা আছিল। ৰাজনৈতিক বা-মাৰলিত জুৰুলা হোৱা জাতি এটাক কেম্প্‌বেলে সহানুভূতি দেখুৱাইছিল। লৰ্ড কানিংহামৰ এষাৰ মন্তব্যই তেওঁৰ ব্যক্তিত্বৰ কথা সোঁৱৰাই দিয়ে—"I have a vivid recollection of having taken Campbell to the closing scene in court of a capital trial of a man who was condemned to death for embezzling money from letters. Nothing could excel the pain that Cambell felt at this exhibition. He left the court in tears and denounced our whole system as barbaric and cruel." এবাৰ এডেনবাৰ্গত গেৰেল্ড আৰু মুইৰ নামৰ দুজন স্কটীয় সংস্কাৰকৰ বিচাৰে কেম্প্‌বেলৰ বুকুত মচিব নোৱাৰা সাঁচ বহুৱাইছিল। ভাৰতীয় জনতাৰ প্ৰতি সমবেদনা জনাই ১৭৯৯ চনত কেম্প্‌বেলে 'The pleasure of Hope' নামৰ কবিতাটো প্ৰকাশ কৰে। কবিৰ বয়স তেতিয়া ২২ বছৰ। এই কবিতাত তেওঁ পোলেণ্ড, আফ্ৰিকা আৰু ভাৰতবৰ্ষত বিদেশী জাতিৰ প্ৰভুত্বৰে জুৰুলা হোৱাৰ কথাকে বিশেষভাৱে উনুকিয়াইছে। ভাৰতৰ কথা উল্লেখ থকা অংশত স্বাধীন ভাৰতৰ ভৱিষ্যদ্বানী দিবলৈ নেপাহৰিছিল। কেম্প্‌বেলৰ শিৰাই-উপশিৰাই মাত্ৰ ভাৰতবৰ্ষত বৃটিছৰ ঘৃণনীয় কাৰ্যৰ কথা অনুভৱ হৈছিল যেন বোধ হয়। 'The pleasure of Hope.' কবিতাত ভাৰতৰ বিষয়ে উল্লেখ থকা অংশক চাৰি ভাগত ভাগ কৰিব পাৰি। প্ৰথম অংশত কবিয়ে মুছলমানৰ আক্ৰমণ আৰু বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে হিন্দুৰ অদম্য সাহসৰ কথা বৰ্ণনা কৰিছে। আনহাতেদি ভাৰতবৰ্ষৰ সৌন্দৰ্য আৰু প্ৰাকৃতিক বৰ্ণনাই কেম্প্‌বেলক আমাৰ চকুৰ আগত চিৰসুন্দৰৰ পূজাৰীৰূপে চিনাকি দিয়ে। দ্বিতীয় অংশত কেম্প্‌বেলে বৃটিছসকলে ভাৰতত মুক্তিকামীৰ প্ৰধান ভূমিকা গ্ৰহণ কৰাৰ পৰিবৰ্তে দাসত্বৰ জিঞ্জিৰি বেছি শিথিল কৰাৰ ঘোৰ প্ৰতিবাদ কৰিছে। তৃতীয় অংশত কবিয়ে বৃটিছ বেপাৰীৰ ভাৰতত বেপাৰ কৰাৰ কদৰ্য ৰূপটো দেখুৱাইছে। প্ৰকৃততে ইষ্ট্-ইণ্ডিয়া কোম্পানীৰ ধনলিপ্সাত নিজৰ দেশৰ মানুহে সমালোচনা স্পষ্টভাৱে কৰিছিল। ভাৰতীয় অৰ্থনীতিবিদ্, বুৰঞ্জীবিদ্‌সকলৰ দৃষ্টিতো বৃটিছৰ বাণিজ্যত একাধিপত্যৰ ছবি অঙ্কিত হৈছিল। আনহাতেদি ভাৰতীয় মহাজনসকলে বৃটিছ সদাগৰসকলক সুখী কৰিবলৈ গৈ কৃষকসকলৰ পৰা নানান সামগ্ৰী অতি কম মূল্যতে কিনা কামেই সকলোকে ক্ষুব্ধ কৰিছিল। কেম্প্‌বেলে উক্ত কবিতাৰে কোম্পানীৰ নিন্দনীয় কাৰ্যাৱলীক নিন্দা কৰিছে। আনহাতে তেওঁ ভাৰতৰ স্বাধীনতা লাভ আৰু বৃটিছৰ ধ্বংস অৱশ্যম্ভাৱী বুলি ঘোষণা কৰিছে। ইয়াতে ক্ষান্ত নেথাকি শোষণকাৰীক 'কল্কি' অৱতাৰে ৰাজ্যচ্যুত কৰিব বুলিও চিঞৰিছে——

To pour redness on India's injured realm,
The oppresson to dethrone, the proud to whelm,
To chase destruction from her plundered shore
With arts and arms that triumphed once before,
The tenth Avatar comes ! at Heaven's command
Shall Seriswattee wave her hallowed wand !
And Camdeo bright, and Garesa sublime,
Come, Heavenly powers, primeval peace restore !
Love ! Mercy ! Wisdom ! rule for evermore !

কপাৰৰ কবিতাতো ভাৰতবৰ্ষত বৃটিছৰ উৎপীড়নৰ কথা নিহিত আছে। প্ৰকৃতপক্ষে কপাৰ ৰোমাণ্টিচিজিমৰ অগ্ৰদূত হ'লেও স্বাধীনতা ভালপোৱা জাতি এটাক মৰম কৰিব জানিছিল। গতিকেই নিশ্চয় তেওঁৰ কবিতাই উনেশ শতিকাৰ বহুতো কবিকে প্ৰেৰণা দিছিল। এসময়ত ইষ্ট্–ইণ্ডিয়া কোম্পানীৰ ওপৰত লণ্ডনে আস্থা হেৰুৱাই পেলাইছিল। সেই সময়ত ক্লাইভৰ সামাজিক কলুষিতাৰ কথা কিতাপত স্পষ্টভাৱে প্ৰকাশ পাইছিল আৰু হেষ্টিংচৰ দুৰ্ব্যৱহাৰৰ কথাই বৃটেইনক ব্যতিব্যস্ত কৰি তুলিছিল। কপাৰে স্পষ্টভাৱে স্বজাতিৰ ভাৰতীয় জনসাধাৰণৰ ওপৰত কৰা অত্যাচাৰৰ চোকা সমালোচনা কৰিছিল। গভীৰ মানৱতাবোধেৰে তেওঁ সকলোবোৰ কথা নিৰীক্ষণ কৰিছিল আৰু স্বজাতিৰ দুৰ্ব্যৱহাৰত নিজেই লজ্জিত হৈ পৰিছিল। 'Expostulation' নামৰ কবিতাত

অতি সুন্দৰভাৱে কপাৰে বৃটিছ বেপাৰীসকলৰ বিনাশ আৱশ্যম্ভাৱী বুলি লেখিছে। কপাৰৰ অন্য এক যুগান্তকাৰী ৰচনা হ'ল 'The Task'। এই দীঘলীয়া কবিতাটো কবিয়ে ছটা খণ্ডত প্ৰকাশ কৰিছিল। ইয়াৰে 'The Sofa' নামৰ প্ৰথম খণ্ডত ভাৰতস্থ ইংৰাজৰ ধনৰ হুতাহৰ বিচাৰ নোহোৱাত আৰু আন-হাতে সামান্য দোষত চোৰক ফাঁচী-কাঠত ওলমোৱা কথাত বিস্ময় হৈ লেখিছিল—

That thieves at home must hang, but he that puts
Into his over-gorged and bloated purse
The wealth of Indian provinces escapes.

'The Winter Evening' নামৰ কবিতাত কপাৰে গভীৰ উৎকণ্ঠতাৰে ভাৰতৰ কথা জানিব খুজিছে—

'Is India free? and does she wear her plumed
And jewelled turban with as mile of peace
Or do we grind her still?

কপাৰে ভাৰতীয় জনসাধাৰণৰ অন্তৰৰ প্ৰচণ্ড অনুভূতিক অনুভৱ কৰি ইষ্ট-ইণ্ডিয়া কোম্পানীক কটু সমালোচনা কৰিছিল। স্পষ্টবাদিতাই উইলিয়াম কপাৰৰ কবিতাক বেছি মনোৰম কৰি তুলিছিল। ১৭৮৪ চনত ৰেভাৰেণ্ড উইলিয়াম আনউইনলৈ লেখা চিঠিত কোম্পানীৰ ধনলিপ্সা আৰু পুতৌহীনতাৰ কথা তেওঁ নিঃসঙ্কোচভাৱে ব্যক্ত কৰিছিল। লেডী হেচকেথলৈ লেখা আনখন চিঠিতো ৱাৰেন্ হেষ্টিংচক তিক্ততাৰে সমালোচনা কৰিছিল। আচলতে ফক্স আৰু বাৰ্কৰ 'হাউচ অব্ কমন্স'ত ১৭৮৩ চনৰ ভাৰতীয় বিলৰ ওপৰত দিয়া চোকা সমালোচনাৰ মূলতে উইলিয়াম কপাৰৰ ভাৰতবৰ্ষ আৰু ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ওপৰত দিয়া উক্তিৰ প্ৰতিধ্বনি মাথোন।

ইংৰাজ কবিসকলৰ মাজত কপাৰ আৰু কেম্প্বেলৰ কবিতাত ভাৰতবৰ্ষই উল্লেখযোগ্য পদক্ষেপ আগবঢ়াইছে। নিসন্দেহে ক'ব পাৰি যে কপাৰ আৰু কেম্প্বেলৰ কবিতাত তুলনামূলকভাৱে পাৰ্থক্য আছে; কিয়নো কপাৰে ভাৰতৰ বৃটিছ বণিকক ঘৃণা কৰিছিল আৰু অত্যাচাৰত অতিষ্ঠ হৈ পৰা জনসাধাৰণক সহানুভূতি দেখুৱাইছিল; কিন্তু কেম্প্বেল ভাৰতীয় লোকৰ দৰে বিদ্ৰোহী হৈ পৰিছিল। ভাৰতবৰ্ষৰ নতুবা ইয়াৰ ইতিহাসৰ বিষয়ে কপাৰ নতুবা আন ইংৰাজ কবিতকৈ কেম্প্বেলৰ জ্ঞান নিশ্চয় অপ্ৰতিদ্বন্দ্বী আছিল। কেম্প্বেলে ভাৰতীয় জনজীৱনৰ বহুতো কথা বন্ধু জন লেডেনৰপৰা জনা যেন অনুমান হয়।

বাইৰনৰ লেখনীত কিঞ্চিৎ হ'লেও ভাৰতৰ কথা পোৱা যায়। তেওঁৰ কবিতাত একেই সুৰ—একেই গৰিমা। 'The curse of Minerva' কবিতাটোত ভাৰতৰ অত্যাচাৰী বৃটিছ বেপাৰীবোৰক মিনাৰ্ভাৰ যোগেদি অভিশাপ দিছিল। "Monody on the Death of the Right Hon. R. B. Sheridon" নামৰ কবিতাত চেৰিডনৰ মন্তব্য উল্লেখ কৰিছিল। এই কবিতাত বাইৰনৰ অত্যাচাৰীৰ প্ৰতি বিদ্বেষভাৱ ফুটি উঠিছে—

When the loud cry of trampled Hindostan
Arose to Heaven in her appeal from Man,
His wase the thunder—his the avenging rod,
The wroth—the delegated voice—of God.

ইংৰাজ কবিৰ কবিতাত ভাৰতবৰ্ষৰ কথা প্ৰকাশ হোৱাৰ লগে লগে বিশ্বই এখন বাস্তৱ চিত্ৰৰ কথা জানিলে। গতিকেই নিশ্চয়কৈ ক'ব পাৰি যে পাঠকৰ দৃষ্টিত এনে বৰ্ণনাই উচ্চস্থান পাইছে। প্ৰত্যেক পাঠকেই কবিতা পঢ়ি এবাৰ হ'লেও ভাৰতৰ প্ৰতি এখন সহানুভূতিশীল অন্তৰ আগবঢ়াইছে। এই বিষয়ত ভাৰতবাসী ইংৰাজ কবিৰ ওচৰত কৃতজ্ঞ। স্বজাতিৰ কু-কাৰ্যক কঠোৰভাৱে সমালোচনা কৰা কাৰ্য নিশ্চয় প্ৰশংসনীয়। এইবাবেই বিশ্বৰ পাঠকশ্ৰেণীৰ চকুত ইংৰাজ কবিৰ বৰ্ণনাই উচ্চস্থান পোৱা বুলি আশা কৰিব পাৰি।

( ছাঁ লৈ লেখা )

শ্রীমৃণাল বৰুৱা
প্ৰথম বাৰ্ষিক কলা

# ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প

কলা হৈছে মানুহৰ সৌন্দৰ্যানুভূতি বা প্ৰেম-ভাৱৰ ৰূপ পাই সজীৱ হোৱা জীৱনৰ অভিব্যক্তি। সাহিত্যাঙ্কন এই কলাৰ প্ৰাণকেন্দ্ৰ আৰু চুটিগল্প এই প্ৰাণকেন্দ্ৰৰ অংশবিশেষ। কৰ্মব্যস্ত মানুহক কম সময়তে সৌন্দৰ্যৰ শিহৰণ তুলি অনুভূতি যোগোৱাৰ বাহিৰেও চুটিগল্পত যথেষ্ট চিন্তা আৰু বাস্তৱতাৰ থল আছে। অতীজৰে পৰা অলৌকিক কাৰ্যকলাপেৰে সাধুকথাস্বৰূপে প্ৰকাশ পাই অহা এইবিধ সাহিত্যই আধুনিক যুগত বাস্তৱ কাহিনীৰে অঙ্কিত হৈ চুটিগল্পৰূপে প্ৰকাশ পাইছে। অসমীয়া ভাষাত 'আৱাহন'ৰ আগৰ আৰু পিছৰ চুটিগল্পৰ স্তৰ দুটাক মহাসমৰৰ পিছৰপৰা আধুনিক চুটিগল্পত ৰূপ দিয়া হয়। আধুনিক অসমীয়া চুটিগল্পৰ ক্ষেত্ৰত ভবেন্দ্ৰনাথ শইকীয়াৰ বৰঙণি উল্লেখযোগ্য আৰু এই যুগৰ গল্প-সাহিত্যত তেওঁৰ নাম অবিস্মৰণীয়।

গল্প সুসংগঠ আৰ্ট। ভবেন্দ্ৰনাথ শইকীয়াৰ লেখনীত প্ৰকাশ পোৱা এনে আৰ্টে বেজবৰুৱাৰ হাতত জন্মলাভ কৰি কেইজনমান গল্পকাৰৰ হাতত গঢ় লোৱা অৱস্থাটোত যেন যৌৱনত্ব প্ৰদান কৰিছে। উৎকৃষ্ট ৰচনাভঙ্গী কলা-কৌশল আৰু বাস্তৱতাৰ অভিজ্ঞতাৰে শইকীয়াই সামাজিক জীৱনৰ মনোমোহা চিত্ৰসমূহ সহজ আৰু প্ৰাঞ্জল ভাষাত দাঙি ধৰিছে। 'প্ৰহৰী' আৰু 'বৃন্দাবন' গল্প-পুথি দুখনৰ উপৰিও শইকীয়াৰ বহুতো গল্প আলোচনী-বাতৰি কাকত, গল্পসংগ্ৰহ আদিত সিঁচৰিত হৈ আছে। তেওঁৰ গল্পৰ ভাৱধাৰা কিছু জটিল আৰু কেইবাটাও গল্পৰ কাহিনী, চৰিত্ৰসৃষ্টি আদিত নতুনত্ব দেখা যায়। মূল চৰিত্ৰৰ পূৰ্ণ বৰ্ণনা পৰিস্ফুট কৰি তুলিবলৈ অন্যান্য সৰু-সুৰা কাহিনী বা চৰিত্ৰ সৃষ্টি কৰাতেই তেওঁৰ গল্পবোৰ বুজিবলৈ জটিল হৈ পৰিছে। বিশ্লেষণ কৰি চালে শইকীয়াৰ গল্পত মাজে মাজে অসাৱধানতাৰ পৰিচয় পোৱা যায় যদিও তেওঁৰ কলা-কৌশলে সেই অসাৱধানতাক সম্পূৰ্ণ দমন কৰি ৰাখিব পাৰিছে। এলেন পো বা মোপাচাঁৰ দৰে শইকীয়ায়ো মূল কাহিনীত গুৰুত্ব দি সহজ আৰু প্ৰাঞ্জল ভাৱ-ভঙ্গীৰে গল্পসমূহ প্ৰকাশ কৰিছে। পোৰ দৰে শইকীয়াৰো গল্পৰ কলা-কৌশল উৎকৃষ্ট আৰু পৰিণতি সুচিন্তিত। হেমিংৱেৰ গল্পত থকা ত্ৰিভুজাকৃতিৰ চৰিত্ৰসৃষ্টিৰ প্ৰভাৱ শইকীয়াৰ কেইবাটাও গল্পত পৰিছে। 'দৰিদ্ৰ কুবেৰ, 'বাৰান্দা' আদি গল্পত তেওঁ এই প্ৰভাৱৰ দ্বাৰা এটা চৰিত্ৰত গুৰুত্ব আৰোপ কৰি বাকী কেইটা চৰিত্ৰৰ অজ্ঞাততে ঘটনাভাগ আগবঢ়াই নি পৰিণতিৰ ফালেহে আচল ৰূপটো পৰিস্ফুট কৰি তুলিছে। বাক্য-চাতুৰ্যৰ মাজেৰে আগবাঢ়িলেও এনে আকৃতিত চৰিত্ৰ সৃষ্টি কৰাত ঠায়ে ঠায়ে অনাৱশ্যকীয় বৰ্ণনাৰে গল্প কেইটা ভাৰাক্ৰান্ত আৰু দীঘলীয়া হৈ পৰিছে।

শইকীয়াৰ গল্পসমূহ লক্ষ্মীনন্দন বৰা আৰু চন্দ্ৰপ্ৰসাদ শইকীয়াৰ প্ৰায়বোৰ গল্পৰ দৰে ক্ৰমে অকল সমাজৰ নিম্ন শ্ৰেণী আৰু ধনী বা সম্ভ্ৰান্ত শ্ৰেণীৰ মানুহৰ মাজতে আবদ্ধ নহয়। তেওঁৰ গল্পত সমাজৰ ধনী-দুখীয়াৰ জীৱনযাত্ৰাৰ সামূহিক ৰূপটোহে ফট্‌ফটীয়া হৈ উঠিছে। সমব্ৰতাৰ মহানুভূতিৰ মাজেৰে তেওঁ বিচৰণ কৰিছে আধুনিক জগতৰ মাজত। আমেৰিকাৰ বা ৰুচ গল্পলেখকসকলৰ দৰে তেওঁৰ গল্পত হাস্যৰসৰ প্ৰভাৱ নাই, যদি ক'ৰবাত প্ৰকাশ পাইছে সিও গল্পকাৰৰ অজ্ঞতাতহে যেন প্ৰকাশিত হৈছে।

শইকীয়াৰ কাহিনী ৰচনাত এটা কথা মন কৰিব লগীয়া যে তেওঁ প্ৰত্যেক গল্পতে প্ৰেমৰ মৰ্য্যদা স্বীকাৰ কৰিছে—সাধাৰণ পাঠক-পাঠিকাৰ মনৰ কামনা বা মানসিক ভোগ পূৰণাৰ্থে নহয়, কাহিনীটোৰ লগত কেইটামান চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য বজাই ৰাখি গল্পটোৰ পূৰ্ণ মৰ্য্যদা স্বীকাৰ কৰাৰ উদ্দেশ্যেহে। এই ক্ষেত্ৰত শইকীয়াৰ চৈয়দ আব্দুল মালিকৰ লগত যথেষ্ট সাদৃশ্য আছে। অৱশ্যে যৌন জীৱনৰ ছবি মালিকে যি নিখুঁতভাৱে অঙ্কন কৰিছে শইকীয়াই সেইদৰে অঙ্কন কৰিব নোৱাৰিলেও তাত উপযুক্ত ৰং বোলাই ৰঙীন কৰি তুলিব পাৰিছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ পৰা চৰিত্ৰ বুটলি আনি কোমল মনৰ অনুভূতি আৰু অপৰিসীম মোহেৰে দুয়োজন গল্পকাৰে গল্পবোৰ পৰিণতিৰ ফালে আগুৱাই নিছে। শইকীয়াই মূল প্ৰেমক গা-গছ হিচাবে লৈ তাৰ বিভিন্ন অংশ হিচাবে লৈছে যৌন-আবেদন, ফুলশয্যাৰ ৰাতি, যুগ্ম-জীৱন, বিবাহৰ পূৰ্বে বা পিছত ঘটা ঘটনা আদি। অৱশ্যে শইকীয়াৰ গল্পত এইবোৰ আহিলাৰে হোমেন বৰগোহাঞি, পদ্ম বৰকটকী আদিৰ গল্পত থকা উন্মুক্ত যৌন আচৰণ প্ৰকাশ

নেপায়। প্লট ৰচনাত শইকীয়া আৰু যোগেশ দাসৰ কিছু বিসাদৃশ্য থাকিলেও দুয়োজন গল্পকাৰে যেন একে উদ্দেশ্য লৈয়ে গল্প ৰচনা কৰে। শইকীয়াৰ বিজ্ঞান জগতৰ লগত এক ঘনিষ্ঠ সমন্ধ থাকিলেও তেওঁ যেন বিজ্ঞান জগত আৰু সাহিত্য জগতক একেলগে সাঙুৰি ল'বলৈ টান পায়, অতি যত্নেৰে এই বিজ্ঞানৰ প্ৰভাৱ তেওঁৰ গল্পবোৰত পৰিবলৈ নিদিয়াকৈ ৰাখিছে। সৌৰভকুমাৰ চলিহাৰ গল্পত কিন্তু বিজ্ঞানৰ প্ৰচুৰ প্ৰভাৱ পৰিছে। তেওঁ বিজ্ঞান আৰু সাহিত্যৰ সংমিশ্ৰনত এক নতুন বস্তু উদ্ভাৱনতহে যেন লিপ্ত হৈছে এনে লাগে। অৱশ্যে এই ক্ষেত্ৰত তেওঁৰ গল্পবোৰ অসমীয়া ভাষাত লেখা পাশ্চাত্য গল্পৰ বাহিৰে যে একো নহয় ইয়াক সমালোচকসকলে স্বীকাৰ কৰিছে। ভবেন্দ্ৰনাথ শইকীয়াই চৰিত্ৰসৃষ্টিৰ বেলিকা পৰিবেশৰ ওপৰত সূক্ষ্ম দৃষ্টি ৰাখে আৰু এনে পৰিবেশৰ মাজতেই মানসিক দ্বন্দ্ব পৰিস্ফুট কৰিব পাৰিছে। কিন্তু চলিহাই পৰিবেশ ৰচনা গৌণ কাৰ্য হিচাবেহে গ্ৰহণ কৰে; তাৰ ওপৰত যেন তেওঁৰ সমূলি আস্থা নাই।

ৰজনী মাষ্টৰ আৰু তেওঁৰ সহধৰ্মিনী ভাগ্যৱতীৰ মানসিক আৰু বাহ্যিক সংঘাতেৰে পৰিপূৰ্ণ ভবেন্দ্ৰনাথ শইকীয়াৰ 'প্ৰহৰী' নামৰ গপ্লটোত সামাজিক জীৱনৰ এখনি বিতোপন ছবি অঙ্কিত হৈছে। গভীৰ ভাৱসমৃদ্ধ আৰু বিস্তৃত বৰ্ণনাৰে গল্পটো ৰজনী মাষ্টৰৰ অৱলম্বনত আৰম্ভ হৈ ভাগ্যৱতীৰ ওপৰতহে গুৰুত্ব আৰোপ কৰাত আৰম্ভণি আৰু মধ্যাংশৰ সামঞ্জস্য হেৰাই যোৱা যেন লাগে। চুটিগল্পৰ সংজ্ঞাৰ ফালৰ পৰা চাবলৈ গ'লে গল্পটো দীঘল যেন লাগে। অৱশ্যে অন্য দৃষ্টিভঙ্গীৰ পৰা চালে দেখা যায়, সৰহভাগ পাঠক-পাঠিকাৰ গল্প পঢ়াৰ মূল উদ্দেশ্য মানসিক ভোগ লাভ কৰা হ'লেও চিন্তাশীল পাঠক-পাঠিকাই বিচৰা লেখকৰ উন্নত অন্তৰ্দৃষ্টি 'প্ৰহৰী'ত গভীৰভাবে ফুটি উঠিছে।

শইকীয়াৰ অন্য গল্পবোৰৰ লগত 'দৰিদ্ৰ কুবেৰ' নামৰ গল্পটো নিমিলে। ই এক নতুন পেটাৰ্নেৰে ৰচিত। এটা চৰিত্ৰকে বিভিন্ন দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰাত চৰিত্ৰসমূহৰ ওপৰত ধাৰণাও স্পষ্ট হৈ পৰিছে। কিন্তু গল্পটোৰ আৰম্ভণিতে মৃণাল চৌধুৰীয়ে নন্দিতাৰ ওপৰত যি গুৰুত্ব আৰোপ কৰিছিল সেই গুৰুত্ব সুধাময়ে সোণালীৰ ক্ষেত্ৰতহে আৰোপ কৰাত নন্দিতাৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পূৰ্ণ ফুটি উঠিবলৈ নেপালে। সেইদৰে শইকীয়াৰ আন এটা গল্প 'বন্দীশাল'ত চিত্তৰঞ্জনৰ শাৰীৰিক উপস্থিতি সুস্পষ্ট যদিও পুহমহীয়া বৰষুণৰ দৰে হঠাৎ ৰাণীৰ প্ৰভাৱে সেই স্পষ্টতাক অস্পষ্ট কৰি কাৰো চৰিত্ৰৰ পূৰ্ণ প্ৰকাশৰ সুবিধা নিদিলে। অৱশ্যে চুটিগল্পত চৰিত্ৰসমূহৰ জীৱনৰ এটা দিশহে প্ৰকাশ পায় যদিও সেই দিশটোৰ ধাৰণা স্পষ্ট কৰি তুলিলে পাঠক-পাঠিকাই সেই চৰিত্ৰসমূহত জীৱনৰ ৰূপ বিচাৰি ল'ব পাৰে। 'বাৰান্দা'ত মায়াৰ প্ৰভাৱ আৰম্ভণিতে দেখিবলৈ পোৱা নেযায়; কিন্তু গল্পটোৰ মাজখণ্ডত চমকপ্ৰদ ভাবে মায়াৰ আবিৰ্ভাৱ হোৱাত আৰু পৰিণতিৰ সময়ত মায়াৰেই প্ৰভাৱ পৰাত গল্পটোত মায়াহে প্ৰধান চৰিত্ৰ নেকি ভাবিবলগীয়া হয়। আনহাতে লেখকে ভাৱপ্ৰকাশৰ বাবে তিনিফালৰ পৰা এই গল্পটো আগবঢ়াই নিয়াত চৰিত্ৰসমূহৰ মাজত ভাৱৰ খেলিমেলিৰ সৃষ্টি হৈছে।

'সৎকাৰ' গল্পটোত সদায় শ্মশানলৈ শৱযাত্ৰী হৈ যোৱাৰ সাজ-পোচাক পিন্ধি থকা মানুবোৰক দেখি এনে লাগে যেন তেওঁলোকক ভগৱানে সৎকাৰৰ বাবেই জন্ম দিছে। কিন্তু এনে সংযত ভাষাৰে আৰম্ভ কৰি শিহৰণ জগাই তোলা ভাৱটোক পিছৰ সাংসাৰিক ধৰ্মেৰে সামৰি লোৱাত কিছু খাপচ্যুত হোৱা যেন লাগে। ইয়াত যেন গল্পকাৰে স্বামী-স্ত্ৰীয়ে কঢ়িয়াই লৈ ফুৰা দুখন গধূৰ অন্তৰৰ বাহিৰে অন্য একো প্ৰকাশ কৰিবলৈ ইচ্ছা কৰা নাই। অৱশ্যে বাহ্যিক দ্বন্দ্ব গল্পটোৰ উল্লেখযোগ্য বৈশিষ্ট্য। আন এটা গল্প 'অমৃত'ত একে ঘৰুৱা পৰিবেশেই প্ৰকাশ পালেও ইয়াৰ 'সৎকাৰ'ৰ লগত বহুত পাৰ্থক্য আছে। 'অমৃত'ত অন্তৰ্দ্বন্দ্ব স্পষ্ট হৈছে। গল্পটোত গল্পকাৰৰ ৰচনা-কৌশল আৰু প্লট নিৰ্বাচনৰ পূৰ্ণ সাৰ্থকতা স্বীকাৰ কৰিব লগীয়া। পৰিণতিৰ ফালে মায়াৰ যি মানসিক পৰিবৰ্তন দেখা যায় সেই পৰিবৰ্তন যেন আগন্তুকক সুন্দৰভাবে আদৰণি জনাবলৈকে আৱশ্যক হৈ পৰিছিল। মায়াৰ আকস্মিক পৰিবৰ্তনৰ কাৰণ ছায়াৰ বিলাসিতাৰ প্ৰভাৱ বুলি ধৰি লোৱা তিলকে নিজৰ ভুল জানিব পাৰি যেন উপলব্ধি কৰিছিল—ছায়াই সিহঁতলৈ অমৃতহে দি গৈছিল। এটা বাক্যতে গল্পৰ ভাৱধাৰাৰ থূল-মূল এটা বিৱৰণ দিব পৰা ক্ষমতা শইকীয়াৰ নোহোৱা নহয়। উদাহৰণস্বৰূপে দিবাকৰক ফেনাইল পৰা মাখিৰ লগত তুলনা কৰাত গল্পটোৰ বহুত কথা প্ৰকাশ পাইছে।

শইকীয়াৰ 'সময়', 'অনুগত ভৃত্য' আদি কিছুমান গল্পৰো মাজখণ্ড ভাৰাক্ৰান্ত হৈ পৰিছে। 'সময়'ত শেষৰ পিনে মূল চৰিত্ৰৰ লগত লঘূ চৰিত্ৰৰ সংযোগ ঘটাই গল্পটোৰ পৰিণতি অনা হৈছে। ইয়াত গল্পকাৰে মথুৰা শৰ্মা আৰু কল্যাণ দাসৰ কথাৰে আৰম্ভ কৰি অপূৰ্ব আৰু সবিতাৰ ওপৰতহে প্ৰাধান্য আৰোপ কৰিছে। 'অনুগত ভৃত্য'ত চৰিত্ৰৰ

প্ৰভাৱেৰেই গল্পটো বহুদূৰ আগুৱাই নিছে। পূৰ্ণিমাৰ দেউতাকৰ ওচৰত সুকুমাৰে নিষ্প্ৰভ আৰু ম্ৰিয়মান হৈ উচ্চাৰণ কৰা 'নাই' শব্দটোৱে যেন ইয়াকে বুজাইছে যে ভালপোৱাৰ নামত সুকুমাৰৰ অন্তৰৰ কোনোবাখিনিত তেওঁৰ পূৰ্ণিমাৰ প্ৰতি দুৰ্বলতা আছে। গল্পকাৰে মাজতে সুকুমাৰৰ অপ্ৰকৃতস্থ মনৰ সুযোগ লৈ এই দুৰ্বলতা ঢাকি ৰাখিবলৈ ক্ষুদ্ৰ প্ৰচেষ্টা চলাইছে যদিও সুকুমাৰে চন্দ্ৰাক বিয়া কৰোৱাত ই পৰিষ্কাৰ হৈ পৰিছে। অন্যান্য দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে গল্পটো উচ্চ পৰ্যায়ৰ হৈছে। ইয়াত সাময়িক সংঘাত পৰিস্ফুট হৈ উঠিছে।

'সন্ধ্যাতৰা', 'নীলাম', 'মিনতি' আদি গল্পত সমাজৰ দৰিদ্ৰ সম্প্ৰদায়ৰ প্ৰতি গল্পকাৰৰ সহানুভূতি জাগি উঠিছে। 'সন্ধ্যাতৰা' গল্পটোত চাৰিওফালে সম্ভ্ৰান্ত মানুহৰ মাজত থকা দৰিদ্ৰ সম্প্ৰদায়ৰ দুগৰাকী নাৰীয়ে গোটেই দিনটো ওচৰৰ মানুহে ফাকু দিবলৈ আহিব বুলি সাজু হৈ থাকি কোনো নহাত নিজে নিজে ৰং সনাসনি কৰাটোত যি সহানুভূতি গল্পকাৰে ফুটাই তুলিছে সেই সহানুভূতি প্ৰকাশৰ পূৰ্ণ সাৰ্থকত। অতি কমসংখ্যক গল্পকাৰেহে লাভ কৰিব পাৰে। 'নীলাম' গল্পত শান্তিৰ বাপেক বুঢ়া পিয়নে ভৱা এই পৃথিবীত দুখীয়া হৈ জন্ম লোৱাটোৱেই পাপ আৰু এই জন্মত এই পাপ গ্ৰহণ কৰিব পাৰিলেহে অহা জন্মত পুণ্য হ'ব—এই কথাষাৰৰ পৰাই শইকীয়াৰ উক্ত সহানুভূতি পৰিকাৰ হৈ পৰিছে। 'মিনতি'ত গল্পকাৰে দৰিদ্ৰ সমাজৰ প্ৰকৃত প্ৰেমৰ এখনি নিখুঁত ছবি অঙ্কন কৰিছে। শইকীয়াৰ এনে গল্পত কল্পনাৰ মহাকাশ নাই, কিন্তু বাস্তৱ চিন্তাৰ সমুদ্ৰ আছে। এইকেইটা গল্পত গল্পকাৰে জীৱনৰ এটা বা কেইটামান দিনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি চৰিত্ৰবোৰৰ গোটেই জীৱনৰ ওপৰত আলোকপাত কৰিছে।

শইকীয়াৰ 'গঙ্গাস্নান' এটা দীঘলীয়া গল্প। তিলক আৰু চন্দ্ৰা দুয়ো স্বামী-স্ত্ৰীৰ বিশ্বাস আৰু ভালপোৱাক এদিন যেন এটা সংঘৰ্ষই বানপানীৰ দৰে আহি বহুদূৰ উটুৱাই নিলে। তিলকে এদিন জানিব পাৰিলে চন্দ্ৰাৰ বিবাহৰ পূৰ্বে প্ৰভাতৰ লগত থকা অবৈধ প্ৰণয়ৰ কথা। চন্দ্ৰাৰ জীৱনৰ এই বিষময় ৰূপটোৱে তিলকৰ অন্তৰ গ্ৰাস কৰি পেলালে। কেইদিনমানৰ কাৰণে চন্দ্ৰাৰ প্ৰতি থকা সকলো বিশ্বাস যেন বিশ্বাসঘাতকতাৰ ৰূপ লৈ তিলকৰ অন্তৰত তোলপাৰ লগালে। ফলত সেই অনন্দময় সংসাৰত ব্যাঘাত জন্মিল। কিন্তু তিলকৰ চন্দ্ৰাৰ প্ৰতি যি ভালপোৱা সি জীৱনৰ কোনো এদিনৰ এটা ভুলতকৈ যে বহুত ওপৰত ; আৰু সেয়ে চন্দ্ৰাই তিলকৰ আগত সিহঁতৰ বিবাহৰ আগেয়ে ঘটা তাইৰ ভুল ক্ষণটোৰ কথা স্বীকাৰ কৰি অন্তৰত কঢ়িয়াই লৈ ফুৰা সকলো পাপৰ যেন প্ৰায়শ্চিত্ত কৰিলে। তিলকে চন্দ্ৰাক ক্ষমা কৰিলে। সি পুনৰ চন্দ্ৰাৰ অন্তৰৰ ভালপোৱাৰে ওপচাই পেলালে। কেইদিনমানৰ কাৰণে বিচেছদ হোৱা দুখন অন্তৰ যেন গঙ্গাৰ লহৰে ধুই পুনৰ পবিত্ৰ কৰি তুলিলে। শইকীয়াৰ গল্পসৃষ্টিত বাক্য-চাতুৰ্যৰ পূৰ্ণ প্ৰকাশ এই গল্পত পোঁৱা যায়। 'ঠিক কেই মিনিটমান টোপনি অহাৰ পিছতে তিলকে সাৰ পাই পাই উঠে ; বাৰে বাৰে, গোটেই ৰাতিটো। ঠিক সাৰ পাই উঠে নহয়, ইঞ্জিনৰ কয়লা জ্বলি থকা কোঠালীটোৰ দুৱাৰখন যেন কোনোবাই মেলি মেলি দিয়ে, আৰু চেৰেং চেৰেংকৈ তাৰ বুকুৰ পোৰণি উঠে।' —ইয়াতকৈ আৰু নিজৰ পত্নীৰ বিবাহৰ পূৰ্বে আনৰ লগত থকা অবৈধ প্ৰণয়ৰ কথা জানিব পাৰি অন্তৰৰ দুখ আৰু বিভীষিকা সুন্দৰভাবে প্ৰকাশ কৰা সম্ভৱ নহয়। "একেবাৰে অৰ্ধাঙ্গিনীৰ দৰে কথা কৈছা" বোলা কথাষাৰত গোটেই পৰিস্থিতিটোৰ ওপৰতে গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁৰ আন এটা গল্প 'অৰণ্য'ত স্বামী-স্ত্ৰীৰ হেজাৰ মৰম আৰু অলেখ স্পন্দনৰ নৈতিকতাই দুটা জীৱন সাঙুৰ খাই ৰখাত সহায় কৰিছে।

শইকীয়াৰ আন দুটা গল্প 'উপপত্নী' আৰু 'উপগ্ৰহ'ত প্ৰেমৰ মৰ্যাদা প্ৰকাশ পাইছে। 'উপগ্ৰহ'ত গল্পকাৰে কল্যাণীৰ অৰুণৰ প্ৰতি জাগি উঠা ভাল পোৱাৰ লগতে কল্যাণীৰ অনিলৰ প্ৰতি স্বাভাৱিক পুতৌও জগাই তুলিছে। উপগ্ৰহে গ্ৰহক কেন্দ্ৰ কৰি থকাৰ দৰে কল্যাণীৰো অনিলৰ প্ৰতি থকা মৰমচেনেহখিনি যেন অৰুণৰ প্ৰতি থকা তাইৰ ভালপোৱাক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। গল্পটোৰ নৈতিকতা প্ৰকট ৰূপত প্ৰকাশ নেপালেও প্ৰকাশ–ভঙ্গীয়েই সেই অভাৱ দূৰ কৰিব পাৰিছে। চিত্ৰধৰ্মী কথাৰ প্ৰচুৰ প্ৰভাৱো গল্পটোত পৰিলক্ষিত হৈছে। 'মূগা বগা আৰু সেউজীয়া, মেলা চুলি, ৰাতিপুৱা ৰাতিপুৱা লাগিছেনে ? লাগিছে। কল্যাণী নিজে নিজে সন্তুষ্ট হ'ল।'—এই মনোগ্ৰাহী কথাখিনি পঢ়ি পাঠক-পাঠিকাই নিজে গল্পৰ কাহিনীটোৰ মাজত সোমাই যোৱা যেন অনুভৱ কৰিব পাৰে। উপমা, ৰূপকৰ বাহিৰেও শইকীয়াৰ প্ৰায়বোৰ গল্পত এনে চিত্ৰধৰ্মী বাক্য অধিক পোৱা যায়। এইবোৰে গল্প শ্ৰুতিমধুৰ কৰাত, চৰিত্ৰ চিত্ৰিত কৰাত বা কাহিনী–ভাগ সুন্দৰৰূপে আগবঢ়াই নিয়াত সহায় কৰে। 'সময়' গল্পত এনে বাক্যৰ প্ৰয়োগৰ দ্বাৰা গল্পৰ ভাৱধাৰাও অধিক পৰিষ্কাৰ হৈ পৰিছে—'ইয়াৰ পিছৰ নিশা এই লাইটটো জ্বলিবতো ? নিশ্চয় জ্বলিব—অপূৰ্বৰ ভৰিত কপাল খুন্দিয়াই তাই তাক বুজাব—এই লাইটটো নুমুৱাৰ পৰা বিষাক্ত নিশ্বাস তাইৰ বুকুত নাই।' 'উপপত্নী'তো এজন পুৰুষ অমলা

নামৰ এজনী নাৰীৰ লগত আকস্মিকভাবে লিপ্ত হৈ পৰাত শাহুৰেকৰ বাক্য প্ৰত্যাখান কৰি মৃণালিনীক গ্ৰহণ নকৰিলে। ৰচনাভঙ্গী, প্ৰকাশভঙ্গী আৰু সমাজৰ বাস্তৱ ৰূপ ফুটাই তোলাত শইকীয়া যে এক নিপুণ শিল্পী এই দুটা গল্পয়ো তাকে প্ৰকাশ কৰিছে।

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ এটা স্বকীয় বৈশিষ্ট্য আছে। সাধাৰণতে ঘটনা বা পৰিস্থিতিৰ জটিলতা সৃষ্টি আৰু কথনভঙ্গীৰ ওপৰতে তেওঁৰ এই বৈশিষ্ট্য বহু পৰিমাণে নিৰ্ভৰ কৰে। 'প্ৰাৰ্থনা' গল্পটোত এই বৈশিষ্ট্য আছে যদিও ইয়াৰ পৰিণতি যেন বেছি দ্ৰুত হৈ পৰিছে। অধিকাৰী আৰু চাহাবৰ পত্নীৰ মাজত সম্পৰ্কৰ ইঙ্গিতটো অলপ বেছি প্ৰশংসনীয় কৰা হ'লে গল্পটোৰ আবেদন বোধহয় আৰু বৃদ্ধি পালেহেঁতেন। কিয়নো আগতে উল্লেখ কৰা বৈশিষ্ট্যৰ কাৰণেই শইকীয়াৰ দীঘল গল্পবোৰ বেছি মনোগ্ৰাহী হয়। 'বয়স' শইকীয়াৰ এটা উল্লেখযোগ্য গল্প। প্ৰত্যক্ষভাবে নোকোৱাকৈ পৰিস্থিতি আৰু ঘটনাৰ দ্বাৰা চৰিত্ৰৰ মনৰ খবৰ দিব পৰাটো গল্প বা উপন্যাস লেখাৰ এটা ডাঙৰ গুণ। কেইবা গৰাকীও বুঢ়ী পোহাৰীৰ লগত পোহাৰলৈ যাওঁতে সাবিত্ৰীৰ নিচিনা গাভৰু এজনীয়ে সন্মুখীন হ'বলগীয়া আলৈ-আহুকালৰ মাজেদি বয়সৰ পাৰ্থক্য অনুসৰি মানুহৰ দৃষ্টিভঙ্গীৰ ভিন্নতাৰ কথা লেখকে গল্পটোত ক'ব খুজিছে। সাবিত্ৰীক সকলোৱে সন্দেহৰ চকুৰে চায়, তাৰ কাৰণ তাইৰ চৰিত্ৰৰ দুৰ্বলতা নহয়, তাইৰ বয়স ক্ষুদ্ৰ বাবেহে।

বিভিন্ন পৰিস্থিতিত সৃষ্টি হোৱা মানুহৰ মনৰ ঘাত-প্ৰতিঘাত, ক্ৰিয়া-প্ৰতিক্ৰিয়া আদিৰ জৰিয়তে পাঠক-পাঠিকাৰ মনত সহানুভূতিৰ উদ্ৰেক প্ৰকাশ কৰিব পৰাটোৱেই শইকীয়াৰ কৃতিত্ব। সেই কৰনেই সাধাৰণ হ'লেও মথুৰা বুঢ়াৰ ভাগিনীয়েকৰ অকৃতজ্ঞতাৰ নিচিনা বিষয় এটাও 'এলান্ধু' গল্পত আকৰ্ষনীয় হৈ পৰিছে আৰু 'পহুছাল' গল্পত জীৱনৰ সামাজিক পৰিস্থিতি, ঘৰুৱা পৰিবেশ, প্ৰেম আৰু দৈনন্দিন সমস্যাৱলীৰে সুবৰ্ণহঁতৰ থকা ঠাইখন, তাইৰ মানসিক চিন্তা আৰু কামনাতে গল্পটো সীমাবদ্ধ কৰিব পাৰিছে। সেই একেধৰণৰ সমস্যাৱলীৰে ৰচিত শইকীয়াৰ 'ৰাজমিস্ত্ৰি' আৰু 'লাজ লাগে' নামৰ গল্প দুটাতো মানসিক ঘাত-প্ৰতিঘাত, কামনা-বাসনা আদি পৰিস্ফুট হৈছে। 'ৰাজ মিস্ত্ৰি'ত শেষৰ ফালে গল্পটোৰ ভাৱধাৰাক সুপ্ৰতিষ্ঠিত কৰিবৰ কাৰণেই আকৌ ৰাজমিস্ত্ৰিৰ প্ৰয়োজন হৈ পৰাত গল্পটোৰ পৰিণতি সুন্দৰৰূপে প্ৰকাশ পাইছে।

'লাজ লাগে' গল্পটোত শইকীয়াই এখন যৌনমুখৰ চিত্ৰ ৰূপায়িত কৰিছে। কেইদিনমান মুকলি ঠাইত গা ধুবলৈ লাজ পোৱা নিৰ্মালিয়ে পিছলৈ মুকলি ঠাইতহে গা ধুবলৈ বিচৰা হ'ল। তাৰবাবে যেন নিৰ্মালি দায়ী নহয়; ই মাথোন যৌৱনৰ দাবী। গল্পটোত ভাৱধাৰা আৰু বৰ্ণনাৰ একত্ৰিকৰণে গল্পকাৰৰ চিন্তাশীলতাৰ স্পষ্ট প্ৰকাশৰ দ্বাৰা মানুহৰ মন আৰু জীৱনৰ মাজৰ সম্বন্ধটো জাৰি জোকাৰি চাবলৈ সুবিধা দিছে। দীঘলীয়া যদিও মনোগ্ৰাহী এই গল্পটোৱে নিৰ্মালিৰ লগতে পাঠক-পাঠিকাৰ অন্তৰৰ কোমল অংশতো এক মৃদু মধুৰ আঁচোৰ দি যায়। গা ধুবলৈ গৈ বাৰীৰ পাছফালে এচিনাকি ডেকা এজনক দেখিলে নিৰ্মালিৰ লগতে আমাৰো যেন লাজ লাগি যায়।

'সনাতন'ত গুঞ্জন ক্লাবৰ অধিক বৰ্ণনা পঢ়ি যাবলৈ যেন পাঠক-পাঠিকাৰ ধৈৰ্য হেৰাই যায়। 'বনবাস'ত আৰম্ভণিতে কোমেশ্বৰ, গিৰীশহঁতে যতীন বুঢ়াৰ লগত তাচ খেলিবলৈ বাট চাই থকাটো আমনি লগা হৈছে। সেই আমনি লগা ভাৱটো অৱশ্যে শইকীয়াই পিছলৈ প্ৰেমৰ বৰ্ণনা দি কিছু পৰিমাণে হ্ৰাস কৰিবলৈ চেষ্টা কৰিছে। 'স্বাৰ্থপৰ' নামৰ গল্পটোতো সেইদৰে প্ৰথম ছোৱা কিছু আমনি লগা হৈছে, কিন্তু পৰিণতিৰ ফালে প্ৰেমৰ বিস্তৃত বিৱৰণ নিদিলেও তাৰ মৰ্যাদা স্বীকাৰ কৰি কিছুপৰিমাণে মনোগ্ৰাহী কৰিছে। লখিমীৰ পৰ্টিক'ত উঠা বহা কৰা ডাক্তৰ, ইঞ্জিনিয়াৰ আদিৰ লগত লখিমীৰ বিয়া ঠিক হ'লে বাল্যকালৰ পৰা প্ৰেম নিবেদন কৰি অহা প্ৰেমিকৰ অৱস্থা কেনে হ'ব সেইফালেও লক্ষ্য কৰি গল্পটোৰ প্ৰধান ঘটনাৰ নায়কে নিজ স্বাৰ্থৰ কাৰণে উপ-ঘটনাৰ কৃষ্ণকান্ত বৰুৱাৰ অলেখ আশা চূৰমাৰ কৰি দিয়াত স্বভাৱতে আমাৰ কৃষ্ণকান্ত বৰুৱাৰ প্ৰতিহে সহানুভূতি জাগি উঠে।

শইকীয়াৰ 'সহবাস' নামৰ গল্পটোৰ কলা-কৌশলত সহবাসৰ কল্পনা আছে, কিন্তু আলোকিকতাৰ প্ৰয়াস নাই। ইয়াত দাঙি ধৰা প্ৰেম আৰু তাৰ নিদৰ্শন তেওঁৰ অন্য গল্পৰ পৰা পৃথক। অমৰ আৰু শকুন্তলাই যি সংসাৰ সৃষ্টি কৰিব সি যেন ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব; কিন্তু সেই ঐতিহ্যৰ বাহিৰেও যেন অমৰ আৰু শকুন্তলাৰ পৰিস্থিতিৰ লগত খাপ খোৱা মুক্তবায়ু সেৱন কৰাৰ সম্পূৰ্ণ স্বাধীনতা সিহঁতৰ থাকিব লাগিব—এই অন্তৰ্নিহিত ভাৱধাৰা শইকীয়াই প্ৰত্যক্ষভাবে প্ৰকাশ কৰা নাই; পৰোক্ষভাবে প্ৰকাশ কৰিব পৰাটোৱেই যেন তেওঁৰ মহৎ গল্পসৃষ্টিৰ পৰিচায়ক।

অৱশ্যে তুলনামূলক দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে শইকীয়াৰ গল্পত প্ৰতিফলিত হোৱা সামাজিক জীৱনৰ চিত্ৰই অসমীয়া সাহিত্যৰ বৰ্তমান প্ৰয়োজনীয়

দাবী পূৰণ কৰিবলৈ এতিয়াও সম্পূৰ্ণ সক্ষম হোৱা হোৱা নাই যেন লাগে। বৰ্তমান বৃহৎ শিল্প আৰু মানুহৰ অসীমাবদ্ধ প্ৰচেষ্টাৰ যুগটোত মানুহে অকল ঘৰুৱা পৰিবেশবিলাকৰ কথা জানিবলৈ ইচ্ছা কৰিয়েই ক্ষান্ত নেথাকে। এই যুগৰ পাঠক-পাঠিকাই গল্পত সাহিত্যিক ৰূপটোৰ বাহিৰেও পাবলৈ বিচাৰে বাস্তৱ জগতৰ সফল প্ৰচেষ্টাৰ সঁচা ৰূপটো। শইকীয়াৰ গল্পৰ ভাৱধাৰা উচ্চ হ'লেও সীমাবদ্ধ। তেওঁৰ পুৰণি গল্প আৰু নতুন গল্পৰ ভাৱধাৰা প্ৰায় একে। 'ধন্যবাদ' নামৰ গল্পত পাশ্চাত্য সমাজ-ব্যৱস্থাৰ আংশিক ৰূপ এটা প্ৰকাশ পাইছে। ইয়াৰ কাহিনীভাগ লণ্ডনতে আৰম্ভ কৰি লণ্ডনতে শেষ কৰিছে যদিও ইয়াৰ ভাৱধাৰা হেজাৰ হেজাৰ মাইল দূৰৰ প্ৰাচ্যৰ কোনো এক স্থানত আবদ্ধ। বুঢ়ী মেমৰ কাৰ্যকলাপে অকল বিৰক্তিকেই প্ৰকাশ কৰা নাই, তাত প্ৰকাশ পাইছে এটা নৈতিকতাও। এবাৰ লণ্ডনৰ লেড্‌ব্ৰ'ক গ্ৰ'ভৰ ঘৰ এটাৰ চাৰি মহলাৰ ওপৰত বহি মেকৰল মাজ বাছি থকা শঙ্কৰৰ কথা ভাবি আকৌ হেজাৰ মাইল দূৰৰ ৰঞ্জনাৰ কথা ভাবিব লগীয়া হোৱাতো যেন পাঠক-পাঠিকা ভাগৰি নপৰে।

গল্পকাৰ শইকীয়াই বাস্তৱ অভিজ্ঞতা এটাক স্বতন্ত্ৰ ৰূপত প্ৰকাশ নকৰি মনোৰঞ্জক আৰু আকৰ্ষিত হ'বলৈ আন আন অভিজ্ঞতাৰ লগত মিলাই তাক প্ৰকাশ কৰে। সেয়েহে তেওঁ 'বাৰান্দা' আদি গল্পত মূল কাহিনীৰ লগতে দুই এটা লঘু কাহিনীৰ সৃষ্টি কৰিছে। তেওঁৰ প্ৰত্যেকটো গল্পৰ ভাৱধাৰা ভিন্ ভিন্। গল্পবোৰৰ কাহিনীভাগত আধুনিকতাৰ ডাঠ প্ৰলেপ নপৰিলেও কুৰি শতিকাৰ সমাজৰ সমস্যাৱলী আৰু তাৰ সমা া ৰ এটা নৈতিক ৰূপ প্ৰকাশ পায়। সেইফালৰ পৰা চাবলৈ গ'লে শইকীয়াও আধুনিক অসমীয়া সাহিত্যৰ প্ৰখ্যাত গল্পকাৰ যোগেশ দাস, চৈয়দ আব্দুল মালিক, সৌৰভকুমাৰ চলিহা, হোমেন বৰগোহাঞি আদিৰ দৰে এজন চিন্তাশীল আৰু সুনিপুণ গল্প-লেখক। শইকীয়াৰ দৰে সূক্ষ্ম পৰ্যালোচনা আৰু সংঘাত অঙ্কন কৰিব পৰা গল্পকাৰ অসমীয়া সাহিত্যত বিৰল। ব্যৱহাৰিক জীৱনৰ অতি নিকৃষ্ট, চকুত নপৰা কথাকো সুন্দৰ প্ৰকাশভঙ্গীৰে প্ৰকাশ কৰাৰ সফল গল্পসৃষ্টিৰ বাবে তেওঁৰ নাম সঁচাকৈয়ে লেখত ল'বলগীয়া। সেয়েহে হোমেন বৰগোহাঞিৰ যুক্তিত ভবেন্দ্ৰনাথ শইকীয়া অসমীয়া গল্প সাহিত্যৰ এজন " keen observer' আৰু 're-corder'। অতিৰিক্ত আৰু অনাৱশ্যকীয় প্ৰকাশৰ পৰা আঁতৰি থাকিলে শইকীয়াৰ লেখনীৰ পৰাই যে অসমীয়া সাহিত্যলৈ শ্ৰেষ্ঠ গল্প-সম্ভাৰ আহিব তাত অকণো সন্দেহ নাই।

## ॥ ৰাজমোহন নাথৰ পুণ্যস্মৃতিত ॥

ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা (২০ নৱেম্বৰ, ১৯১০ --২০ মাৰ্চ, ১৯৬৪) আৰু ডঃ সূৰ্যকুমাৰ ভূঞা (জানুৱাৰী, ১৮৯৪--৫ জুলাই, ১৯৬৫), এই দুজনা মনীষীৰ তিৰোভাৱৰ পিছতেই ১৯৬৫ চনৰ ৩ এপ্ৰিলৰ দিনা ঘটা ৰাজমোহন নাথৰ জীৱনাৱসান অসমৰ বুৰঞ্জী, পুৰাতত্ত্ব আৰু গৱেষণাৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি। নেপালত বৌদ্ধ-চৰ্যাপদৰ লগত অসমীয়া ভাষাৰ সম্বন্ধে নাথৰ গৱেষণাই পোহৰৰ মুখ দেখিবলৈ নেপালে; মৃত্যুৱে তেখেতক আমাৰ পৰা আঁতৰাই লৈ গ'ল। কদলী ৰাজ্য, ভীষ্মকনগৰ, কাছাৰ আৰু হেৰম্ব ৰাজ্য, ৰবগঙ্গা, বৃদ্ধগঙ্গা, ডবকা ৰাজ্য আৰু প্ৰাচীন অসমত বিষ্ণুপূজা, ভাস্কৰ্যত প্ৰাচীন কামৰূপী নৃত্য, শঙ্কৰদেৱৰ ভাস্কৰ্যত শালকাৰ্য, প্ৰাচীন কামৰূপত বৌদ্ধ-ধৰ্ম আদি বিষয়ত নাথে যি নতুন পোহৰ পেলাইছিল, সি অপূৰ্ব। অসমৰ বুৰঞ্জী, প্ৰত্নতত্ত্ব আদি পাণ্ডিত্যপূৰ্ণ গৱেষণাৰ ক্ষেত্ৰত আমাৰ সাধকসকলৰ সংখ্যা নিচেই কম। নাথ নিজে এজন ইঞ্জিনিয়াৰ হৈও এনে কাৰ্যত ব্ৰতী হৈ আমাৰ ভাষা-সাহিত্যলৈ যি অৰিহণা যোগালে, ই বিস্ময়ৰ বিষয়। অৱশ্যে নাথৰ আগতে 'মৌ'ৰ বলিনাৰায়ণ বৰা আৰু 'মইনা'ৰ হৰিপ্ৰসাদ বৰুৱা ইঞ্জিনিয়াৰ দুজনায়ো অসমীয়া সাহিত্যত প্ৰভূত বৰঙণি দি গৈছে। নাথে তেখেতৰ ইঞ্জিনিয়াৰ জীৱনৰ কালছোৱাতেই অন্যান্য ঠাইত পুৰণি পুথি পাঁজি, মাটিৰ তলৰ শিলৰ ফালি, মূৰ্তি আদি সংগ্ৰহ কৰাৰ উপৰিও ডবকা, পাৰখোৱা, যমুনা আৰু কন্দলী অঞ্চলৰ শিলৰ মূৰ্তি, ভগ্নাৱশেষবোৰ গোটাই নগাঁও চহৰত 'মাৰাক-পাৰ্ক' নামৰ যি সংগ্ৰহশালা, স্থাপন কৰিলে সিয়েই তেখেতক বুৰঞ্জী আৰু প্ৰত্নতত্ত্ব, সাধকৰূপে জীয়াই ৰাখিব। তদুপৰি 'গৌৰৱময় অসম' আৰু 'Glorious Assam' নামৰ গ্ৰন্থদুখনিও তেখেতৰ প্ৰত্নতত্ত্ব সাধনাৰ শ্ৰেষ্ঠ কীৰ্তি। তেখেতে পীতাম্বৰ ৰাজমেধি সাহিত্যিক ছদ্মনামেৰে 'টেঙা-দৈ', 'পকা মিঠৈ', 'কাঁহুদি', 'খাৰলি, গোটকৰাই' আদি ব্যঙ্গ-পুথি ৰচনা কৰিছিল। অসমীয়াৰ উপৰিও বঙালী, ইংৰাজী আৰু সংস্কৃততো নাথৰ ৰচনাৱলীয়ে তেখেতৰ পাণ্ডিত্যৰ পৰিচয় দিয়ে। তেখেতৰ স্মৃতিত আমাৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।

শ্ৰীশিখা বৰুৱা
প্ৰথম বাৰ্ষিক কলা

# অসমীয়া আধুনিক গীতৰ ক্ৰমবিকাশ আৰু জনপ্ৰিয়তা

আন আন ঠাইৰ দৰে অসমৰ সঙ্গীত-জগততো আধুনিক গীতৰ প্ৰচাৰ আৰু সমাদৰ ক্ৰমান্বয়ে বাঢ়ি আহিছে। অসমৰ চুকে-কোণে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত বৰ্তমান আধুনিক গীতৰেই সুৰীয়া জয়-ধ্বনি শুনা যায়।

আধুনিক গীত বুলিলে যদি আমি নতুন গীতকে বুজোঁ, যদি অনুভৱ কৰোঁ—ভাৰতীয় ৰাগমালা, অসমীয়া লোকগীত আৰু পশ্চিমীয়া সুৰৰ অপূৰ্ব সংমিশ্ৰণতেই অসমীয়া আধুনিক গীতৰ জন্ম,—তেনেহ'লে এইবিধ গীতৰ প্ৰসাৰ আৰু জনপ্ৰিয়তাৰ বিষয়ে ক'বলৈ যোৱাৰ আগেয়ে আমি স্বাধীনতা পূৰ্বৰ কালছোৱাৰ এজন প্ৰথিতযশা শিল্পীৰ কথা স্মৰণ কৰিব লাগিব। তেখেতেই হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ (১৯০৩—১৯৫১)। শিল্পীপ্ৰাণৰ সমগ্ৰ আকুলতাৰে জ্যোতিপ্ৰসাদে অনুভৱ কৰিলে নতুনৰ প্ৰয়োজনীয়তা,—চৌদিশে ধ্বনিত হোৱা নতুনৰ আহ্বানত বিচলিত হ'ল তেখেতৰ শিল্পীসত্তা, আৰু সেই নতুনৰ আহ্বানত সঁহাৰি দিবলৈ যোৱাৰ পথত ৰূপকোঁৱৰে বুটলি ল'লে অসমৰ গাৱেঁ-ভূঞে, পথাৰে-বননিয়ে অনাদৃত হৈ পৰি থকা বিয়ানাম, আইনাম, টোকাৰী-গীত, বিহুগীতৰ পুৰণি শ্ৰুতিমধুৰ সুৰ। এই ক্ষেত্ৰত তেখেতে পাহৰি নগ'ল ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ দুই ধাৰাক। পাশ্চাত্য সঙ্গীতকো ৰূপকোঁৱৰে উদাৰ অন্তৰেৰে আঁকোৱালি ল'লে। এই 'ত্ৰিবেণী সঙ্গম'ত অসমীয়া গীতক পুত্ৰস্নান কৰোৱাত সাফল্য লাভ কৰাতেই তেখেতে জীৱনৰ সত্যক বিচাৰি পালে। অনন্যসাধাৰণ প্ৰতিভাৰ বন্তি জ্বলাই জ্যোতিপ্ৰসাদে চৌদিশে পোহৰাই তুলিলে; সেই পোহৰত উদ্ভাসিত হ'ল অসমীয়া সঙ্গীত-জগতৰ এটি নতুন স্তৰ—এখনি নতুন পৃথিৱী, নাম তাৰ 'শিল্পীৰ পৃথিৱী'।

ৰূপকোঁৱৰৰ শিল্পী-জীৱনৰ প্ৰথম সৃষ্টি 'শোণিত কুঁৱৰী' নাটকখনিৰ অমূল্য গীতৰাজি তেখেতৰ অপূৰ্ব সুৰ-সংযোজনাত প্ৰাণস্পৰ্শী হৈ উঠিছে। তাৰপিছতে অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত পৰিবেশিত হ'ল তেখেতৰে দুটি গীত—'গছে গছে পাতি দিলে ফুলৰে শৰাই' আৰু 'ৰূপহ কোঁৱৰৰ চুমা পৰশতে'। ১৯৪২ চনৰ গণ-বিপ্লৱৰ সময়ত ৰূপকোঁৱৰৰ দীপ্ত হিয়াৰ পৰা নিগৰি আহিল জুই যেন গীত,—সূৰ্যৰ প্ৰখৰতাৰে সেই গীতে দশোদিশ উদ্দীপ্ত কৰি তুলিলে। এই গীতসমূহৰ উপৰিও তেখেতৰ 'পৃথিৱী ধুনীয়া কৰিব লাগিব তই,' 'লুইতৰ আকাশত তৰাৰ তৰাৱলী' আদি গীত অসমীয়া গীতৰ ভঁৰাললৈ অনুপম দান।

ৰূপকোঁৱৰৰ শিল্পীপ্ৰাণৰ পৰশ পাই অসমীয়া গীতে এইদৰে আধুনিক ৰূপ ধাৰণ কৰি উজ্জীৱিত হৈ উঠিলেও ইতিহাসে আমাক সোঁৱৰাই দিয়ে, এইজনা মহান শিল্পীৰ পূৰ্বৰ কালছোৱাতো কেইবা-গৰাকীও কবি-শিল্পীৰ চকুত নাচিছিল প্ৰতিজ্ঞাৰ শিখা—অসমীয়া গীতক বিদেশীৰ প্ৰভাৱমুক্ত কৰি অসমীয়া সঙ্গীত-জগতত এক সুকীয়া ধাৰাৰ প্ৰচলন কৰাৰ। উল্লেখযোগ্য যে ইংৰাজৰ আমোলত অসমৰ সাংস্কৃতিক জগতলৈ 'বিজতৰীয়া সংস্কৃতি' সোমাই অহাত আমাৰ মঞ্চসমূহত বঙালী নাটকৰ আহিৰে নাট মঞ্চস্থ কৰাৰ দৰে গীতবোৰো সেই আহিৰে ৰচা, সুৰ দিয়া হৈছিল। উক্ত প্ৰতিজ্ঞাৰ উমভৰা মনেৰেই সত্যনাথ বৰা, ভকতৰাম দত্তচৌধুৰী, জগৎচন্দ্ৰ বৰদলৈ প্ৰভৃতিয়ে অসমীয়া সুৰীয়া গীত ৰচনা কৰিছিল। বঙালী গীত আৰু সেইবোৰৰ অনুকৰণত অসমীয়াত ৰচিত গীতবোৰৰ মাজত এই গীতসমূহ মুকুতা জিলিকাদি জিলিকিলেও সেই জিলিকনিত চৌদিশ উদ্ভাসিত নহ'ল। সেয়ে সাহসী পদক্ষেপেৰে আগবাঢ়ি আহিল সঙ্গীত-গুৰু লক্ষ্মীৰাম বৰুৱা। অসমীয়া গীতৰ মৌলিকতাক সুদৃঢ় আৰু সুস্থ কৰিবলৈ হ'লে যে অসমীয়া লোকগীত, বৰগীত আৰু শাস্ত্ৰীয় সঙ্গীতৰ ওপৰত চাপিব লাগিব, এই উপলব্ধিৰে তেওঁ গীত-ৰচনা, সুৰ-সংযোজনা কাৰ্যত ব্ৰতী হ'ল। তদুপৰি অসমীয়া গীতত কীৰ্তিনাথ শৰ্মাবৰদলৈৰ প্ৰাচীন সুৰ প্ৰচলন আৰু অম্বিকাগিৰী ৰায়চৌধুৰী, পদ্মনাথ চলিহাৰ বৰগীতৰ সুৰ প্ৰয়োগ উল্লেখ কৰিব লগীয়া। অৱশেষত অসমীয়া লোকগীত, ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ ধাৰা আৰু পশ্চিমীয়া সুৰৰ সংমিশ্ৰিত ৰূপক নীলাৰ নিবিড়ভাৱে উপলব্ধি কৰি ৰূপকোঁৱৰে সৃষ্টি কৰিলে ন গীত, সৃষ্টি কৰিলে ন সুৰ।

আধুনিক অসমীয়া গীতৰ বহুল প্ৰচাৰ আৰু উন্নতি সাধনত জ্যোতিপ্ৰসাদৰ লগতে আৰু কেইবা-জনো সঙ্গীতপ্ৰেমী কবিয়েও অকৃপণ হাতেৰে বৰঙণি দিছিল। বিষ্ণুপ্ৰসাদ ৰাভা, নবীনচন্দ্ৰ বৰদলৈ,

অম্বিকাগিৰী ৰায়চৌধুৰী, উমেশচন্দ্ৰ চৌধুৰী, লক্ষ্মীনাথ বেজবৰুৱা, প্ৰসন্নলাল চৌধুৰী প্ৰভৃতিৰ প্ৰায়বোৰ গীত দেশপ্ৰেমমূলক, জাতীয় ভাৱসমৃদ্ধ। গভীৰতম্ জীৱনবোধ, প্ৰকৃতিৰ ৰূপৰ প্ৰতি অসীম তৃষ্ণা আৰু দাৰ্শনিক চিন্তাধাৰাৰে সম্পৃক্ত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতসমূহ প্ৰাণময় সুৰেৰে সিক্ত হৈ উঠিছে। মিত্ৰদেৱ মহন্তৰ 'নিয়তিৰ উৰুলিৰে কোনে মোৰ নিতে নিতে' আদি গীত এসময়ত খুব জনপ্ৰিয় হৈ উঠিছিল। কমলানন্দ ভট্টাচাৰ্যৰ 'চৰাই হালধীয়া অ'', 'বিলত তিৰেবিৰায় পদুমৰে পাহি ঐ' আদি গীতত পুৰণি ঢং এটি পোৱা যায়।

জ্যোতিপ্ৰসাদৰ পৰবৰ্তী কালছোৱাত পুনৰায় অসমীয়া সঙ্গীতে এক বিশৃঙ্খল অৱস্থাৰ সন্মুখীন হ'বলগীয়া হয়। বঙলুৱা গীতৰ ঠাঁচত ৰচিত হিন্দুগীত আৰু সেই আহিৰে সংযোজিত সুৰে থিতাপি লয় বহু শিল্পীৰ কণ্ঠত। কিন্তু এই কালছোৱাত নিজৰ স্বকীয়তা তথা মৌলিকতা বজাই ৰখাৰ চেষ্টা চলোৱা অসমীয়া শিল্পীও নথকা নাছিল। এইক্ষেত্ৰত আনন্দিৰাম দাস, পৰাগধৰ চলিহাৰ বনগীত, পুৰুষোত্তম দাস, কমল চৌধুৰীৰ প্ৰাচীন কামৰূপীয়া লোকগীত, দৰ্পনাথ শৰ্মা, ইক্ৰামুল মজিদৰ ৰাগ-সঙ্গীত চৰ্চাৰ প্ৰচেষ্টা শলাগিব লগীয়া। শিৱ ভট্টাচাৰ্যৰ 'কোনে কয় জয়া নাই', মুক্তিনাথ বৰদলৈৰ 'সোৱনশিৰীৰ সোণ বৰণী কাঞ্চনী', দৰ্পনাথ শৰ্মাৰ 'সেইদিনা নিৰলাৰ মধু-জ্যোৎস্নাত', 'শিল্পী পাৰিবা জানো আঁকি দিব', মলিন বৰাৰ 'ইমান ধুনীয়া মুকুতাৰ মালা' প্ৰভৃতি গীতৰ জনপ্ৰিয়তা একেবাৰে নোহোৱা নাছিল। বিপিনচন্দ্ৰ বৰগোহাঁই, বীৰেন্দ্ৰকুমাৰ ফুকন, পুৰুষোত্তম দাস প্ৰভৃতি শিল্পীসকলে কলিকতাৰ আকাশবাণীৰ পৰা অসমীয়া গীত প্ৰচাৰ কৰিছিল। অন্যান্য ঠাইত পৰিৱেশনৰ ফালৰ পৰা কমল চৌধুৰী, শিৱ ভট্টাচাৰ্য, অনুকূল নাথ, দিলীপ শৰ্মা, কুইনী হাজৰিকা (এতিয়া সুদক্ষিণা শৰ্মা) আদিৰ নাম উল্লেখযোগ্য।

স্বাধীনতাৰ পিছত বিভিন্ন শিল্পীৰ, সঙ্গীতপ্ৰেমীৰ ঐকান্তিক আগ্ৰহ আৰু সাধনাৰ ফলত অসমত ১৯৪৮ চনত অনাতাঁৰ-কেন্দ্ৰ প্ৰতিষ্ঠা হ'ল। লগে লগে আমাৰ শিল্পী-গীতিকাৰসকল নতুন উৎসাহেৰে আগবাঢ়ি আহিল। সকলোৰে একেই উদ্দেশ্য—অসমীয়া গীত প্ৰচাৰ কৰা, অসমীয়া গীতক সৰ্বভাৰতীয় সঙ্গীতৰ তুলাচনীত দাঙি ধৰা। তাৰ মাজেদি অসমীয়া আধুনিক গীতে বৰ্তমান যি স্তৰত উপনীত হৈছে, ই সঁচাকৈয়ে পৰিতৃপ্তিৰ কথা। বৰ্তমান বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু অনাতাঁৰ-কেন্দ্ৰই কৰা প্ৰচুৰ আধুনিক গীতৰ পৰিৱেশনে আমাক এই উপলব্ধিৰেই উদ্বুদ্ধ কৰে যে অসমীয়া গীতৰ বৰ্তমান যুগটো সঁচাকৈয়ে আধুনিক গীতৰ যুগ।

ৰূপকোঁৱৰে নতুনক আদৰি আনিছিল অসমীয়া গীতলৈ ; কিন্তু তাক সঁচা ৰূপত গঢ় দিলে ডঃ ভূপেন হাজৰিকাই। নতুন দৃষ্টিভঙ্গী, নতুন পটভূমি আৰু শ্ৰোতাক বিমুগ্ধ কৰিব পৰা কলাকৌশল লৈ ৰচিত, সুৰ-সংযোজিত আৰু পৰিৱেশিত হাজৰিকাৰ গীতসমূহৰ আবেদন খুব চমকপ্ৰদ।

হাজৰিকাৰ ৰচনা তেখেতৰ শিল্পীসুলভ উদাৰ হিয়াৰ সুন্দৰ প্ৰতিবিম্ব। সেইবোৰ ৰচনাই তেখেতৰ শিল্পীহিয়াৰ কোমল কঠিন বহুবিধ অনুভূতিকে ভাষা দি মানুহৰ আগত উদঙাই দিছে। অস্ত আকাশৰ ৰং প্ৰতিভাত হোৱা প্ৰবাহমান লুইতৰ পানীৰ ৰূপ চাই সমাহিত হয় এই সুন্দৰৰ পূজাৰীজনৰ সত্তা, সুদূৰ আৰু বিশালৰ আহ্বানত বিচলিত হৈ পৰে তেখেতৰ শিল্পীপ্ৰাণ আৰু প্ৰকৃতিৰ চিত্ৰাৱলীৰ মাজতে শুনে জীৱন-দৰ্শনৰ প্ৰতিধ্বনি। 'কঁহুৱা বন মোৰ অশান্ত মন', 'অস্ত আকাশৰে সপোন ৰহণ সানি', 'নতুন নিমাতী নিয়ৰেৰে নিশা' প্ৰভৃতি গীতে তেখেতৰ এই গভীৰ সৌন্দৰ্যপ্ৰীতিৰেই পৰিচয় দিয়ে।

শিল্পী-জীৱনৰ প্ৰথম স্তৰৰে পৰা হাজৰিকাই একশ্ৰেণী গীত-ৰচনাত বিশেষ আধিপত্য চলাই আহিছে—সেয়া হৈছে সাধাৰণ মানুহৰ কথা, সাধাৰণ মানুহৰ মনৰ কথা, সমাজৰ পদদলিত-অৱহেলিত-নিষ্পেষিত জনতাৰ কথাৰ আলেখ্য। এই ক্ষেত্ৰত 'বৰ বৰ মানুহৰ দোলা', 'এটি কলি দুটি পাত', 'ভাঙ্ ভাঙ্ শিল-ভাঙোতা', 'বংমন মাছলৈ গ'ল', 'ফুট গধূলিতে', 'নেকান্দিবা নেকান্দিবা মোৰে নতুন কইনা' আদি গীত খুব জনপ্ৰিয়। 'সাগৰ সঙ্গমত কতনা সাঁতুৰিলোঁ', 'আকাশীগঙ্গা বিচৰা নাই', 'নতুন নাগিনী তুমি কালনাগিনী', 'যদি জীৱনে কান্দে নাই নাই বুলি' প্ৰভৃতি গীতত জীৱনৰ প্ৰেম, বিৰহ, হাঁহি, কান্দোনবোৰ মূৰ্ত হৈ উঠিছে। তেখেতৰ 'বুকু হম্ হম্ কৰে', 'ৰণক্লান্ত নহওঁ', আদি দেশপ্ৰেমৰ গীত আৰু 'ছিয়াঙৰে গালং', 'হে হে হে দোলে ডগৰে' আদি পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ গীতসমূহৰ উপৰিও 'মদাৰৰে ফুল হেনো', 'মানুহে মানুহৰ বাবে', 'অয় অয় আকাশ শুৱ', আদি তেখেতৰ বিদ্ৰোহী মনৰ আধুনিক গীতবোৰৰ জনপ্ৰিয়তা বিশেষ মন কৰিব লগীয়া।

হাজৰিকাৰ প্ৰতিটো গীতেই তেখেতৰ প্ৰাণময় সুৰেৰে সিক্ত, সজীৱ হৈ উঠিছে। তেখেতৰ সুৰত শুনিবলৈ পোৱা যায় অসমৰ 'এৰাবাটৰ সুৰ'সমূহৰ অনুৰণন ; ভাৰতীয় ৰাগ-সঙ্গীতৰ আশ্ৰয়ো তেখেতে নোলোৱাকৈ থকা নাই। বিশেষকৈ কথা আৰু সুৰৰ অপূৰ্ব সমন্বয়ে হাজৰিকাৰ গীতবোৰক বেছি মনোগ্ৰাহী কৰি তুলিছে। তেখেতৰ সাধাৰণ মানুহৰ কথা লৈ লেখা আৰু বিদ্ৰোহী মনৰ গীতবোৰৰ সৃষ্টি

একেবাৰেই নতুন বুলি ক'লে অত্যুক্তি কৰা নহয়। আমাৰ নিচেই ঘৰুৱা পটভূমিৰে ৰচিত আৰু উন্নত কলা-কৌশলেৰে সুৰ-সংযোজিত, পৰিবেশিত এই গীত-বোৰৰ মৰ্যাদা অন্য কোনো গীতসৃষ্টিৰ বহু ওপৰত। সেইবাবেই ভূপেন হাজৰিকা অসমীয়া সঙ্গীত জগতৰ বৰ্তমান যুগটোত শ্ৰেষ্ঠ শিল্পীৰূপে পৰিগণিত হৈছে। মুঠতে হাজৰিকাৰ গীতৰাজিয়ে যে অসম তথা ভাৰতৰ শ্ৰোতাবৃন্দৰ পৰা প্ৰচুৰ জনপ্ৰিয়তাৰ অৰিহণা লাভ কৰিছে আৰু সেই জনপ্ৰিয়তাই অসমত, অসমৰ বাহিৰত, অসমীয়া আধুনিক গীতৰ মৰ্যাদা বৃদ্ধিত যে এক বিৰাট বৰঙণি যোগাইছে তাত সন্দেহ নাই

বৰ্তমান বহু কবি-শিল্পীয়ে নতুন ৰচনা, নতুন সুৰৰ সম্ভাৰ লৈ আগুৱাই আহিছে—অসমীয়া আধুনিক গীতৰ ভঁৰাল ঐশ্বৰ্যশালী কৰাৰ মানসেৰে। গীতিকাৰ, সুৰস্ৰষ্টা আৰু শিল্পী ৰুদ্ৰ বৰুৱাৰ গীতে অসমীয়া শ্ৰোতা ৰাইজৰ অন্তৰ স্পৰ্শ কৰিব পাৰিছে। বনগীতৰ সুৰেৰে গোৰা তেখেতৰ 'তাঁতৰ দোৰেপতি', 'চিকিমিকি ডালিম গুটি', প্ৰভৃতি গীতত তেখেতৰ সমাজপ্ৰীতি পৰিস্ফুটমান, হৈ উঠিছে। নৱ বৰুৱাৰ 'মোৰ অজন্তাৰ গভীৰ গুহাত' 'মোৰ হিয়াৰে দুবৰিতে' আদি গভীৰ গীতসমূহে নিজা সুৰত সুন্দৰৰূপে ধৰা দিছে; পৰিবেশন কৰিছে বৰুৱাই নিজে আৰু আইভি বৰুৱা, তুলতুল ভৰালী প্ৰভৃতিয়ে। নৰকান্ত বৰুৱা ৰচিত গীতসমূহতো ভাৱৰ গভীৰতা আছে। সূক্ষ্ম ধ্বনিযুক্ত শব্দৰ প্ৰয়োগত তেওঁতৰ গীতৰ ভাষা গভীৰ আৰু বাঙময়। গভীৰ জীৱনবোধ আৰু প্ৰকৃতিৰ প্ৰতি নিবিড় তৃষ্ণাৰে তেওঁতৰ গীতসমূহ সিক্ত, সৰস হৈ উঠিছে। সেইবেৰত চিত্ৰধৰ্মিতাৰ আকৰ্ষণ আছে। বৰুৱাৰ গীতসমূহৰ অনুভূতি নিবিড়ভাৱে নিজৰ কৰি লৈ সেইবেৰক দৰদী কণ্ঠেৰে ৰূপায়িত কৰিছে শিল্পী বীৰেন দত্তই। তেখেতৰ গভীৰ মিঠা সুৰেৰে মূৰ্ত হৈ উঠা বৰুৱাৰ 'বহাগৰ দুপৰীয়া', 'আকাশ আমাক অকণি আকাশ দিয়া', 'অ' ধুন ধুনীয়া' গীতসমূহ উচ্চ প্ৰশংসিত।

জয়ন্ত বৰুৱা আৰু হীৰেন ভট্টাচাৰ্যৰ গীতৰাজি চিত্ৰধৰ্মী। উপলব্ধিৰ বিচিত্ৰতা তেখেতসকলৰ গীতৰ এটি বিশেষত্ব। সূক্ষ্ম দৃষ্টিৰে, শিল্পীসুলভ মনেৰে প্ৰকৃতিৰ ক্ষুদ্ৰ ছবি অথবা বিশেষ মুহূৰ্তৰ কিছুমান বিশেষ অনুভূতি তেখেতসকলে চিত্ৰিত কৰিছে গীতৰ বুকুত। জয়ন্ত বৰুৱাৰ বেছিভাগ গীতেই সুৰকাৰ অজিত সিংহৰ সুৰ-সংযোজনাত সজীৱ হৈ উঠিছে। অৱশ্যে তেখেতৰ 'তুমি দিলোঁ মন ডিঙৰে পাৰ', 'কণমানি বৰশীৰে চিপ' আদি গীত বীৰেন দত্তৰ সুৰেৰে, দত্ত আৰু দীপালী বৰঠাকুৰৰ পৰিবেশনেৰে জনপ্ৰিয় হোৱাও দেখা যায়।

সমাজ-সচেতন কবি কেশৱ মহন্তৰ 'জেউতি তোলৈ মনত পৰে', 'অ' বাই গুলচী', 'বৰঘৰৰ মেকুৰী', 'কুঁৱলী আঁতৰি যা', 'অ' আইতা আমাৰ কপালতে' আদি গীতসমূহৰ মাজত সামাজিক জীৱনৰ টুকুৰা-টুকুৰ ছবি, সাধাৰণ মানুহৰ আশা আৰু অতীতৰ প্ৰাণস্পৰ্শী চিত্ৰ প্ৰতিভাত হৈ উঠিছে। সেয়ে তেখেতৰ গীতসমূহৰ আবেদনো অসমীয়া ৰাইজৰ ওচৰত প্ৰবল। মহন্তৰ গীতৰাজি প্ৰাণ পাই উঠিছে ৰুদ্ৰ বৰুৱা, খগেন মহন্ত, ব্ৰজেন বৰুৱা, দিলীপ শৰ্মা, ৰমেন বৰুৱা আৰু অন্যান্য অন্যতাঁৰ শিল্পীৰ কণ্ঠত। তফজ্জুল আলিৰ 'মন্দাক্ৰান্তা মোৰ কবিতাত', 'চম্পাৱতী তোমাৰ ঘাটত' প্ৰভৃতি গীতত ভাৱ আৰু ভাষাৰ গাম্ভীৰ্য অনুভূত হয়। ঐকান্তিক অনুভূতিৰ নিবিড়তা আৰু সংযমৰ উপলব্ধি ক্ৰমে তেখেতৰ ভাৱ আৰু ভাষাত পৰিলক্ষিত হৈছে। গীত ৰচাতে ক্ষান্ত নেথাকি নিজে সুৰ-সংযোজনা কৰি পৰিবেশনো কৰিছে তেওঁ নিজ কণ্ঠেৰে।

ফণী তালুকদাৰ ৰচিত 'ৰিম ঝিম, ৰিম ঝিম, 'মনময়ূৰী মোৰ নাচে', 'চম্পা জাগা ফুলনি শুৱাই' আদি বেছি ৰোমান্টিক ভাৱাপন্ন গীতবোৰ জিতেন দেৱৰ সুৰেৰে মূৰ্ত হৈ উঠিছে; পৰিবেশন কৰিছে বীণাপানি ভাগৱতী, দীপালী বৰঠাকুৰ প্ৰমুখ্যে অন্যতাঁৰ-শিল্পীসকলে। বাস্তৱ জীৱন, মধুৰ পৃথিৱী আৰু যৌৱনৰ বিভিন্ন চিত্ৰ ৰূপায়িত হোৱা ক্ৰমে সূৰ্য বৰা, মুকুল বৰুৱা আৰু ক্ষীৰদাকান্ত বিষয়াৰ গীতসমূহো এই ক্ষেত্ৰত উল্লেখযোগ্য।

ৰচনা আৰু পৰিবেশনৰ দ্বাৰা অসমীয়া সঙ্গীতত প্ৰচুৰ বৰঙণি যোগাইছে শিল্পী লক্ষহীৰা দাসে; তেখেতৰ গীতৰাজিত বাহ্যিক বৰ্ণনাৰ সলনি অন্তৰ্মুখী ভাৱৰ আবেদনহে বেছি অনুভূত হয়। 'জোনৰ বেদনাসনা দুগালত', 'অনুৰাগে ৰঞ্জিত মন', 'নৃত্যশীলা মন মোৰ' আদি গীতত তেখেতৰ ৰোমাণ্টিক ভাৱধাৰা প্ৰকটৰূপে প্ৰকাশ পাইছে। তেখেতৰ প্ৰায়বোৰ গীত সুৰ দিছে বীৰেন দত্ত, ব্ৰজেন বৰুৱা, মুকুল বৰুৱা, জিতেন দেৱ, বীৰেন্দ্ৰকুমাৰ ফুকন আৰু পূৰ্ণেন্দু চক্ৰৱৰ্তীয়ে আৰু পৰিবেশন কৰিছে নিজে আৰু অন্যতাঁৰ-শিল্পীসকলে। বীৰেন দত্তৰ সুৰ-সংযোজনাত পৰিবেশিত দাসৰ 'মন যে তোমাৰ চম্পাকলি,' 'পৃথিৱী তোমাৰ দিগন্ত পাৰ হৈ,' 'আকাশ আৰু নুশুনাবা' আদি গীতৰ ভাৱপ্ৰকাশ মৰ্মস্পৰ্শী। তেখেতৰ নিজা ৰচনা, সুৰ-সংযোজনা আৰু পৰিবেশনৰ স্বাক্ষৰ 'মোৰ পোনাকণ বুকুৰে ধন,' 'স্বপ্ন যে হায় ছলনা,' 'সজল মেঘৰ কাঁজল' আদিৰ আবেদন মধুৰ।

আধুনিক গীতৰ সংজ্ঞাৰ নিয়ম ৰাখি গীত ৰচনাৰ এক সফল প্ৰচেষ্টা লৈ আগবাঢ়ি আহিছে নিৰ্মলপ্ৰভা

বৰদলৈয়ে। তেখেতৰ গীতৰ সুঁতিত জীৱনৰ কোনো এক বিশেষ ক্ষণ, প্ৰকৃতিৰ গম্ভীৰ আৰু ৰূপময় ছবি, মানুহৰ আশা, নিৰাশা, অনুভূতি, প্ৰতিজ্ঞা, ভবিষ্যত, মধুৰ কল্পনা আদি বিধৌত হৈছে। 'মই জানোঁ তুমিতো নোহোৱা তুমি মোৰ অনুভূতি', 'চঞ্চলা ফাগুন তোমাৰ চকুত স্বপ্ন চঞ্চলা', 'সপোনৰ কলি মোৰ দুচকুত অতনু মদিৰ ৰাগী', 'মোৰ মিনতি তৰা হয় যদি তোমাৰ আকাশ ছুব' গীতবোৰত তাৰেই প্ৰকাশ সহজে বিচাৰি পোৱা যায়। বৰদলৈৰ প্ৰায়বোৰ গীতৰ সুৰ দিছে মুকুল বৰুৱা, ভবেন বৰঠাকুৰ, জিতেন দেৱ, দেবেন শৰ্মা, জয়ন্ত হাজৰিকা প্ৰভৃতিয়ে। তেখেতৰ 'সোণৰ খাৰু নেলাগে মোক', 'সোণোৱালী বুটা বছা', 'আগলি কলাপাত' আদি জনপ্ৰিয় গীত-সমূহ পৰিবেশন কৰিছে দীপালী বৰঠাকুৰে। ভূপেন হাজৰিকাৰ পৰিবেশনাৰে বৰদলৈৰ 'সীমাৰ সিপাৰে তৃপ্তি আমাৰ' ( সুৰ : মুকুল বৰুৱা ) 'ধুমুহাত মই থৈ যাওঁ' ( সুৰ : জয়ন্ত হাজৰিকা ), 'মই এই মাটিৰে ল'ৰা' ( সুৰ : ভূপেন হাজৰিকা ) আদি গীতৰ জনপ্ৰিয়তাও অধিক।

আলিমুননিছা পিয়াৰৰ 'খোজ লাহেকৈ দিবি সখী', 'এই বেলি ফুলা নাই', 'কবি লোৱা মধুৰাগিনী', 'হে অপৰাজিতা' আদি গীতত আবেগিক ঐক্যই প্ৰধানভাৱে প্ৰকাশ পাইছে। তেখেতৰ প্ৰায়বোৰ গীতত সুৰ প্ৰদান কৰিছে বীৰেন দত্ত, তাৰিকুদ্দিন আহমেদ, বীৰেন্দ্ৰকুমাৰ ফুকন, দেবেন শৰ্মা, ইক্ৰামুল মজিদ প্ৰভৃতিয়ে আৰু পৰিবেশন কৰিছে ভাৰতী কৰচৌধুৰী, পাৰবিন চুলতানা, দেবেন শৰ্মা, বীৰেন দত্ত, বীৰেন্দ্ৰকুমাৰ ফুকন, ভূপেন হাজৰিকা আৰু অন্যান্য অনাতাঁৰ-শিল্পীসকলে।

'কৃষ্ণলীলা তৃষ্ণানদীৰ পাৰ' আদি জনপ্ৰিয় গীতৰ ৰচক যতীন বৰাই বাস্তৱ, আধুনিক ৰুচিবোধেৰে গীত ৰচা দেখা যায়। খগেন মহন্ত, সূৰ্য দাস, চুয়েজ বৰদলৈ প্ৰভৃতিৰ দ্বাৰা পৰিবেশিত তেখেতৰ 'চাপ্ৰা বহুত দুৰ', 'গুম্ গুম্, গাম্ গাম্, ব্যস্ত চেইপাম' আদি গীতৰ আকৰ্ষণীয়তা আছে। লীলা গগৈৰ 'এইজনী অনামিকা নাগিনী ছোৱালী', 'ডালিমীৰে দেশতে হাঁহেনো কোন ডালিমী', 'ৰ'দালি, ৰ'দালি', ভগগিৰী ৰায়চৌধুৰীৰ 'মোৰ চোতালৰ তুলসীৰ তলে', উপেন কাকতিৰ 'মানাহ, মানাহ, এই মানাহ' আদি গীতৰ জনপ্ৰিয়তা প্ৰচুৰ। অনুৰাধা দাসৰ 'পৃথিবী তোমাক ফাগুন ফাগুন লাগে', 'পাহৰি নেযাবা সোণ' প্ৰভৃতি গীত জিতেন দেৱ, ব্ৰজেন বৰুৱা আদিৰ সুৰ-সংযোজনাত আৰু বীৰেন দত্ত, বীণাপাণি ভাগৱতী আৰু অন্যান্য অনাতাঁৰ শিল্পীসকলৰ পৰিবেশনত জীৱন্ত হৈ উঠিছে।

বৰ্তমান অসমীয়া আধুনিক গীতত আৰু বহু গীতিকাৰ, সুৰকাৰ আৰু শিল্পীৰ অৱদান পৰিলক্ষিত হৈছে। ওপৰত অনুল্লেখিত শিল্পীসকলৰ উপৰিও জ্ঞানদা কাকতী, গুণদা দাস, তুলিকা দাস, লবঙ্গ ডেকা, প্ৰণতি শইকীয়া, জ্যোতিষ ভট্টাচাৰ্য, জ্যোতিৰ্ময় কাকতি আৰু অন্যান্য অনাতাঁৰ-শিল্পীসকলে বহুতো গীত পৰিবেশন কৰিছে।

অসমীয়া আধুনিক গীতে উন্নতিৰ পথেদি আগুৱাই যোৱাত অনাতাঁৰ-কেন্দ্ৰৰ বাহিৰেও প্ৰচুৰ বৰঙণি যোগাইছে 'প্ৰগতি শিল্পী-সঙ্ঘ', 'স্বৰগম', 'নিউ আৰ্ট প্লেয়াৰ্চ', 'মধুচয়নিকা' প্ৰভৃতি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে। এই অনুষ্ঠানসমূহৰ জৰিয়তে অসমৰ বাহিৰৰ শিল্পীসকলৰ সৈতে অসমীয়া শিল্পীসকলৰ সুন্দৰ, সুদৃঢ় সম্বন্ধও গঢ়ি উঠিছে, সুৰৰ আদান-প্ৰদান ঘটিছে ; লগে লগে ভাৱৰ আৰু পৰিবেশনৰ নিত্যনতুন কৌশলো আমাৰ গীতলৈ আহিছে। 'ভূপেন হাজৰিকা সঙ্গীত সন্ধিয়া' পাতি সঁচা আন্তৰিকতাৰে এই শিল্পীজনাক সম্বৰ্ধনা জনোৱাৰ লগতে অনা-অসমীয়া বিখ্যাত শিল্পী কেইজনমানৰ গীত পৰিবেশন কৰা 'মধুচয়নিকা'ৰ এই প্ৰচেষ্টা শলাগিব লগীয়া।

বৰ্তমান অসমীয়া গীতৰ যুগটো আধুনিক গীতৰ যুগ হ'লেও, এই যুগটোৰ পৰিপূৰ্ণতাৰ বাবে বহু গীতিকাৰ, সুৰকাৰ আৰু শিল্পীয়ে আগ্ৰহেৰে আগুৱাই আহিলেও, এই যুগটোৰ সমৃদ্ধি আন ভাষাৰ গীতৰ তুলনাত সিমান পূৰ্ণ হৈ উঠিব পৰা নাই। তাৰ কাৰণ কিছু পৰিমাণ সাধনাৰ অভাৱ যেন অনুভূত হয়। অনাতাঁৰ-কেন্দ্ৰই প্ৰচাৰ কৰা বেছিভাগ শিল্পীৰ গীত শুনি সেই উপলব্ধি বেছি সজীৱ হৈ উঠে।

ভাৰতৰ বিভিন্ন ভাষাৰ আধুনিক গীতসমূহ ( বিশেষকৈ বঙালী হিন্দী আদি ) আৰু অসমীয়া গীতৰ মাজৰ প্ৰধানতম্ পাৰ্থক্য হৈছে আমাৰ গীতৰ সুৰসমূহত মাৰ্গ সঙ্গীতৰ আভাস নিচেই কম। অসমত মাৰ্গ সঙ্গীত চৰ্চাৰ অভাৱেই হয়তো তাৰ একমাত্ৰ কাৰণ। অসমীয়া শিল্পীৰ কণ্ঠত স্বাভাৱিক মাধুৰ্য থাকিলেও তাক বিজ্ঞানসন্মত প্ৰণালীৰে উন্নত আৰু সংস্কৃত কৰি লোৱাৰ সাধনা তেওঁলোকৰ মাজত নাই। অৱশ্যে এইটো সঁচা যে বাহিৰৰ শিল্পীৰ তুলনাত অসমীয়া শিল্পীয়ে বহু সুবিধাৰ পৰাই বঞ্চিত হৈছে। অৰ্থনৈতিক দিশৰ পৰাও অসমীয়া শিল্পীয়ে বহুতো অসুবিধা সহিব লগাত পৰে। সেয়েহে আশা কৰা যায়, 'আকাশ বাণী'ৰ ফালৰ পৰা অথবা অন্যান্য অনুষ্ঠান আৰু চৰকাৰৰ তৰফৰ পৰা এই অসুবিধাবোৰ আঁতৰোৱাৰ চেষ্টা চলালে অসমীয়া আধুনিক গীতে পূৰ্ণ-বিকশিত হৈ এক সৰ্বভাৰতীয় মানদণ্ড লাভ কৰিব।

শ্রীবিশ্বকিঙ্কৰ গোস্বামী
দ্বিতীয় বাৰ্ষিক কলা

# এলাদ'ৰেদো

হাটৰ মাজতে ৰিক্সা এখনৰ চাৰিওফালে বহুত কিবাকিবি কাগজ লগাই হিন্দুস্থানী মানুহ এজনে খুব চিঞৰিছে। হাটৰ মানুহে ভালুকৰ নাচ চোৱাৰ দৰে মানুহজনক আগুৰি ধৰিছে। সকলোৱে মাত্ৰ ডিঙি মেলি মেলি তেওঁলৈকে চাইছে। ঘাম, ধূলি আৰু চুলিত ঘঁহা তেলেৰে তেওঁৰ মূৰৰ টুপিটোৱে নতুন ৰং লৈছে। এটি বিশেষ গতিত যন্ত্ৰৰ দৰে মানুহজনে অনৰ্গলভাৱে চিঞৰিয়েই আছে। কথাটো বুজি পোৱা আৰু নোপোৱাকৈও বহুতে মানুহজনৰ মুখলৈ চাই ৰংচঙীয়া কাগজ লগোৱা ৰিক্সাখনৰ চাৰিওফালে ভিৰ কৰি ধৰিছে। কথাটো জানিবলৈ মন গ'ল সিদ্ধিনাথৰো। শুদা শিকিয়া-বাওকাযোৰ গলধনৰ পৰা নমাই এখন কান্ধত লৈ সি মানুহজুমৰ ওচৰলৈ আহিল। সিও পাছফালৰপৰা এজন মানুহৰ কান্ধৰ ওপৰেদি মূৰটো অলপমান উলিয়াই ৰিক্সাখনলৈ চালে। মানুহজনে চিঞৰিয়েই আছে। অন্য এজনে ৰিক্সাৰ চেদেলখনৰ ওপৰতে কাগজ এসোপামান লৈ কিবাকিবি লেখি আছে। কথাটোনো কি সি প্ৰথমতে ধৰিব পৰা নাছিল যদিও চাই বেছ আমোদ পাইছিল হঠাতে তাৰ চকুত পৰিল—লেখি থকা মানুহজনৰ কাষতে আঁঠু দুটাৰ ওপৰত দুয়োখন হাতেৰে গাৰ ভৰ দি ভুবন থিয় হৈ আছে। মানুহজনেও তাক কিবা সুধি সুধি লেখি গৈছে।

সিদ্ধিনাথে কান্ধৰ শিকিয়া-বাওকাযোৰ একাষৰীয়াকৈ থ'লে আৰু ঠেলা-হেঁচা কৰি জুমটোৰ ভিতৰ সোমাই একেবাৰে ভুবনৰ কাষ পালেগৈ। ঠেলা-হেঁচাত ইফালে সিফালে হালি যোৱা মানুহবোৰে বিৰক্তিৰে সিদ্ধিনাথলৈ চালে যদিও অলপ পিছতে আগৰ অৱস্থা ঘূৰি আহিল। এনেতে ছেগ বুজি লাহেকৈ আঙুলি এটাৰে পাছফালৰপৰা ভুবনক খোচ মাৰি দি সিদ্ধিনাথে তাক "কি অ' ভুবন" বুলি সুধিলে। ভুবনে ভোৰভোৰাই এনেকুৱা সুৰত কথাষাৰৰ উত্তৰ যেন এতিয়া সি খুব ব্যস্ত, অন্যৰ ফালে চাবলৈ বা মাতিবলৈ তাৰ সময় নাই। তাৰ মুখৰ চেহেৰা দেখি দুনাই আৰু একো সুধিবলৈ সিদ্ধিনাথে সাহ নকৰিলে। সি এবাৰ চিঞৰি থকা মানুহজনলৈ আৰু এবাৰ লেখি থকা মানুহজনলৈ চাই থাকিল। এটা সময়ত হেঁচা-ঠেলা ইমান বেছি হ'লগৈ যে ভুবন হামখুৰি খাই পৰিব লগীয়া অৱস্থা এটাৰ সৃষ্টি হ'ল। ভুবনে এবাৰ দুয়োখন হাতেৰে ঠেলি অহা মানুহবোৰক ভেটা দিয়াৰ ভাওৰে থিয় দি পুনৰ লেখি থকা মানুহজনলৈ মুখ ঘূৰালে। যি ব্যস্ততাৰে পুলিচ-ডাৰোগাই গাৱঁলৈ আহি ডকাইটি কে'চৰ আচামীৰ নাম-ধাম লেখে, ঠিক তেনে এটি ব্যস্ততাৰে মানুহজনে ভুবনৰ কথাও লেখি ল'লে। অলপ পিছতে টকীয়া নোটখনৰ সমান ডাঙৰ কাগজ এডোখৰ খুব সাৱধানে দুয়ো হাতেৰে জাপি জাপি মানুহজুমৰ মাজৰ পৰা ভুবন ওলাই আহিল। সিদ্ধিনাথেও তাৰ পাছ ল'লে।

ভুবনে মানুহজুমৰ মাজৰপৰা বাহিৰলৈ আহি সিদ্ধিনাথলৈ কেৰাহিকৈ চাই কাগজডোখৰ জাপি হাঁচতিৰ আগত আলফুলকৈ বান্ধিবলৈ লওঁতে সিদ্ধিনাথে তাক সুধিলে—"সেইখন কি ?" হাঁচতিখন চুৰিয়াৰ ভেৰপেটিতে খুচি থৈ ভেৰপেটিটো আৰু এবাৰ হাত ফুৰাই ভুবনে এইবাৰ উত্তৰ দিলে—"চিঠি খেলৰ টিকট।" ভুবনৰ মাতটো অলপ কঁপিছিল।

চিঠিৰ খেল বুলি জানি কথাটো ভালদৰে জানিবৰ মন গ'ল সিদ্ধিনাথৰ। টিকটৰ দাম এটকা বুলি শুনি প্ৰথমতে তাৰ মন পৰি গৈছিল যদিও যেতিয়া

ভুবনে প্ৰথম পুৰস্কাৰ তিনিকুৰি পোন্ধৰ হেজাৰ টকা বুলি ক'লে সিদ্ধিনাথ আচৰিত নহৈ নোৱাৰিলে। এটকাত তিনি কুৰি পোন্ধৰ হেজাৰ টকা! সি ভাবিলে, তিনিকুৰি পোন্ধৰ হেজাৰ টকা বহুত টকা। ইমান টকা মৌজাদাৰৰো নাই চাগৈ! প্ৰথম পুৰস্কাৰটো পালে একেদিনাই সি দেখোন ৰজা হ'ব।..

ইতিমধ্যে ভুবনে বিড়ি এটা জ্বলাই লৈছিল। "কি ভাবিছ? ল যদি ল এখন। পায়ে যাব কিজানি?" বুলি কওঁতেহে সিদ্ধিনাথে "দে, লওঁ দে এখন। এটকা হে?" বুলি কৈ আগবাঢ়ি আহিল। এটকা হে বুলি এনে এটা ভাৱত সি ক'লে যেন তিনি কুৰি পোন্ধৰ হেজাৰ টকা পালে এটকা খৰছ কৰাটো কি কথা!

নন্দ পাণ বেপাৰীয়ে টিকটখন লৈ অটোৱাৰ লগে লগে ভুবনে টিকট-বাবুক উদ্দেশ্য কৰি সিদ্ধিনাথকো টিকট এখন দিবলৈ এনেকৈ ক'লেগৈ যেন টিকট-বাবুৰ লগত তাৰ বহুত দিনৰ পৰা চিনাকি আছে। টিকট-বাবুৱে সিদ্ধিনাথৰ নাম সুধিলে। কাৰ নামত টিকটখন ল'লে ভাল হ'ব সেই কথা সিদ্ধিনাথে ভবাই নাছিল। বিবুধি হৈ সি ভুবনলৈ চালে। ভুবনে মালতীৰ নামত তাৰ টিকেটখন লৈছিল। তাকো সি পমিলীৰ নামতেই ল'বলৈ কোৱাতহে সিদ্ধিনাথে উপায় বিচাৰি পালে; পেটে পেটে সি ভালো পালে। তাইৰ হাতত টিকটখন দিবলৈ পালে যে তাৰ কিমান ভাল লাগিব, তাকে ভাবি সি ক্ষন্তেকৰ বাবে বেছ তৃপ্তি পালে। সিদ্ধিনাথে চুৰিয়াৰ আগৰ গাঠিৰপৰা টকীয়া নোট এখন ভুবনৰ হতুৱাই টিকট-বাবুৰ হাতত দিয়ালে। টিকট-বাবুৱে নোটখন হাতত লৈ টিকটখন সিদ্ধিনাথৰ হাতত দিয়াৰ লগে লগে তাৰ গাটো ৰাইজাই কৰি উঠিল, কাণমূৰ গৰম হৈ গ'ল আৰু মূৰৰ পৰা ভৰিলৈকে শৰীৰৰ স্নায়ুবোৰ টনটনাই উঠিল। তিনিকুৰি পোন্ধৰ হেজাৰ টকা!

টিকটখন খুব সাৱধানে হাঁচতিখনত বান্ধি লৈ সি মানুহজুমৰ মাজৰ পৰা ওলাই আহি খেল কেতিয়াকৈ হ'ব ভুবনক সুধিলে। তাৰ মুখৰ পৰা আঠ চেপ্তেম্বৰ তাৰিখে খেল হ'ব বুলি জানিলেও সেইদিনা অসমীয়া কিমান তাৰিখ হ'ব সেই কথা নেজানি সিদ্ধিনাথে ভুবনৰ মুখলৈ চালে। ভুবনেও নেজানে। সি টিকটবাবুক সুধিবলৈ গ'ল। সিদ্ধিনাথে মৌজাদাৰ দেউতাহঁতৰ ঘৰলৈ গ'লে জানিব পাৰিব ভাবি ভুবনলৈ বাট নেচালে, শিকিয়া-বাওকাযোৰ কান্ধত লৈ ঘৰলৈ খোজ দিলে। হাটৰ মাজেদি যাওঁতে তাৰ গাৱঁৰে সদায় একেলগে হাট কৰা কেইবাজনো বেপাৰীয়ে একেলগে যাবলৈ তাক লগ ধৰিছিল। কিন্তু তিনিকুৰি পোন্ধৰ হেজাৰ টকা আৰু আঠ চেপ্তেম্বৰ তাৰিখৰ কথা সি ইমান গভীৰভাৱে ভাবি আছিল যে সিহঁতৰ কথা তাৰ কাণতে নোসোমাল। নিজৰ মনতে কিবাকিবি ভাবি সি কোঁ-কোঁৱাই ঘৰলৈ বেগ দিলে। প্ৰত্যেক হাট-বাৰে হাটৰ পৰা উভতি যাওঁতে বহি বিড়ি খাই ভাগৰ জুৰোৱা বুঢ়া শিমলুৰ তলৰ মেধিৰ দোকানতো আজি তাৰ বহিবলৈ ইচ্ছা নগ'ল। তাৰ আগে আগে যেন টকা এসোপামান দৌৰি ফুৰিছে। খেলৰ তাৰিখ-টোলৈ বা আৰু কিমান দিন আছে? মৌজাদাৰ দেউতাহঁতৰ ঘৰলৈ আজি যি কোনো উপায়েৰে আহিব লাগিব। এইবোৰ কথাকে ভাবি-গুণি আহি থাকোঁতে সিহঁতৰ পদূলি পালেহিয়েই। নঙলাৰ শলখাডাল গুচাই সি পমিলীক মাতিলে। চাদৰখন অলপ কপালৰ আগলৈ টানি লৈ পমিলীয়ে উধাতু খাই দৌৰি ওলাই আহি সুধিলে—"কি হ'ল? কি হ'ল?"

"নাই নাই একো হোৱা নাই। ভিতৰলৈ ব'লচোন।" শিকিয়া-বাওকাযোৰ ঘৰৰ বেৰখনতে আওজাই থৈ সি গম্‌গমাই ভিতৰলৈ সোমাই গ'ল। ভৰিৰে পীৰা এখন ধম্‌কৰে পেলাই লৈ সি বহি পৰিল। পমিলীলৈ নোচোৱাকৈয়ে আলফুলকৈ হাঁচ-তিৰ গাঁঠিটো খুলি গহীনাই পমিলীক ক'লে, "এখিলা কাগজ আন।" পমিলীয়ে জুহালৰ কাষৰ বেৰৰ খুটাৰ চেপত খোৱা বজাৰৰ পৰা চেনি-চাহ বান্ধি অনা খবৰ কাগজ এখিলা আনি দিলে। কাগজখিলা ভালকৈ জাৰি জোকাৰি তাতে টিকটটো বান্ধি পমিলীৰ হাতত দি ক'লে—"হোঁ, ভালকৈ জপাত ভৰাই থগৈ।"

পমিলীয়ে ইমান পৰে সিদ্ধিনাথৰ কাৰ্যকলাপ চাই আছিল। সেইটোনো কি বস্তু সুধিবলৈ তাই সাহ কৰা নাছিল। অৱশেষত কৌতূহল দমাই ৰাখিব নোৱাৰি কবিৰাজৰ বড়িৰ টোপোলাৰ দৰে টোপো-লাটো হাতত লৈ তাই সুধি পেলালে—"কি বস্তুনো এইটো?"

"সাঙ্ঘাটিক বস্তু সেইটো, ভালকৈ থগৈ।"

"কিনো ইমান সাঙ্ঘাটিক বস্তু? কোৱাচোন বাৰু।"

"আঃ সেয়া টকা—টকা, তিনিকুৰি পোন্ধৰ হেজাৰ—" সিদ্ধিনাথে কথাষাৰ শেষ কৰিবলৈ নৌ-পাওঁতেই পমিলীয়ে সুধিলে—

"ক'তা, সেয়া দেখোন এখন কাগজহে?"

"নহয় অ,' মানে, সেইখন চিঠিখেলৰ টিকট বুজিছ? তিনিকুৰি পোন্ধৰ হেজাৰ টকা প্ৰথম পুৰস্কাৰ।"

"হয়নে? ইমান পৰে তাকে নক'লা কেলেই? কাৰ নামত ল'লা পিছে? তোমাৰ নামত নে ছদ্ম-নামত?"

"নহয় অ' তোৰ নামত ল'লোঁ।" সিদ্ধিনাথে মিচিকিয়াই হাঁহিলে।

"হয় নেকি ? টকা পাবাই তেনেহ'লে।"

সিদ্ধিনাথ উচাপ খাই উঠিল। তাৰ চকু দুটা ডাঙৰকৈ মেল খাই গ'ল।

"হে কেনেকৈ জানিলি তই ?"

"কিয় যোৱা বেলি ৰাসযাত্ৰাৰ চিঠিখেলত দেখোন মই গোন্ধ চাবোন এডোখৰ পাইছিলোঁ।"

"হে হয়নে ?" বিশ্বাস অবিশ্বাস মিহলি স্বৰত ক'লে সিদ্ধিনাথে। সি টকা পোৱা কথাটো যেন একেবাৰে নিশ্চিতহে এনে এটা ভাৱত তাৰ মুখখন লাহে লাহে কুমলি আহিল আৰু চকুৱে মুখে এটা হাঁহি বিৰিঙি উঠিল। গাৰপৰা ঘামত তিতি থকা বনিয়নটো টানি সোলোকাই তাৰেই মুখখন মচি পমিলীলৈ চাই ক'লে—"চাওঁ কি আছে দুটামান খাবলৈ দেচোন মৌজাদাৰ দেউতাইঁতৰ ঘৰৰ পৰা আহোঁগৈ।"

কোমল চাউল এবাটি নাকে-মুখে গুজি লৈ সিদ্ধিনাথে মৌজাদাৰৰ ঘৰলৈ চাপলি মেলিলে। পোনেই ভিতৰ চোতাল পালেগৈ। দূৰৰ পৰাই নতশিৰ হৈ মৌজাদাৰনী আইক প্ৰণাম জনালে। তামোলৰ মোকোৰাটো জিভাৰে ঠেলি একাষলৈ নি সেলেঙি লগা মুখখন অকণমান মেলি মৌজাদাৰনী আয়ে সুধিলে—"কোনফালে আহিলি সিদ্ধি ?"

"এইফালেই আহিলোঁ আই। ফুলুবোপা নাই নেকি ? কথা এটা আছিল "

"কিনো কথা কচোন।"

"কথা মানে—বিশেষ একো নাই আই। ফুলুবোপাকহে কিবা এটা সুধিব লাগিছিল।" সকামটোৰ কথা ক'বলৈ সি অলপ লাজ কৰিলে।

মৌজাদাৰনীয়ে তেওঁৰ ডাঙৰ ল'ৰা ফুলুক মাতি দিলে। সিদ্ধিনাথে ফুলুক অলপ একাষৰীয়াকৈ মাতি নি কথাটো ক'লে। ফুলু বোপাই কেলেণ্ডাৰখনলৈ চাই আঠ চেপ্তেম্বৰৰ দিনা ভাদ মাহৰ চাৰি তাৰিখ পৰিছে, আৰু একুৰি তিনি দিন আছে বুলি কোৱাত সিদ্ধিনাথৰ মনটো ভাল লাগি গ'ল—আৰু একুৰি তিনি দিন আছে মাথোন খেললৈ! খৰখেদাকৈ সি মৌজাদাৰনীৰ পৰা বিদায় লৈ ঘৰলৈ খোজ ল'লে।

বাটত দেখি গ'ল গোলোকৰ দোকানৰ সন্মুখত মানুহ বহিলেই; নীলকমল মাষ্টৰেও এখন হাত নোহোৱা চকীত আযমেৰে বহি বাতৰি কাকত এখন উলিয়াই লৈছে। ইয়াত এইদৰে সদায় মানুহ বহে। নীলকমল মাষ্টৰে গোটেই খোৱা ৰাইজক বাতৰি কাকত পঢ়ি দেশৰ খবৰ শুনায়। 'অসম বাণী'ৰ ৰাশিফল, পানেৰীত বাঘৰ উপদ্ৰৱ, পাকিস্তানৰ যুদ্ধ, ভেজাল আটাৰ লুচি খাই মানুহৰ মৃত্যু আদি হৰেক ৰকমৰ খবৰ শুনায়। গ্ৰামসেৱক যজ্ঞৰামো তালৈ মাজে মাজে আহে। তেওঁ আহিলে সভাখন আৰু শহীন হয়। চৰকাৰী সমাজ উন্নয়ন খণ্ডৰ কৰ্মচাৰী যজ্ঞৰামে মন্ত্ৰী, এম্-এল্-এ আদিৰ বিষয়ে ইমান কথা জানে! সিদ্ধিনাথে বেগাবেগিকৈ ঘৰলৈ গৈ কোনোমতে গৰু-গাই কেইটা বান্ধি চাপলি মেলিলে গোলোকৰ দোকানলৈ। সি আহি দেখিলে, মাষ্টৰে ইতিমধ্যে ৰাশিফল কোৱা আৰম্ভ কৰিছেই। সি পোনচাটেই মাষ্টৰৰ চকীৰ কাষ পালেগৈ। কোনোবা এটাৰ ৰাশিফল কৈ উঠাৰ লগে লগে সিদ্ধিনাথে ক'লে—"মাষ্টৰ মোৰটোও অলপ চোৱাচোন। কুম্ভ ৰাশি—"

"এয়া কুম্ভ ৰাশি" বুলি মাষ্টৰে ডাঙৰ ডাঙৰকৈ পঢ়ি গ'ল। "ঘৰুৱা সুখ-শান্তিয়ে আনন্দ দিব, বিশেষকৈ পত্নীপক্ষৰ পৰা প্ৰচুৰ ধন লাভ হ'ব এই সপ্তাহটোত।"

—এই বাক্যটো শুনি সিদ্ধিনাথ উচাপ খাই উঠিল।

"কি ক'লা মাষ্টৰ ?"

সিদ্ধিনাথ অলপ দোমোজাত পৰিল। খেলতো এই সপ্তাহত নহয়! খেল হ'বলৈ আৰু একুৰি তিনি দিন বাকী। বাৰু দেখা যাওকচোন জ্যোতিষে মিছা ক'বনে বাৰু ?—সি ভাবিলে। মাষ্টৰে বাকীবোৰ কি পঢ়িলে সি নুশুনিলে, শুনাৰ প্ৰয়োজন নহ'ল। ইহাত সিহাত হৈ তাৰ সন্মুখলৈ অহা চিলিমটোত দুহোপামান মাৰি সি ঘৰলৈ আহিল।

ঘৰ পোৱাৰ পিছতো পমিলীৰ কথাষাৰ সি মনৰ পৰা এৰাব পৰা নাই—"টকা পাবাই তেনেহ'লে!" ভাত-পানী খাই উঠি শেতেলীতে পৰি সি ভাবিলে—পমিলীৰ নামত লৈছে যেতিয়া সি টকা পাবই। জ্যোতিষেও দেখোন টকা পোৱাৰ কথা ক'লে। তিনিকুৰি পোন্ধৰ হেজাৰ টকা! ইমান টকা সি কি কৰিব ? টকা পালেই খুলশালী দুজনীৰে সৈতে পমিলীক এদিন চিনেমা এখন দেখুৱাব লাগিব। বৰকৈ কুটুৰি আছে তাই। অ' আৰু এটা কথা, সেইদিনা ভুৰুকি পেহীয়ে কৈছিল পমিলীক হেনো এই সময়ত অলপ মাছ-তাছ খুৱাব লাগে। টকা পালেই এটা ডাঙৰ মাছ আনিব লাগিব। দুহালিচামান মাটিও কিনিব পাৰিব। টকা পালে পিছে পমিলীজনীয়ে সকলোকে কৈ ফুৰিব।···তিলকহঁতক পঠা এটা মাৰি ভাতকে খুৱাব লাগিব। কিছু টকা ধনবৰ মহাজনৰ দৰে বেঙ্কতো থ'ব লাগিব। কিছুমানে দেখোন কয় কেতিয়াবা বেঙ্কতো টকা মৰা যায়। আজিকালি হেনো টকা জমা থোৱাৰ আৰু বহুত উপায় ওলাইছে। সেইবোৰ নীলকমল মাষ্টৰেহে জানে; তেওঁকেই সুধিব লাগিব। এইবাৰ আইৰ শ্ৰাদ্ধটোত গাওঁখনক ভালকৈ ভোজ এটাও দিব লাগিব।··

হঠাতে কিবা চেঁচা বস্তু এটা গালত লগাত উচাপ

খাই উঠিল সিদ্ধিনাথ। পমিলীৰ হাতৰ ৰূপৰ মুঠি পাতহে গালত লাগিছে। পমিলী কেতিয়া আহি তাৰ কাষত শুই আছে সি ক'বই নোৱাৰে। মুঠিপাত হাতেৰে ছুই দিওঁতেই তাৰ মনটো কেনেবা লাগি গ'ল। লগে লগে সি গহীনাই সিদ্ধান্ত ল'লে, টকা পালে তাইক এযোৰ সোণৰ খাৰু গঢ়াই দিবই লাগিব। হঠাতে পমিলীজনীলৈ তাৰ খুব মৰম লাগি গ'ল। নিশ্চয় বৰ কপালী তাই, নহ'লেনো ৰাসৰ চিঠিখেলত গোন্ধ চাবোন পায়নে! এইবাৰো তিনিকুৰি পোন্ধৰ হেজাৰ টকা আহি আছে।

কুৰি দিন পাৰ হৈ গ'ল। বাকী তিনিটা দিন সিদ্ধিনাথৰ কাৰণে তিনি বছৰ যেন লাগিল। সেই-দিনা শনিবাৰ, 'অসম বাণী' আহি পোৱা দিন। গৰু-গাই কেইটা বান্ধি চোতালৰ একাষে থকা খৰিখিনি পমিলীক চপাবলৈ দিহা দি সিদ্ধিনাথ গোলোকৰ দোকানলৈ গ'ল। মানুহ আহিছে যদিও মাষ্টৰ অহা নাই। দোকানলৈ আজি ভুবনো আহিছে। ভুবনৰ ওচৰলৈ গৈ সিদ্ধিনাথে লাহেকৈ সুধিলে—

"হেৰৌ ভুবন, পৰহিলৈ খেল হ'লেই নহয়?"

"অ হ'লেই।"

ইয়াতকৈ আৰু বেছিকথা কোনোজনেই ক'ব নোৱা-ৰিলে, দুয়ো দুয়োলৈকে চাই মনে মনে ৰ'ল।

মাষ্টৰ আহিল। বহুদিনৰ চিনাকি সেই এখন হাত নোহোৱা চকীখন উলিয়াই আনি মাষ্টৰ বহিল। চেণ্ডেলযোৰ ভৰিৰপৰা খহাই থৈ চুৰিয়াখন আঁঠুৰ ওপৰলৈ কোঁচাই লৈ ভৰিখন চকীৰ ওপৰত তুলি আয়মেৰে বহি ল'লে। তাৰ পিছত মদনে লগাই দিয়া ধপাত চিলিমত দুটামান হোপা মাৰি 'অসম বাণী'খন ল'লে। লগে লগে বাকীছ নিতাল মাৰি বহিল। প্ৰথমে শুনালে দেশৰ খবৰ। তাৰপিছত কথাচহকী ভলভলীয়া। কথাচহকীৰ কথাৰ ওৰ পৰাৰ লগে লগে উলিয়ালে ৰাশিফল। লগে লগে সিদ্ধিনাথে এমুৰৰ পৰা চিঞৰি উঠিল—"মাষ্টৰ মোৰ ৰাশিফলটো চোৱা-চোন—কুম্ভৰাশি।" একে সময়তে সিমুৰৰ পৰা ভুবনে চিঞৰিলে—"মাষ্টৰ মোৰ ৰাশিফলটো চোৱা—মোৰ ধনু ৰাশি।"

মাষ্টৰে এফালৰপৰা ৰাশিফলবোৰ পঢ়িবলৈ আৰম্ভ কৰিলে। ধনু ৰাশিটো পঢ়োঁতে "এই সপ্তাহত প্ৰচুৰ ধন-প্ৰাপ্তিৰ যোগ আছে" বুলি কওঁতে সিদ্ধিনাথে চিঞৰি উঠিল—"কি ক'লা মাষ্টৰ? ভুবনে প্ৰচুৰ ধন পাব?" মাষ্টৰে "অ অ" বুলি সিদ্ধিনাথৰ মুখলৈ নেচাই চিৰা-চৰিত ৰীতিমতে ৰাশিফল পাঠ কৰি গ'ল। মাজতে এবাৰ এটা কথাত ধনুৰাশিৰ লগত কুম্ভৰাশিৰ মিল ওলাই গ'ল আৰু তেতিয়াই ভুবনে চিঞৰি উঠিল ঠিক সিদ্ধিনাথৰ দৰেই—"কি ক'লা মাষ্টৰ? সিদ্ধিয়েও বহুত টকা পাব?"

সিদ্ধিনাথ মনে মনে ৰ'ল। চিন্তাও হ'ল। সি অলপ দোধোৰ মোধোৰত পৰিল।

ঘৰ সোমায়ে সি পমিলীক ক'লে—"ৰাশি ফলত দেখোন ভুবনেও পাব বুলি ক'লে অ'। নে সিয়ে পায়?"

"ভাগ্যত আছে যদি ক'লৈ যাব?"—পমিলীয়ে ক'লে।..ৰাতি বহু পৰলৈকে সিদ্ধিনাথৰ টোপনি নাহিল। চিঠিখেলৰ দিনটো আৰু পমিলীৰ নামটো বাৰে বাৰে তাৰ চকুৰ আগতে ভাহি থকা যেন দেখিবলৈ পালে। হঠাৎ সিদ্ধিনাথৰ খোকোজা লাগি গ'ল। কাষতে নিঃপালি দি শুই থকা পমিলীৰ মুখখনত বেৰৰ জলঙাৰে বাহিৰৰ পৰা জোনাকৰ শেঁতা পোহৰত হাঁহি এটা লাগি থকা যেন পালে। ছেঃ টোপনিত হঁহাটো অমঙ্গলৰ চিন! পমিলীক গাত ধৰিয়াই মাতি সিদ্ধি-নাথ বাহিৰলৈ গ'ল। বাহিৰৰপৰা আহি দুৱাৰখনৰ দাংডাল দি শুই থাকিল। ইতিমধ্যে পমিলীয়ে বাগৰ সলাই আকৌ নিতাল মাৰিছে।..

খেল শেষ হোৱা দিনটোৰ পিছত খেলৰ খবৰ ওলোৱা দিন কেইটা সিদ্ধিনাথৰ নেযায় নুপুৱায় যেন লাগিল। সেই কেইদিন প্ৰথম প্ৰেমত পৰা স্কুলীয়া ল'ৰাৰ অৱস্থাই সিদ্ধিনাথৰ অৱস্থা হৈছিল। একোতে মন নবহে। খাবলৈয়ো মন নেযায়, কাৰো লগত কথা পাতিবলৈকো মন নেযায়, একো কৰিবলৈও মন নেযায়, কেৱল টিকটখন হাতত লৈ চাই চাই ভাবি থাকিবৰ মন যায়। বাটেৰে চাইকেল এখন গ'লেও ওলাই চায় কিজানি তাৰ টকা পোৱা খবৰটো লৈ পিয়নেই আহিল। চাওঁতে চাওঁতে তাৰ চকু বিষাল। জেলৰ কয়দীয়ে খালাচৰ দিনটোৰ কথা জানি হুকুম অহা সময়টোলৈ যি আগ্ৰহেৰে বাট চাই থাকে, সিদ্ধি-নাথেও তেনে এটি আগ্ৰহেৰে বাট চাই আছে খেলৰ খবৰ অহালৈকে।

অৱশেষত এদিন জেলৰ কয়দীয়ে খালাচৰ হুকুম লিখা কাকতখন পোৱাৰ দৰে সিদ্ধিনাথেও পালে চিঠিখেলৰ খবৰটো। সি দুপৰীয়াতে চাপলি মেলিলে গোলোকৰ দোকানলৈ। কিন্তু গধূলিপৰতহে বাতৰিখন আহিল। বাতৰিখন দেখি তাৰ এনেহে লাগিল যেন বাতৰিখন টানি আনি নিজে পঢ়ি পেলাব। পিছে নিজৰ নিৰক্ষতাৰ বাবে সেই ভাৰ সিমানতে বহি গ'ল। আনদিনাৰ দৰে মাষ্টৰ আহিল। মাষ্টৰে পুৰস্কাৰ পোৱা মানুহবোৰৰ নামবোৰ পঢ়ি গ'ল।..

কিন্তু গোটেই সংসাৰৰ স্তূপীকৃত দুখ-ভাগৰ-

অৱসাদে গধূৰ কৰা মন আৰু শৰীৰটো টানি সিদ্ধিনাথ আনদিনাতকৈও বহুত পলম কৰি ঘৰলৈ উভতিল নঙলামুখৰ পৰাই দেখা পালে পিৰালিখনতে চাকিটো থৈ দুৱাৰমুখৰ খুটাটোত আউজি মূর্তি এটিৰ দৰে পমিলী থিয় হৈ আছে। চোতালত ভৰি দিয়েই চাকিৰ পোহৰত দেখা চোতালৰ এমূৰে থকা কলহটোৰ পৰা পানী বাকি লৈ কাষতে পৰি থকা কাঠৰ পাটচলাত থিয় হৈ দুয়োখন ভৰিতে পানী ঢালি দি সিদ্ধিনাথ ভিতৰ সোমাল। এটা প্রচণ্ড আঘাতত যেন সি বোবা হৈ গ'ল; এক নিবিড় নিস্তব্ধতাই যেন গোটেই ঘৰখন ৰাক্ষসৰ দৰে গ্ৰাস কৰি পেলালে। সিদ্ধিনাথে পমিলীক সিহঁতৰ দুর্ভাগ্যৰ কথা ক'লে আৰু আন দিনাতকৈ বহুত আগতে সি বিছনাত পৰিলগৈ। ভাত-পানীও নেখালে বহুত ভাৱনা-চিন্তাৰ পিছত চিলিমিলিয়া টোপনি এটা আহিছিল যদিও তাক তাৰ বুকুৰ ওপৰত এটি গধূৰ বস্তুৰ অৱস্থিতিৰ উপলব্ধিয়ে ভাঙি দিলে। সি সাৰ পাই উঠি দেখে—পমিলী। তাৰ উদং বুকুত মুখখন গুজি কান্দিছে পমিলীয়ে। সি লাহেকৈ পমিলীৰ মূৰটোত হাত ফুৰাই দিলে—দুটোপাল তপত চকুৰ পানী লাহে লাহে তাৰ বুকুত চেঁচা হ'ল। পমিলীৰ মূৰটো দুহাতেৰে গাৰুত শুৱাই দিবলৈ ধৰোঁতেই খোপাটো খুলি গ'ল।.... মুখৰ উশাহবোৰ আৰু চুটি আৰু উষ্ণ হ'ল। দুহাতেৰে পমিলীক বুকুৰ মাজলৈ টানি আনোঁতে তাৰ পিঠিত চুচৰি গ'ল পমিলীৰ হাতৰ ৰূপৰ সেই মুঠিপাত।

বাহিৰত তেতিয়া ভাদমহীয়া আকাশৰ পৰা নিগৰি পৰা ফৰিংফুটা জোনাক আৰু কেঁচা মাটিৰ ভিজা-ভিজা গোন্ধ।



# ।। বৰগীতৰ

খৃষ্টীয় চতুর্দশ-পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবর্ষ জুৰি শ্ৰীমদ্ভাগৱতক ভেঁটিত প্রতিষ্ঠিত বৈষ্ণৱ ধর্মান্দোলনৰ এক নতুন ধাৰা প্ৰবাহিত হয়; এই আন্দোলনৰ সহায়েৰে এটি নৱজাগৰণৰ যুগ প্রতিষ্ঠিত কৰিবলৈ ভাৰতৰ ভিন্ ভিন্ প্রদেশত নামদেৱ, চৈতন্যদেৱ, কবীৰ, ৰামানন্দ প্রভৃতিয়ে সর্বতোপ্রকাৰে যত্ন কৰাৰ দৰেই অসমতো এই ভক্তি আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে (১৪৪৯-১৫৬৮)। 'একদেৱ একসেৱ, একবিনে নাহি কেৱ'—এই মূলমন্ত্ৰ আগত লৈ শঙ্কৰদেৱে সমগ্ৰ অসম জুৰি এক বিৰাট আধ্যাত্মিক ভাৱসম্পন্ন জাতীয় আন্দোলন গঢ়ি তুলিছিল, আৰু এই মহাজাতীয় আন্দোলন সাফল্যমণ্ডিত কৰি তুলিবলৈ ভাৰতৰ বিভিন্ন প্রাদেশিক ভাষাত ধর্মপ্রচাৰকসকলে গীতি-কবিতা-জাতীয় একপ্রকাৰ ভক্তিমূলক সাহিত্যিক ৰচনা অৱলম্বন কৰাৰ দৰে শঙ্কৰদেৱেও বৰগীত, অঙ্কীয়া গীত, কীর্তন-ঘোষা, ভটিমা, পয়াৰ, স্তোত্র আদিৰ মাজেৰে বৈষ্ণৱ ধর্মান্দোলন সুপ্রতিষ্ঠিত কৰি তুলিছিল। বৰগীতসমূহৰ ৰচনাৰ মূল উদ্দেশ্য আছিল নিৰাকাৰ, নির্গুণ পৰমপুৰুষ শ্ৰীকৃষ্ণৰ মহিমা জন-সমাজত অধিক সফলতাৰে প্ৰচাৰ কৰা। যি কোনো জাতীয় ভাৱৰ প্ৰচাৰকাৰ্যত সহায়কাৰী হিচাবে লোৱা বিভিন্ন সাহিত্য বা কলাতকৈ গীতৰ স্থান যিহেতু সকলোৰে ওপৰত, মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য, সুগায়ক মাধৱদেৱে সেইবাবেই বৰগীতৰ দৰে আধ্যাত্মিক গীতৰ সৃষ্টি কৰিছিল আৰু মহাপুৰুষ দুজনাই এই উদ্দেশ্যত অভূতপূর্ব সাফল্যও অর্জন কৰিছিল।

ভাৰতৰ বিভিন্ন ধর্মপ্রচাৰকসকলে এই যুগত নিজ নিজ ভাষা-সাহিত্য চহকী কৰিছিল—তেওঁলোকৰ ভক্তি ৰসাত্মক বিভিন্ন ৰচনাৰাজিৰ মাজেৰে। শঙ্কৰদেৱেও তেওঁৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰকাৰ্য সফল কৰি তুলিবলৈ ৰচনা কৰা বিবিধ শ্ৰেণীৰ সাহিত্যিক ৰচনাৱলীৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যিক এক গৰিমাময়ী স্থান দিছিল। অৱশ্যে তেওঁৰ বৰগীত আৰু অঙ্কীয়া গীতৰ অপূর্ব জনপ্রিয়তাৰ মূলতে আছিল ব্ৰজাৱলী বা ব্রজবুলী নামৰ ভাষাটো। এই ভাষা মিথিলা বা মৈথিলী ভাষাৰ লগত প্ৰত্যক্ষ যোগা-

**শ্ৰীমাধৰী কলিতা**
প্ৰথম বাৰ্ষিক কলা

# প্ৰকৃতি ।।

যোগৰ ফলস্বৰূপে এক স্বাধীন গঢ় লৈছিল যদিও সেই সময়ত বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ বৈষ্ণৱ কবিসকলেও ইয়াক ব্যৱহাৰ কৰিছিল। শঙ্কৰদেৱে ৰচনা কৰা 'মন মেৰি ৰাম চৰণহি লাগু' নামৰ বৰগীতটি এই ভাষাৰ সৰ্বপ্ৰথম ৰচনা। প্ৰথম তীৰ্থযাত্ৰাৰ সময়ত ( ১৪৮১—১৪৯১ খৃঃত ) বদৰিকাশ্ৰমত এই গীতটি ৰচনা কৰা হয় বুলি কথা-গুৰু চৰিতত উল্লেখ আছে। আনহাতে বঙ্গদেশত ১৪৯৩—১৫১৯ৰ ভিতৰত আৰু উৰিষ্যাত ১৫০৪—১৫৩২ৰ ভিতৰত প্ৰথম ব্ৰজাৱলী ভাষাৰ গীত ৰচিত হয়। যিহওক, বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাত এই ভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

শঙ্কৰদেৱ আৰু মাধৱদেৱ ৰচিত 'নকুৰি এঘাৰটা' গীতৰ উপৰিও ৰামচৰণ ঠাকুৰ, গোপাল আতা, অনিৰুদ্ধ প্ৰভৃতিৰ গীতো বৰগীতত সামৰা হয় নে নহয় ই বিচাৰ্যৰ বিষয়। আনহাতে বৰগীত নামটোও কেতিয়াৰ পৰা ব্যৱহাৰ কৰা হৈছিল তাকো সঠিকভাবে জনা নেযায়। কিন্তু মহাপুৰুষ বিৰচিত 'সাংসাৰিক জগতৰ প্ৰেম-কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত, আধ্যাত্মিক ভাৱৰ উপাসনা-প্ৰসঙ্গৰ গীতে'ই যে বৰগীত, ই ধ্ৰুৱ। অঙ্কীয়া গীতৰ দৰে বৰগীতৰো সঙ্গীত-শাস্ত্ৰৰ ৰাগৰ লগত অধিক সম্বন্ধ দৃষ্টিগোচৰ হয়। বৰগীতত ব্যৱহাৰ কৰা ৰাগৰ ভিতৰত 'ধনশ্ৰী', 'আশোৱাৰী' 'সুহাই', 'কৌ', 'শ্যাম', কল্যাণ', 'অহিৰ' আদিয়েই লেখত ল'বলগীয়া। প্ৰত্যেকটো বৰগীত 'ধ্ৰুৱ' আৰু 'পদ' দুই ভাগত বিভক্ত। অঙ্কীয়া গীতৰ দৰে বৰগীত গাওঁতেও খোল আৰু তাল বজোৱা হয়, অৱশ্যে কেতিয়াবা মৃদঙ্গ, কালি, নাগাৰা আদি বাদ্য-যন্ত্ৰও ব্যৱহাৰ কৰা দেখা যায়।

প্ৰাচীন ভাৰতীয় সঙ্গীত-শাস্ত্ৰত সময় অনুসৰি ৰাগৰ বিভাজন কৰাৰ লগে লগে তালৰ ব্যৱহাৰো পৰিদৃষ্ট হয়। হিন্দুস্থানী বা উত্তৰ ভাৰতীয় আৰু কৰ্ণাটকী উভয় শ্ৰেণীৰ সঙ্গীততে তালৰ ব্যৱহাৰ দেখা যায় আৰু এই তালবোৰৰ মাজত কিছু সাদৃশ্যও পৰিলক্ষিত হয়। গীতৰ ৰাগ বা মাত্ৰানুযায়ী এই তালবোৰ বিলম্ব ( ধীৰ ), মধ্য ( মজলীয়া বা নিয়মিত ) আৰু দ্ৰুত ( খৰ ), এই তিনিটা ধৰণে ব্যৱহৃত হৈছিল। কিন্তু বৰগীতৰ পুথিবোৰত থকা গীতবিলাকত তেনেদৰে তালৰ নাম পোৱা নেযায়; কাৰণ বৰগীতবোৰ কোনো তাল সংযোগ নকৰাকৈ বা বিবিধ তাল সংযোগ কৰি গোৱা হয়। অৱশ্যে শঙ্কৰদেৱে ৰচনা কৰা 'ষড়ছন্দৰ গীত' নামৰ মাত্ৰ তিনিটা বৰগীতৰ প্ৰত্যেকটিতে তিনিখনকৈ তাল ধৰি দিয়া আছে। কিন্তু কোনো তাল বান্ধি দিয়া হোৱা নাই যদিও বৰগীত গোৱাৰ সময়ত নিৰ্দিষ্ট ৰাগ আৰু সুৰৰ যাতে অকণো পৰিবৰ্তন নহয় তাৰ প্ৰতি গায়কসকল সজাগ। সেইবাবেই প্ৰসঙ্গ বা সময় অনুসৰি বৰগীতবোৰৰ তাল নিৰ্দেশ কৰিব পৰা হয়। তদুপৰি এক নিৰ্দিষ্ট ৰীতিত কিছুমান বৰগীত গাই থকা বাবে কিছুমান বিশেষ বিশেষ ৰাগত বিশেষ বিশেষ তাল পৰিবই। এই বৰগীতবোৰত ব্যৱহাৰ কৰা তালসমূহৰ ভিতৰত ৰূপক, দোমানী, তিনিমানী, খৰমান, যতি, ধৰমযতি, বিষম আদিৰ লগত উত্তৰ ভাৰতীয় বা কৰ্ণাটকী সঙ্গীতত ব্যৱহাৰ কৰা কিছুমান তালৰ সৈতে অলপ অলপ মিল আছে যেন বোধ হয়।

ওপৰত কোৱা হৈছে যে কিছুমান নিৰ্দিষ্ট ৰাগত নিৰ্দিষ্ট তাল পৰে, আৰু ৰাগ আৰু তাল এই শব্দ দুটা প্ৰায় একেলগে একে অৰ্থ বুজোৱাৰ দৰে ব্যৱহাৰ কৰা হয়। কিন্তু প্ৰকৃততে ৰাগ আৰু তালৰ মাজত যথেষ্ট প্ৰভেদ আছে। ৰাগ হৈছে স্বৰ-মাধুৰ্যপ্ৰকাশক কিছুমান সুৰৰ সমষ্টি, যিবোৰৰ পৰা ইন্দ্ৰিয়ৰ অনুভূতিৰ দ্বাৰা গীতৰ ৰস বা মাধুৰ্য অনুভৱ কৰিব পাৰি। হিন্দুস্থানী আৰু কৰ্ণাটকী উভয় শ্ৰেণীৰ সঙ্গীততে ৰাগৰ বিভাজন সম্পৰ্কে মতানৈক্য পৰিলক্ষিত হয়। আনহাতে দুয়ো শ্ৰেণী সঙ্গীতত ব্যৱহৃত কিছুমান ৰাগৰ নামৰ সৈতে মিল থকা দেখা যায়। সেইদৰে বৰগীতবোৰতো ব্যৱহাৰ কৰা কিছুমান ৰাগৰ নামৰ সৈতে উত্তৰ ভাৰতীয় ৰাগৰ বৰ্তমানৰ ৰূপৰ সৈতে মিলে। কিন্তু এই সাদৃশ্যৰ ওপৰত ভিত্তি কৰি যদি বৰগীতৰ ওপৰত উত্তৰ ভাৰতৰ সঙ্গীতৰ প্ৰভাৱ পৰা বুলি ধৰি লোৱা হয়, তেন্তে ভুল কৰা হ'ব। তদুপৰি কৰ্ণাটকী ৰাগৰ নামৰ লগতো বৰগীতৰ সাদৃশ্য থাকিলেও কৰ্ণাটকী কৃতি আদিৰ গঠন-ৰীতি, স্বৰোচ্চাৰণ পদ্ধতি আদি বৰগীতৰ লগত একেবাৰে নিমিলে। আনহাতে ভাৰতীয় সঙ্গীতত তালৰ জন্ম হয় গীতৰ ছন্দ বা মাত্ৰাৰ সম্পৰ্কত। ভাৰতীয় সঙ্গীতত শব্দ বা স্বৰধ্বনিৰ স্থায়িত্বলৈ লক্ষ্য ৰাখি গীতৰ ছন্দৰ সুৰ-মাধুৰ্য প্ৰকাশ কৰিবৰ বাবে বিভিন্ন তাল প্ৰয়োগ কৰা দেখা যায়। হিন্দুস্থানী আৰু কৰ্ণাটকী উচ্চাঙ্গ সঙ্গীতৰ নিবদ্ধ অংশত গীতেৰে তালৰ দ্বন্দক আশ্ৰয় কৰি ৰাগৰ ৰূপ প্ৰকাশ কৰাৰ দৰে বৰগীতৰো নিবদ্ধ বা গীতাং-

শত তালৰ ছন্দৰ সহায়ত অনিবদ্ধ অংশত ব্যৱহৃত হোৱা ৰাগৰ ৰূপ গঢ় লৈ উঠে। গীতৰ লগত ব্যৱহাৰ কৰা মুখ্য তালখনক গা-মান বা মূল বাজনা বোলে। আনহাতে গা-মানৰ উপৰিও ভাৰতীয় উচচাঙ্গ সঙ্গীতত যিদৰে ৰেলা, পৰণ, টুক্ৰা আদি ব্যৱহৃত হয়, সেইদৰে বৰগীততো গা-মানৰ উপৰিও যাত বজোৱা হয়। কিন্তু এই ঘাত বজোৱা সময়ত গীত গোৱা নহয় বাবে প্ৰত্যক্ষভাবে সুৰ আৰু তালৰ সেই সময়ত সংযোগ নেথাকে। এইদৰেই ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ ৰাগ আৰু তালৰ লগত বৰগীতৰ মূলগত প্ৰভেদ দেখা যায়. কিন্তু আমাৰ বৰগীত-সমূহৰ বৰ্তমান প্ৰচলিত তালসমূহৰ বোলৰ শুদ্ধ বিভাজন নথকা বাবে একে নামৰ একেখন তালকে ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ ছন্দত বৰগীত গায়কসকলে ব্যৱহাৰ কৰে।

সাঙ্গীতিক পৰ্যায়ৰ ফালৰ পৰা বৰগীত আৰু হিন্দুস্থানী আৰু কৰ্ণাটকী সঙ্গীতৰ মাজত কেনে ধৰণৰ সম্পৰ্ক তাক অলপ বিচাৰ কৰি চোৱা যাওক। শঙ্কৰদেৱৰ ৰচনা কৰা বৰগীতসমূহৰ গঠন–ৰীতি, অনিবদ্ধ-নিবদ্ধৰ বিভাজন বা আৰম্ভণিতে উল্লেখ কৰা ৰাগৰ নাম আদিলৈ চাই এই গীতবোৰকো ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ এটি শাখা বুলি ভবাত কোনো সন্দেহ নাই। বৰগীতক 'অসমৰ ক্লাচিকেল সঙ্গীত' বুলি অভিহিত কৰিছে ডঃ মহেশ্বৰ নেওগে। ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতত ধ্ৰুপদক শুদ্ধ হিন্দু-সঙ্গীত বুলি বিবেচনা কৰা হয় আৰু অসমত বৰগীতে এই ধ্ৰুপদৰ স্থান পোৱা বুলি ক'লে অত্যুক্তি কৰা নহয় যদিও শুদ্ধ হিন্দু–সঙ্গীতৰ অঙ্গস্বৰূপ বৰগীত আৰু ধ্ৰুপদৰ মাজতো যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়, সেই ফালৰ পৰা বৰ্তমান আমাৰ সমাজত প্ৰচলিত বৰগীতৰ ৰাগ-ৰাগিনীৰ লগত আধুনিক আৰু বৈজ্ঞানিক দৃষ্টি-কোণৰ পৰা ৰূপ দিয়া ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ ৰাগৰ ৰূপৰ সাদৃশ্য নাই। গঠন-ৰীতি আদিৰ ফালৰ পৰা ধ্ৰুপদ আৰু বৰগীতৰ মাজত সাদৃশ্য থাকিলেও ধ্ৰুপদত ব্যৱহাৰ কৰা লয়ৰ কৌশল, অৰ্থাৎ দুগুণ, চৌগুণ, আড়ি, উপজ আদি বৰগীত গায়কসকলে ব্যৱহাৰ নকৰে। তদুপৰি খৃষ্টীয় ষোড়শ শতিকাত মানসিংহ টোমৰেহে ধ্ৰুপদৰ সৃষ্টি কৰে। আনহাতে বৰগীত শঙ্কৰদেৱে পঞ্চদশ শতিকাতে ৰচনা কৰা। ধ্ৰুপদ আৰু বৰগীতৰ মাজত এই পাৰ্থক্যলৈ লক্ষ্য ৰাখি কিছুমানে সঙ্গীতবিদে বৰগীতক প্ৰবন্ধ-শ্ৰেণীগত সঙ্গীতৰ শাৰীত থ'ব খোজে। প্ৰাচীন প্ৰবন্ধ-সঙ্গীতৰ বিষয়ে সঠিক-ভাবে জনা নেযায় যদিও খৃষ্টীয় দ্বাদশ শতিকাৰ শেষ-ভাগত জয়দেৱে ৰচনা কৰা 'গীত-গোবিন্দ' নামৰ পুথিত প্ৰবন্ধ-গীতৰ স্বৰূপ প্ৰকাশ পায় আৰু ইয়াৰ পৰাই প্ৰবন্ধ-গীত যে ধ্ৰুপদৰো আগৰ তাকো নিশ্চিত-ভাবে অনুমান কৰিব পাৰি। গতিকে প্ৰবন্ধ-গীতৰ আৰু বৰগীতৰ গঠন-ৰীতি বা তাৰ বিভাজন আদিৰ সাদৃশ্য-বৈসাদৃশ্যলৈ বিশেষ লক্ষ্য নৰখাকৈয়ে কিছুমানে বৰগীতত প্ৰবন্ধ-গীতৰ প্ৰভাৱ পৰা বুলি অনুমান কৰা দেখা যায়। আনহাতে কোনো ৰাগৰ স্বৰ-সংযোজনা শুনি বৰগীতত বৰ্তমানৰ হিন্দুস্থানী বা কৰ্ণাটকী সঙ্গীতৰ প্ৰভাৱ পৰা বুলি অনুমান কৰা অমূলক

গতিকে বৰগীত প্ৰকৃততে উচচাঙ্গ সঙ্গীতৰ ভিতৰুৱা শাখা হয় নে নহয় সেই প্ৰশ্নই দেখা দিয়ে। কিছুমানে বৰগীতক ভক্তিমূলক গীত বা ভজন শ্ৰেণীৰ গীত বুলি উচচাঙ্গ-সঙ্গীতৰ শাৰীৰ পৰা আঁতৰাই ৰাখিবলৈ বিচাৰে; কিন্তু বিষয়বস্তুৰ ফালৰ পৰা ভক্তি-মূলক গীতৰ পৰ্যায়ত পৰা সকলো গীতকে সাঙ্গীতিক বিচাৰত উচচাঙ্গ সঙ্গীতৰ শাৰীত পেলাব পাৰি। কাৰণ দেখা যায় যে, ভাৰতৰ প্ৰায় সকলো বৈষ্ণৱ কবি, ধৰ্মপ্ৰচাৰক সকলে উচচাঙ্গ আৰু ভজন দুয়োবিধ সঙ্গীতৰে বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। উদাহৰণস্বৰূপে মীৰাবাঈৰ ভজনসমূহলৈ আঙুলিয়াব পাৰি। তেওঁৰ ভজনসমূহ ৰচিত হৈছিল পৰম-পুৰুষ, বৃন্দাবনস্থ, চিৰসুন্দৰ, 'গিৰিধাৰী কৃষ্ণ'ক লৈ যাত তেওঁৰ সমগ্ৰ দেহ–মন–সত্তা বিলীন কৰি দিছিল গীত আৰু নৃত্যৰ সহায়েৰে। অৱশ্যে মীৰাবাঈ কোনো ধৰ্মপ্ৰচাৰিকা বা সমাজ-সংস্কাৰিকা নহয়। আনহাতে বিভিন্ন বৈষ্ণৱ কবিসকলে তেওঁলোকৰ ভক্তি-মূলক গীতবোৰ উৎকৃষ্ট সঙ্গীতৰ শাৰীলৈ তুলিবলৈ যত্ন কৰাৰ ফলত সেইবোৰে ধ্ৰুপদ আদি উচচাঙ্গ সঙ্গীতৰ ৰূপ কিছুপৰিমাণে ধাৰণ কৰিছে। হিন্দী ভাষাত ৰামানন্দ, কবীৰ, মাৰাঠী ভাষাত তুকাৰাম, একনাৰ্থ, নামদেৱ, পাঞ্জাবী ভাষাত নানক আৰু তেওঁৰ শিষ্য-বৰ্গ, বঙ্গভাষাত চণ্ডীদাস আৰু বিদ্যাপতি—এওঁলোকৰ ভক্তিমূলক গীতৰাজিৰ মৰ্মবাণীৰ লগত শঙ্কৰ–মাধৱ-দেৱৰ বৰগীতৰ কিছু মিল আছে যদিও গঠন-ৰীতি আদিৰ ফালৰ পৰা বৰগীত সেইবোৰতকৈ পৃথক। ভক্তিমূলক উচচাঙ্গ সঙ্গীতৰ শাৰীত জয়দেৱৰ অষ্টপদী-সমূহ প্ৰাচীন ধ্ৰুপদৰ নিদৰ্শন। ১৩৭৯ খৃষ্টাব্দত তেলেগু অঞ্চলত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা বল্লভাচাৰ্য সম্প্ৰদায়ৰ বিখ্যাত অষ্টছাপৰ দ্বাৰা প্ৰৱৰ্তিত ধ্ৰুপদৰ দৰে উচচাঙ্গ সঙ্গীতৰ ধাৰা এতিয়াও প্ৰবল হৈ আছে। শঙ্কৰ-মাধৱদেৱৰ সমসাময়িক ধৰ্মপ্ৰচাৰক কবিসকলৰ যিবোৰ ভক্তিমূলক গীত বা কবিতাজাতীয় ৰচনা আছে সেইবোৰৰ সকলোবোৰেই মূলতঃ একেশ্বৰবাদৰ ভেঁটিত ৰচিত হৈছিল। কিন্তু এই গীত বা কবিতা-বোৰৰ মাজেৰে পৰমপুৰুষক পোৱাৰ বা চোৱাৰ যি দৃষ্টিভঙ্গী সেয়া হয়তো ইজনৰ পৰা সিজনলৈ অলপ

বেলেগ আছিল। শঙ্কৰদেৱ, মাধৱদেৱৰ বৰগীতসমূহত দাস্য আৰু বাৎসল্য ভাৱৰ জৰিয়তে ভক্তিৰস বা পৰমপুৰুষক লাভ কৰিব পৰা যি পন্থা চিত্ৰিত হৈছে সেয়া আন আন বৈষ্ণৱ কবিসকলৰ তুলনাত শ্ৰেষ্ঠ বুলি ক'ব পাৰি। অৱশ্যে ৰামানন্দ, কবীৰ আদিৰ ধৰ্মৰ প্ৰভাৱ শঙ্কৰদেৱৰ গাত নপৰা বুলি ক'ব নোৱাৰি।

শঙ্কৰদেৱ, মাধৱদেৱৰ বৰগীতসমূহ আনকি তেওঁলোকে ৰচনা কৰা আন আন ভটিমা, স্তোত্ৰ আদিতকৈ বেলেগ। বৰগীতবোৰত মুখ্যতঃ কৃষ্ণ-চৰিত্ৰ আৰু ভক্তি-তত্ত্ব প্ৰকাশ পাইছে আৰু এইবোৰ উত্থান, জাগৰণ, খেলন আৰু নৃত্য, এই চাৰিটা বিশেষ শ্ৰেণীত বিভক্ত। বিষয়বস্তুৰ ফালৰ পৰা মাধৱদেৱৰ অধিকাংশ বৰগীতত কৃষ্ণৰ শিশু-লীলা আৰু বাকী সকলোবোৰ বৰগীত ভক্তি-তত্ত্ব তথা সংসাৰ আৰু মানৱ জীৱনৰ সম্বন্ধ আৰু নিৰ্গুণ, নিৰাকাৰ পৰমপুৰুষৰ চৰণত সমস্ত অৰ্পণ কৰি দিয়া চিত্ৰ পোৱা যায়। আনহাতে ভটিমা আদিও ভক্তি-তত্ত্বৰ ওপৰতে ভিত্তি কৰি সত্ৰৰ নামঘৰ আদিত, প্ৰসঙ্গৰ আৰম্ভণিতে গোৱাৰ বাবে ৰচনা কৰা। ভটিমাবোৰৰ ৰচনা-ৰীতিও বৰগীততকৈ বহুত বেলেগ। পুৱাৰ প্ৰসঙ্গৰ আৰম্ভণিতে বৰগীতত স্তুতি আৰু তাৰপিছতহে ভটিমা, কীৰ্তন আদি গোৱা হয় আৰু সেয়ে বৰগীতক 'প্ৰাৰ্থনা সঙ্গীত' বুলিব পাৰি। অৱশ্যে বৰগীতবোৰ সত্ৰ-নামঘৰৰ বাহিৰতো বিভিন্ন সময়ত গোৱা হয়, যদিও চৈধ্য প্ৰসঙ্গ বা সময় বুজি নিৰ্দিষ্ট ৰাগত বৰগীত গোৱা নিয়ম। প্ৰধানকৈ পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচিত বৰগীতবোৰত গীতি-কবিতাৰ দৰে এটি ভাৱ, এটি অৱস্থাৰ লক্ষণ দেখা যায়।

অসমীয়া গীতি-সাহিত্যত বৰগীতৰ স্থান বা বা জনপ্ৰিয়তা অতি উচ্চত। এই বৰগীতবোৰৰ ৰচনাৰ মাধুৰ্য, ভাৱৰ গাম্ভীৰ্য আদিয়ে সকলোকে আকৰ্ষিত কৰে। বৰগীতৰ আগলৈকে অসমত পূৰ্বৰ কবিসকলে ৰচনা কৰি যোৱা সুৰ বন্ধা মনসা-গীত, ৰামায়ণ-গীত আদি অসমীয়া লৌকিক সাহিত্যৰ অঙ্গস্বৰূপ আছিল যদিও এইবোৰত প্ৰকৃত নিৰ্মল ভক্তি-ৰসৰ অভাৱ পৰিলক্ষিত হয়। কিন্তু বৰগীতবোৰৰ ৰচনা ৰীতি, ভাৱৰ নতুনত্ব আৰু গাম্ভীৰ্য, ভাষাৰ লালিত্য আৰু মাধুৰ্যই অসমীয়া লৌকিক সাহিত্যত এক যুগান্তৰ আনিলে। পবিত্ৰ ভক্তি-ৰস বা দাস্য-ভাৱৰ ভেঁটিত ৰচিত বৰগীতসমূহ অতি সহজেই জনসাধাৰণৰ হৃদয়স্পৰ্শী হৈ পৰিছিল। 'আন আন বৈষ্ণৱ সাহিত্যৰ ঐহিক বা শৃঙ্গাৰ ৰসৰ পৰা মুক্ত, বেদান্তৰ মৰ্ম, ঐকান্তিক ভক্তি আৰু গভীৰ আধ্যাত্মিক ভাৱ আৰু শ্ৰীকৃষ্ণৰ বিশ্ব-বিমোহন বাল্য-ৰূপৰ' মনোহৰ বৰ্ণনাই বৰগীতবোৰৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল। তদুপৰি এই বৰগীতবোৰৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ ৰাগ, সুৰ আদিও ইয়াৰ জনপ্ৰিয়তাৰ অন্যতম্ কাৰণ। মাধৱদেৱৰ প্ৰাণস্পৰ্শী সুৰ আৰু কণ্ঠস্বৰে বহুতো লোকক বৈষ্ণৱ ধৰ্মত দীক্ষা লোৱাত সহায় কৰিছিল। এই বৰগীতবোৰে এহাতে যিদৰে জনসাধাৰণৰ মন আকৰ্ষণ কৰি বিমল আনন্দ প্ৰদান কৰিছিল, আনহাতে সেইদৰে মানুহক পৰমপুৰুষ ভগৱন্তৰ চৰণৰ প্ৰতি ধাৱিত কৰিছিল। এইদৰেই বৰগীতে লোকৰঞ্জন আৰু মানুহৰ আধ্যাত্মিকতাক উচ্চস্থানলৈ নিয়া দুয়োটি কামেই কৰিছে। প্ৰাৰ্থনা-সঙ্গীত ৰূপে বৰগীতৰ জনপ্ৰিয়তা অসামান্য। বৰগীতৰ এই জনপ্ৰিয়তা আজি পাঁচ শ বছৰৰো অধিক কালে অলপো কমা নাই ; বৰং বাঢ়িছেহে। বৰগীতৰ ঐতিহ্যপূৰ্ণ বৈশিষ্ট্য আৰু জনপ্ৰিয়তা অটুট ৰাখি ৰাইজ আৰু চৰকাৰে সঙ্গীতবিদ্সকলৰ সৈতে বৰগীতৰ আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা শাস্ত্ৰীয় সঙ্গীতৰূপে প্ৰতিষ্ঠিত কৰি তাৰ বহুল প্ৰচাৰৰ বাবে যত্ন কৰা উচিত বুলি সকলোৱে বিবেচনা কৰে।



শ্ৰীদ্বিজেন্দ্ৰমোহন শৰ্মা
প্ৰথম বাৰ্ষিক বিজ্ঞান

# জাতিস্মৰ

'...which mannerly devotion shows in this .
For saints have hands that pilgrim's hands to touch
And palm to palm is gap holy palmers' kiss—'

যাতনাৰ অন্তিম স্থিতিত—এই ক্লান্তি কুৰংগৰ
অসহ্য কৰুণ ; মই তাৰ বিক্ষিপ্ত নিশ্বাসৰ গভীৰ মায়াত
সঁাৰে থাকোঁ সমুদ্ৰৰ সন্ধ্যাৰ শেষ ৰঙা কোমল
পাহিত,—তথাপি, এই যে বুভুক্ষু কল্কা
গাভৰুৰ উদং বুকুৰ,—মগুহাল উন আৰু নিশাৰ আজন্ম সহচৰী।

চৰ নদী—পণ্যৰ সাৰুৱা গৰ্ভত, ভঙা আইনাৰ দৰে
বিষণ্ণ উদাস ; ফটিকৰ গহ্বৰত মৌন নিথৰ প্ৰশান্তিত
কোনোবা নাৰীৰ—কঁপা কঁপা কোমল ওঁঠত, কতবাৰ
কিমান গোপন সন্ধ্যা—খুলি দিলোঁ চিৰন্তন মৃত্যুপথ নৰক যাত্ৰাৰ,
এই অন্ধকাৰ ৰাতি সুৰংগৰ কোনোবা সীমাত শেষ হোৱা
ভীতি আৰু কুৎসিৎ মুহূৰ্তৰ গাভৰুৰ প্ৰেম—মোৰ খুব ভয় লাগে !

ক্ষণিক অৰণ্যমুখী সূৰ্যৰ নিঃসংগ মনৰ—ক্ৰমমুক্তি কোনোবা নিশাৰ
নিৰ্বুদ জনতাৰ এক মহাশংখ কামনা আৰু লুভীয়া মনৰ এই গেছোলিন জুই অগ্নি
ভাৰাক্ৰান্ত বেশ্যাৰ জৰায়ুত—নহ'ব নে শতাব্দীৰ ঈশ্বৰৰ একান্ত ক্ষণত জন্ম
যুগজয়ী সভ্যতাৰ বুৰঞ্জী স্তব্ধ কৰা অজ্ঞুন সন্তান ?

এই অধ্যুষিত ভয় আৰু বিলি ভগেন্ অৰণ্যৰ সুৰৰ মায়াত কঁপা গহ্বৰৰ নিতোল মূৰ্ছনা
এইযে আমাৰ প্ৰেম, নদীৰ পাৰত দেখা জীৱনৰ প্ৰথম সাক্ষাত,
তোমাৰতো মৃত্যু নাই একডিয়ম আত্মাৰ আশ্লেষত উছৰৰ ৰাতি
এইযে গভীৰ শূণ্য পথ শেষ হোৱাৰ ইংগিত
ক্ষয়িষ্ণু প্ৰেতাত্মাৰ দুদণ্ড নিৰ্ভয় প্ৰেম—তোমাৰ চকুত চকু থৈ
যুগে যুগে উল্কাৰ বৰ্ণেৰে লেখি যোৱা এই ক্ৰনিকল্
তাৰ স'তে মোৰ, বৰ্ণ পৰিচয় হোৱা মুহূৰ্তৰ সংগীন ক্ষণত—এল্ভিছ্ প্ৰেষ্লি।
সুৰংগৰ অন্ধকাৰ পলৰীয়া বিক্ষোভত অভিনয় কিমান কৰিবা ?

স্বৰ্গৰ ৰবফৰো হিমচেঁচা শীতল পৰশ,
মুগ্ধ ৰাত্তিৰ তাতো প্ৰেতাত্মাৰ সন্দিহান নক্ষত্ৰৰ নিখোজ আন্ধাৰ
প্ৰাৰ্থনাৰ সৰ্বশেষ মুহূৰ্তৰ স্বস্তিত গোটমৰা বিৰক্তিৰ বোজা
আৰু সাৱলীল ভংগীত ওচৰতে থিয় হৈ নীৰৱে প্ৰাৰ্থনা কৰা গাভৰুৰ বুকুৰ কঁপনি
আৰু কোমল বাহুৰ
মাজে মাজে ভুলতেই দুই এটি উমাল পৰশে,
প্ৰাৰ্থনা সুন্দৰ কৰে
মোৰো সেয়ে জন্ম হয় প্ৰাৰ্থনাৰ চেঁচা আৱক্ষত—মৃত্যুৰ শীতল ছায়াত।

শ্ৰীহৰেশ্বৰ গোস্বামী
প্ৰথম বাৰ্ষিক বিজ্ঞান

# আধুনিক জাৰ্মান সাহিত্য

দ্বিতীয় মহাসমৰৰ পিছত জাৰ্মানীত ৰাজনৈতিক পৰিবৰ্তনে দেখা দিয়ে : পশ্চিম জাৰ্মানীত মাৰ্কিণ যুক্তৰাষ্ট্ৰ, ইংলণ্ড আৰু ফ্ৰান্সৰ পৃষ্ঠপোষকতাত ফেডাৰেল ৰিপাব্লিকৰ জন্ম হয় আৰু এতিয়াও পশ্চিম জাৰ্মানীত ফেডাৰেল ৰিপাব্লিকৰ পূৰ্ণ আধিপত্য চলি আছে; ৰাচিয়াৰ পৃষ্ঠপোষকতাত পূব জাৰ্মানীত জাৰ্মান ডেমক্ৰেটিক ৰিপাব্লিক গঢ়ি উঠে। ১৯৪৫ চনৰ পিছত কেইবা বছৰলৈকে জাৰ্মানীৰ আকস্মিক বিপৰ্যয়ত বিশ্ববাসীয়ে সমবেদনা জনোৱা নাই আৰু অৰ্থনৈতিক, সামাজিক আৰু বিভিন্ন ক্ষেত্ৰত জাৰ্মানবাসীৰ উন্নতিৰ বিষয়ত গুৰুত্ব দিয়া নাই। নাৎসীবাদৰ একাধিপত্যৰ বীভৎস ছবিখনেই যে ইয়াৰ প্ৰধানতম্ কাৰণ, ই সহজানুমেয়। এডলফ হিট্লাৰৰ অধিনায়কত্বত জাৰ্মানীত গঢ়ি উঠা এই উদণ্ড ৰাজনৈতিক দলটোৱে দ্বিতীয় মহাসমৰৰ প্লাৱনেৰে প্ৰায় সমগ্ৰ পৃথিৱী ঢৌৱাই-ছিল : অৱশেষত ১৯৪৫ চনত ইয়াৰ অৱসান ঘটিল। বৰ্তমান জাৰ্মানীৰ অৰ্থনৈতিক অৱস্থা বহুখিনি উন্নতিৰ পথত। ফেডাৰেল ৰিপাব্লিক এই ক্ষেত্ৰত ডেমক্ৰেটিক ৰিপাব্লিকতকৈ অধিক শক্তিশালী। সাহিত্যৰ ক্ষেত্ৰতো জাৰ্মান সাহিত্যিকসকলে তেওঁলোকৰ সাহিত্যৰ ঐতিহ্য আৰু গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

যুদ্ধৰ পিছত যিসকল সাহিত্যিকে তেওঁলোকৰ সাহিত্যসম্ভাৰেৰে জাৰ্মান সাহিত্যৰ ভেঁটি সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছিল তেওঁলোকৰ কেইজনমান এতিয়াহে সাহিত্যজগতত পৰিচিত হৈ পৰিছে। উদাহৰণস্বৰূপে ফ্ৰেঞ্জ্ কাফ্কাৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। তেওঁৰ চুটিগল্পসমূহে আৰু *Das Schloss, Der Prozess* আদি উপন্যাসে পৰৱৰ্তী লেখক-সকলৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। ইয়াৰ কাৰণ হৈছে সম্পূৰ্ণ নতুন দৃষ্টিভঙ্গীৰে লেখা কাফ্কাৰ-লেখনী। যুদ্ধৰ আগত ১৯০২ চনতেই টি, মমচেনে সাহিত্যত নোবেল বঁটা লাভ কৰিছিল। মহাসমৰৰ সময়ত মহৎ সাহিত্য সৃষ্টি কৰা আন কেইজনমান লেখক হ'ল হাৰম্যান্ ব্ৰুক্, ৰবাৰ্ট্ মুচিল, হেইন্ৰিছ ম্যান্, টমাছ ম্যান্ আৰু আলফ্ৰেড্ ডুব্লিন। এওঁ-লোকৰ সৃষ্ট গল্প-উপন্যাসবোৰত যুদ্ধৰ ভয়াবহ ধ্বংস-লীলা আৰু যুদ্ধৰ আগৰ দহ বছৰৰ তিক্ত অভিজ্ঞতা-সমূহ বৰ্ণোৱা আছে। তদুপৰি এই লেখকসকলৰ লেখনীসমূহত গ্যেটে, স্কীলাৰ, হেইন্ ন্যেৎস্কি, এমিল জোলা আদি কৃতী সাহিত্যিকসকলৰ প্ৰভাৱ নপৰাকৈ থকা নাই।

আধুনিক জাৰ্মান সাহিত্যৰ বিষয়ে আলোচনা কৰোঁতে টমাছ ম্যানৰ নাম বিশেষভাৱে উল্লেখ কৰিব লগীয়া। ম্যানৰ গ্ৰন্থসমূহত জাৰ্মানৰ সামাজিক, সাংস্কৃতিক জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায় তেওঁ বিশেষকৈ ন্যেৎস্কি আৰু স্কপেন্হাৱাৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। *Buddenbrooks* গ্ৰন্থত ম্যানে এজন পিয়ানোবাদকৰ সঙ্গীতৰ প্ৰতি থকা গভীৰ আকৰ্ষণৰ কথা শক্তিশালী লেখনীৰে প্ৰকাশ কৰিছে। *Doktor Faustus*ত পেলষ্টিনা চহৰৰ পটভূমিত এক মধ্যবিত্ত পৰিয়ালৰ ধ্বংসৰ ছবি অঁকা হৈছে। গ্ৰন্থখনিত ডক্টৰ ফাউষ্টাচৰ জাৰ্মান সাধুটো ক আধুনিক ৰূপেৰে ৰূপায়িত কৰা হৈছে আৰু ফাউ-ষ্টাচে অধিক জ্ঞানপ্ৰাপ্তিৰ বাবে *Devil*ৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ কথাৰে গ্ৰন্থকাৰে জাৰ্মান সাম্ৰাজ্যৰ ভাগ্য আৰু ১৯৪৫ চনত ইয়াৰ পৰিণতিৰ কথাকে পৰোক্ষভাৱে প্ৰকাশ কৰিছে। সেয়ে ডক্টৰ ফাউষ্টাচ ম্যানৰ অনুপম সৃষ্টি আৰু ই জাৰ্মান ভাষাত সৃষ্ট উপ-ন্যাসসমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। তেওঁৰ তৃতীয় উপন্যাস *The Magic Mountain* কুৰি শতিকাৰ আন এখন উল্লেখযোগ্য উপন্যাস। এই উপন্যাসৰ বাবেই ম্যানে ১৯২৯ চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰিছিল। এই উপন্যাসখনৰ পটভূমিও বৈচিত্ৰ্যপূৰ্ণ।

আলফ্ৰেড ডুব্লিনৰ *Hamlet oder Die Lange Nacht nimmt ein Ende* উপন্যাসত এজন আহত সৈনিকৰ জীৱন-কাহিনী বৰ্ণোৱা আছে। সৈনিক-জনে এদিন মানসিক আঘাত পাই যুদ্ধক্ষেত্ৰৰ পৰা ঘৰলৈ গুচি আহিল; মানৱ জীৱনৰ নিষ্ঠুৰতাৰ ফালটো ঢাকি ৰাখি নিজকে সমাজৰ চকুত মহান কৰি দেখুৱাবৰ পক্ষপাতী তেওঁ নাছিল। মানৱ জীৱনৰ চিৰন্তন সত্যবোৰৰ বাহিৰে বাকী সকলোবোৰ তেওঁ ভুৱা বুলি ধৰি লৈছিল। তেওঁৰ

মনৰ পৰিবৰ্তন আনিবৰ কাৰণে দেউতাকে বহুতো সাধুকথা কৈছিল—কিন্তু সৈনিকজনে সদায় সেই সাধুকথাৰ চৰিত্ৰবোৰ সেই সময়ৰ সমাজৰ মানুহবোৰৰ লগত তুলনা কৰি চাইছিল আৰু দেউতাকৰ সাধুকথা তাচ্ছিল্য কৰি উৰুৱাই দিছিল। এইদৰে ডুব্লিনে এই সৈনিকজনৰ চৰিত্ৰৰ মাজেদি মানুহৰ নৈতিক চৰিত্ৰৰ এটি সমালোচনা দাঙি ধৰিছে.

বৰ্তমান জাৰ্মানীৰ ৰক্ষণশীল লেখকসকলৰ ভিতৰত ৱাৰ্নাৰ বাৰ্জেন্‌গ্ৰুৱেন্, গেৰট্ৰাড্ ভন ল' ফ'ৰ্ট্, এড্‌জাৰ্ড স্কেপাৰ, ষ্টিফান এণ্ড্ৰেজ, আৰ্নষ্ট্ জুৱেঙ্গাৰ আদিৰ নাম উল্লেখযোগ্য। জাৰ্মানীৰ অন্য এজন খ্যাতিসম্পন্ন লেখক হ'ল হেইন্‌ৰিছ্ বোৱেল। তেওঁ যোৱা ওঠৰ বছৰৰ ভিতৰত বহুতো উপন্যাস আৰু চুটিগল্পৰ সৃষ্টি কৰিছে। চৰিত্ৰসমূহত ডিকেন্সৰ প্ৰভাৱ পৰিলক্ষিত হ'লেও তেওঁৰ শক্তিশালী লেখনীয়ে তেওঁৰ সাৱলীল, ৰোমাঞ্চমুখী ভাৱধাৰাক অৱদমিত কৰিব পাৰিছে। বোৱেলৰ শেষ উপন্যাস *Billard um halbzehin*ত তেওঁ এটা স্থপতি শিল্পজীৱী পৰিয়ালৰ কথা এনেদৰে বৰ্ণনা কৰিছে যে এজন সাধাৰণ পাঠকেও ইয়াৰ সাহিত্যিক সৌন্দৰ্যত মুগ্ধ নহৈ নোৱাৰে। ১৯৬০ চনত গুৱেণ্টাৰ গ্ৰাছে তেওঁৰ বিখ্যাত উপন্যাস *Die Blechtrommel* লেখে। ইয়াত যোৱা তিনি দহকৰ জাৰ্মানীৰ সামাজিক জীৱনৰ এটি উজ্জ্বল প্ৰতিচ্ছবি পোৱা যায়। গাৰ্ড গেইচাৰৰ উপন্যাস *Schlussball* পশ্চিম জাৰ্মানীৰ অৰ্থনৈতিক পটভূমিৰ ব্যঙ্গ সৃষ্টি। *Stiller* ম্যাক্স ফ্ৰিস্কৰ বিখ্যাত উপন্যাস।

১৮৭০ চনৰ যুদ্ধৰ পিছৰ পৰা জাৰ্মানীত দেশপ্ৰেমমূলক কবিতাৰ বহুল প্ৰচাৰ হয়। সেই সময়ত কবিসকলৰ ভিতৰত ৰুডল্‌ফ বন্ধাচ, জুলিয়াচ ষ্টান্, থিঅ'দৰ ফণ্টেন্ আদিৰ নাম উল্লেখযোগ্য। আধুনিক জাৰ্মান কবিসকলৰ ওপৰত দুজন কবিৰ প্ৰভাৱ বিশেষভাবে পৰিলক্ষিত হয়। এওঁলোক হ'ল গট্‌ফ্ৰিড্ বেন্ আৰু উইল্‌হেম্ লেহ্‌মেন্।

আধুনিক জাৰ্মান কবিতা এতিয়াও পৰীক্ষামূলক হৈ আছে। বেনৰ কবিতাত এটা বিশেষ উত্তেজনাৰ শিহৰণি উপলব্ধি কৰিব পাৰি। আনপিনে লেহ্‌মেনৰ ৰহস্যপূৰ্ণ প্ৰকৃতিৰ কবিতা জাৰ্মান সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। এই দুজন কবিৰ বাহিৰেও জাৰ্মানীত হেন্‌ছ্ মেগ্নাচ্, এজেঞ্চ্‌বাৰ্গ, কাৰ্ল ক্ৰ'ল', গুৱেণ্টাৰ এইছ্, এইজ্ পায়ণ্টেক আদি আধুনিক কবিৰ কবিতা জনপ্ৰিয় হৈ উঠিছে। জাৰ্মানীৰ আন দুজন বিখ্যাত কবি হ'ল ইঙ্গেবৰ্গ্ বেহ্‌ম্যান্ আৰু পল কিলেন্। বেছম্যানৰ কবিতাত গ্যেটে আৰু ৰোমান্টিক কবিসকলৰ প্ৰভাৱ পৰিলক্ষিত হয়।

আধুনিক কবিসকলৰ কাব্যকৃতিত যুদ্ধৰ ভয়াবহতাৰ প্ৰভাৱ প্ৰচুৰভাবে আছে। বেছিভাগ কবিতাৰ বিষয়বস্তু হ'ল যুদ্ধ আৰু দেশপ্ৰেম। প্ৰায় আটাইবোৰ কবিতাই পৰীক্ষামূলক ভিত্তিত ৰচিত।

১৯৪৫ চনৰ যুদ্ধত জাৰ্মানীৰ আটাইবোৰ নাট্যমঞ্চ ধ্বংস হৈ যায় আৰু ইয়াৰ ফলত অভিনয় জগতত এক শূণ্যতাই দেখা দিয়ে। কিন্তু মানুহৰ অভিনয়ৰ প্ৰতি থকা তীব্ৰ ইচ্ছাক যুদ্ধই ভেঁটা দি ৰাখিব নোৱাৰিলে। পুনৰ চহৰবোৰত নতুন নতুন নাট্যমঞ্চ গঢ়ি উঠিল। জাৰ্মানীৰ নাট্যমঞ্চত সাধাৰণতে ক্লাচিকেল নাটকসমূহ মঞ্চস্থ কৰা হয়; বহুত সময়ত উৎকৃষ্ট বিদেশী নাটকো অভিনীত হয়। বৰ্তমান যুদ্ধৰ আগৰ মাত্ৰ কেইজনমান নাট্যকাৰৰ নাটকেহে স্বীকৃতি লাভ কৰিছে। এইবোৰৰ ভিতৰত গাৰ্‌হাৰ্ড হ'প্‌ম্যানৰ নাটকবোৰ উল্লেখযোগ্য। অইন এজন বিখ্যাত নাট্যকাৰ হ'ল কাৰ্ল্ জুইক্‌মেয়াৰ। ১৯২৫ চনতে তেওঁৰ মিলনান্ত নাটক *Ter frochliche Weinberg* লেখি খ্যাতি অৰ্জন কৰিছিল। তাৰ পিছত তেওঁক ৰাজনৈতিক কাৰণত নিৰ্বাসন দিয়া হয়। নিৰ্বাসনৰ সময়তো তেওঁ *Der Teufels General* নামৰ আন এখন নাটক লেখে। নাৎসীবাদৰ বিষয়ে লেখা ই এখন উৎকৃষ্ট গ্ৰন্থ আৰু অভিনয়ৰ ক্ষেত্ৰত যুদ্ধৰ আগছোৱাত এইখনেই আটাইতকৈ বেছি জনপ্ৰিয়তা লাভ কৰিছিল। যুদ্ধৰ ঠিক পিছতেই ওলফ্‌গ্যাং বোৰচাৰ্টে তেওঁৰ একমাত্ৰ নাটক *Draussen vorder Tuer* লেখে। এই নাটকখনত যুদ্ধৰ পৰা উভতি অহা সৈনিক এজনৰ মৰ্মন্তুদ কাহিনী বৰ্ণোৱা হৈছে। অন্য এখন বিখ্যাত নাটক, কাৰ্ল উইট্‌লিঙ্গাৰৰ *Kennen sie die Milchstrasse* ১৯৫৯ চনতেই তেত্ৰিশটা নাট্যমঞ্চত অভিনীত হৈছিল। বৰ্তমান সময়ৰ আন কেইজনমান লেখক হ'ল লিঅ'প'ল আলচেন্, ৱল্‌ফ্‌গেং হাইল্ড্‌চেইমাৰ মেটিয়াছ ব্ৰাউন আদি।

বৰ্তমান জাৰ্মানীৰ নাট্যকাৰসকলৰ ভিতৰত চুইজাৰলেণ্ডদেশীয় ম্যাক্স্ ফ্ৰিস্কৰ নাম উল্লেখযোগ্য। তেওঁৰ বিখ্যাত নাটকখন হ'ল *Don Juan oer Die Liebe zwe Geometric*। ফ্ৰাইদৰিচ্ ডুৱেৰেন্‌মেটৰ বিখ্যাত নাটক হ'ল *Der Besuch der alten Dame*। দুখৰ বিষয়, পশ্চিম জাৰ্মানীত এতিয়াও নতুন দৃষ্টিভঙ্গীৰে লেখা নাটকৰ অভাৱ। ইয়াৰ কাৰণ হয়তো বহুবছৰ ব্যাপি থকা নাৎসীবাদৰ আধিপত্যই হ'ব পাৰে।

জাৰ্মানসকলে মঞ্চাভিনয়ত কৃতকাৰ্যতা লাভ কৰাৰ আগতে কিছুমান উৎকৃষ্ট অনাতাঁৰ নাটকৰ সৃষ্টি কৰিছিল। সেইবোৰৰ ভিতৰত বোৰচাৰ্টৰ *Draussen vor der Tuer* আৰু আহ্‌লচেনৰ *Philemen und Banukis* নামৰ

( বাকীখিনি ৭৫ পৃষ্ঠাত চাওক )

শ্ৰীবিমল চন্দ্ৰ শইকীয়া
প্ৰথম বাৰ্ষিক কলা

# ইণ্ডো-এংলীয় সাহিত্য

পাশ্চাত্য প্ৰভাৱৰ ফলস্বৰূপে ভাৰতীয় সংস্কৃতিৰ ওপৰত ইংৰাজী সাহিত্যৰ সংঘৰ্ষ মন কৰিব লগীয়া। ইয়াৰ ফলত ইণ্ডো-ইংৰাজী সাহিত্য ( Indo-English literature ) নামৰ যি সমৃদ্ধ আৰু অনুপম সাহিত্যৰ সৃষ্টি হ'ল, সি দুটি ধাৰাৰে গতি কৰা দেখা যায়। প্ৰথম ধাৰামতে, ইংৰাজ সাহিত্যিকসকলে ভাৰতবৰ্ষক পটভূমি লৈ ইংৰাজ ভাষাত এংলো-ইণ্ডীয় সাহিত্যৰ (Anglo-Indian literature) সৃষ্টি কৰিছিল; উইলিয়ম জ'ন্‌ছ, উইলচন, জন মেইডেন, ছাৰ এডুইন আৰ্নল্‌ড, মিডৌছ টেইলৰ, ৰুডিয়াৰ্ড কিপ্‌লিং, ফৰ্ষ্টাৰ প্ৰভৃতি ইংৰাজ সাহিত্যিকসকলে তেওঁলোকৰ শক্তিশালী ৰচনাৰে এই ধাৰাটোক অধিক সমৃদ্ধিশালী কৰি তুলিছিল। দ্বিতীয় ধাৰাটো হৈছে ইণ্ডো-এংলীয় সাহিত্য (Indo-Anglian literature); ইয়াক ভাৰতীয় লেখকসকলে ইংৰাজী ৰচনাৰে সৃষ্টি কৰিছে।

ইণ্ডো-এংলীয় সাহিত্যৰ সৃষ্টি আজি কেইযুগমান আগৰহে বুৰঞ্জী। ১৮৩৫ চনৰ ৭ মাৰ্চত যেতিয়া লৰ্ড বেণ্টিঙ্কে ইংৰাজীক ভাৰতৰ চৰকাৰী ভাষা ( Official language) হিচাবে ঘোষণা কৰিলে আৰু সকলো সাংস্কৃতিক কাৰ্যাৱলী ইংৰাজী শিক্ষা-মাধ্যমৰ দ্বাৰাই (On English Education only ) পৰিচালনা কৰিবলৈ নিৰ্দেশ দিলে, তেতিয়াই এই সাহিত্যৰ সৃষ্টি হ'ল। ভাৰতৰ বিভিন্ন আঞ্চলিক সাহিত্যতো এই প্ৰভাৱে দেখা দিলে। উপন্যাস সাহিত্যই এই ক্ষেত্ৰত আগভাগ ল'লে। ইংৰাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি লক্ষ্য ৰাখি ভাৰতৰ বিভিন্ন অঞ্চলত এই নতুন সাহিত্যৰ সৃষ্টি হ'ল।

ৰামমোহন ৰায় আছিল ইণ্ডো-এংলীয় সাহিত্যৰ জন্মদাতা, আৰু এই সাহিত্যত তেওঁ প্ৰথম গদ্য-লেখক। তেওঁৰ 'Percept of Jesus' নামৰ কিতাপখনৰ কথাকে উল্লেখ কৰি ক'ব পৰা যায় যে তেওঁ ইংৰাজীৰ এজন নিপুণ গদ্য-লেখক আছিল। ৰামমোহনৰ পিছতেই হেন্‌ৰি ডেৰজিঅ' প্ৰথম ইণ্ডো-এংলীয় কবি হিচাবে থিয় দিছিল। 'The Fakir of Jungheera' নামৰ বৰ্ণনাত্মক কবিতাটোৰ উপৰিও তেওঁ লেখা চনেটসমূহ গভীৰ আৰু শিল্পী মনোভাৱৰ পৰিচায়ক। কাশীপ্ৰসাদ ঘোষেও 'Shair and other poems'ত (১৮৩০) অন্যান্য কবিতাবোৰ কাব্যিক ভাৱোচ্ছাসেৰে ফুটাই তুলিছিল।

ইণ্ডো-এংলীয় কবিতা প্ৰকৃততে মাইকেল মধুসুদন দত্ত, দুই বায়েক-ভনীয়েক অৰু আৰু তৰু দত্ত আৰু ৰমেশসুন্দৰ দত্তৰ দিনৰ পৰাহে আৰম্ভ হয়। পৃথিৰাজ আৰু সংযুক্তাৰ কাহিনীৰ আধাৰত ৰচিত দত্তৰ 'Captive Ladie'ত ৰাজপুতসকলৰ বীৰত্ব, তেওঁলোকৰ সমাজ-ব্যৱস্থা আৰু ৰোমাঞ্চ দাঙি ধৰা হৈছে। উনৈশ শতিকাৰ শেষ ভাগ এক ধৰ্ম-বিপ্লৱৰ যুগ। ৰামকৃষ্ণ পৰমহংস আৰু তেওঁৰ প্ৰধান শিষ্য বিবেকানন্দ আৰু ব্ৰহ্মসমাজ, আৰ্যসমাজ আৰু প্ৰাৰ্থনা-সমাজৰ নেতাসকলে এই সাহিত্যক টনকিয়াল কৰি তুলিছিল। অৰু আৰু তৰু দত্ত আৰু ৰমেশসুন্দৰ দত্তৰ লেখাৱলী এই সময়তে নতুন গঢ় লৈছিল। কিন্তু ১৮৭৪ আৰু ১৮৭৭ চনত অৰু আৰু তৰু দত্তই ক্ৰমে ২০ আৰু ২১ বছৰ বয়সত মৃত্যু বৰণ কৰিবলগীয়া হয়। অতি কম দিনৰ ভিতৰতে তেওঁলোকে ইণ্ডো-এংলীয় সাহিত্যলৈ বহুতো অমূল্য সম্পদ দি গ'ল। অৰুৱে Victor Hugoৰ 'Morning Serenade' অনুবাদ কৰি উচ্চ প্ৰশংসা লাভ কৰিছিল। তৰু দত্তৰ 'Ancient Ballads & Legends of Hindustan' তেওঁৰ মৃত্যুৰ পিছতহে প্ৰকাশিত হৈছিল, আৰু তেওঁৰ চনেটবোৰৰ ভিতৰত 'Our Casuarina Tree' খুব জনপ্ৰিয় আছিল। ৰমেশসুন্দৰ দত্তৰ 'Ramayana and Mahabharata in English Verse'ত আমাৰ জাতীয় মহাকাব্য দুখনৰ পাতনি অতি মূল্যবান। তেওঁ লুক্ৰলে হলৰ ছন্দৰ গঠন অনুকৰণ কৰিছিল আৰু সেই হেতুকেই বোধহয় তেওঁৰ কবিতাসমূহে অধিক উৎকৰ্ষ লাভ কৰিছিল।

মনোমোহন আৰু অৰবিন্দ ঘোষে উনৈশ শতিকাৰ শেষ ভাগত ইংৰাজী কবিতা লেখিবলৈ আৰম্ভ কৰিছিল। লৰেন্স বিনিয়ন, আৰ্থাৰ ক্ৰিম্প আৰু ষ্টিফেন ফিলিপ্‌ছৰ সৈতে ১৮৯০ চনত মনোমোহনে 'Primavera' নামৰ কিতাপখন প্ৰকাশ কৰিছিল, আৰু ১৮৯৮ চনত 'Love Songs and Elegies' নামৰ কবিতা পুথিখনো প্ৰকাশিত হৈছিল। তেওঁৰ মৃত্যুৰ দুবছৰৰ পিছতহে ১৯২৬ চনত তেওঁৰ 'Songs of Life and Death' নামৰ কবিতা-পুথিখন প্ৰকাশ কৰা হয়। নিৰাশাবাদ, বেজাৰৰ ছাঁ, বিশাদৰ অনুভূতিয়েই মনোমোহনৰ কবিতাৰ মূলবস্তু আছিল। গীতিকবিতাৰ ক্ষেত্ৰতো তেওঁৰ অৱদান অমূল্য। কিন্তু ইণ্ডো-এংলীয় সাহিত্যৰ

শ্ৰেষ্ঠ লেখকজন অৰবিন্দ ঘোষ। ১৯৪২ চনত দুটি খণ্ডত প্ৰকাশিত তেওঁৰ 'Collective Poems and Plays'ত 'Perseus the Delivery' নামৰ এখন অমিত্ৰাক্ষৰ ছন্দৰ নাটক, 'Urvasie','Love and Death', 'Baji Prabhu' আদি বৰ্ণনামূলক কবিতা আৰু বহুতো আধ্যাত্মিক ভাৱ-সমৃদ্ধ কবিতা সন্নিবিষ্ট আছে। তেওঁৰ 'Savitri' কাব্যখনত সাবিত্ৰী-সত্যৱানৰ পৌৰাণিক কাহিনীটো লিপিবদ্ধ কৰা হৈছে। কিন্তু এই কাব্য ৰচনাৰ মূল উদ্দেশ্য আছিল তেওঁৰ 'যোগ'ৰ নিয়ম-প্ৰক্ৰিয়া প্ৰতীকৰূপে দাঙি ধৰাহে। অৰবিন্দ এজন সূক্ষ্মদৰ্শী গদ্য-লেখকো আছিল। 'The Life Divine,' 'The Synthesis of Yoga', 'Essays on Gita', 'The Foundation of Indian Culture,' 'The Ideal Human Unity,' 'The Secret of the Veda' আৰু 'The Human Cycle' আদিয়েই তেওঁৰ উল্লেখ-যোগ্য গ্ৰন্থ।

বিশ্বকবি ৰবীন্দ্ৰনাথে ইণ্ডো-এংলীয় সাহিত্যতো বৰঙণি যোগোৱা দেখা যায়। 'The Child' তেওঁৰ প্ৰথম ইংৰাজীত লেখা কবিতা। 'The Religion of Man' আৰু 'Sadhana' বিশ্বকবিৰ দুখন ইংৰাজী গদ্য-পুথি। তেওঁৰ পিছতেই সৰোজিনী নাইডুৱে ৰচনা কৰা তিনিখন পুথি—'The Golden Threshold,' 'The Bird of Time' আৰু 'The Broken Wing'এ এই সাহিত্যত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। পূৰ্ণিমাৰ নিজম ৰাতি, গ্ৰীষ্মৰ অস্তগামী সূৰ্য, অন্ধকাৰ নগৰৰ পৰিবেশ আদিৰ প্ৰাকৃতিক ছবিয়ে তেওঁৰ মনত স্বৰ্গ আৰু মৰ্ত্যৰ পাৰ্থক্য জগাই তুলিছিল আৰু তাতে বিচাৰি পাইছিল তেওঁৰ কবিতাবোৰৰ উৎস। 'To a Buddha seated on a Lotus' আৰু 'The Flute-Player of Brindavan' নামৰ কবিতা দুটাই বিশেষভাৱে স্বৰ্গীয় সুখ, আনন্দক আনি মৰ্ত্যৰ লগত মিলাই চোৱা দেখা গৈছে। নাইডুৰ ভায়েক হৰীন্দ্ৰনাথ চট্টোপাধ্যায়ৰ প্ৰথম কবিতা-পুথি 'The Feast of Youth' প্ৰায় পঞ্চাশ বছৰ আগতে প্ৰকাশিত হৈছিল। 'Spring in Winter' নামৰ কবিতা-গ্ৰন্থতো নৱযৌৱনপ্ৰাপ্তি আৰু প্ৰেমিক-প্ৰেমিকাৰ বিভিন্ন মানসিক অৱস্থা ৰূপায়িত কৰা হৈছে।

পুৰণি ইণ্ডো-এংলীয় কবিসকলৰ ভিতৰত বেহৰামজী মালাবাৰি, নাগেশ বিশ্বনাথ পাই, ৰামকৃষ্ণ পিলাই, ৰাম শৰ্মা, উমামহেশ্বৰ আদিৰ নামো উল্লেখ কৰিব পাৰি। বৰ্তমান সেথনা, দিলীপ কুমাৰ ৰায়, নিৰোদবৰণ, পৃথ্বীন্দ্ৰ, গোকক, মঞ্জেৰী ঈশ্বৰণ, ৰাজন আদিৰ কবিতাৰ যোগেদি বিদ্ৰোহ, নতুন কবিতাৰ পৰীক্ষাৰ চেষ্টাই প্ৰধানতঃ প্ৰকাশ পাইছে। মহিলা কবি হিচাবে ভাৰতী চাৰাভাই, মিনি সেথনা, নীলিমা দেৱী, লতিকা ঘোষৰ নামেই উল্লেখযোগ্য।

এইখিনিতে উল্লেখযোগ্য যে ইণ্ডো-এংলীয় নাট-কৰ সংখ্যা খুব কম। মাত্ৰ শ্ৰীনিবাস ইয়েঙ্গাৰ, লৱপ্ৰভু আৰু পুৰুষোত্তম ত্ৰিকামদাসে কেইখনমান উৎকৃষ্ট নাটক ৰচনা কৰিছিল। সমালোচনামূলক ৰচনাৰ সংখ্যাও বৰ বেছি নহয়। অৰবিন্দৰ 'The Future Poetry,' এন্-কে সিদ্ধিনাথৰ 'The Heroic Age of India,' হুমায়ুন কবীৰৰ 'Poetry, Monads and Society' আৰু ভি-কে গোককৰ 'The Poetric Approach to Language' আদিয়েই সাহিত্যা-লোচনাৰ পুথি। মহাত্মা গান্ধী আৰু জৱাহৰ-লাল নেহৰুৰ আত্মজীৱনী কেইখনেও ইণ্ডো-এংলীয় সাহিত্যলৈ অশেষ বৰঙণি আগবঢ়াইছে। সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দাৰ্শনিক তত্ত্বপ্ৰধান ৰচনাই এই সাহিত্যত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বুৰঞ্জীৰ ক্ষেত্ৰত যদুনাথ সৰকাৰ আৰু সৰ্দাৰ পাণিকাৰৰ নামেই উল্লেখ-যোগ্য।

প্ৰবন্ধ লেখকসকলৰ লেখাৰ ষ্টাইল, ভাৱধাৰা বিশেষৰূপে মন কৰিব লগীয়া। গান্ধীজীৰ উদ্যম-উদ্দীপনা আৰু উৎসাহ নিহিত থকা সৰল প্ৰবন্ধবোৰে সেই সময়ত এক নৱ জাগৰণৰ সৃষ্টি কৰিছিল। জৱাহৰলাল নেহৰুৰ সংস্কৃত, সূক্ষ্ম অনুভূতি, মানৱতাবোধেই তেওঁৰ প্ৰবন্ধবোৰৰ বিষয়বস্তু। দাৰ্শনিক আৰু ভাৰতীয় দৰ্শনৰ বুৰঞ্জীবিদ্ অধ্যাপক ৰাধাকৃষ্ণণে ভাৰতীয় চিন্তাধাৰাৰ নতুন পথ বিচাৰি পালে। তেওঁৰ অৱদান ভাৰতীয় চিন্তাধাৰাৰ অমূল্য সম্পদ। ৰাজা গোপালাচাৰীৰ লেখাবোৰে তেওঁৰ ব্যক্তিত্বৰ পৰিচয় দিয়ে। সিদিনাৰ মহাকাব্য দুখনৰ মূলগত পাৰ্থক্য ফঁহিয়াই গোপালাচাৰীয়ে ইণ্ডো-এংলীয় সাহিত্যলৈ যথেষ্ট অৱদান আগবঢ়াইছে।

ইণ্ডো-এংলীয় সাহিত্যৰ যোগেদি ভাৰতৰ নিম্ন-শ্ৰেণীৰ লোকৰ জীৱনৰ সংঘাত ৰূপায়িত কৰাটো অত্যন্ত গৌৰৱৰ বিষয়। ডঃ মুল্কৰাজ আনন্দৰ 'Two Leaves and a Bud নামৰ উপন্যাসখনত নায়ক গাঙ্গুৱে ঘৰ এৰি কেনেকৈ অসমৰ চাহ বাগানত ভাবিব নোৱাৰা জীৱন যাপন কৰিছিল তাকে তেওঁ বিশেষ আকৰ্ষণীয়-তাৰে দাঙি ধৰিছে। তেওঁৰ আন এখন উপন্যাস 'The Untouchable'ত ভাৰতীয় জাতিভেদ ব্যৱস্থা আৰু পেটৰ ভোকৰ কাৰণে দুখীয়া খেতিয়কসকলে কেনেকৈ জীৱন যুদ্ধ চলাব লগাত পৰিছে তাকে ফুটাই তুলিছে। উপন্যাসখনৰ নায়ক হৈছে দক্ষিণ ভাৰতৰ এজন দুখীয়া, পৱিত্ৰ অন্তৰৰ খেতিয়ক; তেওঁৰ ঘৈণীয়েক ৰুক্মিণীয়ে অশেষ পৰিশ্ৰম কৰি তেওঁৰ স্বামী আৰু ল'ৰা-ছোৱালী কেইটাক দানৱৰূপী ক্ষুধাৰ পৰা ৰক্ষা কৰাৰ চিত্ৰ মৰ্মস্পৰ্শী। ঔপন্যাসিক ভৱাণী ভট্টাচাৰ্যৰ উপন্যাস-

বোৰতো সেই একে ভাৱধাৰাকে পোৱা যায়। তেওঁৰ 'Music for Mohini' নামৰ উপন্যাসখনত জাতিভেদ আৰু ক্ষুধাৰ বাবে তুমুল ৰণ চলোৱা দেখা গৈছে। 'He who rides a Tiger' নামৰ উপন্যাসখনতো বঙ্গদেশৰ দুৰ্ভিক্ষৰ প্ৰতিচ্ছবি এখনি অঙ্কিত কৰা হৈছে। ইয়াত কালু নামৰ কমাৰ এজন আৰু তেওঁৰ ধুনীয়া জীয়েক চন্দ্ৰলেখাক দৰিদ্ৰতাই কেনেকৈ অসৎ পথলৈ ঠেলি পঠালে তাকে ভট্টাচাৰ্যই সফলতাৰে ফুটাই তুলিব পাৰিছে।

আৰ-কে নাৰায়ণ আৰু ৰাজা ৰাৱে মধ্য-ভাৰতীয় সম্প্ৰদায়ৰ ছবি একোখন অঙ্কন কৰাটোৱেই তেওঁলোকৰ উপন্যাস আৰু গল্পবোৰৰ প্ৰধান উদ্দেশ্য বুলি ক'ব পৰা যায়। নাৰায়ণৰ 'Swami and Friends,' 'The Bachelor of Arts' আৰু 'Mr. Sampath' উপন্যাস কেইখনে ভাৰতৰ জনসাধাৰণৰ সমস্যাবোৰকে ব্যাখ্যা কৰিছে। কুশৱন্ত সিঙে ভাৰতীয় গ্ৰাম্য জীৱন ৰূপায়িত কৰিছে তেওঁৰ গল্প আৰু উপন্যাসসমূহত। ১৯৫০ চনত প্ৰকাশিত তেওঁৰ 'The mark of Vishnu' কিতাপখনে বিশ্বখ্যাতি লাভ কৰিবলৈ সুবিধা দিলে। তেওঁৰ 'The Rape,' 'When Sikh meets Sikh' আদি ক্লাছিক বুলিয়ে ক'ব লাগিব। 'Mano Majra' উপন্যাসত সিঙে ৰিফিউজি সমস্যা আদিক অপূৰ্ব সমাধানেৰে দাঙি ধৰিছে। খাৱাজ আহমেদৰ 'Tomorrow is Ours,' আহমেদ আলিৰ 'Conflict,' হাথী সিঙৰ 'Moira', অধ্যাপক দিৱানচান্দ শৰ্মাৰ 'Men and Manners' আতিয়া হবিবুল্লাৰ 'Phoenix Fled' আদি উপন্যাস আৰু গল্প-কিতাপ কেইখনে ভাৰতীয়ৰ জীৱন-নিৰ্বাহ প্ৰণালীকে বিশেষভাৱে ফঁহিয়াই দেখুৱাইছে।

ইণ্ডো-এংলীয় সাহিত্যক বিদেশী সাহিত্য বুলি ক'লে ভুল ক'ৰা হব। ইংৰাজী ভাষাৰ মাধ্যমেৰে গঢ়ি উঠা ই সম্পূৰ্ণ ভাৰতীয় সাহিত্যহে। কোনো কোনোৱে মত প্ৰকাশ কৰে যে ভাৰতীয়ৰ লেখনী ইংৰাজসকলৰ লেখনীৰ লগত ম্লান পৰা লেখনী। ইংৰাজী ইংৰাজসকলৰ মাতৃভাষা আৰু মাতৃভাষাৰ দ্বাৰা যি সাহিত্যৰ সৃষ্টি হয় সি সঁচাকৈয়ে ওখ থাপৰ সাহিত্য হ'ব, আন নহ'লেও ভাষাৰ ফালৰ পৰা; গতিকে ইংৰাজসকলৰ লেখনীৰ লগত ভাৰতীয় লেখনীৰ তুলনা কৰিব নোৱাৰি আৰু তুলনা কৰিবলৈ যোৱাটোও ঠেক গণ্ডীৰ ভিতৰত থকাৰ পৰিচায়কহে। তথাপিও ইণ্ডো-এংলীয় সাহিত্যই ভাৰতত গভীৰ শিপাৰে প্ৰভাৱ বিস্তাৰ কৰিছে। অষ্ট্ৰেলিয়া , কানাডা, আনকি ইংলণ্ডৰ লেখাৰ লগত ইংৰাজী মাধ্যমেৰে গঢ়ি উঠা ভাৰতীয় লেখাৰ বৰ বিশেষ তুলনাগত পাৰ্থক্য নাই। এই ত্যাই বিভিন্ন আঞ্চলিক ভাষাবোৰকো টনকিয়াল কৰিছে আৰু আদান-প্ৰদান, বুজা-বুজিৰ সুবিধা হৈছে। ইণ্ডো-এংলীয় সাহিত্যই ইমান প্ৰভাৱ বিস্তাৰ কৰাৰ কাৰণ বিচাৰি ইয়াকে ক'ব লাগিব—যদি পৃথিৱীৰ বিভিন্ন দেশবোৰৰ লগত চিনা-পৰিচয় কৰিবলৈ ভাষা আছে, বেহা-বেপাৰ কৰিবলৈ ভাষা আছে, ৰাজনীতি, অৰ্থনীতি দৰ্শনাদি চৰ্চা কৰিবলৈ ভাষা আছে, সি ইংৰাজী ভাষাহে; ইংৰাজী ভাষাৰ মাধ্যমত গঢ়ি উঠা ইণ্ডো-এংলীয় সাহিত্যৰ মৰ্যাদা কেনেকুৱা হ'ব তাক সহজে অনুমান কৰিব পাৰি।

(প্ৰবন্ধটো যুগুত কৰোঁতে শ্ৰীনিৱাস ইয়েঙ্গাৰ আৰু শিৱ কুমাৰৰ দুটি ইংৰাজী প্ৰবন্ধৰ বিশেষকৈ সহায় লোৱা হৈছে।)

---

(৭২ পৃষ্ঠাৰ পিছৰ পৰা)

নাটক দুখন প্ৰথমতে অনাতাঁৰৰ দ্বাৰা প্ৰচাৰ কৰা হয়। অন্যান্য অনাতাঁৰ-নাটিকাৰ লেখক হিচাবে গুৰেন্টাৰ আইচ্, আৰ্নষ্ট স্নালেল্ আৰু ইনজেলৰ্জ ব্যাচ্‌ম্যান আদিৰ নাম উল্লেখযোগ্য।

যুদ্ধৰ এই কুৰি বছৰৰ পিছতো জাৰ্মানসকলে ইয়াৰ ভয়াবহ ফলবোৰ ভোগ কৰিয়েই আছে। বৰ্তমান তেওঁলোকৰ সাহিত্য, শিক্ষা, সংস্কৃতি আদি সকলো উন্নতিৰ পথত অগ্ৰসৰ হৈ আছে। এই পথৰ শেষ প্ৰান্তৰত উপস্থিত হ'বলৈ এতিয়াও তেওঁলোকৰ বহুত বাকী। (সহায় লৈ লেখা)



"১৯৩৪ চনত মই 'কটনিয়ান'ৰ সম্পাদক নিৰ্বাচিত হৈছিলোঁ। কটন কলেজৰ লগত থকা মোৰ পুৰণি নিবিড় সম্বন্ধ আৰু বৰ্ত্তমান সাংবাদিক জীৱনৰ কাৰণেও মই 'কটনিয়ান'খন মোৰ হাতত পৰিলেই পঢ়োঁ আৰু 'কটনিয়ান'খনে পঢ়ুৱৈ সকলৰ ওপৰত কেনে প্ৰভাৱ বিস্তাৰ কৰিছে তাক চালি-জাৰি চাওঁ।

আমাৰ দিনৰ কলেজখনৰ কথা মনত পেলাই পুৰণি দিনবোৰলৈ উভতি চাওঁ। তেতিয়া ২৭ জনী ছাত্ৰী সমন্বিতে কলেজখনত মুঠ ৭৯৯ ছাত্ৰ-ছাত্ৰী আছিল। কটন কলেজখনেই অসমত সাধাৰণ শিক্ষাৰ বাবে একমাত্ৰ চৰকাৰী কলেজ। এনে এটা মহৎ অনুষ্ঠানৰ পৰা প্ৰকাশিত আলোচনী হিচাবে 'কটনিয়ান'খন কলেজখনৰ ব্যক্তি-সত্তাক পৰিস্ফুট কৰি তোলাৰ উপৰিও অসমৰ আন আন কলেজ আৰু আন শিক্ষানুষ্ঠানৰ আলোচনীবোৰৰ কাৰণে 'মডেল' বা আহিস্বৰূপ হোৱা উচিত। মানদণ্ডৰ তুলাচনীত 'কটনিয়ান'খন উন্নত কৰাৰ যথেষ্ট থল আছে। চুটিগল্প, কবিতা আৰু অন্যান্য গতানুগতিক বিধৰ প্ৰকাশন বস্তু বাদ দি তথ্যগধূৰ প্ৰবন্ধাদিৰে 'কটনিয়ান'খন ভৰপূৰ হ'ব লাগে বুলি মই ভাবোঁ। বৰ্ত্তমান বিশেষজ্ঞ প্ৰধান যুগত কটনিয়ান বন্ধুসকলে কল্পনাশ্ৰয়ী বিষয়বস্তুৰ ওপৰত প্ৰাধান্য নিদি বাস্তৱগুণসম্পন্ন যুগপোযোগী ৰচনাত মনোনিৱেশ কৰি তেনে বিষয়বস্তুৰ ওপৰত প্ৰবন্ধ-পাতি লেখিব পাৰে—এয়া অৱশ্যে মোৰ ব্যক্তিগত অভিমত। 'কটন'ৰ অধ্যাপকমণ্ডলীয়েহে ছাত্ৰ-ছাত্ৰীক উপযুক্ত দিহা পৰামৰ্শ দি 'কটনিয়ান'খন কি ভাবে উচ্চ স্তৰৰ আলোচনী কৰিব পৰা যায় সহায় কৰিব পাৰে।

গুৱাহাটী শ্ৰীসতীশচন্দ্ৰ কাকতী
২৪ নৱেম্বৰ, ১৯৬৫

কটনিয়ান কটনিয়ান কটনিয়ান কটনিয়ান
কটনিয়ান কটনিয়ান

## সম্প্ৰীতি - চ'ৰা

কটনিয়ান কটনিয়ান
কটনিয়ান কটনিয়ান কটনিয়ান কটনিয়ান

### 'কটনিয়ান'ৰ প্ৰাক্তন সম্পাদকসকললৈ

শ্ৰদ্ধেয় সম্পাদকবৃন্দ,

আপোনালোকৰ সহযোগিতাত গঢ়ি উঠা এই 'সম্প্ৰীতি-চ'ৰা' 'কটনিয়ান'ত নতুন নহয়। ১৯৬২ চনৰ 'কটনিয়ান'ৰ সম্পাদক শ্ৰীশ্যামাপ্ৰসাদ শৰ্মাই প্ৰাক্তন সম্পাদকসকলৰ লগত সম্প্ৰীতি অটুট ৰাখিবলৈ 'কটন কলেজ মেগাজিন'ৰ প্ৰাক্তন সম্পাদক আৰ্, চি, গফিন আৰু ডঃ সূৰ্যকুমাৰ ভূঞাৰ দুখন চিঠিৰে ইংৰাজীত Letters from Editor to Editor শিতানটো প্ৰকাশ কৰিছিল। একেই উদ্দেশ্যেৰে তাৰ দ্বিতীয় প্ৰচেষ্টা হৈছে এই সংখ্যাৰ 'চিঠি : সম্পাদকৰ পৰা সম্পাদকলৈ'। এই শিতানৰ জৰিয়তে আপোনালোকৰ 'কটনিয়ান' সম্পাদনাৰ অভিজ্ঞতা, সম্পাদনা কালছোৱাৰ উল্লেখযোগ্য ঘটনা আৰু ছাত্ৰসমাজৰ সাহিত্য-চৰ্চাৰ এটি মুকলি আভাস ফুটাই তুলিবলৈ চেষ্টা কৰা হৈছে। আপোনালোকে অতিক্ৰম কৰি অহা কিছুমান সমস্যা, অসুবিধা আৰু আপোনালোকৰ পৰামৰ্শও এই চিঠিবোৰত সময়োপযোগী হৈছে। কৰ্তৃপক্ষই এইবোৰৰ সমাধানৰ বাবে যত্ন ল'লে আমি সুখী হ'ম। ভৱিষ্যতেও আপোনালোকে এই শিতানৰ যোগেদি আমাৰ সম্প্ৰীতি যুগমীয়া কৰি ৰাখিবলৈ চেষ্টা কৰিব বুলি আশা কৰিলোঁ। অৱশেষত সমূহ প্ৰাক্তন সম্পাদকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আপোনালোকৰ,
শ্ৰীপ্ৰদীপ শইকীয়া

● ●

'কটনিয়ান'ৰ সম্পাদক আছিলোঁ ১৯৫২ চনতে। প্ৰায় এযুগৰো ওপৰ হ'ল। কিন্তু সেই সময়খিনিৰ কথা মনত সদায় জিলিকি আছে। এইকণ কামৰ কাৰণে মই আজিও গৰ্ব অনুভৱ কৰোঁ। 'কটনিয়ান'খন গোটেই অসমৰ বিশেষ প্ৰতিভাশালী ডেকা শক্তিৰ প্ৰতিভূস্বৰূপ। প্ৰতি বছৰে এই জাগ্ৰত, উদ্দীপ্ত শক্তিৰ সম্যক্ পোহৰ 'কটনিয়ান'খনে পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰাটো আমি বিচাৰোঁ। বৰ্ত্তমান দেশ বহু ক্ষেত্ৰত আগুৱাই আহিছে। চাৰিওফালে নতুন ভাৱৰ হিল্লোল উঠিছে। 'কটনিয়ান'ত এইবোৰ উন্নত ৰূপত প্ৰকাশ পালে ই আমাৰ গৌৰৱৰ বিষয় হৈ পৰিব।

গুৱাহাটী শ্ৰীচন্দ্ৰকুমাৰ বৰুৱা
১৫ ডিচেম্বৰ, ১৯৬৫

সম্প্ৰীতি-চ'ৰা
সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা
সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা
সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা
সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা সম্প্ৰীতি-চ'ৰা

# চিঠি :: সম্পাদকৰ পৰা সম্পাদকলৈ

প্ৰিয় শইকীয়া,

ছাত্ৰ-সম্পাদক হিচাবে 'কটনিয়ান'ৰ লগত মোৰ সম্বন্ধৰ কথা জানিবলৈ খোজাত সঁচাকৈ আনন্দ পাইছোঁ। এই পুৰণি সোঁৱৰণিবোৰ লিপিবদ্ধ কৰি থ'ব খুজিলেই মই কটন কলেজৰ সোণালী ইতিহাসৰ এখিলা এখিলা পাত জুইৰ আখৰেৰে লেখা হৈ বতাহত ভাহি ফুৰা দেখা পাওঁ। এতেকে 'কটনিয়ান'ৰ ইতিহাস আৰু নেলেখোঁ, ..মাথোন ছাত্ৰ কেনেকৈ 'কটনিয়ান'ৰ সম্পাদক হ'বলৈ পালে, তাকে দুই এফাকি কথাৰে নিবেদন কৰিম।

'কটনিয়ান'ৰ পুৰণি নাম আছিল 'কটন কলেজ মেগাজিন', তেতিয়া তাৰ সম্পাদকসকলো আছিল অধ্যাপক। সেই সময়ত ছাত্ৰসকলে প্ৰবন্ধ-পাতি প্ৰকাশ কৰিবলৈ উথপ্-থপ্ লগাইছিল, আৰু সেই বাবে প্ৰবন্ধ, কবিতা আদি যথেষ্ট ভাল নহ'লে ছপা হোৱাৰ সম্ভাৱনাও কম আছিল। কিন্তু ছাত্ৰসকলৰ পক্ষে এটা সুবিধা আছিল এই, যে ছাত্ৰৰ প্ৰবন্ধ ভাল হ'লে অধ্যাপকসকলৰ প্ৰবন্ধ বাদ দি হ'লেও ছাত্ৰৰ প্ৰবন্ধ লোৱা হৈছিল।

১৯৩৩ চনত অধ্যক্ষ ডেভিদ থমছনে ছাত্ৰ-ইউনিয়নৰ সৈতে সংশ্লিষ্ট অধ্যাপকসকলেৰে সৈতে আলোচনা কৰি সিদ্ধান্ত কৰিলে যে কটন কলেজৰ আলোচনীখনৰ ছাত্ৰ-সম্পাদকহে থকা উচিত। সেইবাবে ইউনিয়নৰ নিৰ্বাচন হৈ যোৱাৰ পিছত তেতিয়াৰ অধ্যাপক সূৰ্যকুমাৰ ভূঞা, হৰেন্দ্ৰকুমাৰ চৌধুৰী আৰু ভুবনমোহন সেনে দুজন তৃতীয় বাৰ্ষিকৰ ছাত্ৰক মাতি আনি আলোচনীখনৰ সম্পাদনা কৰিবলৈ অনুৰোধ কৰে। তেতিয়াৰে পৰা আলোচনীখনৰ নাম হ'ল 'কটনিয়ান' আৰু সম্পাদক হ'ল ছাত্ৰ। ছাত্ৰ দুজন আছিল সুৰেশচন্দ্ৰ ৰাজখোৱা আৰু ৰায়হান শাহ। অধ্যাপক সূৰ্যকুমাৰ ভূঞা আৰু ভুবনমোহন সেন আজি আমাৰ মাজত নাই। সুৰেশচন্দ্ৰ ৰাজখোৱা অসমৰ শিক্ষাবিভাগৰ কৰ্ণধাৰ। বাকী দুজনে এতিয়াও সাধনা কৰি আছে।"

এইখিনিতে এষাৰ অৰ্ধ-প্ৰাসঙ্গিক কথা কৈ থোৱা উচিত বুলি ভাবোঁ। বহুতে ভাবে আৰু কয় যে ময়েই 'কটনিয়ান'ৰ প্ৰথম ছাত্ৰ-সম্পাদক। কথাষাৰ আধাখিনিহে সঁচা। এই কথাৰ মৌখিক প্ৰতিবাদ মই বহুতো কৰিছোঁ, আৰু আজি লিখিতভাবে জনাই থওঁ যে প্ৰথম ছাত্ৰ-সম্পাদক এজন নহয়, দুজন।

গুৱাহাটী ৰায়হান শাহ
১৫ ডিচেম্বৰ, ১৯৬৫

প্ৰিয় সম্পাদক ডাঙৰীয়া,

আপোনাৰ অনুৰোধক্ৰমে মই ১৯৪৩-৪৪ চনৰ 'কটনিয়ান' প্ৰকাশৰ সম্বন্ধে দুটামান কথা জনালোঁ।" দ্বিতীয় মহাসমৰৰ বিভীষিকাই গোটেই জগতখন ঢাকি ৰখাৰ কাৰণে সাহিত্য-কাব্যৰ প্ৰতি সেই সময়ত মানুহৰ বীতশ্ৰদ্ধাহে আছিল।" কাগজ তেতিয়া দুষ্প্ৰাপ্য—দামো আছিল অতি চৰা। সেইকাৰণেই মোৰ সম্পাদনাত 'কটনিয়ান'ৰ মাত্ৰ এটা সংখ্যা উলিওৱাহে সম্ভৱ হৈছিল। কটনিয়ানসকলৰো মন তেতিয়া ভাগি পৰিছিল। কলেজৰ আধা মিলিটেৰীৰ হাতত; আমি তেতিয়া অস্থায়ী খেৰী ঘৰত পঢ়িছিলোঁ। তেনে অৱস্থাতো 'কটনিয়ান' প্ৰকাশ কৰিব পাৰি বৰ ডাঙৰ কাম কৰা যেন পাইছিলোঁ। সেই সংখ্যা 'কটনিয়ান'ত এতিয়াৰ 'নৱযুগ'ৰ সম্পাদক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ, কলিকতাৰ হাঙ্গামত মৃত্যু হোৱা কবি অমূল্য বৰুৱাৰ কবিতা, অধ্যাপক তাৰিণীকান্ত ভট্টাচাৰ্যৰ ইংৰাজী প্ৰবন্ধাদি প্ৰকাশিত হৈছিল। মই ভাবোঁ, অমূল্য বৰুৱাৰ কবিতাই ইয়াৰ যোগেদি বিশেষভাবে সৰ্বৰহী হৈ পৰিছিল।

'কটনিয়ান'ৰ সম্পৰ্কত মোক আন এটা কথাইহে বেছি ভাল লগায়। মই সম্পাদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিম বুলি জানি বন্ধুবৰ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই স্বইচ্ছাই নিজে প্ৰতিদ্বন্দ্বিতা নকৰি মোকহে সমৰ্থন

দিছিল। দ্বিতীয়তে বন্ধুবৰ পূৰ্ণমল মজুমদাৰ (বৰ্তমান অধ্যাপক) মোৰ প্ৰতিদ্বন্দ্বী আছিল যদিও আমি একেলগে ভোট বিচৰা অভিযান চলাইছিলোঁ।"

'কটনিয়ান'ত প্ৰকাশ কৰিবৰ কাৰণে কোনো ৰকমে মই ছাত্ৰীৰ পৰা প্ৰবন্ধ-পাতি পোৱা নাছিলোঁ—এই বিষয়ত মোৰ কোনো চেষ্টাই সাৰ্থক নহ'ল। সঁচা কথা ক'বলৈ গ'লে সেই সময়ৰ কলেজৰ ছোৱালী-সকলৰপৰা কোনো লেখিকা সৃষ্টি হোৱা নাছিল।" সম্পাদক হৈ আনক কি অনুপ্ৰেৰণা দিলোঁ ক'ব নোৱাৰোঁ, কিন্তু নিজে অন্ততঃ সাহিত্য-সেৱাত ব্ৰতী হৈ থকাৰ এটা বিশেষ অনুপ্ৰেৰণা পালোঁ।" অৱশেষত ন-কটনিয়ান সকলোলৈকে শুভেচ্ছা জনাই ভাষাজননীৰ সেৱাত আত্মনিয়োগ কৰিবলৈ অনুৰোধ জনালোঁ।"

খোৱাং আব্দুছ ছাত্তাৰ
১৩ নৱেম্বৰ, ১৯৬৫

প্ৰিয় শইকীয়া,

"১৯৪৪-৪৫ চনৰ নিৰ্বাচনত মই 'কটনিয়ান'ৰ সম্পাদক নিৰ্বাচিত হৈছিলোঁ। "সেই সময়ৰ দেশৰ গোলমলীয়া ৰাজনীতিয়ে ছাত্ৰসকলকো চুইছিলহি আৰু কটন কলেজৰ একাংশ ছাত্ৰই সাম্প্ৰদায়িক প্ৰতি-নিধিত্বৰ দাবী তোলাত আমাৰ পিছৰ বছৰৰ নিৰ্বাচন বন্ধ থাকিল। সেইবাবে আমি প্ৰকৃততে দুবছৰৰ কাৰ্যনিৰ্বাহ কৰিব লগা হৈছিল। মোৰ সম্পাদনাত 'কটনিয়ান'ৰ দুটা সংখ্যা ওলাইছিল। দ্বিতীয় সংখ্যা-টোৰ প্ৰকাশনৰ বাবে আৱশ্যকীয় ধন নথকাত ডি-পি-আইৰ ডিচ্‌ক্ৰেশ্যনাৰী ফাণ্ডৰ পৰা দুশ টকা আনি উলিওৱা হৈছিল। সেই সময়ত গুৱাহাটীত আজিৰ দৰে প্ৰেছৰ সুবিধা নাছিল।" সাজসজ্জা আৰু আকৃতিত আজিৰ দৰে বিশেষ দেখনিয়াৰ নহ'লেও 'কটনিয়ান'ৰ প্ৰবন্ধ-পাতি সেই সময়ৰ অসমীয়া সাহিত্যৰ মান বা আদৰ্শৰ তলত নাছিল। বৰং সেই সময়ৰ 'কটনিয়ান' বুদ্ধিনিষ্ঠ তৰুণ মনৰ ধ্যান-ধাৰণাৰ বাহক আছিল। অসমীয়া নতুন কবি-তাই মোৰ সম্পাদনাতে প্ৰথমবাৰৰ বাবে 'কটনিয়ান'ত প্ৰবেশ লাভ কৰে। যুদ্ধোত্তৰ কালৰ অসমীয়া সাহি-ত্যৰ গতি সলনিৰ এটা ধাৰা ক্ষীণভাবে হ'লেও 'কটনিয়ান'ত পৰিলক্ষিত হৈছিল।

'কটনিয়ানে' বিভিন্ন সম্পাদক আৰু বিভিন্ন ছাত্ৰ-সমাজৰ সমলেৰে পৰিপুষ্টি লাভ কৰি আহি বৰ্তমান আপোনালোকৰ হাতত এক বলিষ্ঠ ৰূপ লোৱাটো কামনা কৰিলোঁ। আমাৰ সুযোগ-সুবিধা আৰু অভিজ্ঞতাৰ পৰিসৰ আপোনালোকৰ তুলনাত ঠেক আছিল, সেইবাবে আমাৰ অপূৰ্ণতাই আপোনালোকৰ হাতত পূৰ্ণতৰ ৰূপ পাব বুলি আশা কৰিলোঁ। শুভইচ্ছাৰে—

গুৱাহাটী শ্ৰীপ্ৰশান্ত বৰুৱা
৩ ডিচেম্বৰ, ১৯৬৫

স্নেহাস্পদ শইকীয়া,

'কটনিয়ান'ৰ প্ৰাক্তন সম্পাদক বুলি মোলৈ যি মৰম দেখুওৱা হৈছে তাৰবাবে সুখী হৈছোঁ আৰু গৌৰৱ অনুভৱ কৰিছোঁ। ১৯৪৮ চনত ছাত্ৰ-ইউনিয়নৰ সদস্য-সকলে মোক সৰ্বসন্মতিক্ৰমে 'কটনিয়ান'ৰ সম্পাদনাৰ দায়িত্ব দিছিল। কাগজৰ দুষ্প্ৰাপ্যতা, আলোচনী প্ৰকাশৰ বাবে তাকৰীয়া ধনৰ অনুমোদন আদি এশ এবুৰি বেমেজালিৰ মাজেৰে ২৪শ সংখ্যা 'কটনিয়ান'খন প্ৰকাশ কৰিব লগীয়া হোৱাত তাত বহুতো মনোনীত প্ৰবন্ধাদি প্ৰকাশ কৰিব পৰা নহ'ল। তথাপিও অসমীয়া বিভাগটো আগত দি 'কটনিয়ান' বুলি অসমীয়াতে প্ৰথমতে নামটো দিয়াৰ সূত্ৰপাত কৰা হৈছিল।

"সেই সময়ত কটন কলেজত অগা-পিছাকৈ থকা ছাত্ৰ কেশৱ মহন্ত, অজিতমল্ল বৰুৱা, প্ৰশান্ত বৰুৱা, বীৰেন বৰকটকী, হৰি বৰকাকতী, মহেন্দ্ৰ বৰা আদিয়ে প্ৰতীকবাদ আৰু মুক্তকছন্দ প্ৰয়োগ কৰি লেখা নতুন কবিতাত হাত দিছিল। মহেন্দ্ৰ বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিয়ে বিভিন্ন সাহিত্যৰ তুলনামূলক অধ্যয়ন কৰি ভৱিষ্যতৰ বাবে সাজু হৈছিল। যোগেশ দাসেও চুটি গল্পৰ বিবিধ কলাকৌশল আয়ত্ত কৰাৰ পৰিচয় দিছিল। স্বাধীনতাৰ আগমুহূৰ্তত কটনিয়ানসকল আছিল সংগ্ৰামী, বিপ্লৱী আৰু স্বাধীনতা ৰণৰ বাবে প্ৰস্তুত যুঁজাৰু। সাহিত্যতো এই সংগ্ৰামী ভাৱধাৰা প্ৰকাশ পাইছিল। গল্প, কবিতা সকলোতে স্বাধীনতা লাভৰ দুৰ্বাৰ আকাঙ্ক্ষা, সমাজবাদী সমাজ গঢ়াৰ প্ৰতিজ্ঞা মিহলি হৈ আছিল। স্বাধীনতাৰ পিছতে ছাত্ৰসকলৰ মনত আদৰ্শবাদৰ সংঘাতে আত্মপ্ৰকাশ কৰিছিল। জাতীয় চৰকাৰৰ দিনত কিছু শিথিলতা প্ৰকাশ পালেও এইটো স্বীকাৰ কৰিব লাগিব সাহিত্য, বিজ্ঞান, সঙ্গীত, ৰাজনীতি সকলোতে কটনিয়ানসকলে প্ৰায়ে নেতৃত্ব দি আহিছিল আৰু আহিছে। আজি ৰাষ্ট্ৰীয় জীৱনৰ সংকটপূৰ্ণ মুহূৰ্তত কটনিয়ান বন্ধুসকলৰ ঐতিহ্যপূৰ্ণ নৱোন্মেষশালিনী সৃজনী প্ৰতিভা জাগি উঠি নতুন সূৰ্যৰ ন পোহৰেৰে ভাতিক উদ্ভাসিত কৰি তুলিব বুলি গভীৰ বিশ্বাস আৰু ভৰসা সকলোৰে আছে।

গুৱাহাটী
৫ নৱেম্বৰ, ১৯৬৫ শ্ৰীঘনকান্ত চেতিয়া ফুকন

মৰমৰ শইকীয়া,

আপোনাৰ অনুৰোধক্ৰমে এই চিঠিৰে মই সম্পাদনা কৰা 'কটনিয়ান'ৰ বিষয়ে লেখিবলৈ ল'লোঁ। আন কথা কোৱাৰ আগতে কওঁ মই অতি সহজেই সম্পাদক নিৰ্বাচিত হৈছিলোঁ। এই নিৰ্বাচনত মোক প্ৰচুৰভাৱে সহায় কৰিছিল ইতিমধ্যে প্ৰকাশ হোৱা 'প্ৰীতি-উপহাৰ' আৰু 'সংগ্ৰাম' নামৰ উপন্যাস দুখনে।..

সম্পাদক হিচাবে মই কিমান দূৰ কৃতকাৰ্য হ'লোঁ তাক ১৯৪৯ চনত প্ৰকাশিত ২৫শ সংখ্যা 'কটনিয়ান' খনেই সাক্ষী দিব। তেতিয়া দেশ স্বাধীন হ'লেও কাগজ আৰু ছপাকলৰ অভাৱ আছিল। কৰ্তৃপক্ষই 'কটনিয়ান' ছপাবৰ কাৰণে যিখিনি টকা দিয়াৰ নিয়ম আছিল অতিসামান্য।.. তেতিয়াৰ শিক্ষা-বিভাগৰ ডিৰেক্টৰ উমাকান্ত গোস্বামীয়ে সাহায্য এটি দিয়াতহে সংখ্যাটো ছপাব পৰা সম্ভৱ হৈছিল..। তথাপিও অসমীয়া বিভাগত চৈয়দ আব্দুল মালিকৰ 'ৰেডিঅ' নাটক', অধ্যাপক প্ৰফুল্লদত্ত গোস্বামীয়ে লেখা 'আৰ্নষ্ট টলাৰৰ চিঠি' আৰু ইংৰাজী বিভাগত অধ্যাপক প্ৰতাপচন্দ্ৰ চৌধুৰী, অধ্যাপিকা পাৰুকুটি বৰুৱা আদিৰ প্ৰবন্ধ-পাতিয়ে সংকলনটোৰ মূল্য যথেষ্ট বঢ়াইছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইয়াত লেখিছিল—সেই সকলৰ ভিতৰত লক্ষহীৰা বৈশ্য সাউদ (এতিয়া দাস), প্ৰভাত গোস্বামী, যোগেশ দাস, সত্যপ্ৰভা দাস, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিয়ে ইতিমধ্যে অসমীয়া সাহিত্যত নিজৰ স্থান কৰি ল'ব পাৰিছে।"

আমাৰ দিনত গুৱাহাটী চহৰত 'ব্লক মেচিন' নাছিল। কলিকতাত ব্লক কৰি আনি 'কটনিয়ান' ছপাবলৈ সম্পাদকৰ সময় আৰু টকাৰ, দুয়োটাৰে অভাৱ আছিল। সেইকাৰণে 'কটনিয়ান'খন ধুনীয়া কৰি ছপাই উলিওৱাত বহুতো বাধা আছিল। ইয়াৰ উপৰিও সাহিত্য চৰ্চা কৰা, 'কটনিয়ান'ৰ সম্পাদক হৈ নলগা জেওত লগাটো বহুতৰ মানত বুদ্ধিমানৰ কাম নাছিল। এই কামত উৎসাহ আৰু সহযোগিতাতকৈ গৰিহণা আৰু সমালোচনাৰ ভাগেই বেছিকৈ ভাগ্যত জুটিছিল।"

অৱশেষত আপোনাৰ সহযোগিতাৰ শলাগ লৈ মোৰ চিঠি সামৰিলোঁ। মৰমেৰে—

গুৱাহাটী
২২ নৱেম্বৰ, ১৯৬৫ মহম্মদ পিয়াৰ

প্ৰিয় শইকীয়া,

আপোনাৰ আয়োজিত এই 'সম্প্ৰীতি চ'ৰা'লৈ আমাক আমন্ত্ৰিত কৰাত আনন্দিত হৈছোঁ। ধন্যবাদ। "১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্প আৰু মাছুল বৃদ্ধি প্ৰতিৰোধ সঙ্কল্পে কৰা ছাত্ৰ-আন্দোলনৰ পিছতে আমাৰ ওপৰত ভাৰ পৰিছিল ২৭শ সংখ্যা 'কটনিয়ান'ৰ (১৯৫১) সম্পাদনকাৰ্য। এয়া আজিৰপৰা প্ৰায় ১৫ বছৰ আগৰ কথা। 'কটনিয়ান' প্ৰকাশ কৰিবলৈ যি এটি ক্ষীণ পুঁজি তেতিয়া আছিল, সেই পুঁজিৰে আজিৰ দিনত আমাৰ বিশ্বাস ২০ পৃষ্ঠাৰ আলোচনী এখন প্ৰকাশ কৰাটোও কষ্টসাধ্য হ'ব। তথাপিও উক্ত সংখ্যা 'কটনিয়ান'খন ছপা কৰা হৈছিল কলিকতাৰ পৰা গুৱাহাটীলৈ নতুনকৈ স্থানান্তৰিত হৈ অহা 'আৱাহন প্ৰেছ'ত। সেই সময়ত কাগজৰ মহাৰ্ঘতাও আছিল প্ৰকাশনকাৰ্যৰ অন্য এটা প্ৰধান অন্তৰায়। তেনে স্থলত ক'লা বজাৰৰ বগা কাগজৰে আলোচনী এখনি প্ৰকাশ কৰা কেনে কষ্টসাধ্য হ'ব পাৰে আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিব। সেয়ে 'কটনিয়ান'খনি প্ৰকাশ কৰোঁতে কেইবামাহো পলম হৈছিল আৰু নতুন ছপাশালৰ নতুন কৰ্মচাৰীসকলৰ ন-অভিজ্ঞতাৰ চানেকি 'কটনিয়ান'-খনিৰ বুকুত বৈ গৈছিল যথেষ্ট।

সেই কালৰ কটনিয়ান মহেন্দ্ৰ বৰা, তৰুণ ভৰালী, প্ৰবোধ শৰ্মা, ভবেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, হোমেন বৰগোহাঞি, প্ৰফুল্ল ভূঞা, আলিমুননিছা (পিছত পিয়াৰ) আদি সকলোৰে পিছৰ কালছোৱাতো হাতৰ কাপ এৰি নিদিয়াত অসমীয়া সাহিত্য কেনেধৰণে চহকী হৈছে সেই কথা আপুনি জানেই। মুঠতে কটন কলেজৰ স্মৃতিধূসৰ সেই জীৱন-অধ্যায়ে এতিয়াও আমাৰ কৰ্ম-জীৱনত প্ৰেৰণা যোগায়।

আপোনাৰ এই চ'ৰাৰ যোগেদিয়ে সমস্ত ন-পুৰণি কটনিয়ান সমাজলৈ আমি সস্নেহ শুভেচ্ছাৰ শৰাই আগবঢ়ালোঁ।

ডিব্ৰুগড় শ্ৰীচিদানন্দ বৰুৱা
২৩ নৱেম্বৰ, ১৯৬৫

প্ৰিয় শইকীয়া,

আপোনাৰ চিঠিখন পাই খুব ভাল লাগিছে। কাৰণ আপোনাৰ চিঠিয়ে মোক প্ৰায় ধৰক এযুগৰ পিছলৈ উভতি চোৱাৰ সুবিধা দিছে। চাইছোঁ। সঁচাই বহুত বাট আহিলোঁ। এই কালছোৱাৰ ভিতৰতে আমাৰ সাহিত্যৰ উল্লেখযোগ্য পৰিবৰ্তন ঘটিছে। আপুনি বিচাৰিছে ১৯৫৩-৫৪ চনৰ কথা। মনত পৰিছে। সেই কালছোৱা আছিল পৰীক্ষা নিৰীক্ষাৰ সময়। প্ৰচেষ্টা চলিছিল গতানুগতিকতাৰ মোহ এৰি সমাজক কিবা এটা নতুন স্বাদ দিয়াৰ। বিশেষকৈ গল্প আৰু কবিতাৰ ক্ষেত্ৰত। নতুন বিন্যাস, নতুন কৌশল, নতুন বিষয়বস্তুৰ গল্প। মনস্তত্বৰ বিভিন্ন

শাখাৰ বিৱৰ্তন যি ধৰণে হৈছে, সাহিত্যত তাৰ প্ৰভাৱো জানো বিস্তৰভাৱে পৰা নাই ? ফ্ৰয়েড আৰু মনঃসমীক্ষণৰ প্ৰভাৱ সকল লৰেন্স, প্ৰুস্ত, উল্‌ফৰ লেখনীতেই পৰিছে বুলি ক'বনে ? হোমেন বৰগোহাঞিৰ 'চেনাটৰিয়াম' আৰু দ্বিজেন শৰ্মাৰ 'পলাতক'ত আপুনি কিহৰ প্ৰভাৱ পৰা বুলি ক'ব ? কবিতাৰ ক্ষেত্ৰটো সেই একে। জীৱনৰ ক্ষুব্ধ আৰু ব্যথিত চেতনা। জীৱন যেন মৃত্যুৰ নীলস্পৰ্শ, চকু বিষাদ মলিন। কাব্য যেন কাব্য নহয়। ৰসৰ আধাৰ শুকান আৰু শূণ্য। আপুনি চাওক—পাউণ্ড, ইলিয়ট, জইচ সকলোকে যেন একে এনাজৰীৰেই মেৰাই ৰাখিছে। কিন্তু ইয়াৰ পৰৱৰ্তী কালৰ কবিসকলৰ কথাতো আপুনি জানেই। উক্ত সাহিত্যধাৰাৰ বিৰুদ্ধে বিৰাট এক প্ৰতিক্ৰিয়া আৰু বিদ্ৰোহৰ ভঙ্গীৰে তেওঁলোকৰ যাত্ৰা অডেন-স্পেণ্ডাৰ-ডেলুইচ আদিৰ কাব্যত নিহিত থকা নৱজীৱনৰ, বহুবিস্তৃত অভিজ্ঞতা আৰু সকলোতকৈ ওপৰত ৰূপান্তৰৰ অঙ্গীকাৰ জানো আপোনাৰ চকুত নপৰে ? বীৰেশ্বৰ বৰুৱা, প্ৰফুল্ল ভূঞা, দিনেশ গোস্বামী আৰু নীলমণি ফুকনৰ লেখনীতো সেই অঙ্গীকাৰেই আমাৰ চকুত পৰিছিল। বৰুৱাৰ 'অভিজ্ঞান' আৰু ভূঞাৰ 'বিহু' প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা দুটা নতুন কবিতা। 'জাৰোৱালীৰ কবিতা'ৰ লেখক এতিয়াৰ কবি নীলমণি ফুকন। কবি নৱকান্ত বৰুৱাই তেতিয়াই আমাক 'জাপানী কবিতা'ৰে উৎসাহ দিছিল। দিনেশ গোস্বামীৰ কবিতাৰ কথাতো ক'বই নেলাগে। ৩৩শ সংখ্যা 'কটনিয়ান'ত গল্প নিদি এক শ্ৰেণীৰ বস্তু দি ছাত্ৰক আচৰিত কৰা বন্ধু নিৰোদ চৌধুৰীৰ কথাও পাহৰিব নোৱাৰোঁ। (কাৰণ সৰহসংখ্যক ছাত্ৰই ভাবিছিল, মোৰ সম্পাদনাৰ 'কটনিয়ান'ত নিৰোদ চৌধুৰীৰ গল্প প্ৰকাশ হ'ব।) এতিয়া নিজৰেই ভাবি ভাল লাগে এখেতসকল সকলোৱেই বৰ্তমান আমাৰ সাহিত্যৰ মৰ্যাদা আৰু স্বীকৃতিপ্ৰাপ্ত কবি আৰু গল্পলেখক। সেই সময়ত সাহিত্য চৰ্চাত বিশেষভাৱে মনোনিবেশ কৰা মোৰ বন্ধু সদা শইকীয়া, প্ৰফুল্ল শইকীয়া, ভবেশ খাউণ্ড, যোগেন চেতিয়া আৰু অৰুণ শৰ্মাৰ নাম উল্লেখ নকৰিলে এই চিঠি অসম্পূৰ্ণ হৈ ৰ'ব। সঁচা কথা ক'বলৈ গ'লে কম বেছি পৰিমাণে সাহিত্যৰ প্ৰতি সকলো ছাত্ৰই সচেতন আছিল। কিন্তু কি জানে ? আমাৰ মাজত এক ডাঙৰ বস্তুৰ অভাৱ আছিল। ঐক্য আৰু সম্প্ৰীতিৰ। অৱশ্যে পিছৰ ছাত্ৰ বন্ধুসকলৰ কথা মই নেজানোঁ।

আৰুনো কি লেখিম।..মোৰ শুভেচ্ছা ৰ'ল।

প্ৰীতিৰে—

ছিলং

৪ ডিচেম্বৰ, ১৯৬৫ শ্ৰীবসন্ত শইকীয়া

মৰমৰ শইকীয়া,

..আপোনালৈ এই চিঠিখন লেখাৰ লগে লগে মোৰ কটন কলেজীয়া ছাত্ৰ জীৱনৰ দিনবোৰ মনলৈ আহিছে।..৩৩শ সংখ্যা 'কটনিয়ান'ৰ সম্পাদক হিচাবে মোৰ অভিজ্ঞতা স্মৰণীয়। কাৰণ এইটো আছিল ৰাজহুৱা কামত মোৰ প্ৰথম উল্লেখযোগ্য আৰু কষ্টসাধ্য প্ৰচেষ্টা।.. আমাৰ নিৰ্বাচনৰ দিনা এজন অধ্যাপকে মোক সুধিছিল—"তোমাৰ ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰহে আছে—এই পদৰ বাবে কি অভিজ্ঞতা আছে ?" মই কৈছিলোঁ—"এই কামৰ বাবে অভিজ্ঞতা নেলাগে—লাগে aptitude।" যিহেতু সকলো এনেকুৱা কামতেই সদায় এজনেই দায়িত্ব বহন কৰিব লগা হয়, কিছুমান অসুবিধা আহি পৰাতো স্বাভাৱিক।..মোৰ সম্পাদনাত প্ৰথম অসুবিধা হৈছিল সময়মতে প্ৰকাশযোগ্য প্ৰবন্ধাদি হাতত আহি নপৰাত। মই মোৰ 'কটনিয়ান'খন কেনে কৰিম এটা dea ল'বৰ বাবে প্ৰথমে এটা দানী তৈয়াৰ কৰি sequence মিলাই প্ৰবন্ধ বা sketch বোৰৰ proper placement কৰি লৈছিলোঁ। তাৰ পিছত actual printingৰ সময়ত চাইছিলোঁ মোৰ কল্পনা কিমান সাৰ্থক হৈছিল। বহুত ক্ষেত্ৰত এটা frustration আহি পৰিছিল কাৰণ idea আৰু realityৰ মাজত ব্যৱধান হৈছিল। দ্বিতীয়তে প্ৰেছৰ অসুবিধাও মন কৰিবলগীয়া।..তৃতীয়তে ব্যক্তিগত কষ্টৰ কথা ক'লে ইয়াকে ক'ব পাৰি যে মই 'কটনিয়ান' ছপা কৰা দিন কেইটা প্ৰায় সকলো কথা পাহৰি আছিলোঁ। কাৰণ মোৰ প্ৰেছৰ কামত অস্বাভাৱিক ব্যস্ততা। পিছত মই এইটো উপলব্ধি কৰিছিলোঁ যে—'কটনিয়ান'ৰ নিচিনা এখন আলোচনীত সম্পাদকৰ আচল কাম আৰম্ভ হয় প্ৰেছত দিয়াৰ পিছতহে। তাৰ আগতে একোৱেই নাই। 'কটনিয়ান'ৰ স্বাৰ্থ বা সম্পাদনাৰ অৰ্থৰ ভাৱগাম্ভীৰ্য্যতা বজাই ৰাখিবলৈ চেষ্টা কৰোঁতে purely literary বা artistic aim ৰ পৰা বহুত দূৰৈত আহি পৰাটো টান কথা নহয়। মোৰ সময়ত উপদেষ্টাৰ সহায় ল'বলৈকো তেনে কোনো সুবিধা নহৈছিল। Materials গোটাইছিলোঁ লিখালিখি বা ঘূৰাঘূৰি কৰি।..অৱশ্যে গোটেই অসমৰ প্ৰায় ১৮০০ ছাত্ৰ-ছাত্ৰীৰ এখন মুখপত্ৰ প্ৰকাশ কৰি উলিয়াওঁতে প্ৰতি মুহূৰ্ততে সকলোৰে দৃষ্টিভঙ্গীৰ প্ৰতি মই সচেতন আছিলোঁ। সম্পাদক হিচাবেই নহয় সকলো কামতে innovationৰ প্ৰতি মোৰ এটি গোপন দুৰ্বলতা আছিল। সেইবাবেই বোধকৰোঁ প্ৰথমবাৰৰ বাবে মই প্ৰথম সম্পাদকজনাৰ ঠিকনা যোগাৰ কৰি এটা সম্বন্ধ ৰাখিবলৈ চেষ্টা কৰি কৃতকাৰ্য হৈছিলোঁ।..Letter to the Editor, Cartoon, Wit and Humour, List of Ex-Editors, Statistics

of Cottonians এইবোৰ একেবাৰে নতুন বস্তু আছিল। বিশেষ বস্তুৰ ফালৰপৰা চালে নতুন itemবোৰ বাদ দি Sir C. V. Ramanৰ এটি original article, আমাৰ Unionৰ constitution খন আৰু অসমীয়াত বিজ্ঞানৰ প্ৰবন্ধৰ কথা উল্লেখ কৰিব পাৰোঁ।

মোক সম্পাদক পদৰ বাবে অনুপ্ৰেৰিত কৰিছিল কেইটামান ভাৱে—কেনেকৈ মই 'কটনিয়ান'খন পুৰণি আৰু নতুনৰ এটি connecting link হিচাবে ৰাখিব পাৰোঁ, কেনেকৈ 'কটনিয়ান'খনে আমাৰ ভৱিষ্যত সাহিত্য, বিজ্ঞান আৰু কলাসেৱীসকলৰ প্ৰচুৰ সম্ভাৱনাৰ এটি ইঙ্গিত দিব পাৰে ( প্ৰবন্ধ বাচনিত মই দুই এটা এনেকুৱা বস্তু গ্ৰহণ কৰিছিলোঁ যাতে আমাৰ বৰ্তমান ভুলবোৰেই ভৱিষ্যত জীৱনৰ অভিজ্ঞতা হয় ), কেনেকৈ 'কটনিয়ান'খনে এটি সৰ্বভাৰতীয় খাপত স্থান পাব পাৰে। এইখিনিতে এইটো উল্লেখ কৰা ভাল হ'ব যে—'কটনিয়ান'খন প্ৰকাশ হোৱাৰ পিছত For exchange চৰ্ত্তত মই ভাৰতৰ সকলো বিশ্ববিদ্যালয় আৰু ডাঙৰ ডাঙৰ লাইব্ৰেৰীলৈ একোটা কপি Post কৰি পঠিয়াইছিলোঁ।..তদুপৰি মোৰ এটা motto আছিল যে—"Cottonian should reflect the spirit of time"। তেতিয়াৰ ছাত্ৰ-সমাজৰ লেখাৰ প্ৰতি ধাউতিৰ কথা ক'ব খুজিলে এইটোকে ক'ব পাৰোঁ যে—সৰ্বসাধাৰণ গল্প আৰু কবিতাৰ প্ৰতি বেছি আকৃষ্ট আছিল। বোধকৰোঁ আজিও আপুনি সৰ্বসাধাৰণ ছাত্ৰৰ দ্বাৰা কোৱা শুনিব—'এইখন আলোচনী বৰ ভাল, কাৰণ ইয়াত দহোটা মজাৰ গল্প আছে'। মই ভাবোঁ, মোৰ সময়ৰ বেছিভাগ ছাত্ৰই সাহিত্য-জীৱন আৰম্ভ কৰিছিল এটা গল্প বা কবিতাৰে। তেতিয়াৰ দুই এজন কবিতা লেখকে বৰ্তমান অসমীয়া কবিতা জগতত নামো কৰিছে।

আপুনি বিচৰা মতে মই ন-কটনিয়ানৰ আগত বৰ্তমান সাহিত্যৰ এটি ধাৰাৰ বিষয়ে দুশাৰী দাঙি ধৰিলোঁ। যদিও সাহিত্য-চৰ্চাৰ ফালৰ পৰা আমাৰ দিনৰ আৰু এতিয়াৰ কটনিয়ানৰ মাজত বিশেষ প্ৰভেদ নাই বুলি মই ভাবোঁ এটি কথা আমাৰ মাজত আজি স্পষ্ট হৈ পৰিছে যে—কুৰি শতিকাৰ এই ক্ষণত অৰ্থ-নৈতিক, সামাজিক আৰু আন্তৰ্জাতিক সমস্যাবোৰৰ লগত সাহিত্য ওতঃপ্ৰোত ভাবে জড়িত। Realismএ এটি নতুন ঠাই দখল কৰিছে। পৃথিৱীৰ বিভিন্ন ঠাইত আমি দেখিছোঁ—Realism in Art and Literature, আৰু তাৰ ছাপ ভাৰতীয় তথা অসমীয়া সাহিত্যতো বিৰাজমান। আমি এই নতুন ধাৰাক কি দৰে গ্ৰহণ কৰোঁ তাৰ ওপৰতো নিৰ্ভৰ কৰিছে আমি আমাৰ সাহিত্য কিমান varied আৰু চহকী কৰিব পাৰিম।

মোৰ সম্পাদনাই কি আবিষ্কাৰ (লেখক-লেখিকাৰ মাজত) পাঠক-সমাজত দৰ্শাব পাৰিছিল ক'ব নোৱাৰোঁ। এই প্ৰশ্নৰ উত্তৰ হয়তো পাঠক সমাজে বেছি ভালদৰে দিব পাৰিব। মই ভাবোঁ বেটুপাত, ফটোগ্ৰাফ আৰু গল্পৰ সংখ্যাই এখন আলোচনীৰ মূল্য নিৰ্ণয় কৰিব নোৱাৰে। মোৰ Selection পাঠক-সমাজে কেনে দৰে গ্ৰহণ কৰিলে ক'ব নোৱাৰোঁ। কিন্তু মই এইখিনিকেই ক'ব পাৰোঁ যে—মোৰ অসমীয়া সম্পাদকীয়ত মই এজন প্ৰকৃত কটনিয়ানৰ Sentiment প্ৰকাশ কৰিছোঁ। কটন কলেজৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে আৰু প্ৰতিজন কটনিয়ানক মই সন্মান কৰোঁ।..

ন-কটনিয়ানসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ। তেওঁলোকক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিব।..

নাগপুৰ — শ্ৰীশ্যামভদ্ৰ মেধি

১৪ নৱেম্বৰ, ১৯৬৫

মৰমৰ শইকীয়া,

'কটনিয়ান'ৰ ভূতপূৰ্ব সম্পাদক হিচাবে মোৰ পৰা দুটামান কথা বিচৰাত মই আনন্দিত হৈছোঁ।..

কটন কলেজৰ মুখপত্ৰ হিচাবে 'কটনিয়ান'ৰ এটি সুকীয়া মূল্য আছে। চাৰি বছৰ বা দুবছৰৰ শেষত কলেজে দিয়া ডিগ্ৰীটোৰ বাহিৰত 'কটনিয়ান'খনেই হ'ল একমাত্ৰ মাধ্যম যাৰ দ্বাৰা প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মানসিক জগতৰ চিন্তা আৰু কল্পনাৰ স্পন্দন প্ৰতিফলিত কৰিব পৰা হয়। অথচ এই আলোচনীখনেই প্ৰকাশৰ একমাত্ৰ মাধ্যম হোৱা সত্বেও ছাত্ৰ-ছাত্ৰীৰ তথা অধ্যাপকমণ্ডলীৰ কাৰোৰে মৰমৰ বস্তু নোহোৱা যেন লাগে। পূজা আহিলে বেলুন আৰু নতুন কাপোৰ কিনাৰ দৰেই বছৰেকৰ মূৰত কেইটামান গল্প (ৰোমান্তিক ভাৱ-সূতাৰে ভৰপূৰ), কবিতা, প্ৰবন্ধ গোটাই দি ৰংচঙীয়া বেটুপাতেৰে সজাই উলিওৱাৰ কোনো অৰ্থ হ'ব নোৱাৰে। অৱশ্যে প্ৰতিজন সম্পাদকৰ দৰে ময়ো অনুভৱ কৰোঁ যে, ছাত্ৰ-ছাত্ৰীয়ে নেলেখিলে আমি কৰিম কি! সঁচা, আমি একো কৰিব নোৱাৰোঁ। কিন্তু ভৱিষ্যতৰ বাবে এনে এটা পন্থা উলিয়াই ল'ব লাগিব যাৰ দ্বাৰা আমি ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ প্ৰকৃত সুবিধা দিবলৈ সক্ষম হওঁ। বছৰেকৰ মূৰত এবাৰ পতা সুকুমাৰ-কলা প্ৰতিযোগিতাতে নিৰ্ভৰ নকৰি বিভিন্ন বিষয়ৰ সঘনাই পতা 'চেমিনাৰ', আলোচনা-চক্ৰৰ যোগেদি মোৰ বিশ্বাস ভালেখিনি উপকৃত হ'ব পৰা যায়। এই ক্ষেত্ৰত প্ৰতি বিভাগৰ অধ্যাপকে ছাত্ৰ-ছাত্ৰীৰ এনে প্ৰচেষ্টাত যথেষ্ট অৰিহণা

যোগাব পাৰে। আন এটা কথা হ'ল—বিজ্ঞানৰ এই ক্ষিপ্র উন্নতিৰ দিনত মোৰ বিশ্বাস আলোচনীখনত সুকীয়া বিজ্ঞান-চ'ৰা এটিৰ প্ৰয়োজন আছে। সম-সাময়িক বিজ্ঞানৰ অগ্ৰগতি আৰু উৎকৰ্ষৰ পৰিচয় তেনে চ'ৰাত প্ৰকাশৰ যথেষ্ট সুবিধা থকাৰ উপৰিও তেনে বিষয়ৰ চৰ্চাৰো সুবিধা পোৱা যায়। কলেজৰ অধ্যাপকসকলে চেষ্টাকৃতভাবে লেখাৰ পৰা বিৰত নেথাকি যিমান পাৰে বিশেষ বিষয়ৰ ওপৰত সুচিন্তিত প্ৰবন্ধাদিৰ যোগান ধৰিব লাগে ...

এইখিনি মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কথাহে। মোৰ একান্ত বিশ্বাস আছে, কটন কলেজৰ ঐতিহ্যৰ প্ৰকৃত বাহকস্বৰূপে 'কটনিয়ান' এদিন প্ৰতিভাত হৈ উঠিব আৰু কটন কলেজৰ চাৰি দেৱাৰ মাজত সোমোৱা প্ৰত্যেকজনেই এই কথা মনত ৰাখিব, যদি যেন পাহৰি নেযাওঁ 'আমি সকলোবোৰ একেটা নাৱৰে যাত্ৰী'। লক্ষ্য আমাৰ একেটাই।

গুৱাহাটী শ্ৰীনগেন তালুকদাৰ
৭ ডিচেম্বৰ, ১৯৬৫

মৰমৰ শইকীয়া,

..আপোনাৰ চিঠিখন পোৱাত কটন কলেজৰ এৰি অহা মধুৰ দিনবোৰৰ কথা মোৰ বাৰুকৈয়ে মনত পৰিছে। ১৯৬০ চনৰ 'কটনিয়ান'ৰ সম্পাদক হিচাবে মোৰ দুৰ্ভাগ্য যে সম্পাদকৰ নিজ শিতানত সাহিত্যৰ কোনো বিশিষ্ট ধাৰাৰ আলোচনা কৰাৰ পৰিবৰ্তে এই শিতান পূৰ্ণ কৰিব লগীয়া হৈছিলোঁ এক কট-নিয়ান বন্ধুৰ মৃত্যুসংবাদেৰে, আৰু তাৰ পৰা উদ্ভূত নতুন এক অবাঞ্ছিত সমস্যাৰ আলোচনাৰ মাজেৰে। ভাবিছিলোঁ বন্ধুৰ এই অকাল মৃত্যুৱে প্ৰমাণ কৰি দিব সততাৰ এতিয়াও মৃত্যু হোৱা নাই; হয়তো এইজনা বন্ধুৰ জীৱন-আহুতিয়ে আনি দিলে আমাৰ ৰাজ্য-ভাষা। কিন্তু প্ৰশ্ন উঠে—আমাৰ তথাকথিত ন্যায়ৰ ধৰ্মশালাত এইজন নিৰীহ বন্ধুৰ, ৰঞ্জিত বৰপূজা-ৰীৰ মৃত্যুৰ কাৰণ কিয় ৰহস্যময় হৈ থাকিল। নক'লেও হ'ব, চাৰি জুলাইৰ পিছত উদ্ভৱ হোৱা অসমৰ অশান্ত পৰিস্থিতিৰ হেতু কলিকতীয়া বেপাৰীসকলে সাময়িক-ভাবে কাগজ আদিৰ যোগান বন্ধ কৰি দিছিল। তাৰেই অজুহাতত স্থানীয় পেপাৰ-মাৰ্চেণ্টসকলে বজাৰত কাগজৰ এক কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি মূল্য বৃদ্ধি কৰি দিছিল। ফলত পৰিসীমিত পুঁজিৰে 'কটনিয়ান' প্ৰকাশ কৰা অসম্ভৱ হৈ উঠিছিল। এই কথা উল্লেখ নকৰিলে হয়তো ভুল কৰা হ'ব যে শ্ৰদ্ধেয় মহেন্দ্ৰ বৰা আৰু ধীৰেন্দ্ৰনাথ বেজবৰুৱাৰ সক্ৰিয় সহায়ৰ পৰা এই সম্পাদক বঞ্চিত হোৱা হ'লে 'কটনিয়ান'ক পোহৰৰ পথলৈ অনাটো তেনেই অসম্ভৱ হৈ পৰিল-হেঁতেন। সেইকাৰণেই মই ভাবোঁ, শকত পুঁজি এটাৰ অভাৱ হ'লে সৰ্বাঙ্গসুন্দৰ 'কটনিয়ান' এখন ছাত্ৰৰ হাতত তুলি দিয়া সম্ভৱপৰ নহয়। ব্যক্তিগত অভিজ্ঞ-তাৰপৰা আৰু এটা কথা ক'ব খুজিছোঁ যে যদি কোনো সম্পাদকে নিজৰ সময় খৰছ কৰি বন্ধতো আলোচনীৰ কাম কৰিব খোজে, আৰু তাৰ কাৰণে যিখিনি স্বাধীনতা আৰু সহায়ৰ দৰকাৰ হয়, সেইখিনি কৰ্তৃপক্ষৰ পক্ষে সম্ভৱপৰ হ'লে দিয়াতো বা দিবলৈ চেষ্টা কৰাটো উচিত বুলিয়েই ভাবোঁ।

এই কথাত কোনোৱে দ্বিমত নহ'ব বুলিয়েই মোৰ বিশ্বাস যে কলেজ আলোচনী প্ৰধানতঃ ছাত্ৰৰ লেখ-নীৰে পৰিপুষ্ট হোৱা উচিত। অৱশ্যে কোনো স্বনাম-ধন্য লেখকৰ বহুমূলীয়া লেখনীৰে দুই এটা শিতান সম্পদশালী কৰাত যুক্তি নিশ্চয় আছে। তাৰ পৰা ছাত্ৰসকলো উপকৃত হোৱাৰ সম্ভাৱনা থাকে—অধিক পৰিমাণে। কিয়নো, সাহিত্যৰ গতিশীলতা বজাই ৰাখিবলৈ চেষ্টা কৰাটোৱে যথেষ্ট নহয়, তাৰ মানদণ্ড উন্নত কৰিবলৈ চেষ্টা কৰাটোও প্ৰত্যেক সম্পাদকৰে কৰ্তব্য বুলি মই বিবেচনা কৰোঁ।..

আজিলৈ আহিলোঁ। মৰমেৰে—

সাগৰ বিশ্ববিদ্যালয় শ্ৰীগঙ্গাপদ চৌধুৰী
১৭ নৱেম্বৰ, ১৯৬৫

প্ৰিয় শইকীয়া,

'কটনিয়ান'ৰ সম্পাদনাৰ দায়িত্বৰ মাজত বুৰ গৈ থাকিও তাৰ মাজেদি সময় উলিয়াই আমালৈ মনত পেলোৱাত আনন্দিত হৈছোঁ। আমি কটন কলেজত পঢ়ি থকা দিনতে দ্বিতীয় ছাত্ৰাবাসত যি লোমহৰ্ষক ঘটনা ঘটিছিল তাক হয়তো সময়েও কোনোদিনে মচ খুৱাই নিব নোৱাৰিব। ১৯৬১ চনৰ কটন কলেজ হীৰক জয়ন্তী উৎসৱৰ আনন্দৰ ভাগ ল'বলৈ আমাৰ মন উদ্-গ্ৰীৱ হৈ উঠোঁতে ১৯৬০ চনৰ ৪ জুলাইৰ দিনা এক উচ্চ পুলিচ বিষয়াই ন্যায় আৰু সত্যক বলি দি গ'ল আমাৰ ছাত্ৰাবাসৰ চোহদত; ভাষা-আন্দোলনৰ প্ৰথম শ্বহীদ ৰঞ্জিত বৰপূজাৰীক দিন দুপৰতে হেৰুৱাব লগা ঘটনাই অকল ছাত্ৰ-সমাজকেই নহয়, সমগ্ৰ অসম-বাসীকে শোকাকুল কৰি তুলিছিল। তাৰ পিছত আৰম্ভ হৈছিল নৃশংস হত্যাকাণ্ডৰ বাবে জগৰীয়া ব্যক্তিজনৰ মুকলি বিচাৰৰ বাবে ছাত্ৰ-ধৰ্মঘট। অৱশ্যে সেই ধৰ্মঘট আমাৰ ছাত্ৰ-সমাজৰ অধ্যয়ন বিমুখীতাৰ

চিন নাছিল ; আছিল মাথোন ন্যায়ৰ বাবে বিদ্ৰোহী মনৰ প্ৰতিক্ৰিয়াহে।" যি হওক ১৯৬২ চনত আমি কলেজৰ পৰা ওলাই অহাৰ আগে আগে নিৰ্ধাৰিত সময়তকৈ প্ৰায় ডেৰ বছৰমান পলমকৈ অনুষ্ঠিত হ'লেও বেছ জাকৃজমকতাৰে কটন কলেজ হীৰক জয়ন্তী পতা হৈছিল, আৰু তেনে এটা ন-পুৰণি কটনিয়ানৰ মিলনোৎসৱত আমি সক্ৰিয় কৰ্মী হিচাবে অংশ গ্ৰহণ কৰিবলৈ পাই গৌৰৱবোধ কৰিছিলোঁ।

আপুনি 'কটনিয়ান'খন সম্পাদনা কৰিবলৈ লোৱাত কিমানখিনি কষ্ট ভোগ কৰিছে মই অৱশ্যে ক'ব নোৱাৰোঁ ; আমাৰ বেলিকা পিছে ভালকৈ এশিকনি পাই থৈছোঁ। মই ১৯৬১ চনত 'কটনিয়ান'ৰ সম্পাদক আছিলোঁ। লেখকসকলৰ ঘৰে ঘৰে গৈ গল্প, প্ৰবন্ধ, কবিতা আদি অনা, সেইবিলাক চোৱা-মেলা কৰা, প্ৰেছলৈ পঠোৱা, প্ৰুফ চোৱা ইত্যাদি কত যে লেঠা। ইপিনে আকৌ পৰীক্ষাতো আছেই! অৱশ্যে আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিবৰ দিনা আটাইখিনি কষ্ট নাইকিয়া হৈ যোৱা যেন লাগে।

কটন কলেজৰ ভৱিষ্যত মঙ্গলময় হওক। সমূহ কটনিয়ানলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

বৰপেটা শ্ৰীৰণজিৎ কাকতি
২২ নৱেম্বৰ, ১৯৬৫

মৰমৰ প্ৰদীপ,

''তিনি বছৰৰ আগতে, ১৯৬২ চনৰ 'কটনিয়ান'খন সম্পাদনা কৰা সময়ত, তাত 'চিঠি: সম্পাদকৰ পৰা সম্পাদকলৈ' বুলি এটি নতুন স্তম্ভ দিছিলোঁ। সেই শিতানটি অসমীয়াতে খুলিবলৈ প্ৰবল হেঁপাহ থকা সত্বেও অৱশেষত গৈ ইংৰাজীতে খুলিব লগীয়া হ'ল। তাৰ প্ৰধান কাৰণ হ'ল 'কটন কলেজ মেগাজিন'ৰ প্ৰথম সম্পাদক আৰ্, চি, গফিনৰ প্ৰতি থকা আমাৰ অশেষ শ্ৰদ্ধা। মোৰ চিঠিখনৰ উত্তৰ অতি কম সময়ৰ ভিতৰতে দি, আৰু অনুৰোধ মতে, তাতোকৈ কম সময়ৰ ভিতৰতে তেখেতৰ প্ৰবন্ধটি দি পঠিওৱাত, তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাবৰ হেতুকেই সেই শিতানটি ইংৰাজীতে প্ৰকাশ কৰিলোঁ। এইবাৰ সেই একেটি শিতানকে অসমীয়াত খুলিবা শুনি ভাল পাইছোঁ।''

তোমালৈ এই চিঠিৰ যোগেদি দুটিমান সমস্যাৰ কথাকে আগবঢ়াব খুজিছোঁ।..প্ৰচলিত নিয়মানুসাৰে ছাত্ৰ-সভাৰ অন্যান্য সম্পাদকসকলৰ দৰে আলোচনীৰ সম্পাদকো নিৰ্বাচিত হয় ; কিন্তু আলোচনীৰ সম্পাদকৰ ক্ষেত্ৰত এই নিয়ম সিমান সফল নহয় যেন লাগে। ইয়াৰ কাৰণ দুটা। প্ৰথমতে, নিৰ্বাচন বুলিলে তথাকথিত ৰাজনীতিৰ কথা আহি পৰে। দ্বিতীয়তে নিৰ্বাচনৰ ব্যয়বহুলতা আৰু তথাকথিত ৰাজনীতিৰ মাজত সোমাব লগীয়া হয় বুলিয়েই বহুতো যোগ্য ছাত্ৰই আগবাঢ়ি অহা দেখা নেযায়। যিহেতু কলেজ আলোচনীৰ সৌষ্ঠৱ আৰু সৌন্দৰ্য বহু পৰিমাণে সম্পাদকৰ ওপৰত নিৰ্ভৰ কৰে, সেইবাবে, নিৰ্বাচনৰ পিছত নৱ-নিৰ্বাচিত ছাত্ৰ-সভাই আগৰজন সম্পাদকৰ লগত আলোচনা কৰি আলোচনীৰ সম্পাদক পদৰ বাবে যোগ্য ব্যক্তিক মনোনীত কৰিলে বহুতো সুফল আশা কৰিব পাৰি।...অন্য এটা প্ৰধান সমস্যা হৈছে অশ্লীল সাহিত্য। কলেজ আলোচনীত কোনো উপায়েৰে যাতে অশ্লীল সাহিত্যই ঠাই নেপায়, তাৰবাবে সম্পাদকে চকু ৰখা উচিত। কাৰণ, অপৰিপক্ক মগজুৰে অশ্লীল সাহিত্য সৃষ্টি কৰিবলৈ গ'লে সামাজিক লাগ-বান্ধ নোহোৱা এদল উদণ্ড ডেকা-গাভৰুৰ বাহিৰে যে একো সৃষ্টি কৰিব নোৱাৰি, তাক সহজে অনুমান কৰিব পাৰি।''

ডিব্ৰুগড় তোমাৰ
২ ডিচেম্বৰ, ১৯৬৫ শ্ৰীশ্যামাপ্ৰসাদ শৰ্মা

মৰমৰ প্ৰদীপ শইকীয়া,

"মই কটনিয়ানৰ সম্পাদক হৈ থকা বৰ বেছি দিনৰ কথা নহয়।" মোৰ সম্পাদকীয়, এজন বিশিষ্ট লোকৰ আমেৰিকাৰ ছাত্ৰ-জীৱনৰ পৰিচয়, অতীত কটন কলেজৰ গৌৰৱময় ছাত্ৰৰ ঐতিহ্য আনি ৩৯শ সংখ্যা 'কটনিয়ান'ত মই বৰ্তমানৰ ওপৰতে আলোকপাত কৰিবলৈ বিচাৰিছিলোঁ।

আমাৰ সময়ৰ সংস্কৃতি বিভাগৰ সাহিত্য আলোচনা-চক্ৰ, কটন কলেজ ড্ৰামাটিক চচাইটি আদিৰ শোকাবহ সমাধিৰ কথা অলপ ঘূৰি গ'লেই আপুনি জানিব পাৰিব। অসম আৰু বাহিৰৰ পাঁচজন সাহিত্যিকে অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীক মুঠ পাঁচজনক শ্ৰোতা লৈ কিদৰে সাহিত্যৰ ওপৰত বক্তৃতা দিবলৈ সাহস কৰিব? 'সময় আৰু সাহিত্য' আছিল আলোচনাৰ বিষয়। এনে এটা গভীৰ বিষয়ৰ ওপৰত হ'ব লগা খ্যাতনামা পাঁচজন সাহিত্যিকৰ আলোচনা-চক্ৰত কেৱল পাঁচজন শ্ৰোতা—সেই সময়ৰ সাহিত্যানুৰাগৰ বিষয়ে আপোনাক বোধহয় আৰু খবৰ নিদিলেও হ'ব। যুনিয়নৰ নিৰ্দেশ আৰু তৎকালীন অধ্যক্ষ হেৰম্বকান্ত বৰপূজাৰীৰ প্ৰেৰণাত ন-কটনিয়ান সাহিত্যিকসকলৰ অনুশীলনৰ ক্ষেত্ৰ হিচাবে 'যুনিয়ন নিউজ' নামৰ এখন সৰু আলোচনী প্ৰকাশ কৰিছিলোঁ, তাৰো সমাধি ঘটিল একে উদাসীনতাৰ মাজত।

'কটনিয়ান' সম্পাদনাত চিৰাচৰিত বাধা বিঘিনিৰ আপুনি চাগৈ এতিয়াও সোৱাদ নোপোৱাকৈ থকা নাই। অৱশ্যে এইবোৰ একো নতুন কথা নহয়। তদুপৰি আৰ্থিক সীমাবদ্ধতা আছেই।" শুভেচ্ছাৰে—

ডিব্ৰুগড় শ্ৰীজ্যোতিপ্ৰসাদ শইকীয়া
২০ নৱেম্বৰ, ১৯৬৫

সম্পাদকৰ
কথাৰে

# ।। সদৌ অসম আন্তঃকলেজ সংগীত সন্মিলন ।।

আজি তিনি বছৰে আন্তঃকলেজ সঙ্গীত সন্মিলনখনৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছে। ১৯৫৪ চনত এই সন্মিলন প্ৰতিষ্ঠিত হৈছিল আৰু ইয়াৰ যোগেদি পৰীক্ষামূলক ভিত্তিত পূৰ্ণপৰ্যায়ৰ সঙ্গীত-জগতলৈ ছাত্ৰ-সমাজৰ পদক্ষেপণৰ এই প্ৰচেষ্টা উচ্চপ্ৰশংসিত আছিল। ইয়াৰ অধিবেশনসমূহত আয়োজিত সঙ্গীত-প্ৰতি-যোগিতা, আলোচনাচক্ৰ, সাংস্কৃতিক প্ৰদৰ্শনী আদিয়ে যি সম্প্ৰীতি আৰু একতাৰে অসমৰ কলাপ্ৰেমী ছাত্ৰছাত্ৰীক সংস্কৃতিৰ পথেদি আগুৱাই নিছিল সেয়া যেন অন্যকোনো উপায়েৰে সম্ভৱ নহয়। (কাৰণ কলাৰ তীব্ৰ আকৰ্ষণ আছে, বিশেষকৈ সঙ্গীতৰ আকৰ্ষণ তীব্ৰ। সাধাৰণ ক্ৰীড়া বা বিভাগীয় ক্ৰীড়া আদিয়ে অধ্যয়নশীল ছাত্ৰছাত্ৰীক ঠিকেত্ৰত ৷বিশেষ আকৰ্ষণ কৰিবলৈ কঠিন হৈ পৰে সেইক্ষেত্ৰত সঙ্গীতৰ সকল আকৰ্ষণ নুই কৰিব নোৱাৰি। তদুপৰি সঙ্গীত-প্ৰতিযোগিতা, আলোচনাচক্ৰ, সাংস্কৃতিক প্ৰদৰ্শনী—এইবোৰৰ আছে একোটি শিক্ষামূলক দিশ।১ প্ৰতিযোগিতাবোৰে গোটেই অসমৰ ছাত্ৰছাত্ৰীৰ মাজত নিয়মানুবৰ্তিতা, সময়নিষ্ঠাৰ ভাব অটুট ৰখাৰ লগতে সক-লোকে সহজে মিলিবলৈ যথেষ্ট সুবিধা দিয়ে; ইয়াৰ দ্বাৰা কলেজসমূহৰ সাংস্কৃতিক ঐক্য প্ৰতিষ্ঠাপিত হয়—ইয়েই হৈছে আন্তঃকলেজ সঙ্গীত সন্মিলনৰ মুখ্য উদ্দেশ্য। প্ৰতিযোগিতাসমূহৰ আৰু দুটি অন্তঃফল আছে। প্ৰথম, ছাত্ৰছাত্ৰীয়ে পৰীক্ষামূলকভাবে যি গীত, নৃত্য, একাংকিকা, নৃত্য-নাট্য আদি প্ৰদৰ্শন কৰিব এইবোৰ আমাৰ সৃষ্টিমূলক প্ৰগতিত এক চিৰন্তন গতি দিব, আৰু অসমীয়া সঙ্গীতলৈ এইদৰেই এক বিশেষ বৰঙনি আহিব। দ্বিতীয়, যি ছাত্ৰছাত্ৰীয়ে এই প্ৰতিযোগিতাবোৰত প্ৰভূত সন্মান অৰ্জন কৰে, তেওঁলোকে অবিৰত চৰ্চাৰ দ্বাৰা এক উজ্জ্বল, শিল্পময় ভবিষ্যত গঢ়ি তুলিব পাৰে। আলোচনাচক্ৰৰ দৰে সাংস্কৃতিক প্ৰদৰ্শনীবোৰৰ শিক্ষামূলক দিশো সহজে অনুমেয়; কাৰণ এই প্ৰদৰ্শনীবোৰে বিভিন্ন অঞ্চলৰ সাংস্কৃতিক ক্ৰমবিকাশৰ বিষয়ে জানিবলৈ দিয়াৰ উপৰিও ছাত্ৰছাত্ৰীৰ আৰ্ট প্ৰদৰ্শনৰ সুবিধা দিয়ে। এজনা প্ৰখ্যাত শিল্পীৰ ভাষাৰে "ডেকা-শকতিৰ সৌন্দৰ্যবোধৰ প্ৰকাশবোৰ নিস্বাৰ্থ, নিৰ্ভীক, refreshing আৰু ধুনীয়া হয়, ক'ৰবাত ভুল থাকিলেও", আৰু ইয়েই দেখুৱাই দিয়ে শিল্পীসকলৰ এই অনুষ্ঠানৰ প্ৰতি আপোন ভাৱ। যিসকল নবীন শিল্পীয়ে বৰ্তমান আকাশবাণী আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে অসমীয়া সঙ্গীত-জগ-তলৈ অপৰ্যাপ্ত বৰঙনি যোগাইছে তেওঁলোকৰ বেছিভাগক আন্তঃকলেজে সৃষ্টি কৰা। কিন্তু এতিয়াও ছাত্ৰসমাজত, অন্যান্য কলেজত, এনে ছাত্ৰছাত্ৰী আছে যিসকলে সদৌ-অসম-ক্ষেত্ৰত তেওঁলোকৰ শিল্প-প্ৰতিভা প্ৰকাশ কৰিবলৈ সুযোগ পোৱা নাই। কলেজসমূহৰ সঙ্গীত-সন্ধিয়াত ছাত্ৰছাত্ৰীসকলে বৰ্তমান যি সুবিধা পাইছে সেয়া নিজৰ কলেজতে সীমাবদ্ধ থাকে—ই তেওঁলোকৰ আত্মপ্ৰকাশৰ বাবে যথেষ্ট নহয়। কোনে জানে হয়তো এওঁলোকৰ মাজতেই আমাৰ ভবিষ্যতৰ শ্ৰেষ্ঠ শিল্পীজনৰ শক্তি আৰু সাধনা নিহিত আছে!

১৯৬২ চনৰ নৱম অধিবেশনৰ পিছৰ পৰা অসমত কিয় আন্তঃকলেজ সঙ্গীত সন্মিলন অনুষ্ঠিত হোৱা নাই তাৰ হেতু আমি নিবিচাৰোঁ। কিন্তু দশম অধিবেশনখন পাতিবলৈ যে কেইবাজনো উদ্যোগী আৰু শিল্পীমনৰ ছাত্ৰই প্ৰচেষ্টা এৰি দিয়া নাই সি আমাৰ দৃষ্টিগোচৰ হৈছে। ১৯৬৪ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত এই অধি-বেশনখন ডিব্ৰুগড়ত অনুষ্ঠিত হোৱাৰ কথা আছিল আৰু তাৰবাবে আন্তঃকলেজৰ 'নিয়মাৱলী'ও ৰচনা কৰা হৈছিল; কিন্তু সি আৰু হৈ নুঠিল।

সদৌ অসম আন্তঃকলেজ সঙ্গীত সন্মিলনৰ প্ৰতিষ্ঠাতা-সম্পাদক আছিল নিত্যানন্দ ভূঞা। ১৯৫৪ চনত অনেক কষ্ট, পৰিশ্ৰমৰ অন্তত তেওঁ আন্তঃকলেজখন প্ৰথমবাৰৰ বাবে গুৱাহাটীতে পাতিবলৈ সক্ষম হৈছিল। সুদক্ষ গায়ক বা নৃত্যবিদৰ শ্ৰেণীত নপৰিলেও, ৰূপকোঁৱৰৰ পিছতে, নিত্য ভূঞাই খুব কম বয়সতে সৃষ্টিমূলক কৃতি আৰু সংস্কৃত পৰিচালনাত যি অনন্যসাধাৰণ পাৰদৰ্শিতা দেখুৱাইছিল, সেয়াই আন্তঃকলেজৰ দৰে এটি উৎ-কৃষ্ট সাংস্কৃতিক অনুষ্ঠান গঢ়ি তোলাত যথেষ্ট আছিল। কটন কলেজ তথা আন্তঃকলেজৰ ইতিহাসে কয়—এই ছাত্ৰনেতাজনৰ জনপ্ৰিয় নেতৃত্বৰ কথা। ১৯৫৩ চনত কটনৰ সাধাৰণ অভাৱ-অভিযোগৰ প্ৰতি ছিলঙৰ 'জাতীয় চৰকাৰ'ক কৰ্ণপাত কৰাত তেওঁৰ সজাতি দলৰ নেতৃত্ব প্ৰশংসনীয়। সেই চনতে কটনৰ সঙ্গীত শাখাৰ সম্পাদক হৈ থাকোঁতে সাংস্কৃতিক কাৰ্যাৱলীত তেওঁৰ শিল্পসংহতিৰ অপূৰ্ব ক্ষমতা প্ৰতীয়মান হয়। অসমৰ বিভিন্ন ঠাইৰ সুপ্ত কলাভাগক একত্ৰ কৰিবলৈ তেওঁ আয়োজন কৰা সঙ্গীত-সন্ধিয়ালৈ ভৈয়ামৰ ভিন্ ভিন্ ঠাইৰ স্থানীয় শিল্পী-বৃন্দক আহ্বান কৰাৰ উপৰিও পাহাৰৰ শিল্পী ভাই-ভনীহঁতক আদৰি আনিছিল; গতিকে তেওঁৰ সঙ্গীত-সন্ধিয়াত

আমাৰ কলা-কৃষ্টিৰ এক অভিনৱ, বৈচিত্ৰ্যময় সমাবেশ পৰিলক্ষিত হৈছিল, আৰু শিৱসাগৰৰ বিহুবলীয়া বিশেষ দলটোৱে অসমৰ এক প্ৰধান কৃষ্টিক নিখুঁতভাৱে প্ৰদৰ্শন কৰাৰ যশস্যাত সম্পাদকৰ পৰা প্ৰচুৰ শ্ৰদ্ধা পাইছিল। কিন্তু নিত্য ভূঞাৰ মহৎ কৃতিত্ব হ'ল আন্তঃকলেজ সঙ্গীত সন্মিলনৰ প্ৰতিষ্ঠাত। আন্তঃকলেজৰ বাবে তেওঁৰ ত্যাগ আৰু কৰ্মকুশলতা সমানে বিস্ময়। এই ছাত্ৰনেতাজনে প্ৰায় নিঃসহায়ভাৱে এক সামূহিক স্বাৰ্থৰ খাতিৰত মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, ৰাজহমন্ত্ৰী আদি সকলক বহুবাৰ লগ ধৰি, নগৰে-চহৰে অৰ্থ সংগ্ৰহ কৰি, অসমৰ শিল্পী আৰু উদ্যোগী ছাত্ৰসকলক একত্ৰিত কৰি অসমৰ ছাত্ৰসমাজলৈ, বিশেষকৈ অসমৰ সঙ্গীত-জগতলৈ যি অপূৰ্ব অনুষ্ঠান এটি প্ৰদান কৰিলে,--ভাবি দুখ লাগে--সি মাথোন নটা বছৰ জীয়াই থাকিল। নিত্য ভূঞাই আন্তঃকলেজখনৰ এক বিৰাট ভবিষ্যত আশা কৰিছিল। কিন্তু আমি ছাত্ৰসমাজে তেওঁৰ কল্পনাক জানো বাস্তৱৰ ৰূপ দিবলৈ চেষ্টা কৰিলোঁ ? ১৯৬১ চনত ২৯ বছৰীয়া চফল ডেকা নিত্য ভূঞা আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই গ'ল। ১৯৬২ চনৰ অধিবেশনত তেওঁৰ স্মৃতি ৰক্ষাৰ্থে এটা ট্ৰফী দিলেও সি আন্তঃকলেজ সঙ্গীত সন্মিলনৰ প্ৰতিষ্ঠাতা-সম্পাদক নিত্য ভূঞাক জীয়াই ৰাখিব নোৱাৰিলে। কাৰণ এতিয়ালৈকে দশম অধিবেশনখন অনুষ্ঠিত হোৱা নাই।

(বিদেশী চৰকাৰৰ দিনৰ বিভিন্ন জাতীয় আন্দোলনসমূহত কটনিয়ানসকলৰ বীৰত্বপূৰ্ণ অংশগ্ৰহণ উল্লেখ কৰি হেম বৰুৱাই কৈছে : "Cotton College has built up a tradition which *age can not wither* nor time deface"। তদুপৰি—আমিও স্বীকাৰ কৰোঁ,—১৯৬০ চনৰ ভাষা-আন্দোলন (য'ত ৰঞ্জিত বৰপূজাৰী ভাষাজননীৰ প্ৰথম শ্বহীদ হৈছিল), ১৯৬২ চনৰ চীনা আক্ৰমণ আৰু ১৯৬৫ চনৰ ভাৰত-পাকিস্তান সংঘৰ্ষৰ সময়ত কটনিয়ানসকলে স্বদেশৰ বাবে, নিজৰ ভাষাৰ বাবে কৰা কাৰ্যাৱলীবোৰে কটন কলেজৰ পূৰ্বৰ ঐতিহ্য অটুট ৰাখিব পাৰিছে।) তাতোকৈ সুখৰ বিষয় হৈছে এজন কটনিয়ানে আন্তঃকলেজ সঙ্গীত সন্মিলন প্ৰতিষ্ঠা কৰি অসমৰ ছাত্ৰসমাজৰ সাংস্কৃতিক জগতলৈ এক নতুন প্ৰতিজ্ঞা আনিলে আৰু প্ৰতিখন অধিবেশনত শ্ৰেষ্ঠ শিল্পীদলৰূপে পৰিগণিত হৈ কটন কলেজে এক বিশেষ ঐতিহ্য লাভ কৰিলে। কিন্তু বৰ্তমান কটনিয়ানসকলে পূৰ্বগামীজনে প্ৰদান কৰি যোৱা সেই গৌৰৱ জানো অক্ষুণ্ণ ৰাখিব পাৰিছে ? অন্যান্য কলেজৰ শিল্পী ছাত্ৰছাত্ৰীসকলৰ দৰে তেওঁলোকেও জানো এই অনুষ্ঠানৰ অবাঞ্ছিত সামৰণিত আত্মপ্ৰকাশৰ পৰা বঞ্চিত হোৱা নাই ? (সকলোৱে বিশ্বাস কৰে : কটনিয়ানসকলে ঐতিহ্য আৰু গৌৰৱ বিধ্বস্ত হ'বলৈ কেতিয়াও নিদিয়ে ; আৰু সকলোৰে সৰল আন্তৰিকতা আছে এই কথাত : আজি কটন কলেজে যি কৰিব, কাইলৈ গোটেই অসমে তাকেই কৰিব।) গতিকে নিত্য ভূঞাই কটনিয়ানসকললৈ সাংস্কৃতিক দিগন্তৰ যি পথ দেখুৱাই থৈ গ'ল সেই পথেদি তেওঁলোকে অসমৰ সমূহ ছাত্ৰছাত্ৰীৰ স'তে অগ্ৰসৰ হোৱাটো আমি বাঞ্ছনীয় হ'ব বুলি ভাবোঁ। সেই পথত বহুত শিক্ষা আছে, বহুত সুনাম আছে, বহুত আনন্দ আছে। কটনিয়ানসকলে আন্তঃকলেজ পুনৰ আহ্বান কৰিলে অসমৰ অন্যান্য ছাত্ৰছাত্ৰী আৰু শিল্পীসকলেও সহযোগিতা দৰ্শাব ই ধ্ৰুপ। অৱশ্যে এই অনুষ্ঠান সবল, সুস্থ কৰি তুলিবলৈ অসমৰ সমূহ ছাত্ৰছাত্ৰীৰ শ্ৰদ্ধাপূৰ্ণ সহযোগিতা, শিল্পীদলসমূহৰ অধ্যক্ষ বা অধ্যাপকসকলৰ উন্নত তত্ত্বাৱধান, চৰকাৰৰ পূৰ্ণ সহযোগিতা আৰু আন্তৰিকতাপূৰ্ণ দৃষ্টিভঙ্গী, পৃষ্ঠপোষকসকলৰ নিস্বাৰ্থ সহযোগিতাৰ প্ৰতি বিশেষকৈ লক্ষ্য ৰাখিব লাগিব। প্ৰধানতঃ শিল্পী ছাত্ৰছাত্ৰীসকলে ইয়াক তেওঁলোকৰ আত্মপ্ৰকাশৰ একমাত্ৰ উপায় হিচাবে গ্ৰহণ কৰি বিশেষ মূল্যবোধ আৰোপ কৰিব লাগিব। অসমত ষ্টুডিঅ'ৰ নিৰ্মাণৰ কাম শেষ হৈ উঠিলে অসমৰ শিল্প-জগতলৈ এক বিৰাট পৰিবৰ্তন আহিব আৰু এইক্ষেত্ৰত আন্তঃ কলেজে এক ভূমিকা গ্ৰহণ কৰিব পাৰে। আন্তঃকলেজৰ বিশেষ কৃতিত্ব আৰু নতুনত্বখিনি চিত্ৰজগতলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে, আৰু বৰ্তমান আমাৰ চিত্ৰ-জগতৰ প্ৰধান সমস্যা—অসমীয়া মহিলা শিল্পীৰ অভাৱ—ইয়াকো হয়তো আন্তঃকলেজে সমাধান কৰিব পাৰিব।

ডঃ ভূপেন হাজৰিকাই কৈছিল : "আন্তঃকলেজ সঙ্গীত সন্মিলন মৰিব নোৱাৰে"। কিন্তু বাস্তৱ দৃষ্টিৰে চালে দেখা যায় আন্তঃকলেজ সঙ্গীত সন্মিলনৰ অপ্ৰত্যাশিত পতন ঘটিছে। তথাপিও আমাৰ বিশ্বাস আছে—ছাত্ৰসমাজে নিত্য ভূঞাৰ প্ৰাণৰ 'আন্তঃকলেজ'খন অনতিপলমে পুনৰ প্ৰাণপ্ৰতিষ্ঠা কৰি এই গ্লানি দূৰীভূত কৰিবলৈ চেষ্টা কৰিব।

অঙ্গসজ্জা : অধ্যাপক শ্ৰীনগেন গোস্বামী

বেটুপাত : শ্ৰীগৌৰী বৰ্মণ

ENGLISH SECTION

# *The* COTTONIAN

41ST ISSUE ● ANNUAL PUBLICATION ● 1964-65

Editor : PRADIP SAIKIA

# This Issue presents . . .


1 **Tai-Ahom Monarchy**
Prof. Arun Barua
4 **The Khamptis— their musical instruments**
Chou Mahala Manpoong
7 **India's Foreign Policy of Non-alignment— a critical analysis**
Prof. Ashraf Ali
10 **And Memory Remains**
*Lilavanti Kanuga*
13 **The Quarrel between Devayani and Sarmistha**
Dr. Dimbeswar Sarma
18 **Jane Austen- as a literary artist**
Yamini Phukan
20 **Modern Olympics—revived**
Prof. Debi Charan Mahanta
23 **Modern English Poetry : a survey**
*Miss* Krishna Bhattacharyya
26 **Bertrand Russell : His Personality**
Bandana Deka
29 **Creative art : an introspection**
Utpal Bezbaruah
31 **T. S. Eliot : An Appraisal**
Hem Barua
37 **Milton's Satan— a reflection of the author**
Paul B. Stadtherr
38 **Jose Rizal— the Gandhi of the Philippines**
Dr. Kamala Roy
42 **Works of Beena Barua & Rashna Barua : the two pseudonyms of Dr. B. K. Barua**
Jayanti Chutia

35 **The Same Problem**
Anuradha Bhattacharyya

34 **One World**
Dr. Parukutty Baruah
41 **The Waves Never End: two sketches**
*Bibek* Talukdar

In Memoriam
30 **T. S. Eliot**
33 **Sir Winston Churchill**
45 **Edith Sitwell**

46 **We look back to the Chinese Aggression**
50 **From Editor's Pen**

'IN THE WORLD OF SCIENCE'
2 **Elements of Gravitation from *Newton to Dr. Narlikar***
Dr. Jyotidhar Rajkhowa
6 **Origin and Evolution of Life**
Soneswar Sarma
8 **Mutation of Genes and Evolution**
Dr. Kalinath Sharma
11 **Radioisotopes and their Uses**
Kamalesh Choudhury
14 **Reverie of Chemistry for Futurity**
Prof. Atul Saimah
18 **An outline of the prospects of an Artificial Satellite**
Mrinal Deka
10 **Prof. J. B. S. Haldane : in memoriam**
17 **1965 Nobel Prize winners in Physics, Chemistry and Medicine**
21 **Some Science Pickles**
Prof. Kamalendu Deb Krori
23 **'In the World of Science'**
Pradip Saikia

THIS IS COTTON COLLEGE
1 **Cotton College from a sapling to a tree**
Prof. Bhupesh Chandra Dutt
3 **Study of Science in Cotton College**
Pradip Saikia
4 **Cotton College in the academic session 1964-65**
Principal Nurul Islam
6 **Cotton College Union Society 1964-65 Secretarial Reports**
11 **Results of the Annual Competitions**
15 **News & Notes**

# TAI-AHOM MONARCHY

**Prof. Arun Barua**
Department of History



THE foundation of the Tai-Ahom kingdom in the eastern part of the Brahmaputra valley in 1228 AD marks an historical epoch in the destiny of the peoples of Assam. The emergence of a powerful Assamese people on solid bed-rocks of political unification and cultural integration which the later periods saw was the achievement of the Tai-Ahoms, a branch of the great Tai race of south-east Asia, who ruled the entire valley upto 1826 when Assam passed into the fold of the English East India Company as a result of the Burmese invasions.

As the continuators of Tai-traditions the Ahoms established a monarchical form of government in the Brahmaputra valley, some features of which were traceable to the political organisation of Nan-Chao empire of the Tais which had flourished from 7th to the 13th century AD. Later periods of Ahom rule witnessed a fairly developed form of government adapted to the needs of the times but peculiar to themselves differing in several particulars from that which prevailed throughout India.

The Tai-Ahom monarchy was patriarchal in form. Normally kingship was hereditary in the royal family. In other words, kingship was to be traced to the genealogical connection with the ruling monarch. Such a form of hereditary kingship was in vogue in the Shan States of Burma and of Siam (Thailand).

As a matter of principle, the eldest son succeeds the monarch after his death. The succession to the throne by the eldest son would be only valid in the case of the principal queen's (*Borkonwari's*) son who shall have precedence over all the members of the royal family. The legality of such an inheritance may be set aside if he is found imbecile and incompetent. The eldest son will be then superseded by the younger one. Much however, depends on expressed will of the monarch at the time of selection. But a great departure from the existing rule was noticed in the case of the four sons of Chao Hso-Khrung—Hpa ( Rudra Singha, 1696-1714 ), who became kings one after another, to the utter exclusion of claims in the line of Siva Singha, the eldest son (of Rudra

Singha) following the death-bed injunction of the king. At other times, the sons of the brother next in seniority to the former monarch were entitled to the throne. And under exceptional circumstances, the Chief Nobles of the State exercise their rights in selecting one of the nearest relatives of the late monarch on the basis of personal merit as an heir-apparent to the throne. Distant relatives of the late monarch were also selected. In this respect, the Councillors seemed to exercise a greater latitude of the constitutional procedure of the State.

Succession to the throne from the beginning of Ahom rule to the middle of the seventeenth century was based on the law of primogeniture with a few remarkable exceptions as stated earlier. But from the commencement of the reign of Chao Sulik-Hpa (Lora Raja) i. e. from the latter part of the seventeenth century a novel theory of kingship gained currency in the country. The theory postulated that the king's person being of divine origin must be sacrosanct and free from any mark or blemish. As a logical step to this theory, there ensued a period of terror in which a number of scions of the royal family were mutiliated or deprived of life. Mutiliation of royal princes, as a device was adopted in order to prevent the descendants of former kings from aspiring after the throne. But tradition and a closer examination of chronicles hardly support such a theory as a basis for historical reality previous to the reign of Chao Sulik-Hpa. The Tai-Ahoms, as a fighting people during the early periods of their rule were engaged in warfares with the local tribes and the Muhammedans. The princes themselves commanded their respective forces. It is highly improbable that their persons would be free from injuries. For instance, Chao Hso-Kleng-Mung (Gargayan Raja, 1539–1552), Chao Hso-Kham-Hpa (Khora Raja, 1552–1603) received serious injuries prior to their succession to the throne. Yet another king, Chao Sutin-Hpa (Naria Raja, 1644-1648) was a person of weak health.

There was, however, in Tai-Ahom traditions one essential qualification, no one could be a king unless he were a prince of royal blood. The descendants of Chao Hso-Ka-Hpa, the founder of the Tai-Ahom kingdom in the Brahmaputra valley were only eligible to the throne.

The Tai-Ahom king is known by the appellation *Chao* which means a term of honour. Corresponding to the term *Chao* the Assamese use such terms as ***Swargadev***, ***Swargadeo*** or ***Swarganarayan*** (Lord of Heaven). The Hindus identify Lengdon with Indra (the Lord of Heaven) and hence heavenly. Lengdon was the ruler of the upper kingdom of the Ngai-Lao Shans. The Ahoms, worshippers of Lengdon were a branch of the Ngai-Lao of the sixth century AD. The Ahoms never claim any such divine origin of their kings. They were a vigorous and enterprising race. It was on account of their strong physique, brightness and fairness of colour that when they first appeared in the Brahmaputra valley, they were called by the local tribes as ***Deo-manuh***, meaning born of gods. The Hindu priesthood also used to call the Ahom-dynasty as ***Indravangshi*** and hence heavenly.

The ceremony of installation was performed with solemnity and amidst great rejoice and merriment. For this purpose, two houses were erected known as *Ren-Mai-ho* (Singari-ghar) and ***Ha-Lung*** (Patghar) where important rituals had to be performed by the royal couple in the traditional manner. But at the later periods of the Hinduised Ahom kings some Hindu rites were performed though not to the exclusion of purely traditional ways.

The king in his governance of the country was guided by custom and the ancient Code, which was handed down by Lengdon to his grandsons Khun-Lung and Khun-Lai. The Code was meant to enforce on a society which required the supreme authority of the monarch for the protection of life, property and morality

of the people. The Code further laid great emphasis on justice which should be the guiding principle of the monarch in administering the country. The Code of Lengdon was free from caste privileges. The laws of Lengdon differed fundamentally from the laws of Manu which sanctioned caste privileges within the Hindu society.

For administrative purposes the king was assisted by a body of Councillors, consisting of Chao-Thaolung (Bar-Gohain), Chao Phrangmung (Bura-Gohain), Chao Shenglung (Barpatra-Gohain), Fu-Ke-Lung (Bar-Barua) and Phukan-Lung (Bar-Phukan). In all matters of great importance the king had to take advice from his Councillors.

The king enjoyed a wide range of power. He had the power of appointing and dismissing a Minister at his pleasure, however with the concurrence of other Ministers. Apart from being the supreme commander of the Armed Forces of the State, the king also acted as the Supreme Judge. All cases whether appellate or original had to be referred for king's approval before the final decision was made.

The government of the Tai-Ahoms was a combination of limited monarchy and oligarchy. The monarchy was partly hereditary and partly elective, and the balance of power between the king and the Nobles was judiciously maintained. The existence of the body of the Chief Nobles or Councillors was an effective check to any kind of royal despotism. For, the Councillors had the constitutional right to remove the monarch from his kingly dignity.

Some democratic features of modern governments were also noticed in the Ahom system of government. The *paiks* who constituted the vast multitude of the population of the country had the right of appeal to the higher authority against their officers. They even possessed the right to remove their officers from positions of power. Decentralisation of governmental power was also an important feature of Ahom rule. The king delegated some responsibilities to his Nobles and other officers according to their rank and status.

The Tai-Ahom State was not a theocracy. The Ahom kings never mixed politics with religion. In this sense, their government embraced the concept of secularism as the basis of administration. They were tolerant to all religions.

The entire foundation of the Tai-Ahom monorchy rested on the compulsory labour services of the adult male population designated as *Prai* (Paiks). The structure of the government was represented by many grades of officials. The Ahom government though resembled a feudal hierarchy which was comparable to the government of the Shan States of Burma and of Siam, contained within itself elements of most advanced forms of government.

# The KHAMPTI
## THEIR MUSICAL

The Khamptis numbering about 6000 live in greater number in the Lohit Frontier of NEFA and in smaller number in the North Lakhimpur District in the State of Assam. They migrated to this part of India in different groups and at different times during the years beginning from the middle of the 18th century upto the middle of the last century.

They are a prominent branch of the Great Tai race of the Mongoloid origin. The original home of the Tais was in South China (Yunann) where they had their own kingdom known as *Nanchao*, and this province with Tai-hu as its capital existed in the thirties of the 8th century AD. Later during the 9th century AD or at the time when the kingdom of *Nanchao* was in its glory, number of this race moved down a little further and set up an independent state in the upper valley of the river Salwin. From here, due to the pressure of growing papulation, a good number of them trekked further west-ward and settled in upper Burma and they are the people now known as 'Shan' or 'Tai-yau.' A number of them trekked still further towards the north-west and reached Mung-Khampti or Then-khamp as it was then called, over the valley of the Malkha river lying high up the Burma's Irrawady river. Here they settled after defeating the Kachins (Sing-phos) and other native tribes and after having stayed there for a century, a number of this group who were partly in search of lands suitable for cultivation and who were experiencing an unhappy state of affairs caused by a long standing feud that generally occurred between the two important clans, began to migrate group after group to this north-eastern corner of India accross the Pat-Kai Hills to be known as Khampti later on in this country. They call themselves 'Tai' or 'Tai-Khampti.'

Now, in the Lohit Frontier, live the Khamptis with a small populaton along with their close neighbours—the Mishmis and the Singphos with whom they have a good deal common. While speaking about their major occupations, it is worth-mentioning that the Khampti people are primarily agriculturists. They prefer low lands of river-plains to hill tops, and as such we find them settling in the upper reaches of Lohit Valley on the eastern border of North East Frontier Agency (NEFA) in the Lohit Frontier Division. The Khamptis are Buddhists by religion being the professed adherents of the Hinayana School of Buddhism.

Of late, there has often been a great deal of talks and familiar intercourses about the hidden but mighty civilization of the growing tribals of NEFA. As the present world knows very little about the people and even the place itself, it needs more and more pages for a fuller picture here. Very little is known to the outside world also about their literature and culture. The Khamptis have thousands of manuscripts on religious topics and customary laws. They have even left the teachings of their predecessors to the progeny, written in Khampti scripts. In music and dances, painting and fine arts, folk-tales and songs, the organisation of society and the regulation of body politics also they have a vast and rich store. And down through the ages, the Khamptis have been able to preserve their cultural identity and traditional way of life. Their musical instruments make their life gay and lively, and they enable us to know a good deal about their culture.

It is a task of great difficulty to find out their origin, but it is probable to say that most of the instruments are of their forefathers' creation in the distant past. The following

are the most distinguished musical pieces of which descriptions are made in brief.

The 'Kong-pat', a kind of huge cattle-drum, is made up of one-piece and hollowed wood and covered with leather on both sides. It is an instrument about seven or eight feet in girth and two to three feet in length and the middle of it is slightly bigger in diameter than the both ends. This Kong-pat is played by beating with drum-sticks wrapped with small bundle of cloth and it is the centre-piece of the Khampti orchestra.

The 'Yam-mong' or gong is another musical piece created by the Tai of ancient *Nanchao* (in South China) out of their knowledge of the ancient Lithophone existed in the olden days. Its use for instance,

**Chou Mahala Manpoong**
Ist Year Arts

## ES-
## INSTRUMENTS

is found among the people of Mongoloid stock throughout Asia. It is a disk-like metal-piece whose rim is furned. It is used in marriage parties and as a calling-bell or as a part of the orchestral accompaniment. For the Khamptis, even in this modern age, it has been a prized property and of which the parents are proud to make presentation, in fact dowry, to their daughters at marriages.

The 'Pai-seng' (cymbal) is another musical instrument of basin-like shape. It is made up with brass-plates and when beaten together in pairs against each other produces some piercing sounds or a sharp ringing as if an electric wave in music.

The Khampti orchestra consists of the Kong-pat (drum), sets of Yam-mong (gongs) and sets of Pai-seng (cymbals). There is no fixed number of gongs and cymbals in orchestra, but generally the number of the cymbals does not exceed the number of the former used. This orchestra is used in all the religious and social ceremonies and dramatic performances.

There is also another kind of tom-tom known as 'Kong-toi' with which two performers having one each hanged well-down their necks, perform the 'Tow-kai' i.e. cock-fight dance. A set of two Kong-toi and two or three small cup shaped cymbals make an orchestra to the rhymthmic jinglings and rattling sounds, the young chaps played, perform their various folk-dances on festive occasions. It is also popularly used in dramatic performances.

There are a number of folk-musical instruments which are extremely ancient. The 'Ting-tlow,' a kind of two-stringed fiddle, is one of the most popular musical pieces. It has a handle about 2 to 3 feet long fixed on a bowl of coconut shell, or dry gourd covered with iguanas' or pythons' or newts' skin which serves as sound box. Two strings of span-ends' yarn are stretched over the sound box and tied to the screws fixed at the other end of the fiddle's handle on which a fiddle bow with a string of either human hair or a tuft of horse's tail is slid. It can be played alone or as a viol to accompany the song. Young boys sing all sorts of refreshing folk-songs and even amatory songs, which commonly go un-accompanied by music on it and one can hear the dronings of the Ting-tlow late in the spring's soft moonlit night.

